# নগাঁও ছোৱালী কলেজ

# আলোচনী

## ৰূপালী জয়ন্তী-বৰ্ষ সংখ্যা

Acc. No.
Date

1986–87



সম্পাদনাত —
কবিতাৰাণী দাস

Nowgong Girls' College Library
Acc. No. ২
Date ৭/৫/৮৮
Nowgong (Assam)

নগাঁও

# ছোৱালী কলেজ আলোচনী

নগাঁও ছোৱালী কলেজ পুথিভঁৰাল ... লৈ

আগ বঢ়ালোঁ ।

শ্ৰদ্ধাৰে/প্ৰীতিৰে—
কবিতাৰাণী দাস
৭-৫-৮৮
আলোচনী সম্পাদিকা

অষ্টম প্ৰকাশ ঃ অষ্টম সংখ্যা
১৯৮৬-৮৭ ইং চন

তত্ত্বাৱধায়ক
অধ্যাপক শ্ৰীকৃষ্ণ বৰা

সম্পাদিকা
কবিতাৰাণী দাস

Nowgong Girls' College Library
Acc. No.
Date
Nowgong (Assam)

নগাঁও

# ছোৱালী কলেজ আলোচনী

অষ্টম প্ৰকাশ ঃ অষ্টম সংখ্যা

১৯৮৬-৮৭ ইং চন

তত্ত্বাৱধায়ক
অধ্যাপক শ্ৰীকৃষ্ণ বৰা

সম্পাদিকা
কবিতাৰাণী দাস

NOWGONG
GIRLS'
COLLEGE
MAGAZINE

a collection of Essays, Poems, Short-stories, etc. Published by
B. K. Borah, Principal, N. G. C.
Edited by Kabita Rani Das.
Printed at SUCHANDA PRESS, Nagaon : Assam

সম্পাদনা সমিতি ঃ

* অধ্যক্ষ বিমল কুমাৰ বৰা
* উপাধ্যক্ষা তৰু বৰুৱা
* অধ্যাপক কৃষ্ণ বৰা—তত্বাবধায়ক
* অধ্যাপক যোগেন্দ্রনাৰায়ণ ভুঞা
* অধ্যাপক অপূর্ব শর্মা
* অধ্যাপক প্রভাত বৰা
* অধ্যাপিকা স্বপ্না নেওগ
* অধ্যাপিকা ভানু পদ্মাপতি
* অধ্যাপিকা হিমাদ্রি দেৱী
* কবিতাৰাণী দাস—সম্পাদিকা
* প্রীতিদেৱী— সদস্যা

বেটুপাতৰ শিল্পী—
স্মিতা আগৰৱালা


মুদ্রন ঃ
সুছন্দা প্রেছ, নগাঁও ঃ অসম

## উছর্গা

প্রথিতযশা সাহিত্যিক ত্রৈলোক্যনাথ গোস্বামী
আৰু
লোকশিল্পী হেমাংগ বিশ্বাসৰ
পবিত্র সোঁৱৰণত—

অশ্রুৰে অঞ্জলি যঁাচিলো এইসকলৰ
বিদেহী স্মৃতিত—

আব্দুছ ছাত্তাৰ, সুৰেন্দ্র নাথ দাস, নলিনী কুমাৰ চৌধুৰী, বিশ্ব গোস্বামী, ৰামচন্দ্ৰ দাস, হৰেন্দ্ৰ নাথ দাস, মহাদেৱী বাৰ্মা, কিশোৰ কুমাৰ, চৰণ সিং, কমল শৰ্মা, আখতাৰ খান, আৰ, জি, ৰামচন্দ্ৰন, সীমান্তগান্ধী খান আব্দুল গফুৰখান আৰু আমাৰ কলেজৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী লিপিকা ঘোষ ॥



কলেজৰ নৱনিৰ্মিত ছহীদ বেদী

# ॥ আশিস্ বাণী ॥

নগাঁও ছোৱালী কলেজে সিদিনা মাত্র ৰূপালী-জয়ন্তী উদ্‌যাপন কৰিলে, সেয়ে এই অনুষ্ঠানটি একপ্ৰকাৰ চালুকীয়া অৱস্থাতে থকা বুলি ধৰিব পাৰি। যদিও পিতৃ-মাতৃৰ মানত ল'ৰা-ছোৱালীক নিচেই সৰু বুলি ধৰা হয়, তথাপি বয়স অনুপাতে ২৫ বছৰ পাৰ কৰাও কম কথা নহয়। সেয়ে মই ভাবোঁ—বয়স অনুপাতে আৰু কিছু হয়তো আগবাঢ়িব পাৰিলেহেঁতেন যদিহে আৰ্থিক অনাটনৰ গ্ৰাসত ডুব নগ'লহেঁতেন। এই জৰাজীৰ্ণ পয়ালগা অৱস্থাৰ পৰা এইখিনি উন্নতিৰ মুখ যে দেখা পাইছোঁ অধ্যাপক-অধ্যাপিকাসকলৰ আপ্ৰাণ চেষ্টাৰ ফলতহে।

ছাত্ৰীসকলৰ উদ্যম শলাগিব লাগিব। তেওঁলোকে এনেকৈ উৎসাহেৰে যদি আলোচনীখন বিভিন্ন প্ৰৱন্ধ-পাতিৰে সজাই তোলে, তেনেহ'লে সেইখন আলোচনী জাকত-জিলিকা নহৈ নোৱাৰে।

নিজৰ অধ্যৱসায় যেনেকৈ লাগে, তেনেকৈ তেওঁলোকৰ পৰিশ্ৰমৰো প্ৰয়োজন। আশীৰ্ব্বাদ কৰিছোঁ তেওঁলোকে অধ্যৱসায় আৰু পৰিশ্ৰমৰ দ্বাৰা যাতে সকলো দিশতে আগবাঢ়ি যাব পাৰে। ত্যাগ আৰু পৰিশ্ৰমৰ ফলতহে মানুহে উন্নতিৰ জখলাত আগবাঢ়ি যাব পাৰে। ছাত্ৰীসকলৰ পৰিশ্ৰম সাৰ্থক হওক। আলোচনীখন সৰ্বাঙ্গ-সুন্দৰ হওক—এয়ে মোৰ কামনা। ইয়াকে মই আশীৰ্বাদ কৰিছোঁ।

**শ্ৰীমহেশ চন্দ্ৰ দেৱগোস্বামী**
প্ৰতিষ্ঠাপক আৰু প্ৰাক্তন অধ্যক্ষ

# সূচীপত্ৰ ঃ


- সম্পাদকীয়
- তত্ত্বৱধায়কৰ একাষাৰ

**প্ৰৱন্ধ ঃ** সাহিত্যৰ প্ৰসঙ্গত ॥ ১॥ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ০ স্বপ্না বাসৱদত্তম্ ঃ এটি সমীক্ষা ॥ ২ ॥ শ্ৰীঅদিতি ভূঞা ০ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামী ॥ ৮ ॥ শ্ৰীকবিতাৰাণী দাস ০ ৰঘুনাথ চৌধাৰীৰ কবিতাত ফুল ॥ ১১ ॥ শ্ৰীৰীতা হাজৰিকা ০ সাহিত্যৰ বিষয়ে যৎকিঞ্চিৎ ॥ ১৫ ॥ অধ্যাপক ইদ্ৰিছ আলি ০ কবীৰ ঃ ক্ৰান্তিকাৰী কবি ॥ ১৮ ॥ অধ্যাপক দীলিপ মেধি ০ ঘূৰি ঘূৰি আহিছো উভতি ॥ ২৪ ॥ শ্ৰীভনীতা দেৱী ০ উনবিংশ শতিকাৰ অসমত স্ত্ৰী-শিক্ষাৰ পটভূমি ॥ ২৮ ॥ শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা ০ অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন আৰু নগাঁও বালিকা মহাবিদ্যালয় ॥ ৩৭ ॥ দীপিকা লস্কৰ ০

**কবিতা ঃ** তছবিৰ ॥ ৪১ ॥ ড° লীলাৱতী শইকীয়া বৰা ০ নাৰী যুগে যুগে ॥ ৪২ ॥ অধ্যাপিকা হিমাদ্ৰি দেৱী ০ বাৰখন কোবাল নৈক স্বাগতম্ জনাই ॥ ৪৩ ॥ ০ শ্ৰীকবিতা ৰাণী দাস ০ মই অহৰহ নদীৰ দৰে চিৰপ্ৰবাহমান ॥ ৪৪ ॥ শ্ৰীমণিকুন্তলা ভট্টাচাৰ্য ০ কাৰাগাৰ ॥ ৪৫ ॥ শ্ৰীদীপা বৰা ০ সমৰ ক্ষেত্ৰৰ মৃত্যু মহান ॥ ৪৬ ॥ শ্ৰীতুলিকা শইকীয়া ০ কবিতা ॥ ৪৭ ॥ শ্ৰীঅৱন্তী বৰা ০ উপলব্ধিত ভৱিষ্যত ॥ ৪৮ ॥ শ্ৰীমিনুবালা দাস ০ বিচুৰিয়াচ ॥ ৪৯ ॥ শ্ৰীবুমী লস্কৰ ০ বৃপ কনোঁৱাৰৰ স্মৃতিত ॥ ৫০ ॥ শ্ৰীপদ্মাৱতী দাস ০ গীত ॥ ৫১ ॥ শ্ৰীৰীতা বৰা ০ মোৰ নাম দি ॥ ৫২ ॥ শ্ৰীঅনিতা বৰা ০

**গল্প ঃ** আকাশী প্ৰেম । ৫৩ ॥ শ্ৰীমণিকুন্তলা ভট্টাচাৰ্য (ফুকন) ০ আন্তৰিকতাৰ শিখা ॥ ৫৬ ॥ শ্ৰীমঞ্জু মহন্ত ০ মৰম ভিক্ষাৰী ॥ ৬৫ ॥ শ্ৰীবৰ্বিতা বৰুৱা ০ ভায়লিনৱালা ॥ ৭০ ॥ শ্ৰীতুলিকা শইকীয়া ০ মন মযুৰীৰ বেদনা ॥ ৭৪ ॥ শ্ৰীজোনমণি বৰুৱা ০ ভ্ৰান্তি ॥ ৮০ ॥ শ্ৰীগীতিমণি ডেকা ০


**সাক্ষাৎকাৰৰ বিশেষ শিতানত ঃ** গল্পকাৰৰ চোতালত এখন্তেক ॥ ৮৪ ॥
ইমান ধুনীয়া মুকুতাৰ মালা .. ॥ ৯৪ ॥

সধাৰণ সম্পাদিকাৰ প্ৰতিবেদনসমূহ... ০

ENGLISH SECTION

The Nuclear Arena ॥ 1 ॥ JONALI SARMA
Human Resource Management
—A way for all Development ॥ 4 ॥ A. K. SARMA
Remember the ...... ॥ 7 ॥ Anita Borah
Think as act ॥ 8 ॥ Malalbika Das.

# সম্পাদনা সমিতি



বাওঁফালৰ পৰা (বহি) —অধ্যাপক যোগেন্দ্র নাৰায়ণ ভূঞা, অধ্যাপিকা হিমাদ্রি দেৱী, অধ্যক্ষ বিমল কুমাৰ বৰা, অধ্যাপক কৃষ্ণ বৰা আৰু অধ্যাপক প্ৰভাত বৰা।

" " থিয় হৈ—কবিতাৰাণী দাস (আলোচনী সম্পাদিকা) প্ৰীতি দেৱী (সদস্যা)

ফটোত অনুপস্থিত —উপাধ্যক্ষা তৰু বৰুৱা, অধ্যাপিকা ভানু পদ্মাপতী আৰু অধ্যাপিকা স্বপ্না নেওগ।

## ছাত্ৰী একতা সভা—(১৯৮৬-৮৭)



ৰাওঁফালৰ পৰা (বহি)—অধ্যাপক কৃষ্ণ বৰা (আলোচনী তত্বাৱধায়ক), অধ্যক্ষ বিমল কুমাৰ বৰা।
" " (থিয় হৈ)—মুক্তা ভট্টাচাৰ্য (সহঃ সাংস্কৃতিক সম্পাদিকা), প্ৰীতি দেৱী (সাধাৰণ সম্পাদিকা), কবিতাৰাণী দাস (আলোচনী সম্পাদিকা), ৰীতা বৰা (সঙ্গীত সম্পাদিকা), কবিতা ভূঞা (সমাজ সেৱা সম্পাদিকা), ৰবীতা বৰুৱা (শ্ৰেণী প্ৰতিনিধি), অৱন্তী বৰা (ক্ৰীড়া সম্পাদিকা) আৰু পদ্মাৱতী দাস (সাংস্কৃতিক সম্পাদিকা)।

অনুপস্থিত—অদিতি ভূঞা (উপ-সভানেত্ৰী), ইন্দ্ৰাণী দাস (তৰ্ক আৰু নাটক), প্ৰণতি বৰা (ছাত্ৰী জিৰণি কোঠা), জ্যোতিকা কাকতি (দুখীয়া সাহায্য নিধি), আৰু বৈজয়ন্তী শইকীয়া (সহঃ ক্ৰীড়া সম্পাদিকা), অধ্যাপক মহেন্দ্ৰ নাথ শইকীয়া (সাংস্কৃতিক তত্বাৱধায়ক) ইদ্ৰিছ আলী (তত্বাৱধায়ক সঙ্গীত), ভূপেন তালুকদাৰ (তত্বাৱধায়ক ক্ৰীড়া), জয়ধন দাস (তত্বাৱধায়ক সমাজ সেৱা), অপূৰ্ব শৰ্মা (তত্বাৱধায়ক তৰ্ক আৰু নাটক)

# সম্পাদকীয়

কুৰি শতিকাৰ শেষ ভাগত অসমীয়া সমাজখনৰ ভিতৰলৈ দৃষ্টি নিক্ষেপ কৰিলে আমাৰ মন আশাৰ পৰিবৰ্তে হতাশাৰে ভৰি পৰে। সমাজখনলৈ আহি পৰা কিছুমান আত্মধ্বংসী পৰিবৰ্তনে আমাৰ মনক সততে উদ্বিগ্ন কৰি তোলে। ভুৱা আভিজাত্যবোধ, শিক্ষাৰ অভিমান আৰু তথাকথিত আধুনিকতাৰ ছাপে সমাজখনক কৰ্কট ৰোগৰ দৰে খুলি খুলি খাবলৈ আৰম্ভ কৰিছে। এক ৰুগ্ন মানসিকতা গঢ়ি উঠিছে গাওঁ-নগৰ উভয় সমাজতে। এই ৰুগ্ন মানসিকতাকে সাৰটি আমি আগুৱাই গৈছোঁ একবিংশ শতিকাক আদৰিবলৈ।

"ৰূপান্তৰেহে জগত ধুনীয়া কৰে"—ৰূপকোঁৱৰৰ সেই অমেয় বাণীৰ বিকৃত অৰ্থ কৰি ৰূপান্তৰৰ নামত কিছুমান সস্তীয়া উপকৰণক আমি সমাজ জীৱনত ঠাই দিছোঁ। এটা বদ্ধমূল ভুল ধাৰণা আমাৰ মনত গঢ়ি উঠিছে—ৰূপান্তৰ মানে যেন শেহতীয়া ডিজাইনৰ সাজ-পোছাক গ্ৰহণ, নতুন প্ৰসাধন সামগ্ৰীৰ ব্যৱহাৰ আৰু চাল-চলনৰ নতুন ভংগিমা। সৌন্দৰ্যৰ পূজাৰী মানুহে সৌন্দৰ্য চৰ্চাৰ বাবে এইবোৰ গ্ৰহণ কৰাটো বাঞ্ছনীয়। কিন্তু আমি দেখিবলৈ পাইছোঁ সৌন্দৰ্য চৰ্চাৰ নামত ৰুচিবোধৰ চৰম বিপৰ্যয়। জাতীয় সাজ-পাৰৰ প্ৰতি থকা চৰম উদাসীনতাৰ কথা নকলোঁৱেইবা। শেহতীয়া ডিজাইনৰ সাজ-পাৰেৰে সজ্জিত হৈ নিজকে আধুনিক বুলি দাবী কৰা সকল প্ৰকৃতাৰ্থত কিমান দূৰ আধুনিক মন একোটাৰ গৰাকী হ'ব পাৰিছে সেইটোহে বিচাৰ্য।

বিশ্বৰ চুকে-কোণে থকা যুৱক-সমাজক ক্ষয়ংকাৰী ভৱিষ্যতৰ পিনে আগুৱাই নিয়া মৃত্যুদূত সদৃশ ড্ৰাগছবোৰে অসমৰ যুৱ-সমাজকো স্পৰ্শ কৰা ঘটনাই সচেতন মহলক বিব্ৰত কৰি তুলিছে। ড্ৰাগছ ব্যৱহাৰ কৰি বহু যুৱক-যুৱতী ধ্বংসৰ মুখলৈ গতি কৰিছে। কোনোবাই অপত্য স্নেহৰ পৰা বঞ্চিত হৈ, কোনোবাই জীৱনৰ ব্যৰ্থতাত হতাশ হৈ নিঃসংগ জীৱনৰ পৰা পলাব খোজে নিচাৰ সাম্ৰাজ্যত বিচৰণ কৰি। এই ভয়ংকৰ ড্ৰাগছবোৰে যুৱ সমাজক ভীৰু, ৰুগীয়া আৰু পলায়নবাদী মানসিকতাৰে গঢ়ি তোলাৰ লগে লগে ভাৱীকালৰ সমাজখনৰ বাবেও প্ৰত্যাহ্বান ৰূপে থিয় দিছে। এক বিকৃত মানসিকতা আৰু দুৰ্বল স্বাস্থ্যৰে ভাৱীকালৰ সমাজ গঢ়োতাসকল। পলে পলে মৃত্যুৰ ওচৰলৈ আগুৱাই গৈছে—যি মৃত্যুত আছে গ্লানি আৰু ভীৰুতা।

মানৱীয় নৈতিক প্ৰমূল্যৰ চৰম অৱনতি ঘটিছে সমাজ জীৱনত। নীচ ব্যক্তিস্বাৰ্থ পূৰণৰ বাবে, প্ৰতিহিংসা চৰিতাৰ্থ কৰিবৰ বাবে নাৰীক যুগে যুগে লাঞ্চিতা কৰা হৈছে। আজিও মনুৰ বাণী অন্ধভাৱে সমাজ জীৱনত ৰক্ষিত হৈছে—নাৰী কেৱল পুৰুষৰ উপভোগৰহে সামগ্ৰী। নাৰীসত্বাৰ সৌন্দৰ্য আৰু মহত্ব উপলব্ধি কৰিব নোৱাৰাৰ বাবেই নাৰীহত্যা, নাৰীধৰ্ষণৰ মাত্ৰা বাঢ়ি আহিছে। নাৰী-হত্যা বা নাৰী-ধৰ্ষণত লিপ্ত পুৰুষৰ পৈশাচিক উল্লাসত থাকে পুৰুষত্বৰ চৰম অপমান। আশ্চৰ্যজনক কথা নাৰী-হত্যাকাৰী, নাৰী-ধৰ্ষণকাৰী সমাজত বুকু ফিন্দাই ঘূৰি ফুৰিলেও 'প্ৰগতিশীল' বুলি দাবী কৰা গৰিষ্ঠ-সংখ্যক নীৰৱে থাকে।

নাৰীক এতিয়াও পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰি থকা হৈছে। বিয়াৰ বজাৰত যৌতুকৰ তুলাচনীৰে আজিও নাৰীক জোখা হয়। বিজ্ঞাপনৰ আহিলা স্বৰূপে নাৰীদেহৰ নগ্নতাক ব্যৱহাৰ কৰি সভ্যতাৰ উচ্চ শিখৰত আৰোহণ কৰা চামে বাঃ বাঃ লয়। সূক্ষ্মভাৱে চালে দেখা যায় কিছুমান উঠি অহা যুৱকৰ বিকৃত

মানসিকতা গঢ় দিয়াত বিজ্ঞাপন বা চিনেমাৰ নগ্ন-অৰ্দ্ধনগ্ন নাৰীদেহে বহুখিনি প্ৰেৰণা (!) যোগায়। নাৰীৰ প্ৰতি উপজিব লগা শ্ৰদ্ধাৰ পৰিবৰ্ত্তে এইচাম যুৱকৰ মনত ওপজে কেৱল নাৰী দেহৰ প্ৰতি লোলুপ আকৰ্ষণ —যাৰ বাবে এইচাম যুৱকৰ কাষেদি মাতৃ বা ভগ্নী বয়সৰ মহিলা পাৰ হৈ গ'লেও অশ্লীল চিঞৰ আৰু টিট্‌কাৰী শুনি যাব লগা হয়। নিজকে আধুনিকাৰ ৰূপত সজাব বিচৰা কিছুমান যুৱতীৰ শালিনতাহীন বেশ-ভূষাই সভ্যতাৰ আদিম অৱস্থালৈ মনত পেলাই দিয়ে। সমাজখনক বৰ্ঘুমলা সদৃশ এই অপসংস্কৃতিবোৰে পংগু কৰি পেলাইছে।

সমাজ-জীৱনক পংগু কৰা এই সমস্যাবোৰৰ শেষ ক'ত? এই সমস্যাবোৰক গাঁৰিহণা দিলেই জানো সমস্যাৰ সমাধান হ'ব? মানৱীয় সমস্ত শুভ-শক্তিৰে সমাজ-জীৱনক আত্মঘাতী অৱস্থাৰ পৰা উদ্ধাৰ কৰাৰ দায়িত্ব যুৱসমাজৰে অধিক নহয় জানো? এদিন এই যুৱসমাজেই হ'ব এখন নতুন সমাজৰ স্ৰষ্টা। একবিংশ শতিকাক দান দিব পৰাকৈ এখন সুস্থ—সবল সমাজ আজিৰ যুৱসমাজতেই গঢ়িব লাগিব। উনবিংশ শতিকাৰ শেহছোৱাত অসমীয়া জাতীয় জীৱনত হোৱা বৌদ্ধিক-সাংস্কৃতিক জাগৰণৰ সেই অংকুৰেই বিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্য আৰু শিক্ষা-সংস্কৃতিৰ মহীৰূহ। এই শতিকাৰ শেহ প্ৰান্তত উপস্থিত হোৱা আমি এনে কিবা কৰিছোনে যি একবিংশ শতিকাৰ উত্তৰ-পুৰুষৰ বাবে পথ-নিৰ্দেশক বা প্ৰেৰণাৰ উৎস হ'ব? কলেজ-বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লোৱাতেই আমাৰ শিক্ষাৰ লক্ষ্য সীমিত কৰিলে যুৱশক্তিৰ চৰম অপচয়ৰ বাহিৰে আন একো নহয়। শিক্ষাৰ আলোক-উজ্জ্বল চোতালত আমি আমাৰ ঐতিহ্য-চেতনাক জগাব লাগিব। বাহিৰৰ ভালখিনিক গ্ৰহণ কৰাৰ লগতে নিজৰ ভালখিনিকো চিনিব লাগিব—শ্ৰদ্ধা কৰিব লাগিব। দিয়া-লোৱাৰ মাজেৰে গঢ়িব লাগিব সমন্বয়ৰ সমাজ। য'ত নাথাকিব পলায়নবাদী ভীৰু মানসিকতা, নাৰীকিব ব-হেৰা মনোভাৱ আৰু নৈতিকতাৰ চৰম অপমান।

**কিছু ব্যক্তিগত:** সম্পাদনাৰ কামটো সাধাৰণতেই জটিল কাম। আমাৰ ছোৱালী কলেজৰ আলোচনী সম্পাদনাৰ ক্ষেত্ৰত লাভ কৰা তিতা-কেঁহা অভিজ্ঞতাবোৰে মোক বাৰুকৈয়ে হতাশ কৰি তুলিছিল। আলোচনীখনক যে পোহৰলৈ আনিব পাৰিম বহুদিনলৈ মই ভাবিবই পৰা নাছিলোঁ। মনটোক ভাগি পৰিবলৈ নিদি আলোচনীখন প্ৰকাশ কৰাত দৃঢ় মনোভাৱ লৈ কামত আগ বাঢ়িলোঁ। যত্নৰ ত্ৰুটী কৰা নাছিলো যদিও মোৰ মনঃপুত আলোচনী এখন ছাত্ৰীসকলক উপহাৰ দিব নোৱাৰিলোঁ। মই আশা কৰোঁ ছাত্ৰীসকলে সম্পাদিকাৰ লগত ভৱিষ্যতে আশানুৰূপ সহযোগৰ হাত আগবঢ়াই আলোচনীখনৰ পৰৱৰ্তী সংখ্যাবোৰ সৰ্বাংগসুন্দৰ কৰি তোলাত নিজৰ বৰঙণি যোগাব। আলোচনীখনৰ সম্পাদনাৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শৰে উপকৃত কৰাৰ বাবে অধ্যাপক যোগেন্দ্ৰ নাৰায়ণ ভূঞা, অধ্যাপক কৃষ্ণ বৰা, অধ্যাপক তিলকচন্দ্ৰ মজুমদাৰ, অধ্যাপিকা হিমাদ্ৰি দেৱী আৰু অধ্যক্ষ মহোদয়ৰ ওচৰত মই কৃতজ্ঞ। ছাত্ৰীবান্ধৱী অদিতি, ৰীতা, প্ৰীতি, সৰুলতা, মুক্তা আৰু পদ্মাই সহায় আগবঢ়োৱাত তেওঁলোকৰ ওচৰতো মই কৃতজ্ঞ।

জয়তু নগাঁও ছোৱালী কলেজ আলোচনী। *

—কবিতাৰাণী দাস

# তত্ত্বাৱধায়কৰ একাষাৰ:

নগাঁও ছোৱালী কলেজ আলোচনীৰ তত্ত্বাৱধায়ক ৰূপে অধ্যক্ষ মহোদয়ে মনোনীত কৰি দিয়াৰ পাছত আলোচনীৰ বাবে বিভিন্ন প্ৰবন্ধ-পাতি আলোচনী সম্পাদিকাই ছাত্ৰীৰ পৰা কেনেকৈ সংগ্ৰহ কৰিব লাগে তাৰ বিধান দিয়াৰ পৰা আলোচনীৰ বাবে ছাত্ৰীৰ লেখাখিনি বাছনি কৰি আলোচনীখন ছপাখানাত দি ছাত্ৰীসকলৰ হাতত তুলি দিয়ালৈকে তত্ত্বাৱধানৰ দিশত লাভ কৰা অভিজ্ঞতাৰ কিছু কথা নকলে যেন নহয় এনে এটা ভাব মনলৈ আহিছে। কলেজ আলোচনী হিচাবে ই কিছু মানদণ্ড বিশিষ্ট সাহিত্য-গন্ধী আলোচনীয়েই হ'ব লাগে। কিন্তু পঢ়ুৱৈয়ে পঢ়ি উঠি ইয়াত সাহিত্য-আস্বাদন কৰিবলৈ পায়নে নেপায় সেই কথা থাটাংকৈ কোৱা টান। সাহিত্যৰ পোছাকত থকা প্ৰবন্ধ, গল্প, কবিতাৰ সংখ্যা নিচেই অলপীয়া। কোনোৱে প্ৰশ্ন কৰিব পাৰে যে যিবোৰ লেখনি ৰসগ্ৰাহী পঢ়ুৱৈয়ে পঢ়ি তাত একোৱেই নেপায় তেনেহলে বৃহৎ পৰিমাণৰ ধন ভাঙি আলোচনীখন উলিওৱা হৈছে কিয়? ইয়াৰ উত্তৰ পোনপটীয়া। মানদণ্ড-বিশিষ্ট আৰু মানদণ্ড বিহীন কিছুমান গল্প, প্ৰবন্ধ, কবিতা আদিৰেই শিক্ষানুষ্ঠানসমূহৰ পৰা বছেৰেকীয়া ভিত্তিত একোখন আলোচনী প্ৰকাশ হ'ব লাগে ই সাধাৰণ ৰীতি। কিয়নো আলোচনী এখন একোটা নিৰ্দ্দিষ্ট অনুষ্ঠানৰ মুখপত্ৰ, ন-লেখক-লেখিকাৰ মনৰ দাপোণ। আমাৰ কলেজ আলোচনীত ইয়াৰ ব্যতিক্ৰম নহয়। ইয়াৰ মাজেদি পঢ়ুৱৈয়ে যুৱমানসিকতাৰ ভাব, চিন্তা, আদৰ্শ, কাৰ্য্য আৰু অধ্যয়নৰ পৰিধিৰ উৰ্দ্ধ আৰু অধঃগতি সম্পৰ্কে অনুধাৱন কৰিবলৈ সহজ হৈ পৰে। আমাৰ আলোচনীলৈ ছাত্ৰীসকলে যিবোৰ লেখনি আগবঢ়ায় তাৰ ভিতৰত বহুখিনি নাকচ হয়, কিছুমানত হাত ফুৰাই আলোচনীত তোলা হয়। ইয়াৰ জৰিয়তে এইটো কব খোজা নাই যে আলোচনীত উঠাখিনিয়েই বৰ মুখৰোচক হৈছে। আলোচনীত উঠা আৰু নুঠা দুয়োবিধ লেখনিৰ বাবেই হতাশ হ'ব লগা অৱস্থা হৈছে। ছাত্ৰীসকলে যে একো পঢ়া-শুনা নকৰে লেখনিসমূহে তাৰে সাক্ষ্য দাঙি ধৰে। আলোচনীখনলৈ কিবা এটা লিখি যুগুত কৰি দিয়া মানেই এটা অধ্যয়নপুষ্ট মনৰ অধিকাৰী হোৱা। আলোচনী এখনৰ প্ৰধান ভূমিকাই হৈছে লেখক-লেখিকাসকলক অধ্যয়ন কৰিবলৈ শিকোৱা। কিন্তু আলোচনী সম্পাদিকাই বহুবাৰ জাননী দি দি সংগ্ৰহ কৰা লেখনিসমূহ অন্ততঃ এইবছৰ পোৱাখিনিৰ আধাতকৈ বেছি লেখনি বৈচিত্ৰ্য-বৰ্জ্জিত — বিষয়, ভাৱ, ভাষা, কল্পনা, ৰস, অলঙ্কাৰ সকলোতে। বহুতো লেখিকাই অসমীয়া যুক্তাক্ষৰ আৰু আখৰ জোঁটনিৰ আকৃতিকে পাহৰি গৈছে! চকুত পৰা তেনে কেইটামান দৃষ্টান্ত স্বৰূপে দাঙি ধৰা হ'ল। যেনে—

| শুদ্ধৰূপ | লেখিকাই লেখিছে |
| --- | --- |
| শত্ৰু | শক্ৰ |
| ত্ৰুটী | ক্ৰুটী |
| বাহ্য | বাজ্য |
| বাঞ্ছা | বাঞ্চা |
| মুহূৰ্ত্ত | মুহূৰ্ত্ত |
| আজ্ঞা | আঞ্জা |
| বিজ্ঞ | বিজ্ঞ |
| হৃদয় | হৃদয় |
| সম্পৰ্ক | সম্প'ক |

ছাপাখানালৈ পঠোৱা লেখাখিনি যে শুদ্ধ বানানত লিখি পঠাব লাগে সেই কথা লেখিকা-সকলে পাহৰি যেনে-তেনে পাল মাৰি আখৰ জোঁট-নিৰ আভিধানিক আৰু বাক্য গঠনৰ বৈয়াকৰণিক ক্ৰম ভঙ্গ কৰি লেখনিসমূহ আলোচনীত তুলিবলৈ পঠাই দিয়া হৈছে। অলপ মনোযোগ দি লিখি পঠোৱাখিনিৰে এনে অৱস্থা, পৰীক্ষাৰ বহীত লিখি থৈ অহাখিনিৰ অৱস্থা কি হ'ব পাৰে ইয়াৰ পৰাই অনুমান কৰিব পাৰি। সেইবাবেই বোধহয় শেহাস্ত পৰীক্ষাবোৰত অকৃতকাৰ্য্যতাৰ হাৰ আগতকৈ বৃদ্ধি পোৱাৰ ইও অন্যতম কাৰণ। বিষয়ৰ ওপৰত দখল নথকাৰ বাবেই বিষয়-বাছনি একঘেয়ে আৰু তৰাং হৈছে। এইসকল লেখিকাৰ লেখনিত মানুহৰ জীৱ-নৰ, মানুহৰ অন্তৰৰ প্ৰেম-প্ৰীতি, বিৰহ-মিলন, সুখ-দুখ, হাঁহি-কান্দোনৰ কোনো সঁচা খবৰ পাবলৈ নাই। এওঁলোকৰ লেখনিত সামন্তবাদী—পুঁজিপতিৰ জীৱনৰ কথাও নাই, শ্ৰমিক-বনুৱা অবু দাৰিদ্ৰ্যগ্ৰস্ত জনতাৰ মনৰ কথাও নাই। নগৰীয়া জীৱনৰ জীৱনালেখ্যও নাই, গ্ৰাম্য জীৱনৰ চহা জীৱনধাৰাৰ কথাও নাই। সাহিত্যৰ আলম মানুহৰ জীৱন। এওঁলোকৰ লেখনি তাৰে সামান্য ইঙ্গিতবাহক হোৱা হ'লেও বৰ সুখৰ কথা হ'লহেঁতেন। নাইবা নিজৰ যুৱসমাজৰ বিভিন্ন সমস্যা, নিজৰ মনৰ খবৰ, তেওঁলোকৰ ওপৰত পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ, বস্তুবাদী সমাজৰ লাহ-বিলা-হৰ উপকৰণৰ প্ৰতি তেওঁলোকৰ ৰুচি-অভিৰুচি, শিক্ষিত নিবনুৱা সমস্যাৰ কৰাল মূৰ্ত্তিৰ প্ৰতি তেওঁ-লোকৰ দৃষ্টি আদি অনেক কথাৰে যুৱ-মানসিকতাৰ চিত্ৰকে তেওঁলোকে লিখি প্ৰকাশ কৰাৰ স্থল আছিল। ভৱিষ্যতে উক্ত কথাখিনি ছাত্ৰীসকলে পাথেয় বুলি ধৰি ললে নিশ্চয় উপকৃত হ'ব।

বিশ্বৰ বৰেণ্য সাহিত্যিকসকলৰ আৰম্ভণিতে সাহিত্যৰ কৃষিক্ষেত্ৰ আছিল স্কুল-কলেজৰ আলোচনীখনেই। কোনে জানে আমাৰ কলেজৰ এই কৃষিক্ষেত্ৰৰ পৰাও ভাবী মনীষাৰ উদ্ভৱ নহ'ব? ড° ভবেন্দ্ৰ নাথ শইকীয়াই 'প্ৰান্তিক'ৰ শেষ পৃষ্ঠাত কৈছে : যি সকল গল্প লিখাত প্ৰবৃত্ত হৈছে তেওঁলোকে নিজৰ ভাষাৰ আৰু প্ৰতিবেশী বঙলা, হিন্দী ভাষাৰ শ্ৰেষ্ঠ গল্প লেখক-সকলৰ গল্পখিনি ভালদৰে পঢ়িব লাগে। প্ৰথিত-যশা সকলো সাহিত্যিকেই নিজৰ ভাষাটো কথাই নাই, আন আন ভাষাৰো উৎকৃষ্ট লেখনি গল্প, উপন্যাস, কবিতা, নাটক আৰু প্ৰবন্ধসমূহ অতি যত্নেৰে পঢ়ে। কোনোৱে কোনোবাজনক তেওঁৰ সাহিত্য কৰ্মৰ আদৰ্শ হিচাপেই গ্ৰহণ কৰে। গতিকে আমাৰ ছাত্ৰী লেখিকাসকলেও অন্ততঃ আমাৰ ভাষাৰ শ্ৰেষ্ঠ লেখকসকলৰ উৎকৃষ্ট লেখনিসমূহ যত্ন সহকাৰে অধ্যয়ন কৰিব লাগে। সাহিত্যৰথী বেজবৰুৱাৰ স্মৃতিসভা এখনত এগৰাকী মহিলা বক্তাই এই বুলি কৈছিল যে বেজবৰুৱাদেৱৰ সাহিত্যৰাজি পঢ়াৰ পিছত পঢ়ুৱৈয়ে এনে এটা অনুপ্ৰেৰণা লাভ কৰে— যাৰ বলতে তেওঁ হাতত কলম তুলি লিখিবলৈ বাধ্য হয়। অগ্ৰজ লিখক-সাহিত্যিকৰ লেখনি যে অনুজসকলে অনুধাবন কৰে, মহাপুৰুষ শঙ্কৰদেৱেও তেখেতৰ ৰচিত উত্তৰাকাণ্ড ৰামায়ণত 'পূৰ্ব-কবি অপ্ৰমাদী মাধৱ কন্দলী আদি'ৰ কথা স্বীকাৰ কৰি গৈছে। এনে উদাহৰণ আৰু বহুত দাঙি ধৰিব পাৰি।

আলোচনীয়েই হওক বা গ্ৰন্থই হওক, বেটুপাতটো চকুত লগা আৰু অৰ্থব্যঞ্জক হ'ব লাগে। আমাৰ আলোচনীৰ বাবে দুই এগৰাকীৰ বাদে বেটুপাত অঙ্কনৰ শিল্পী নাই, ছাত্ৰসকলে সাধনা নকৰে। আলোচনী সম্পাদিকাই প্ৰবন্ধ-পাতিৰ লগতে বেটুপাতৰ বাবে



সমানেই তাগিদা দিব লগা হৈছে। কলেজৰ ১৫/১৬ শ ছোৱালীৰ মাজত এইবোৰ অভাৱৰ বাবে সময়মতে আলোচনীখনি উলিয়াব নোৱাৰাটো জানো ফ'াই উঠা কথা নহয়? আলোচনীখন ছাত্ৰীসকলৰে হ'লেও আমাৰ সহকৰ্মী দুই তিনিজন বন্ধুৱে সম্পাদিকাৰ অনুৰোধ ক্ৰমে তেখেতসকলৰ লেখনি কলেজ আলো-চনীলৈ আগবঢ়াই ছাত্ৰীসকলক উৎসাহিত কৰিছে। সহকৰ্মীৰ আৰু বহুকেইজনে ইচ্ছা কৰা হ'লে লেখনিৰে ছাত্ৰীসকলক উৎসাহিত কৰিব পাৰিলেহেঁতেন। আলো-চনী এখনত বিভিন্ন প্ৰকাৰৰ ফটো প্ৰকাশ হলে ছাত্ৰীসকলে বৰ স্ফূৰ্ত্তি পায়। কলেজৰ চাৰ-বাইদেউ-সকলৰ সমূহীয়া ফটো এক'পি আলোচনীত দিবলৈ পালে সম্পাদিকাই আনন্দ পায়। সহকৰ্মী বন্ধু-বান্ধবী-সকলে এই বিষয়ত সহঁাৰি দি আলোচনী সম্পাদিকাক উৎসাহিত কৰিলে ভাল হয়।

আলোচনীত সংযোগ কৰা ইংৰাজী খণ্ডটোৰ (English section) কৃশতা দেখি পুতৌ লগা অৱস্থা, মাথোন আঠোটা পৃষ্ঠা। এই অভাৱ পৰৱৰ্ত্তী আলোচনীত যাতে নাথাকে তালৈ চকু দিবলৈহে সক-লোৱে মনোযোগ আকৰ্ষণ কৰা হ'ল।

কলেজ আলোচনীখনৰ মানদণ্ড যিয়েই নহওক, এইটো সুখৰ কথা হৈছে যে আলোচনীখন প্ৰতি বছৰে প্ৰকাশিত হৈ আছে। ছাত্ৰীসকলে আলোচনীখনৰ প্ৰকাশ অব্যাহত ৰখাৰ লগতে যাতে আলোচনীখন মানদণ্ড-বিশিষ্ট সাহিত্য কৰ্মৰে পৰিপুষ্ট কৰি সৰ্বাঙ্গ-সুন্দৰ কৰিব পাৰে তাৰ বাবে ভৱিষ্যতে যত্নপৰ হ'ব, ইয়ালে আশা কৰি তত্বাৱধায়কৰ কলম বন্ধ ৰাখিলোঁ।

শ্ৰীকৃষ্ণ বৰা,

তত্বাৱধায়ক ॥

# ৰূপালী জয়ন্তীৰ ৰ'দকাচলিত নগাঁও ছোৱালী কলেজ



# সাহিত্যৰ প্ৰসংগত

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

কৃপাবৰক বেজবৰুৱাৰ মুখানাম বুলি আজিকালি সকলোৱে জনা হ'ল। ভবানন্দ পাঠক নাম লৈ পণ্ডিত বাণীকান্ত কাকতিয়ে বাঁহীত লিখিছিল। 'মৰা-শ' নাম দি শিশু-সাহিত্যিক মহাদেৱ শৰ্মাই লিখিছিল। যদুক যতীন্দ্ৰ দুৱৰা বুলি ধৰিব পাৰি। জ্ঞানদাভিৰাম বৰুৱাই ভাৰতবৰ্ষ নাম লৈ মাজে মাজে প্ৰৱন্ধ লিখিছিল।

Voltaire ভল্‌টেয়াৰ আৰু মেক্‌ছিম গৰ্কিয়ো আচল নাম নহয়, বহুতে নাজানে। লিৱি কেবলো ছদ্মনাম, জৰ্জ ইলিয়ট, বজ্‌ এই দুটাও ওৰণী নাম। গল্প লিখক অ' হেন্‌ৰীও। নুট্‌ হেমচনও ছদ্মনাম।

হাতত একো কাম নাথাকিলে এইবোৰ কথাকে উলিয়াব পাৰি।

ভাৰতৰ স্বৰাজ আন্দোলনৰ নেতা বালগঙ্গাধৰ তিলকে মান্দালয় কাৰাগাৰত দীঘলীয়া নিৰ্বাসনত থাকোঁতেই 'গীতাৰহস্য' বোলা মৌলিক পাণ্ডিত্যপূৰ্ণ গ্ৰন্থ ৰচনা কৰে। নিজৰ মগজৰ পৰা সৰহখিনি কথা লৈছিল, ওচৰত কোনো গ্ৰন্থ-প্ৰত্ৰিকা নাপাইছিল। পেন্সিলেৰে ফটা কাগজত লিখে।

পণ্ডিত জৱাহৰলাল নেহৰুৰ পৃথিবীৰ বুৰঞ্জীও তেনেদৰে কাৰাগাৰত লিখা।

অসমৰ পণ্ডিত কনকচন্দ্ৰ কাব্যতীৰ্থই দুখন উপনিষদৰ ব্যাখ্যা ৰাজনৈতিক বন্দী হৈ জেলত থাকোতে লিখে। লোকপ্ৰিয় বৰদলৈয়ে গীতা প্ৰবচনৰ অনুবাদ কাৰাগাৰত লিখে। নেতা কুলধৰ চলিহাই টলষ্টয়ৰ সাধু কেইটামানৰ ভাঙণি জেলত লিখে।

মাৰ্কপলই (১২৯৮ ইং) মাৰ্কপলৰ ভ্ৰমণ বৃত্তান্ত কাৰাগাৰত লিখি গৈছে। ভল্‌টেয়াৰে তেওঁৰ এখন গ্ৰন্থ, বুনিয়ানে PILGRIMS PROGRESS এনে অৱস্থাত লিখা। হিটলাৰৰ Mein kampf বোলা বিখ্যাত পুথিও ফাটেকৰ ফল। আমেৰিকাৰ গল্প লিখক অ' হেনৰীয়ে টকাৰ বেমেজালি লগাই ফাটেক খোৱা অৱস্থাত বহুত গল্প লিখে। অচ্‌কাৰ ৱাইলড্‌ বোলা ইংৰাজ লেখকো দুৰ্নীতিৰ অপৰাধত ফাটেক খাই থাকোঁতে Ballad of Reading Gaol বোলা কবিতা পুথি ৰচনা কৰে। ৰাণী এলিজাবেথৰ দিনত ছাৰ ৱাল্টাৰ ৰালেই 'পৃথিবীৰ বুৰঞ্জী' কাৰাগাৰৰ ভিতৰতে লিখে।

ছক্ৰেটীচ আৰু অচ্‌কাৰ ৱাইল্ডে গৃহিণীৰ ওপৰত খাইছিল, নিজৰ উপাৰ্জন নাছিল। ছক্ৰেটীচৰ 'আই' গৰাকী বৰ খঙাল আছিল আৰু কথকী স্বামীক এসেকা দিয়ে মাজে মাজে।

মাইকেল এঞ্জেল আৰু কাৰ্লাইল লেবেৰাহতীয়া, বাওঁহাতহে ব্যৱহাৰ কৰিছিল। মাইকেল এঞ্জেল নৱজাগৃতি যুগৰ ইটালীৰ ছনেট লিখকসকলৰ অগ্ৰগণ্য। কাৰ্লাইল মহাৰাণীৰ দিনৰ ইংলণ্ডৰ বুৰঞ্জী লিখক আৰু বিখ্যাত প্ৰবন্ধকাৰ।

কুমাৰী এগ্‌ুজ তেওঁৰ জেইল জীৱনৰ ডায়েৰীৰ বাবে বিখ্যাত। এই জু ছোৱালী জাৰ্মানৰ কাৰাগাৰত বন্দী হৈ পোন্ধৰ বছৰতে মৃত্যু মুখত পৰে।

ইংৰাজ কবি ছাটাৰ্চন ১৭ বছৰত মৰে। তেওঁক "marvellous boy" নাম ৱৰ্ডছৱৰ্থে দি'ছিল।

নেপলিয়ন এজন প্ৰকাশকৰ গুলী খাই মৰে। প্ৰকাশকৰ উদ্ভণ্ডালি অলপ দিনলৈকে পাশ্চাত্যত আছিল। আমাৰ ইয়াত এতিয়াও আছে।

# ভাসৰ স্বপ্নবাসৱদত্তম্ : এটি সমীক্ষা

অদিতি ভুঞা
স্নাতক তৃতীয় বাৰ্ষিক (দিবা)

সংস্কৃত নাট্য সাহিত্যত ভাসৰ ৰচনাৱলী লৈ বহুতো মতানৈক্য আছে যদিও "স্বপ্নবাসৱদত্তম্" নাটকখনিয়ে ভাসৰেই ৰচনা সেই সম্পৰ্কে কাৰো দ্বিমত নাই। কিন্তু "স্বপ্নবাসদত্তম্"ত দেখা পোৱা নাট্য-বৈশিষ্ট্য সেই সময়ৰ অন্য বাৰখন নাটকতো দেখা পোৱা বাবে সেই বাৰখন নাটককো ভাসৰেই ৰচনা বুলি পৰৱৰ্ত্তী কালৰ সমালোচকসকলে গ্ৰহণ কৰিছে। সেই কেইখন হ'ল—প্ৰতিজ্ঞা যৌগন্ধ-ৰায়ণ, বালচৰিত্ৰ, পঞ্চৰাত্ৰ, প্ৰতিমা, অভিষেক, অবি-মাৰক, দৰিদ্ৰ চাৰুদত্ত, মধ্যম ব্যায়োগ, দূতবাক্য, দূত ঘটোৎকচ, কৰ্ণভাৰ আৰু উৰুভঙ্গ। ভাসৰ এই আটাইকেইখনকে একেলগে ভাসৰ নাটকচক্ৰ বুলি কোৱা হয় আৰু এই নাটকচক্ৰৰ ভিতৰত "স্বপ্ন-বাসৱদত্তম্" খনেই ভাসৰ শ্ৰেষ্ঠ ৰচনা বুলি অভিনৱ-গুপ্ত, ৰামচন্দ্ৰ, ৰাজশেখৰ আদি সমালোচকসকলে স্বীকাৰ কৰিছে। এই সন্দৰ্ভত ৰাজশেখৰৰ এটি উক্তি প্ৰণিধানযোগ—

"ভাসনাটকচক্ৰেঽস্মিন্ ছেকৈ: ক্ষিপ্তে পৰীক্ষিতুম্। স্বপ্নবাসৱদত্তস্য দাহকোঽভূন্ন পাৱকঃ ॥"

অৰ্থাৎ ভাসৰ নাটকচক্ৰক পৰীক্ষাৰ বাবে অগ্নিত নিক্ষেপ কৰা হ'ল। অগ্নিয়ে কিন্তু স্বপ্নবাসৱদত্তাক দগ্ধ কৰিব নোৱাৰিলে। —এয়া উক্তিটোৰ বাহ্যিক অৰ্থহে, আভ্যন্তৰীণ অৰ্থ কিন্তু সম্পূৰ্ণ বেলেগ। ইয়াত অগ্নি পৰীক্ষা মানে সমালোচকসকলৰ কঠোৰ সমালোচনাক বুজোৱা হৈছে। সমালোচকসকলৰ কঠোৰ দৃষ্টি-ভঙ্গীৰ সন্মুখত "স্বপ্নবাসৱদত্তম্" খনেই ভাসৰ শ্ৰেষ্ঠ আৰু সন্দেহ মুক্ত নাটক বুলি পৰিগণিত হ'ল। কিন্তু উপৰোক্ত তেৰখন নাটৰ অন্তৰঙ্গ আৰু বহিৰঙ্গৰ মাজত কেতবোৰ সাদৃশ্য দেখা যায়। সেয়া হ'ল—(১) কালিদাসৰ পৰৱৰ্তী ৰচনাসমূহৰ দৰে 'নান্দ্যন্তে সূত্ৰধাৰঃ বুলি আৰম্ভ নকৰি 'নান্দ্যন্তে ততঃ প্ৰবিশতি সূত্ৰধাৰ:' বুলি আৰম্ভ কৰা হৈছে। কিন্তু সূত্ৰধাৰে নিজে প্ৰথমে মঞ্চত প্ৰৱেশ কৰি নান্দী পাঠ কৰে। (২) কালিদাস বা তেওঁৰ পৰৱৰ্তী কালৰ নাট্যকাৰসকলে নাটকত 'প্ৰস্তাৱনা' শব্দটি ব্যৱহাৰ কৰাৰ দৰে ভাসে তেওঁৰ নাটত 'স্থাপনা' শব্দটো ব্যৱহাৰ কৰিছে। তদুপৰি অন্যান্য নাট্যকাৰসকলৰ দৰে ভাসে 'স্থাপনা'ত নাটক বা নাট্যকাৰৰ নাম উল্লেখ কৰা নাই। (৩) আটাই-বোৰ নাটকতে একেধৰণৰ ভৰত বাক্য দেখা যায়। (৪) ভাসৰ নাট্য-সাহিত্যত ভৰতৰ নাট্য-শাস্ত্ৰীয় ৰীতিৰ উলঙ্ঘন দেখা যায়। এনেধৰণৰ নাট্য-বৈশিষ্ট্যৰ সাদৃশ্য লক্ষ্য কৰি উপৰোক্ত আটাইকেইখন নাটেই ভাসৰ ৰচনা বুলি সিদ্ধান্ত কৰা হৈছে।

এই সমীক্ষাত একমাত্ৰ "স্বপ্নবাসৱদত্তম্"-ৰহে আলোচনা কৰা হ'ব।

সংস্কৃত নাট্য-সাহিত্যৰ পণ্ডিতসকলৰ মতে নাটক শ্ৰেণীৰ ৰূপকে নাটকৰ আভ্যন্তৰীণ অৰ্থ প্ৰকাশ কৰিব লাগিব। অৰ্থাৎ নাটকৰ সবাতোকৈ গুৰুত্বপূৰ্ণ ঘটনাৰ আধাৰতে নাটকৰ নামকৰণ হোৱা উচিত। 'স্বপ্নবাসৱদত্তম্' নামটো নাটকখনৰ এক ঘটনা বিশেষৰ আধাৰত ৰখা হৈছে। নাটকখনৰ স্বপ্নদৃশ্য অৰ্থাৎ পঞ্চম অংকৰ আধাৰত নাটকৰ নাম-কৰণ কৰা হৈছে, য'ত নায়ক ৰজা উদয়নে নায়িকা বাসৱদত্তাক সঁচাকৈয়ে দেখিছিল যদিও ধৰি লৈছিল যে তেওঁ সপোনহে দেখিছিল। এই দৃশ্যটো ভাসৰ নাট্য কৌশলৰ এক অভিনৱ প্ৰকাশ আৰু সেয়ে ইয়াক আধাৰ কৰি কৰা নাটৰ নামকৰণ যুক্তিযুক্ত হৈছে। 'স্বপ্নবাসৱদত্তম্' নামটো বিশ্লেষণ কৰিলে দেখা যায় যে "স্বপ্নে দৃষ্টা বাসৱদত্তা যস্মিন্ নাটকে তৎ 'স্বপ্নবাসৱদত্তম্।' কিয়নো, নাটৰ মূল ঘটনা হ'ল উদয়নৰ পৰা বাসৱদত্তাৰ স্ব-প্ৰণোদিত বিচ্ছেদ, বাসৱদত্তাৰ বিচ্ছেদ বেদনা আৰু শেষত উদয়নৰ সৈতে তেওঁৰ পুনৰ্মিলন। তদুপৰি বাসৱদত্তায়েই নাটৰ দৃশ্যৰাজিক পৰিচালনা কৰিছে, সেইবাবে নাটৰ নামকৰণত বাসৱদত্তাৰ উল্লেখন যথাৰ্থ হৈছে। আন-হাতে নাটৰ স্বপ্নদৃশ্যটোৱে নাটকখনক সৰস কৰি একেঘেঁয়েমিৰ প্ৰভাৱমুক্ত কৰিছে।

'স্বপ্নবাসৱদত্তম্' নাটখনি উদয়ন কথাৰ আধাৰত ৰচনা কৰা হৈছে। উদয়ন কথা অতি জনপ্ৰিয় প্ৰাচীন লোক-সাহিত্য। কালিদাসেও মেঘ-সন্দেশত "প্ৰাপ্যাৱন্তীনুদয়নকথাকো বিদগ্ৰাম বৃদ্ধান্"—বুলি ইয়াৰ জনপ্ৰিয়তাৰ কথা উল্লেখ কৰিছে। পৈশাচী ভাষাত লিখা গুণাধ্যৰ মূল 'বৃহৎকথা'ত ইয়াৰ গদ্যৰূপ পোৱা যায়। 'স্বপ্নবাসৱদত্তম্"ৰ আখ্যানভাগ ভাসে এই 'বৃহৎকথা' বা সমসাময়িক লোক-সাহিত্যৰ পৰা গ্ৰহণ কৰা বুলি ক'ব পাৰি। কিন্তু বৌদ্ধ বা জৈন ধৰ্মৰ ইতিহাসত পালি ভাষাত সংগৃহীত উদয়ন কথা বা সোমদেৱৰ 'কথা সৰিৎ-সাগৰ'ত পোৱা উদয়ন কথা ভাসৰ পৰৱৰ্তী কালত ৰচিত বাবে এই সমূহ 'স্বপ্নবাসৱদত্তম্"ৰ উৎস হ'ব নোৱাৰে।

ছটা অংকত ৰচিত 'স্বপ্নবাসৱদত্তম্'ৰ মূল আখ্যানটো হ'ল—মন্ত্ৰী যৌগন্ধৰায়ণে ৰজা উদয়নৰ হৃত বৎস ৰাজ্য পুনৰুদ্ধাৰৰ অৰ্থে ৰজাৰ প্ৰিয়তমা পত্নী বাসৱদত্তা লাৱাণকৰ জুইত পুৰি মৰা বুলি মিছা বাৰ্তাৰ প্ৰচাৰ কৰিলে। বাসৱদত্তাৰ মৃত্যুৰ বাৰ্তাৰ পাই উদয়ন শোকত বিহ্বল হয় আৰু ভাগ্যক্ৰমে মগধৰাজ দৰ্শকৰ ভগ্নী পদ্মাৱতীৰ লগত বিবাহপাশত আৱদ্ধ হয়। নিদ্ৰাৱস্থাত এদিন উদ-

য়নে বাসৱদত্তাক দেখা পায় যদিও বাসৱদত্তাৰ এই দৰ্শন তেওঁৰ বাবে এটা ভ্ৰম হৈ পৰে। পিছত ৰজা দৰ্শকৰ সাহায্যত তেওঁ বৎসৰাজ্য পুনৰ ঘূৰাই পায় আৰু বাসৱদত্তাৰ লগত পুনৰ্মিলন হয়।

চৰিত্ৰ চিত্ৰণ আৰু সংকলাপৰ চতুৰতাৰ গুণত এই নাটকখনে ভাসৰ সৰ্বশ্ৰেষ্ঠ নাটক হিচাপে স্বীকৃতি পাইছে। মন্ত্ৰী যৌগন্ধৰায়ণৰ ৰাজভক্তি, বাসৱদত্তাৰ স্বামী-ভক্তিৰ লগতে অপূৰ্ব ত্যাগ, পদ্মাৱতীৰ কুলোচিত প্ৰশংসনীয় আচৰণ, উদয়নৰ ধীৰোদাত্ত স্বভাৱ আৰু ৰসন্তকৰ হাস্যৰসে নাটকখনক শ্ৰেষ্ঠত্বৰ আসনত অধিষ্ঠিত কৰাত সহায় কৰিছে।

এইখিনিতে নাটকখনৰ নামকৰণ প্ৰসঙ্গত হোৱা কেতবোৰ মত আলোচনা কৰা হৈছে। কিছুমান সমালোচকে উদয়নৰ হৃত বৎসৰাজ্য পুনৰুদ্ধাৰ নাটৰ এটা উদ্দেশ্য আছিল বাবে নাটকখনৰ নাম 'উদয়নোদয়ম্' হোৱা উচিত আছিল বুলি কয়। কিছুমানৰ মতে উদয়নৰ লগত পদ্মাৱতীৰ বিবাহ নাটৰ অন্য এটা উদ্দেশ্য হোৱা বাবে আৰু এই বিবাহৰ ফলতেই উদয়নৰ হৃতৰাজ্য পুনৰুদ্ধাৰ সম্ভৱ হোৱা বাবে নাটকখনৰ নাম 'পদ্মাৱতী-পৰিণয়' হে হ'ব লাগিছিল। আনহাতে অন্য কিছুমান সমালোচকে উদয়নৰ লগত বাসৱদত্তাৰ পুনৰ্মিলন—নাটৰ অন্যতম উদ্দেশ্য হোৱা বাবে নাটখনৰ নামকৰণ "উদয়ন-বাসৱদত্তম্" বুলিহে কৰাটো উচিত আছিল বুলি ভাবে। কিন্তু নাটকখন সূক্ষ্মভাৱে পৰ্যালোচনা কৰিলে দেখা যায় যে ৰাজ্য পুনৰুদ্ধাৰ, পদ্মাৱতীৰ লগত বিবাহ বা বাসৱদত্তাৰ লগত পুনৰ্মিলন নাটৰ পাৰ্শ্ব ঘটনাহে। কাৰণ নায়ক বা আন কোনো চৰিত্ৰই ৰাজ্য পুনৰুদ্ধাৰৰ বাবে বিশেষ প্ৰযত্ন কৰা নাই, যিটো কাৰণত 'উদয়নোদয়ম্' নামটো অযথাৰ্থ। দ্বিতীয়তে, পদ্মাৱতীৰ লগত বিবাহো নাটৰ মুখ্য উদ্দেশ্য নহয়। গতিকে, নাটকখনৰ নাম 'পদ্মাৱতী পৰিণয়' হোৱাটোও সম্ভৱ নহয়। আনহাতে 'উদয়ন বাসৱদত্তম্' নামটো উদয়নৰ লগত বাসৱদত্তাৰ প্ৰথম মিলনৰ ক্ষেত্ৰত প্ৰযোজ্য হ'লেও, স্ব-প্ৰণোদিত বিচ্ছেদৰ অন্তত হোৱা পুনৰ্মিলনৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। গতিকে, এই নামকৰণো যুক্তিযুক্ত নহয়। আনহাতে নাটকৰ স্বপ্নদৃশ্য বা পঞ্চম অঙ্কৰ ঘটনাৱলীয়ে নাটকখনৰ সাফল্য বহন কৰিছে। কাৰণ এই দৃশ্যৰ প্ৰত্যেক মুহূৰ্তকেই ভাসে স্বাভাবিক আৰু বিশ্বাসযোগ্য কৰি চিত্ৰিত কৰিছে। উদাহৰণ স্বৰূপে বাসৱদত্তাই শুই থকা ৰজাক নিশাৰ কষ্ট পোহৰৰ বাবে সৃষ্টি হোৱা স্বাভাৱিক পৰিস্থিতিৰ বাবে পদ্মাৱতী বুলি ভুল কৰি তেওঁৰ কাষত শুই পৰিছে। মানুহৰ অৱচেতন সকলো সময়তে কিবা এটা বস্তুৱে ক্ৰিয়া কৰি থাকে। ইয়াকে মানুহে সপোনত দেখে আৰু ফলত টোপনিতে কথা কোৱাটোও অস্বাভাৱিক নহয়। একেদৰে ৰজাই তেওঁৰ প্ৰশ্নসমূহৰ উত্তৰ পোৱাটোতো বিশ্বাসযোগ্যতা নথকা নহয়। বাসৱদত্তা আচৰণত তেওঁৰ গভীৰ প্ৰণয়ৰ লগতে দায়িত্ব বোধৰ ধাৰণাই দৰ্শকৰ পৰা সহানুভূতি আদায় কৰিব পাৰিছে। ৰজাৰ সন্দেহ আৰু তাক ভঞ্জন



কাৰণসমূহো যুক্তিযুক্তই হৈছে। তদুপৰি আটাইকেইটা অঙ্কৰ ভিতৰত এই অঙ্কটোৱেই সকলোতকৈ সৰস আৰু ই নাটকৰ যোগসূত্ৰ স্থাপন কৰিছে। গতিকে "স্বপ্ন প্ৰধানম্ বাসৱদত্তম্ ইতি স্বপ্নবাসৱদত্তম্" এই নামকৰণহে অধিক যুক্তিযুক্ত।

পঞ্চম অঙ্কটিয়েই নাটকখনৰ শ্ৰেষ্ঠ অঙ্ক হ'লেও, নাটকখনৰ সাফল্যৰ মূলত বাকীকেইটা অঙ্কৰ অৱিহণাক নুই কৰিব নোৱাৰি। প্ৰয়োজন অনুসাৰে ভাসে প্ৰয়োগ কৰা সংযত বীৰ আৰু শৃঙ্গাৰ ৰস, সুন্দৰ আৰু সৰল প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনা আৰু উপমা-অলঙ্কাৰেই ইয়াৰ উৎকৃষ্ট প্ৰমাণ। উদাহৰণ স্বৰূপে নাটকখনৰ প্ৰথম অঙ্কত দিয়া সন্ধ্যাৰ সৌন্দৰ্য বৰ্ণনা তলৰ শ্লোকত সুন্দৰকৈ ফুটি উঠিছে—

"খগা বাসোপেতাঃ সলিলমৱগাঢ়ো মুনিজনঃ
প্ৰদীপ্তোঽগ্নিৰ্ভাতি প্ৰবিচৰতি ধূমো মুনিবনম্।
পৰিভ্ৰষ্টো দূৰাদ্ৰবিৰপি চ সংক্ষিপ্ত কিৰণো
ৰথাং ব্যাৱৰ্ত্ত্যাসৌ প্ৰবিশতি শনৈৰস্তশিখৰম্।"

—অৰ্থাৎ সন্ধ্যা হ'বলৈ ধৰিছে। চৰাইচিৰিকটিবোৰ বাসস্থানলৈ উলটি গৈছে। মুনিসকলে জলাশয়ত স্নান কৰিছে। সন্ধ্যাকালীন অগ্নিহোত্ৰৰ বাবে প্ৰজ্জ্বলিত অগ্নিয়ে শোভা-বৃদ্ধি কৰিছে আৰু ইয়াৰ ধোঁৱা সমস্ত তপোবন বিয়পি পৰিছে। সূৰ্যয়ো কিৰণ ৰাশি কমাই ৰথৰ পৰা নামি আহি লাহে লাহে অস্তাচলৰ পিনে গতি কৰিছে।

একেটা অঙ্কতে আশ্ৰমৰ ৰূপ বৰ্ণনা কৰিছে এনেদৰে—

"বিশ্ৰব্ধংহৰিণাংশ্চৰন্ত্যচকিতা দেশাগত প্ৰত্যয়া
বৃক্ষাঃ পুষ্পফলৈঃ সমৃদ্ধবিটপাঃ সৰ্বে দয়াৰক্ষিতাঃ।
ভূয়িষ্ঠং কপিলানি গোকুলধন্যান্যক্ষেত্ৰৱত্যো দিশো
নিঃসন্দিগ্ধমিদং তপোবনময়ং ধূমো হি বহ্বাশ্ৰয়ঃ॥"

অৰ্থাৎ নিশ্চিন্ত মনেৰে ফুৰি থকা হৰিণবিলাক, সযত্নপালিত ফল-ফুলেৰে ঢাক খোৱা গছবিলাক, গৰুৰ জাকবিলাক, কেতিয়াও খেতিৰ বাবে কৰ্ষণ নকৰা ভূমি আৰু হোমাগ্নিৰ ধোঁৱা ওলাই থকা এইখন নিশ্চয় এখন তপোবন হ'ব। এই শ্লোকটিৰ পৰাই এখন আশ্ৰমৰ স্বৰূপ বিশেষ ভাৱে জানিব পাৰি।

আনহাতে নাটকখনৰ চতুৰ্থ অঙ্কত শৃঙ্গাৰ ৰসৰ সংযত, মধুৰ প্ৰকাশ ঘটিছে এনেদৰে—

"কামেনোজ্জয়িনীং গতে ময়ি তদা কামপ্যৱস্থাং গতে
দৃষ্ট্বা স্বৈৰমৱন্তিৰাজতনয়াং পঞ্চেষৱঃ পাতিতাঃ।
তৈৰদ্যাপি সশল্যমেৱ হৃদয়ং ভূয়শ্চ বিদ্ধাৱয়ং
পঞ্চেষুৰ্মদনো যদা কথময়ং ষষ্ঠঃ শৰঃপাতিতঃ।"

অৰ্থাৎ যেতিয়া মই উজ্জয়িনীত আছিলোঁ, তেতিয়া অৱন্তি ৰাজকন্যা বাসৱদত্তাক দেখি মোৰ এক বিশেষ অৱস্থা হৈছিল। কামদেৱে মোক একেলগে যি পাঁচপাত শৰেৰে বিদ্ধ কৰিছিল তাৰ ঘা আজিও আছে। সম্প্ৰতি বিয়োগৰূপী বাণে মোক পুনৰ বিদ্ধ কৰিছে। কামদেৱৰ যদি পাঁচপাতহে বাণ, তেনেহ'লে এই ষষ্ঠ বাণপাত এওঁ ক'ৰপৰা মাৰিলে ?

একেদৰে পঞ্চম অঙ্কত বাসৱদত্তাক সপোনত দেখা পোৱাৰ পাছত ৰজা উদয়নৰ মানসিক অৱ-

ন্তাক তলৰ কথাখিনিয়ে সুন্দৰকৈ ফুটাই তুলিছে—

"যদি তাবদয়ং স্বপ্নো ধন্যমপ্রতিবোধনম্ ।
অথায়ং বিভ্রমো বা স্যাদ্ বিভ্রমো হ্যস্তু মে চিৰম্ ।।"

অৰ্থাৎ যদিহে মই বাসৱদত্তাক সপোনতহে দেখিছিলোঁ, তেনেহ'লে মই সাৰ নোপোৱা হ'লেই ভাল আছিল। অথবা যদিহে এয়া মোৰ মনৰ ভ্ৰম, তেনেহ'লে এই ভ্ৰম যেন ভ্ৰম হৈয়ে থাকে। মানসিক অৱস্থাৰ এনে সুন্দৰ চিত্ৰণে নাটকখনৰ সৌন্দৰ্য বৃদ্ধি কৰাত সহায় কৰিছে।

তদুপৰি 'চক্ৰাৰপংক্তিৰিৱ গচ্ছতি ভাগ্যপংক্তি' (চকাৰ শলাবিলাকৰ দৰে মানুহৰ ভাগ্যচকৰীও ঘূৰি থাকে), "প্ৰদ্বেষো বহুমানো ৱা সঙ্কল্পাদেৱ জায়তে" (ঘৃণা বা শ্ৰদ্ধা ভাৱ মানুহৰ মনত থকা পূৰ্ব ধাৰণাৰ পৰা উদ্ভৱ হয়), 'আগমপ্ৰধানানি সুলভপৰ্যৱস্থানানি মহাপুৰুষ হৃদয়ানি ভৱন্তি' (মহাপুৰুষসকলৰ অন্তৰ সদায় শাস্ত্ৰৰ দ্বাৰা অধিকৃত হৈ থাকে বাবে তেওঁলোকে সহজেই দুখ বা বিপদত ধৈৰ্য ধৰিব পাৰে), "প্ৰায়েণ হি নৰেন্দ্ৰশ্ৰীঃ সোত্মাহসেৰৱ ভুজ্যতে' (একমাত্ৰ উদ্যমী পুৰুষেহে ৰাজশ্ৰী লাভ কৰিবলৈ সক্ষম হয়), "কঃ কং শক্তো ৰক্ষিতুং মৃত্যু কালে, ৰজ্জুচ্ছেদে কে ঘটং ধাৰয়ন্তি" (ৰছি ছিগি যোৱা পানীৰ পাত্ৰক যিদৰে কোনেও ধৰি ৰাখিব নোৱাৰে, মৃত্যুৰ সময় উপস্থিত হোৱা জনকো কোনেও ৰক্ষা কৰিব নোৱাৰে), আদি সুভাষিতাৱলীৰ প্ৰয়োগে ভাষাৰ চাৰুতা বৃদ্ধি কৰিছে।

অন্যহাতে চৰিত্ৰাঙ্কণৰ দিশত দৃষ্টিপাত কৰিলে আমি দেখা পাওঁ যে ভাসৰ নাটকসমূহত চৰিত্ৰৰ সংখ্যা বেছি আৰু "স্বপ্নবাসৱদত্তা" ইয়াৰ ব্যতিক্ৰম নহয়। বৎসৰাজ উদয়ন, তেওঁৰ দুই মহিষী বাসৱদত্তা আৰু পদ্মাৱতীৰ উপৰিও সূত্ৰধাৰ, বিদূষক, ব্ৰহ্মচাৰী, তাপসী, ধাত্ৰী আদিকে ধৰি প্ৰায় ১৬ টা চৰিত্ৰক নাটকখনত অৱতীৰ্ণ কৰাইছে। মহাৰাজ উদয়নক ভাসে এজন প্ৰকৃত ধীৰোদাত্ত প্ৰকৃতিৰ নায়ক হিচাপে অঙ্কিত কৰিছে। ধীৰোদাত্ত চৰিত্ৰৰ থাকিব লগীয়া সাহস, শক্তি, উদাৰতা, দয়া আৰু সৌন্দৰ্য এই সকলোবোৰ গুণ উদয়ন চৰিত্ৰত আছে। বাসদত্তাৰ প্ৰেমিক হ'লেও স্বামী হিচাপে পদ্মাৱতীৰ প্ৰতিও তেওঁ অনুৰক্ত আৰু দায়িত্বশীল। সকলোকে স্নেহ, দয়াৰে মোহিত কৰিব পৰা এক ব্যক্তিত্বৰো তেওঁ অধিকাৰী। টি, কে, ৰামচন্দ্ৰ আয়াৰে তেওঁ সম্পাদনা কৰা "স্বপ্নবাসৱদত্তম্"ত কৈছে যে, "Udayana as portrayed by Bhasa is a delightful character, a true 'DHIRODATTA' type of hero, a lover of women, art and nature."

নাটৰ অন্যতম প্ৰধান চৰিত্ৰ বাসৱদত্তা এগৰাকী আদৰ্শ হিন্দু নাৰী হিচাপে চিত্ৰিত হৈছে। স্বামীৰ হৃতৰাজ্য পুনৰুদ্ধাৰৰ বাবে তেওঁ সুখ-স্বাচ্ছন্দ্য ত্যাগ কৰি আত্মগোপন কৰিছে। সৰ্বোপৰি তেওঁৰ মহত্ত্ব ফুটি ওলাইছে পদ্মাৱতীৰ লগত হোৱা মহাৰাজ উদয়নৰ বিবাহ-মালা গাঁথা কাৰ্যত।

আনহাতে উদয়নৰ দ্বিতীয় মহিষী পদ্মাৱতীও ৰূপে-গুণে অতুলনীয়া। ন্যাস ৰক্ষণ টান বুলি জানিও সত্য-ৰক্ষাৰ বাবে তেওঁ আৱন্তিকা বেশী বাসৱদত্তাক ৰক্ষণা-বেক্ষণ দিছে। উদয়নৰ গুণৰাশিৰ বিষয়ে শুনিয়েই তেওঁ উদয়নৰ প্ৰতি অনুৰক্তা হৈ পৰিছে। উদয়নৰ লগত হোৱা তেওঁৰ বিবাহে বাসৱদত্তাৰ প্ৰতি থকা উদয়নৰ অনুৰাগ কমাব পৰা নাই বুলি জানিও তেওঁ ঈৰ্ষান্বিত হোৱা নাই। বৰঞ্চ উদয়নৰ ভাৱধাৰা সম্পৰ্কে এটা স্পষ্ট ধাৰণাহে তেওঁ লৈছে।

নাটৰ অন্য এক চৰিত্ৰ হ'ল যৌগন্ধৰায়ন। তেওঁ আদিৰে পৰা অন্তলৈকে উপস্থিত নাথাকিলেও নাটকখনত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। তেওঁৰ প্ৰবল উদ্যম, সামৰ্থ্য আৰু ৰাজনৈতিক দূৰদৰ্শিতা উদয়নৰ হৃতৰাজ্য পুনৰুদ্ধাৰৰ মূল প্ৰেৰণা। ব্যক্তিগত স্বাৰ্থহীনতাৰ বাবেই যৌগন্ধৰায়ণে ৰাজমহিষীৰ পৰা আৰম্ভ কৰি সকলোৰে শ্ৰদ্ধা লাভ কৰিবলৈ সক্ষম হৈছে। জগতত এনে কিছুমান ব্যক্তি থাকে যি সকলো বাধা, বিৰোধিতা নিৰ্বিবাদে মষিমূৰ কৰি আগবাঢ়ি যাব পাৰে। যৌগন্ধৰায়ণ নিঃসন্দেহে তেওঁলোকৰ মাজৰ এজন। এক কথাত ক'বলৈ গলে নাট্যকাৰ ভাসে মৌৰ্যসম্ৰাট চন্দ্ৰগুপ্তৰ সোঁহাত স্বৰূপ মন্ত্ৰী চাণক্যৰ আৰ্হিত যৌগন্ধৰায়নক সৃষ্টি কৰিছে।

সংস্কৃত নাটকৰ অন্যতম বৈশিষ্ট্য হ'ল হাস্যৰস সৃষ্টিকাৰী এটি চৰিত্ৰৰ অৱস্থান আৰু "স্বপ্নবাসৱদত্তম্" নাটখনত হাস্যৰসৰ যোগান ধৰিছে বসন্তক নামৰ চৰিত্ৰটোৱে। কিন্তু তাৰ বাহিৰেও বসন্তকে নাটখনত পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাটো হ'ল মহাৰাজ উদয়নক বাসৱদত্তাৰ মৃত্যুৰ সম্পৰ্কে সোঁৱৰাই থকাটো। তেওঁৰ প্ৰত্যুৎপন্নমতি আৰু বুদ্ধিমত্তা নাটখনৰ বিভিন্ন ঠাইত দেখা যায়। বাসৱদত্তাক সুঁৱৰি উদয়নৰ চকুপানী ওলোৱাত তেওঁ পদ্মাৱতীক কৈছে যে বতাহত কাশ ফুলৰ ৰেণু আহি চকুত পৰাতহে চকুপানী ওলাইছে। বাসৱদত্তাৰ মৃত্যু সংবাদ পোৱাৰ পাছত ৰজা উদয়নৰ যি মানসিক অৱস্থা হৈছে, বসন্তকে মাজে মাজে হাস্যৰসৰ দ্বাৰা সেই বিষাদ-ক্লিষ্টতা দূৰ কৰিছে। এই পাঁচোটা প্ৰধান চৰিত্ৰৰ উপৰি অন্যান্য অপ্ৰধান চৰিত্ৰসমূহকো নাট্যকাৰ ভাসে বৰ কৌশলপূৰ্ণ ভাৱে আৰু সতৰ্কতাৰে নাটখনত অঙ্কিত কৰিছে।

সংস্কৃত নাটকৰ বিশেষত্ব হ'ল নাটকখনৰ মূল বিষয়-বস্তু কোনো জনপ্ৰিয় ঐতিহাসিক কাহিনীৰ আধাৰত ৰচিত হ'ব লাগে আৰু নাটৰ নায়কজনো এজন জনপ্ৰিয় ৰজা বা ব্যক্তিত্বসম্পন্ন লোক লোক হ'ব লাগে। তদুপৰি নাটকখনত শৃঙ্গাৰ, বীৰ, কৰুণ আৰু শান্তৰসৰ পৰিস্ফুৰণ ঘটিব লাগে। উপযুক্ত পৰ্যালোচনাৰ পৰা আমি এটা সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে 'স্বপ্নবাসৱদত্তম্'ত সংস্কৃত নাটকৰ সকলো বৈশিষ্ট্যই প্ৰকাশ পাইছে। নাট্যকাৰ হিচাপে ভাসৰ সফলতাও ইয়াতে। ●

# প্রতিষ্ঠাপক অধ্যক্ষ
# শ্রী মহেশ চন্দ্র দেৱগোস্বামী

—কবিতাৰাণী দাস
স্নাতক তৃতীয় বাৰ্ষিক (দিবা)

মধুৰ প্ৰতিশ্ৰুতিময় ক্ৰন্দনেৰে প্ৰতিটো মানৱ শিশুৱে উৎকণ্ঠিত আত্মীয়ক ধৰালৈ তেওঁৰ আগমনৰ খবৰ দিয়ে। প্ৰতিটো নৱ-জাতকেই ধৰাৰ বুকুত চন্দ্ৰকলাৰ দৰে বাঢ়ি আহে। ক্ৰমপৰিবৰ্তিত এই নৱজাতক কেতিয়াবা হয় আলোকসন্ধানী আৰু কেতিয়াবা হয় আন্ধাৰমুখী। আলোকসন্ধানী শিশুৱে পৰিণত বয়সত আলোকৰ মেলা পাতি অগণন দিশহাৰাক সন্ধান দিয়ে জীৱনৰ প্ৰকৃত পথৰ। তেওঁ নিজে আলোকিত হোৱাৰ উপৰিও লক্ষজনক দি যায় আলোক-বিধৌত এখন শুভ্ৰ চোতাল,— য'ত জ্ঞানৰ, প্ৰেমৰ বৰ্ত্তি জ্বলে।

~~তেনে এক আলোকসন্ধানী শিশুৰ জন্ম হৈছিল নগাঁৱৰ নবোৱা বালিসত্ৰত।~~ ১৯১৯ চনৰ ডিচেম্বৰ মাহৰ কোনো এক [illegible] ক্ষণত পিতৃ ৺কন্দৰ্প দেৱগোস্বামী আৰু মাতৃ ৰোহিণী দেৱীৰ ~~আকুল অপেক্ষাৰ অৱসান ঘটাই সেই শিশুটি~~ ধৰালৈ আহিছিল মহেশ চন্দ্ৰ দেৱগোস্বামী নামেৰে।

গোস্বামী ডাঙৰীয়াই প্ৰাথমিক শিক্ষাৰ পাতনি মেলে ওপৰ ডুমডুমীয়া নিম্ন প্ৰাইমেৰী বিদ্যালয়ত। প্ৰাথমিক শিক্ষা সমাপ্ত কৰি তেখেতে আঠগাঁও মজলীয়া স্কুলৰ পৰা ১৯৩২ চনত এম, ভি. পাছ কৰে। গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলৰ পৰা ১৯৩৬ চনত অংক, সংস্কৃত আৰু অসমীয়াত লেটাৰ মাৰ্কসহ মেট্ৰিকুলেশ্যন পৰীক্ষাত উত্তীৰ্ণ হয়। গোস্বামী ডাঙৰীয়াই কটন কলেজত কলেজীয়া জীৱন আৰম্ভ কৰে। কটন কলেজৰ পৰা তেখেতে ১৯৩৮ চনত লজিকত লেটাৰ মাৰ্কসহ আই, এ আৰু সেই কলেজৰ পৰা দৰ্শনত সন্মানসহ ১৯৪০ চনত বি, এ, পাচ কৰে। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা তেখেতে দৰ্শন বিষয়ত ১৯৪২ চনত এম. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। কলিকতা বিশ্ববিদ্যালয়ত পঢ়োতে গোস্বামী ডাঙৰীয়াৰ ছাত্ৰপ্ৰাণত কেইবাজনো ব্যক্তিত্বশীল অধ্যাপকে প্ৰভাৱ বিস্তাৰ কৰি তেখেতৰ জীৱনৰ সোণালী ভৱিষ্যত গঢ়াৰ পথত প্ৰেৰণা যোগাইছিল। বিশেষকৈ এইক্ষেত্ৰত তেখেতে ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ নাম অতি শ্ৰদ্ধাৰে স্মৰণ কৰে।

নগাঁৱৰ ডচন হাইস্কুলত [illegible] শিক্ষক জীৱনৰ শুভ আৰম্ভণি ~~কৰিছিল যদিও সৰহদিন ডচন হাইস্কুলৰ চৌহদত আবদ্ধ হৈ থাকিব নোৱাৰিলে।~~ নগাঁও কলেজৰ জন্ম লগ্নৰে পৰা গোস্বামীদেৱে দৰ্শন আৰু অসমীয়াৰ অধ্যাপক হিচাবে সুদীৰ্ঘ ওঠৰ বছৰ সেই কলেজৰ অগণন ছাত্ৰ-ছাত্ৰীৰ হৃদয়ত জ্ঞান-প্ৰদীপগছি জ্বলোৱাত একনিষ্ঠতাৰে আত্মনিয়োগ কৰিছিল। নগাঁও কলেজৰ উপাধ্যক্ষ হিচাবেও তেখেতে এইখন কলেজৰ শৈক্ষিক দিশটো সুস্থ আৰু সবল হোৱাত অৰিহণা যোগাইছিল।

~~পঞ্চাশৰ দশকৰ শেহৰ ফালৰ পৰা গোস্বামীদেৱ এক যুগান্তকাৰী অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ পৰে।~~ ১৯৫৯ চনত ~~এই যুগান্তকাৰী অনুষ্ঠান~~ 'নগাওঁ মহিলা কলেজ'ৰ বীজ অংকুৰিত হয় এইজন নমস্য ব্যক্তিৰ প্ৰধান ভূমিকাত। ১৯৬২ চনত 'নগাঁও মহিলা কলেজ' 'এন, চি, চৌডী গাৰ্লছ কলেজ' নামকৰণেৰে স্থাপিত হয় আৰু এই কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হয় গোস্বামীদেৱ। অসমৰ উচ্চ শিক্ষাৰ জগতখনলৈ নাৰীয়েও পুৰুষৰ লগত সমানে আগুৱাই যোৱাৰ ক্ষেত্ৰত এই কলেজৰ গুৰুত্ব অনস্বীকাৰ্য। অধ্যাপক যোগেন্দ্ৰনাৰায়ণ ভূঞা ডাঙৰীয়াৰ ভাষাৰেই কওঁ "অসমৰ নাৰীৰ উচ্চ শিক্ষাৰ ইতিহাসত 'এন, চি, চৌডী গাৰ্লছ কলেজ (বৰ্তমানৰ নগাঁও ছোৱালী কলেজ) এক ক্ৰান্তিকাৰী সংগঠনৰূপে চিহ্নিত হ'বৰ যোগ্য। এই সংঘটন ইতিহাসৰ লগত শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীৰ নামটো কেৱল জড়িতই নহয়, শ্ৰীগোস্বামী নিজে এইছোৱা ইতিহাসৰ স্ৰষ্টাও।" তিনিকুৰি চাৰিগৰাকী ছাত্ৰীৰে আৰম্ভ কৰা নগাঁও ছোৱালী কলেজে এতিয়া তেৰশ-চৈধ্যশ ছাত্ৰী বুকুত সাৱটি ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিলে। নগাঁও ছোৱালী কলেজত গোস্বামীদেৱে তেখেতৰ শক্তিশালী ব্যক্তিত্বৰে ছাত্ৰী-শিক্ষক-কৰ্মচাৰীসকলক শিক্ষা দিছিল একেটা পৰিয়ালৰ সদস্যৰ দৰে মিলিজুলি থাকিবলৈ, সবুৱে ডাঙৰক মানি চলিবলৈ আৰু নিয়ম-শৃংখলা ৰক্ষা কৰি সময়ৰ আগটিকনিত ধৰি কাম কৰি যাবলৈ। ঘড়ীৰ কাঁটাৰ লগত সংগতি ৰক্ষা কৰি তেখেতে কলেজৰ শ্ৰেণীসমূহ, বিভিন্ন সভা-সমিতি আৰম্ভ হোৱাটো বিচাৰিছিল আৰু কাৰ্য'ত পৰিণতো কৰিছিল। নিয়মানুবৰ্তিতা আৰু সময়ানুবৰ্তিতা গোস্বামীদেৱৰ পৱিত্ৰ অৱদান হিচাবে আজিও এই কলেজত ৰক্ষিত হৈছে। অৱসৰ গ্ৰহণৰ সাতোটা বছৰৰ পাছতো তেখেতৰ অখণ্ড প্ৰতাপ এই কলেজৰ চৌহদত প্ৰতিগৰাকী ছাত্ৰীয়ে শ্ৰদ্ধাৰে অনুভৱ কৰে।

গোস্বামীদেৱ অকল এজন শিক্ষাবিদেই নাছিল. তেখেত আছিল অসমীয়া সাহিত্য-জগতৰো এজন কৃতধী পুৰুষ। কটন কলেজিয়েটত পঢ়ি থকা অৱস্থাতে গোস্বামীদেৱৰ সাহিত্যিক সত্বা উন্মোচিত হয়। সপ্তম মান শ্ৰেণীত তেখেতে সহপাঠী বন্ধু কেইজনমানৰ লগলাগি 'শেৱালি' নামৰ এখন হাতেলিখা পষেকীয়া আলোচনী উলিয়ায় আৰু 'শেৱালি'ৰ পাততে মহেশ গোস্বামীৰ তেজত শুই থকা 'শ্ৰীমধুসূদন' নামৰ ৰসিক পুৰুষজনে সাৰ পাই উঠে। ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত ওলোৱা 'জয়ন্তী'ৰ লগতো গোস্বামীদেৱ জড়িত আছিল। তেখেতৰ ৰোমাণ্টিক ধ্যান-ধাৰণাৰ অভিব্যক্তি ঘটিল চল্লিশৰ দশকত প্ৰকাশিত 'ছয়া-ময়া' আৰু 'স্মৃতি' নামৰ কবিতাপুথি দুখনত। 'অময়া' তেখেতৰ গীতৰ পুথি। 'শেৱালি'ৰ পাহিত জন্ম

প্ৰ ষ্ঠা ক অধ্যক্ষ……/৯

হোৱা শ্ৰীমধুসূদন পৰৱৰ্তী কালছোৱাত 'কুমাৰ শ্ৰীমধুসূদন' হ'ল । 'কিমাশ্চৰ্যম', 'মই যে কৰাম বিয়া'ৰ লঘু প্ৰবন্ধ আৰু কবিতাসমূহত কুমাৰ শ্ৰীমধুসূদন জীয়াই থাকিব চিৰকালেই ।

কলিকতাত পঢ়ি থাকোঁতেই ১৯৪১ চনত গোস্বামীদেৱ 'বাঁহী'ৰ সহকাৰী সম্পাদক হয় । ১৯৪৭ চনত তেখেতে সম্পাদনা কৰি প্ৰকাশ কৰে 'বিহলঙিনি' নামৰ বাৰ্ত্তালোচনীখন । 'দুৰ্মুখ' ছদ্মনামেৰে 'অসম বাৰ্তা'ৰ 'এক কলম' আৰু 'এক কলমৰ বেছি' শিতানত তেখেতে ভুমুকি মাৰিছিল । তদুপৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰত ১৯৪৮ চনৰ পৰা ১৯৭৮ চনলৈ গোস্বামীদেৱে কথিকা প্ৰচাৰ কৰিছিল । 'অমৃত বাজাৰ পত্ৰিকা'ত গোস্বামীদেৱে সংবাদ সেৱা আগবঢ়াইছিল ।

বাঁহীৰ সহকাৰী সম্পাদক হৈ থকা অৱস্থাতে গোস্বামীদেৱৰ প্ৰবন্ধ সংকলন এখনি প্ৰকাশ হোৱাৰ কথা আমাক জনিবলৈ দিছিল; কিন্তু তেখেতে সংকলনখনিৰ নামটো মনত পেলাব নোৱাৰিলে । ১৯৭৪ চনত তেখেতৰ লঘু কথাৰে গুৰুবিষয়ক ৰচনাৰ সংকলন 'কৈফিয়ৎ' প্ৰকাশ পায় ।

কলেজীয়া ছাত্ৰাৱস্থাতে তেওঁয়া কলিকতাৰ অসমীয়া ছাত্ৰৰ অনুষ্ঠান এ, এছ, এল ক্লাবৰ উদ্যোগত প্ৰকাশিত 'সাহিত্য আৰু সমালোচনা' গ্ৰন্থখন তেখেতে সম্পাদনা কৰিছিল । অসম সাহিত্য সভাৰ ১৯৫৯ চনৰ নগাঁও অধিবেশনৰ গোস্বামীদেৱ আছিল অভ্যৰ্থনা সমিতিৰ প্ৰধান সম্পাদক । সেই অধিবেশনতে তেখেতৰ সম্পাদনাত 'নিবন্ধমালা' নামৰ স্মৃতিগ্ৰন্থখনি প্ৰকাশ হৈছিল । ১৯৬৮ চনত অসম সাহিত্য সভাৰ দ্বাৰা উদ্‌যাপিত বেজবৰুৱা শতবাৰ্ষিকী উৎসৱৰ স্মৃতিগ্ৰন্থ 'বেজবৰুৱা প্ৰতিভা'ৰো সম্পাদক আছিল গোস্বামীদেৱ । ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ বিখ্যাত গ্ৰন্থ 'আইডিয়ালিষ্ট ভিউ অফ লাইফ' খন গোস্বামীদেৱে 'জীৱনৰ আদৰ্শবাদ' নামেৰে অসমীয়ালৈ অনুবাদ কৰে । ভাৰতীয় ভাষাসমূহৰ ভিতৰত সৰ্বপ্ৰথম অসমীয়া ভাষালৈ এই গ্ৰন্থ অনুবাদ কৰি গোস্বামীদেৱে এসময়ৰ প্ৰিয় শিক্ষাগুৰুৰ প্ৰতি শ্ৰদ্ধা নিবেদিছিল । ইয়াৰ উপৰিও তেখেতে একাধিক প্ৰবন্ধ অসমীয়ালৈ অনুবাদ কৰিছিল ।

পত্নী শ্ৰীযুতা জ্যোতিৰ্ময়ী দেৱী আৰু দুটি পুত্ৰ আৰু এগৰাকী কন্যা সন্তানৰ পিতৃ গোস্বামীদেৱৰ গতিময়, কৰ্মমুখৰ জীৱনটোত নগাঁও চহৰৰ সকলো অনুষ্ঠানৰ লগত সম্পৰ্ক আছিল নিবিড় । প্ৰাণৰ উমেৰে গঢ় দিয়া নগাঁও ছোৱালী কলেজৰ লগত থকা তেখেতৰ সম্পৰ্ক কালেও নাশ কৰিব নোৱাৰে । বৰ্তমান কঠিন স্নায়ৱিক ৰোগৰ (পাৰ্কিনছনছ ডিজিজ) দ্বাৰা আক্ৰান্ত গোস্বামীদেৱৰ মন্থৰ গতি, মৃদু কথা-বতৰা ঘৰৰ চাৰিবেৰৰ মাজতেই আৱদ্ধ । জীৱনৰ কৰ্মময় জীৱনটোত ছাঁৰ দৰে লাগি থকা তেখেতৰ পত্নী শ্ৰীযুতা জ্যোতিৰ্ময়ী দেৱীৰ যত্ন-শুশ্ৰূষা সদাসতৰ্ক ।

গোস্বামীদেৱৰ সুদীৰ্ঘ জীৱন আৰু সু-স্বাস্থ্য কামনাৰে পৰমজনৰ ওচৰত প্ৰাৰ্থনা জনাই শ্ৰদ্ধাঞ্জলি আগবঢ়ালোঁ ।

— কল্পজ্যোতি দাস
স্নাতক তৃতীয় বৰ্ষ



# ৰঘুনাথ চৌধাৰীৰ কবিতাত ঃ

# ফুল

শ্ৰীৰীতা হাজৰিকা
স্নাতক ৩য় বাৰ্ষিক ( দিবা )

ৰঘুনাথ চৌধাৰী ৰোমাণ্টিক যুগৰ এজন খ্যাতনামা কবি । তেওঁৰ কবিতাত প্ৰকৃতি জগতৰ অপৰূপ বৰ্ণনা পোৱা যায় । বিশেষকৈ তেওঁৰ কবিতাত চৰাইৰ কথাই প্ৰাধান্য পাইছে । সেয়ে তেওঁক 'বিহগী কবি' বুলি কোৱা হয় । কবি চৌধাৰী বিহগী কবি বুলি জনাজাত হ'লেও তেওঁ অকল বিহগী কবিয়েই নহয়, তেওঁ প্ৰকৃতি কবিও । তেওঁৰ কবিতাত যদিও গোটেই প্ৰকৃতি জগতখনেই প্ৰতিফলিত হৈ উঠিছে তথাপি তেওঁৰ কবিতাৰ আচল সুৰটো যেন চৰাই আৰু ফুলতহে প্ৰকাশ পাইছে । 'বিহগী কবি', 'প্ৰকৃতি কবি' আদি আখ্যাসমূহে কবিৰ একো-একোটি স্বকীয় বৈশিষ্ট্যৰহে পৰিচয় দিয়ে মাথোন । কুলি-কেতেকীৰ মাত শুনাৰ লগে লগে গোলাপ, গিৰিমল্লিকা দেখা পোৱাৰ লগে লগে ৰঘু চৌধাৰীৰ কথা আমাৰ মনত পৰে, ৰূপহী গোলাপক সম্বোধন কৰি সোধা কথ যাৰ মনলৈ আহে—

"কাৰ পৰশত ফুলিলি বান্ধৈ
অ' মোৰ সাদৰী ফুলাম পাহি ।
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি ?"

কবিতা কেইশাৰী আওৰালেই চকুৰ আগত গোলাপ ফুলৰ ছবি এখন ভাঁহি উঠে আৰু এটি গোলাপ ফুল দেখিলেই তেওঁৰ কবিতাৰ সুৰ কাণত বাজি উঠে । প্ৰকৃতিৰ যি বিষয়তে তেওঁ হাত ফুৰাইছে, সেয়ে পাঠকৰ মানস-পটত সাঁচ বহুৱাই থৈছে ।

ফুলৰ লগত কবিতাৰ নিবিড় সম্বন্ধ । কোমলতা আৰু সৌন্দৰ্য্য দুয়োটাৰে উপাদান । অন্তৰৰ কোমল অনুভূতিৰ মাজত যেনেকৈ কবিতাৰ জন্ম, তেনেকৈ কোমল কুঁহিপাতৰ বুকুৰ উমত ফুলি উঠে ফুল । কব পাৰি বিধাতাৰ কবিতা ফুল আৰু সেই ফুলকে অনুকৰণ কৰি, অনুধাৱন কৰি কবিয়ে লিখে কবিতা । ফুলৰ কোমল স্পৰ্শত, কোমল সৌন্দৰ্য্যত, কোমল সুৰভিত কবিৰ অন্তৰত কোমল অনুভূতি জাগে, কবিয়ে তাৰে ৰূপ দিয়ে কবিতাৰ মাজেদি ।

কবি চৌধাৰীৰ ব্যক্তিগত জীৱনটো বৰ কৰুণ । তেওঁ কেঁচুৱা অৱস্থাতেই শিলত পৰি ভৰি দুখন ভাগি গল । অধ্যাপক অৰুণ চন্দ্ৰ ভ'ৰালীৰ ভাষাত ক'ব পাৰি যে— "যি মাটিৰ বুকুত কবিয়ে এদিন কাব্যৰ গোলাপ ফুলালে, সেই মাটিত থিয়

দি আন চাৰিজন শিশুৰ দৰে তেওঁ শৈশৱৰ প্ৰথম নাচটিকে নাচিব নোৱাৰিলে। নিয়তিৰ কি নিৰ্মম পৰিহাস।' ইয়াৰ পিচত তেওঁ চাৰি বছৰ বয়সতে মাকক আৰু ককায়েক,বায়েক কেয়োজনকে হেৰুৱায়। তেতিয়া তেওঁ সম্বন্ধীয় ককায়েক গৰ্গৰাম চৌধাৰীৰ লগত গুৱাহাটীত থাকিবলৈ ললে আৰু তাতেই বিদ্যা-শিক্ষা আৰম্ভ কৰিলে। তেওঁ আনকি বিয়া-বাবুও নকৰালে। গোটেই জীৱন চিৰ কুমাৰ হৈয়ে থাকিল। 'প্ৰেম' আৰু 'শান্তি' এই দুটাৰ অভাৱ কবিয়ে আজীৱন অনুভৱ কৰিছে। কবিৰ অন্তৰ বিষাদেৰে পৰিপূৰ্ণ। কবিয়ে কাৰো মৰম নেপায়, তেওঁৰ অন্তৰত হাঁহি নাই। এই অভাৱ পূৰণৰ অৰ্থে প্ৰকৃতিৰ বিবিধ বস্তুৰ ওচৰত তেওঁ কাতৰ মিনতি জনাইছে। 'গিৰি-মল্লিকা' 'পুৱতী তৰা', 'ভেটকলি,' 'গোলাপ' আদি কবিতাত এনে ভাব পোৱা যায়। প্ৰকৃতিৰ বিবিধ বস্তুৰ সম্যক পৰিচয় নেপালেও কবিয়ে অন্ততঃ এই-খিনি জানে যে সেই বস্তুবোৰ যেন সৌন্দৰ্য্য প্ৰেম, আনন্দ আৰু শান্তিৰ আকৰ। নৱমল্লিকাত ফুলক সম্বোধন কৰি কবিয়ে লিখিছে— "তুমি থাকা বহুত দূৰৈত, তেওঁ বুকুৰ মৰম সকলোকে সমানে বিলোৱা। মৰম ভৰা বুকুখনিত বিষাদৰ কালিমা যেন সমূলি নাই। তুমি চিৰ আনন্দময়ী, চিৰকল্যাণ-ময়ী আৰু চিৰহাস্যময়ী। সৃষ্টিপদাৰ্থৰ মাজত তুমি শ্ৰেষ্ঠৰো অতি শ্ৰেষ্ঠ শোভনীয় বস্তু।"

ঠিক সেইদৰে গুৱাহাটীৰ মণিকৰ্ণেশ্বৰ পৰ্ব্বতৰ ওচৰত গিৰিমল্লিকা ফুল দেখি আহি তেওঁৰ অন্তৰত যি প্ৰেমৰ তৰঙ্গ উঠিছিল, তাৰ ৰূপ দিছে এনেদৰে—

"প্ৰাণপ্ৰিয়া আজি মোৰ বিজন কুঞ্জত
তুলিবানে লয়লাসে হাঁহিৰ তৰঙ্গ ?
ব্যাথাৰে উপচি পৰা আকুল প্ৰাণত
অকৃত্ৰিম প্ৰণয়ৰ স্নেহ আলিঙ্গন।"

ফুল কবি চৌধাৰীৰ প্ৰফুল্লিত মনোজগতৰ বহিঃ প্ৰকাশ। যিকোনো সৌন্দৰ্য্যপূৰ্ণ বস্তুত কবি প্ৰাণত আনন্দৰ ঢৌ উঠলি উঠে। তেওঁৰ অন্তৰ-দাপোণত বাহিৰৰ সৌন্দৰ্য্যৰ প্ৰতিবিম্ব আহি পৰে। বহি-ৰ্জগতৰ সৌন্দৰ্য্যই মনোজগত ৰঙাই তোলে। বাহিৰৰ ফুলৰ সৌন্দৰ্য ই অন্তৰত ফুল ফুলায়—

"কৰ্ণি ভৰাই লই দিগন্ত নাসয়ে
কৰিছোঁহ পুষ্প সুশোভিত।
ফুলিল হিয়াত মোৰ লাখে লাখে ফুল
পৰিমল গন্ধে সুশোভিত।"

সেই হিয়াত ফুলা লাখ লাখ ফুলকে আকৌ তেওঁ বাহিৰত দেখা পায়। অন্তৰৰ সেই আনন্দৰ প্ৰতিচ্ছবি দেখা পায়— প্ৰকৃতিৰ বুকুত ৰূপ-ৰস--গন্ধৰ মাধুৰী সৃষ্টি কৰা বিবিধ পুষ্প ৰাজিত।

চৌধাৰীৰ ফুলবিষয়ক কবিতা কিছুমানত দুই এটা ঋতুৰ বৰ্ণনাও পোৱা গৈছে। 'বহাগীৰ বিয়া'ত কবিয়ে ফুলৰ সহায়েৰে যি অভিনৱ কাব্যিক চিত্ৰটি দাঙি ধৰিছে সি কি জানি যিকোনো সাহিত্যতে বিৰল। প্ৰকৃতিৰ বুকুলৈ বসন্ত নামি আহিছে আৰু বসন্তৰ আগমনৰ লগে লগে কেউফালে জাতিষ্কাৰ হৈ ফুলি থকা ফুলৰ সৌন্দৰ্য্যই তেওঁৰ মন-প্ৰাণ আকৃষ্ট কৰিলে। চাৰিওফালে কবিয়ে দেখা পালে কেৱল ফুল আৰু ফুল।

শিমলু পলাশ অশোক মদাৰ
শ্যামল বিটপীৰাজি,
জীৰ্ণ আভৰণ সলাই আহিছে
ৰাঙলী সাজেৰে সাজি।
কামিনী কাঞ্চন চম্পা নাগেশ্বৰ
সুগন্ধি কুসুমমালা,
নানা ৰূপ ধৰি পুষ্প কাননত
পাতিছে প্ৰেমৰ মেলা।"

কেৱল বসন্তৰ বৰ্ণনাৰেই নহয়, শৰতৰ বৰ্ণনাৰেও কবি চৌধাৰীয়ে সুন্দৰ কবিতা ৰচনা কৰিছে। তাতো শৰতৰ মনোমোহা ৰূপ দেখি যেতিয়াই কবি-প্ৰাণত আনন্দৰ লহৰী উঠিছে, তেতিয়াই তেওঁৰ চকু গৈছে শৰত কালৰ ফুলি থকা পানীপিয়লি (শেৱালি), কহ্লাৰ (পদুম) আদি ফুললৈ।

"পুষ্পবৃষ্টি হ'ল তোৰ পৰশমণিত
নিজম ঘাঁহনিডৰা
পানীপিয়লিৰে ভৰা
মুকুতাৰ শুভ্ৰমালা শ্যামল পাটীত
কি সুন্দৰ স্নিকান্তি ফুল্ল বনানিত।"

এইখিনিতে চৌধাৰীক ইংৰাজ কবি ৱৰ্ডছৱৰ্থৰ লগত তুলনা কৰিব পাৰি। তেৱোঁ ডেফ'ডিল ফুলবোৰ দেখি এনেদৰেই আকৃষ্ট হৈছিল। সেইকাৰণে ফুল-খিনিৰ ফালে তেওঁ কেৱল চাই আছিল, চাই আছিল—

'I gazed and gazed ... ...'

ফুলৰ সৌন্দৰ্য্যত তেওঁ ভাবত বিভোৰ হৈছিল, আন-ন্দত আত্মহাৰা হোৱা নাছিল।—

"... ...but little thought
What wealth the show to me had
brought"

ইংৰাজ কবি ৱৰ্ডছৱৰ্থৰ লগত তেওঁৰ এইখিনিতে পাৰ্থক্য আছিল— ৱৰ্ডছৱৰ্থ আছিল ভাৱৰ কবি, কিন্তু আমাৰ চৌধাৰী আছিল সৌন্দৰ্য্যপিয়াসী। সেয়ে 'অযত্নপালিতা কন্যা' ভেটকলিটি দেখি কবি চৌধাৰীয়ে কোনো ভাৱত বিভোৰ হোৱা নাই। তেওঁৰ মনটো পোনেপোনেই ভেটকলিৰ সৌন্দৰ্য্যৰ পিনেহে ঢাল খালে—

"সুন্দৰ ৰহণ সনা সৌন্দৰ্য্য প্ৰতিমা
প্ৰকৃতিৰ নন্দন-বনত
মৰতৰ শোভাৰাশি একেলগে যেন
সৰজিলে বিধি নিজানত।"

চৌধাৰীয়ে তেওঁৰ কাব্যৰ বেছিভাগ ঠাইতে ফুলক প্ৰেম, হাঁহি আৰু আনন্দৰ প্ৰতীক ৰূপেই বৰ্ণনা কৰিছে। কিন্তু কোনো ঠাইত তেওঁ ফুলক বিৰহৰ প্ৰতীক ৰূপেও বৰ্ণনা কৰিছে। ইয়াৰ প্ৰমাণ 'গোলাপ' কবিতাৰ এটি স্তৱকৰ পৰাই ফুটি উঠিছে—

"বিজড়িত তোৰ কোমল বুকুত
কত বিৰহীৰ হা-হুতাশ।"

কিন্তু এই অলপীয়া বিৰহক বাদ দিলে চৌধাৰীৰ সৰহসংখ্যক ফুল বিষয়ক কবিতাত প্ৰেম, হাঁহি আৰু আনন্দই প্ৰকাশ পাইছে। তেওঁ যিকোনো ফুলতেই সৌন্দৰ্য্য দেখা পাইছে। আনকি ৰবাব টেঙাৰ ফুলটিয়েও তেওঁৰ মনত আনন্দ দিয়ে। সেয়েহে তেওঁ 'প্ৰশান্তি' নামৰ কবিতাত গাইছে—

"কবি চিত্তহাৰী যত ফুল্ল কুসুমৰ
আনন্দত প্ৰাণ টলমল,
মন্দিৰৰ উপেক্ষিত ৰবাব ফুলেও
দিছে যঁাচি প্ৰেম পৰিমল।

এই ফুলবোৰৰ মাজৰে ভেটকলি, গিৰিমল্লিকা আৰু গোলাপ ফুলে কবিক যেন অলপ বেছিকৈ আকৰ্ষণ কৰিছে। সেয়ে গোলাপ, ভেট আৰু গিৰিমল্লিকাক

লৈ তিনিটা সুন্দৰ কবিতা ৰচনা কৰিছে। আৰু এই তিনিটা কবিতাই অসমীয়া কাব্য কাননত বিশিষ্ট আসন অধিকাৰ কৰি আছে, ঠিক যেনেকৈ তেওঁ চৰাইৰ বিষয়ে লিখা 'কেতেকী', 'দহিকতৰা' আদি কবিতা এতিয়াও অসমীয়া কাব্য জগতত আদৰণীয় হৈ আছে। সুন্দৰৰ পূজাৰী কবিৰ ফুল আৰু চৰাই আছিল সোঁ আৰু বাওঁ কলিজা। ইয়াৰ এটাকো যদি তেওঁৰ কাব্যৰ পৰা আঁতৰাই দিয়া হয় তেনেহলে সি বিকলাঙ্গ হৈ পৰিব। ●

* এই প্ৰবন্ধটি যুগুত কৰোঁতে "চৌধাৰীৰ সাহিত্য প্ৰতিভা"— সয়িতা সভা (গুৱাহাটী) নামৰ পুথি খনিৰ সহায় লোৱা হৈছে।

# সাহিত্যৰ বিষয়ে যৎকিঞ্চিৎ

অধ্যাপক ইদ্ৰিছ আলি

আদিকবি মহাকবি বাল্মীকি। এই সূত্ৰতে 'মা নিষাদ.... ...' আদি কাব্য বা সাহিত্য। অৰ্থাৎ পৃথিৱীত সাহিত্য সৃষ্টিৰ পৰম্পৰাৰ পাতনি মেলা খাইছিল এই পুণ্যভূমি ভাৰতবৰ্ষতে। কিন্তু সিয়েই জানো সাহিত্যৰ জন্ম লগ্ন? সাহিত্য যদি মানৱ-মনৰ ভাবানুভূতিৰ স্বতঃস্ফুট প্ৰকাশ—সাহিত্যৰ জন্ম নিশ্চয় মানুহৰ আত্ম-প্ৰকাশৰ ক্ষমতা আহৰণৰ লগে লগেই। আদি কবিৰ সেই শোকাভিভূত শ্লোকটি মাথো মানৱ-সৃষ্ট কাব্যৰ প্ৰণিধানযোগ্য বুৰঞ্জীৰহে আৰম্ভণি। 'Man is older than his song' এই সত্য যিদৰে তৰ্কাতীত 'Song is older than the man' কথাষাৰো উলাই কৰিব পৰা বিধৰ নহয়। অৰ্থাৎ মানৱ আৰু সাহিত্য—এই দুয়োটা প্ৰায় সমান্তৰাল ভাৱেই গতি কৰি আহিছে। 'Behind every book, there is a man-এই মন্তব্যয়ো নিশ্চয় একেটা সত্যকে উদ্ভাষিত কৰে।

সাহিত্য পোনতে অলিখিত ৰূপত মানুহৰ মুখে মুখে, মুকলি আকাশৰ তলত, সীমাহীন সেউজ-ভৰা পথাৰৰ বুকুত মানৱ অন্তৰৰ হা-হুতাহ, প্ৰেম-প্ৰীতি, চিন্তা-দৰ্শন প্ৰকাশৰ বাহন আছিল—সি আজিও তাৰ আদিম উদ্দেশ্য, বৈশিষ্ট্য আৰু চৰিত্ৰ অটুট ৰাখিছে। মাথোন সাহিত্যৰ দেহত নানান যুগৰ, পৰিবৰ্তিত সময়ৰ বিবিধ সম্ভাৰ গোট খাই—হৈ পৰিছে প্ৰতিটো যুগ মানসৰ একোখন স্বচ্ছ দাপোণ—য'ত ধৃত হৈছে মানুহৰে হাঁহি-কান্দোন, যুদ্ধ-বিগ্ৰহ আৰু উত্থান-পতন। সেয়ে সাহিত্য জাতিৰ দাপোণ—সময়ৰ প্ৰতিচ্ছবি। এই দাপোনত নিজক দেখা পাব পাৰি—আনক চাই তৃপ্ত হ'ব পাৰি। সেয়ে সাহিত্য বুলিলে আমি উৎসাহী, আমি দুৰ্বল আৰু ভৃত্য। দেখাত চালুকীয়া বিজ্ঞানৰ প্ৰচণ্ড আঘাতত সাহিত্যৰ জনপ্ৰিয়তা, প্ৰভাৱ আৰু বহু ক্ষেত্ৰত প্ৰয়োজনীয়তাকে অস্বীকাৰ কৰাৰ উপক্ৰম ঘটে। কিন্তু যেতিয়া উপস্থিত হৈছে সংঘাত মানৱ মুখামুখি হৈছে চৰম বিপৰ্য্যয়ৰ—সকলোৱেই থিয় হৈছেহি সাহিত্যৰ নিষ্পাপ ছায়াত। যোৱাটো শতিকাৰ শ্ৰেষ্ঠ ইংৰাজ সমালোচক মেথ্যু আৰ্নল্ডে সাহিত্যৰ প্ৰতি বৰ্তমান বিজ্ঞানৰ প্ৰত্যাহ্বানলৈ লক্ষ্য কৰি কৈছিল—"বিজ্ঞানৰ খুন্দাত পৰম্পৰাগত ধৰ্মৰ অথন্তৰ ঘটিলেও কবিতা (বা সাহিত্য) টিকি থাকিব,

কবিতা বা সাধাৰণ অৰ্থত সাহিত্যই ধৰ্মৰ পুৰণি ঠাই টুকুৰা অধিগ্ৰহণ কৰিবগৈ ।” এসময়ত ডাৰ-ৱিনৰ বিৱৰ্তবাদৰ আবিষ্কাৰে খৃষ্ট ধৰ্মৰ লাইখুটা-টোকে কঁপাই তুলিছিল । এনে সংকট কালতো আৰ্ন'ল্ডে দৃঢ়তাৰে ঘোষণা কৰিছিল—“কোনো কথা নাই, কবিতা আছে । কবিতাই হ'ব আমাৰ নতুন ধৰ্ম । ইয়ে আমাক জীয়াই ৰাখিব, সান্ত্বনা দিব, জীৱনৰ অৰ্থ বুজাব ।” সেয়ে বোধহয় যুদ্ধ-মহা-সমৰ, ভূমিকম্প-বজ্ৰপাতৰ ধ্বংস-লীলা হেলাৰঙে অতিক্ৰমী সাহিত্য জীয়াই আছে । অতীজৰ সাহি-ত্যৰ পৰিসীমাই আধ্যাত্মিক, অতি প্ৰাকৃতিক, লৌ-কিক আৰু কিম্বদন্তীকে সামৰি লৈ ব্যাপক জন-প্ৰাণৰ সম্পত্তি হৈ জীপ লৈ জাতিস্কাৰ হৈ আছিল । ক্ৰমশঃ এই পৰিসৰ প্ৰসাৰিত হৈ বাস্তৱ জীৱন, ৰাজনীতি, সমাজনীতি আনকি বিজ্ঞানকো সামৰি ললে সাহিত্যই । আচৰিত যেনেই লাগে যে আজি বিজ্ঞান ভিত্তিক সাহিত্যই আমাৰ মাজত বেচি প্ৰভাৱশীল । অৱশ্যে অত্যাধুনিক বৈজ্ঞানিক প্ৰগ-তিশীল দেশবোৰৰ, বিশেষকৈ মাৰ্কিন দেশত টেলি-ভিচনৰ ব্যাপক প্ৰসাৰৰ ফলত সাহিত্য-পাঠকৰ সংখ্যা হ্ৰাস পাইছে । আনকি গা বা কাপোৰ-ধোৱা চাবোন বা পাউডাৰৰ লগত কিতাপ হেনো ফাও দি অৰ্থাৎ বাৰ্গেইন কৰিহে বিক্ৰী কৰিব-লগীয়া হৈছে । কিন্তু এই কথাই নিশ্চয় এইটো নুসূচায় যে সাহিত্যৰ অপমৃত্যু ঘটিব । টেলিভিচনৰ পৰ্দাত সিঁচৰিত হৈ পৰা কাহিনী-চৰিত্ৰ—এই আটাই-বোৰেচোন সাহিত্যৰ পৰাই লোৱা । ছপা ৰূপৰ নহৈ সি হৈ পৰিছে পোহৰ-চিত্ৰৰ মাধ্যমৰ মাজেৰে ৰূপায়িত অন্য সাহিত্যিক ৰূপ । অন্যহাতে নানান

ইজম্, বাদ, মতবাদেৰে আজিৰ সাহিত্য ভাৰাক্ৰান্ত । অতিবাস্তৱবাদ, অস্তিত্ববাদ, চিত্ৰকলাবাদ আদিৰ দৰে একাধিক সাহিত্যিক মতবাদৰ দ্বাৰাই বিভিন্ন দেশৰ সাহিত্যৰ চৰিত্ৰ গঠিত হৈছে । অতি সাম্প্ৰতিক কালত আকৌ প্ৰগতিশীল সাহিত্যবো এঙামুৰি পৰিলক্ষিত হৈছে । এওঁলোক মূলতঃ পৰি-বৰ্তনকামী । ‘কলাকৈবল্যবাদ’ৰ বিপৰীতে তেওঁ লোকে ‘কলা জীৱন’ৰ বাবে— আদৰ্শত বিশ্বাসী । সৰ্বহাৰা-দলিত-শোষিত মানৱৰ মুক্তি সাধন-মন্ত্ৰত দীক্ষিত বুলি এই গোষ্ঠীৰ সাহিত্যিকসকলে দাবী কৰে । কিন্তু সাহিত্য যিহেতু কলা—তাক কলা বুলিয়েই ৰচনা কৰিব লাগিব । হয়তো কেৱল কলাৰ স্বাৰ্থত নহ'ব পাৰে—কিন্তু সেইবুলি সাহিত্য কেৱল মানৱ-মুক্তিৰ শ্লʼগান হ'ব নোৱাৰে । মনত ৰাখিব লাগিব সাহিত্যৰ উদ্দেশ্য আৰু প'ষ্টাৰৰ উদ্দেশ্য কেতিয়াও একে হ'ব নোৱাৰে । কিন্তু যিকোনে চৰিত্ৰৰ সাহিত্যৰ স্থায়িত্ব নিৰ্ভৰ কৰিব যুগৰ কষ্টি শিলাত সি কিমান নিৰ্ভেজাল ৰূপে পৰিগণিত হ'ব পাৰে । কাৰণ যুগাতীত হৈ জীয়াই থকাইতো সাহিত্য কেৱল উচ্ছাস আৰু হুজুগৰ বশৱৰ্তী সাহিত্য লক্ষ্য ভ্ৰষ্ট চিকাৰীৰ শব্দযুক্ত বাৰুদৰ নিচিনা—যাৰ শব্দ টোৰ বাহিৰে অন্য কোনো অৰ্থ নাই ।

খৃষ্ট যুগ আৰম্ভবো এহেজাৰ পূৰ্বে চক্ৰেটিছে কৈছিল—“Man know thyself” মানৱ তোমালোকে নিজকে জানিবলৈ চেষ্টা কৰা মানুহৰ এই আত্মজিজ্ঞাসাৰ অন্ত নাই । ইয়াৰ ক্ষুদ্ৰাংশৰ সন্ধেদ হয়তো সাহিত্যৰ খাদত পো খাই আছে । কিন্তু কোনে জানে সম্পূৰ্ণ ৰূ মানৱ-ৰহস্য উদ্‌ঘাটনৰ বাবে আমি কিমান মন্বন্ত

বাট যাব লাগিব ।

মানৱ-সংস্কৃতিও বিগত জীৱন-প্ৰৱাহৰ সামগ্ৰিক প্ৰকাশ মাথোন । ইয়াৰ অধ্যয়ন, বিশ্লেষণে অলি-খিত অতীত বুৰঞ্জীৰ একোটাইঁত অজ্ঞাত সত্য উদ্ভা-সিত কৰি বৰ্তমানৰ চিন্তাধাৰাত গভীৰ প্ৰভাৱ পেলায় । গুহা-জীৱনৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক যন্ত্ৰ-জীৱনলৈ মানৱ-সংস্কৃতিৰ নিৰৱচ্ছিন্ন ধাৰাই একেটা সত্যকে বাৰে বাৰে প্ৰমাণ কৰি আহিছে যে সন্মিলন বা সমন্বয়েই ইয়াৰ মুখ্য উদ্দেশ্য । প্ৰকৃত সংস্কৃতিয়ে বিভেদ বা বিৰোধ সৃষ্টি কৰিব নেজানে । কিন্তু এটা সংস্কৃতিয়ে অন্য এক সংস্কৃতিৰ ওপৰত প্ৰভাৱ পেলাব পাৰে—তাকে কৰোতে প্ৰভাশালী সংস্কৃতিয়ে প্ৰভাৱিত সংস্কৃতিৰ পৰাও বহু উপাদান আহৰণ কৰিবলৈ বাধ্য হয় । ব্যাপক অৰ্থত সং-স্কৃতিয়ে মানৱ সভ্যতাৰ সকলো দিশকে সামৰে । গতিকে ক'বলৈ গলে সংস্কৃতিয়েই এটা জাতিৰ পৰিচয় বহন কৰি থাকে । এই সংস্কৃতিৰ বৈচিত্ৰ্য আৰু সম্পদশালিতাই আকৌ জাতিটোক লৈ যায় বিশ্বৰ ৰৰসৰাহলৈ— দিয়ে বিশ্ব-সংস্কৃতিৰ সোণ-ৰূপৰ পাট-মেৰিওৱা ৰৰঘৰত ৰৰপীৰা পাবি সন্মানীয় স্থান । কিন্তু এনে ঐতিহ্যশালী সংস্কৃতি এদিনতে গঢ় লৈ উঠা সম্ভৱপৰ নহয় । বহুতো বৈশিষ্ট্যপূৰ্ণ জাতিৰ দীৰ্ঘকাল বুজা-পৰা আৰু সংমিশ্ৰণৰ ফলত একোটা সংস্কৃতিৰ জন্ম হয় । তাৰেই ইতিহাস সাহিত্য— তাৰেই প্ৰত্যক্ষ সাক্ষী সাহিত্য । ●

● “আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজকে সমালোচনা কৰা । নিজে শুদ্ধ আৰু পৱিত্ৰ হব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াত যোগ্যতা অৰ্জন কৰিব পাৰিবা ।”

— জনচন্‌

# কবীৰ ঃ ক্ৰান্তিকাৰী কবি

অধ্যাপক দীলিপ কুমাৰ মেধি

'য'লৈ নাযায় ৰবি
তালৈ যায় কবি ।'

—এই কথাষাৰ ক্ৰান্তিকাৰী কবীৰৰ ক্ষেত্ৰত ষোল অনাই ফলিছিল । সমাজৰ এনে এটি দিশ নাই, সমাজৰ এনে এটি অংগ নাই— যিপিনে কবীৰৰ সুদূৰপ্ৰসাৰী দৃষ্টি আকৰ্ষিত হোৱা নাছিল । কবীৰৰ দৃষ্টি শেনৰ নিচিনা ইমানেই তীক্ষ্ণ আছিল যে তেখেতে যিপিনেই দৃষ্টি নিক্ষেপ কৰিছিল, সেই দৃষ্টিয়ে দুৰ্ভেদ্য গড় ভেদ কৰি তাৰ ভিতৰত থকা আৱৰ্জনাবোৰ ঢুকি পাইছিল । সেয়েহে তেখেতে নামঘৰৰে হওক বা মছজিদৰেই হওক প্ৰাচীৰ ভেদ কৰি তাৰ ভিতৰত থকা কু-সংস্কাৰ তথা কু-ৰীতি-নীতিবোৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ সক্ষম হৈছিল । ৰামেই হওক বা ৰহিমেই হওক, হিন্দুৱেই হওক বা মুছলমানেই হওক, কবীৰে য'তেই দুৰাচাৰ, পাপাচাৰ, ভ্ৰষ্টাচাৰ আদি দেখিছিল তাৰ বিৰুদ্ধাচৰণ কৰিছিল । তেনেদৰে ধৰ্মীয় অন্ধবিশ্বাস, অনাচাৰ, অত্যাচাৰ, বাহ্যিক আড়ম্বৰ আদিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰিছিল । মুঠতে সেই সময়ৰ বিপথগামী সমাজখনক এটা নিৰ্দ্দিষ্ট আৰু উপযুক্ত পথত পৰিচালিত কৰাৰ উদ্দেশ্যেৰে তেখেতে যৎপৰোনাস্তি চেষ্টা চলাইছিল । তেখেতে গোটেই সমাজখনলৈ এটা ক্ৰান্তি আনিব বিচাৰিছিল, এটা আমূল পৰিবৰ্ত্তন সাধিব খুজিছিল ।

এইখিনিতে তেতিয়াৰ কবীৰৰ সময়ৰ সমাজখনলৈও এভুমুকি মাৰি চোৱাটো যুক্তিসংগত হ'ব । কবীৰ হিন্দী সাহিত্যৰ ভক্তিকালৰ (সঃ ১৩৭৫ ৰ পৰা ১৭০০ লৈ) এজন অন্যতম কবি । কবীৰৰ সময় পোন্ধৰ শ শতিকা বুলি সাধাৰণতে মনা হয় । অসমীয়া সাহিত্যত তেতিয়া বৈষ্ণৱ যুগ । তেতিয়া সমগ্ৰ ভাৰতীয় সমাজখনকেই ধৰ্মীয় অন্ধবিশ্বাস, কু-সংস্কাৰ, পাপাচাৰ, দুৰাচাৰ, অত্যাচাৰ, বাহ্যিকতা হিংসা-দ্বেষ, দ্বন্দ্ব-খৰিয়াল আদিয়ে মেঘাচ্ছন্ন আকাশৰ দৰে আৱৰি আছিল । ভূত-প্ৰেতৰ ওপৰতো মানুহৰ বিশ্বাস বাঢ়ি গৈছিল । হিন্দু-মুছলমান পৰস্পৰ বিৰোধী হৈ পৰিছিল । হিন্দু জনতাৰ ওপৰত কেৱল অমানুষিক অত্যাচাৰেই চলা নাছিল, তেওঁলোকৰ ধৰ্মীয় মঠ-মন্দিৰবোৰো ভাঙি-চিঙি চুৰমাৰ কৰি দিয়া হৈছিল । আনকি তাৰ ঠাইত মছজিদ নিৰ্মাণ কৰি দিয়া হৈছিল । কবীৰৰ পূৰ্বে প্ৰায় তিনিশ বছৰ শাসনৰ বাঘজৰীডাল মুছলমানসকলৰ হাতত আছিল । এই সময়ছোৱাত ভাৰতীয় সমাজৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, ধাৰ্মিক আৰু আৰ্থিক দিশত অপূৰণীয় ক্ষতি হৈছিল ।

সমাজৰ এনে হীন অৱস্থা দেখি ভাবুক কবি কবীৰৰ হৃদয়ে চিৎকাৰ কৰি উঠিছিল । কবীৰৰ অন্তৰত বিদ্ৰোহৰ অগনি জ্বলি উঠিছিল । সমাজখনক গালি-শপনি পাৰি হ'লেও অজ্ঞান-সমুদ্ৰৰ পৰা উদ্ধাৰ কৰাৰ কাৰণে তেখেতে আজীৱন চেষ্টা চলাইছিল । সেয়েহে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে কোনো ব্যক্তিয়েই কবীৰৰ শক্তিশেল ৰূপী বাক্য-বাণৰ পৰা সাৰি যাব পৰা নাছিল ।

**মুছলমানসকলৰ প্ৰতি :** মুছলমানসকলে ৰোজা ৰখাৰ কাৰ্যক কবীৰে তীব্ৰ ভাষাৰে নিন্দা কৰিছে । তেখেতে, মুছলমান কাজী, চৈয়দ, পীৰ আদিক উদ্দেশ্য কৰি কৈছে—"তোমালোকে কাৰ আদেশত মুৰ্গী, ছাগলী আদি বধ কৰা ? গোটেই দিনটো ভগৱানৰ নামত ৰোজা ৰাখি ধৰ্ম কৰা; অথচ ৰাতি হ'লে গাই আদি বধ কৰি আত্মতুষ্টি সাধন কৰা । ই জানো হিংসা নহয় ? এনেকৈয়ো জানো তোমালোকৰ ভগৱান সন্তুষ্ট হয় ?' কবীৰে আকৌ দোহাৰিছে—"হে পীৰ, চেলা, কাজীসকল । তোমালোকে ৰোজা ৰাখিলে, নামাজাদি পঢ়িলে অথবা কলিমা পঢ়িলে স্বৰ্গপ্ৰাপ্তি হয় বুলি ভাবানেকি ? কোৰাণাদি ধৰ্মগ্ৰন্থসমূহ লগত লৈ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিলেই পুণ্য হয় বুলি ভাবানেকি ? প্ৰকৃততে ভগৱান নিজৰ হৃদয়তে আছে । হৃদয় শুদ্ধ কৰিব নোৱাৰিলে, আসক্তি বাদ দিব নোৱাৰিলে, ভগৱানৰ নাম স্মৰণ নকৰিলে স্বৰ্গপ্ৰাপ্তি আদি সকলো মিছা ।

কবীৰে মুছলমানসকলৰ গো-বধ কৰা কাৰ্যক কঠোৰ ভাষাৰে সমালোচনা কৰিছে । তেখেতে এইক্ষেত্ৰত মুছলমানসকলক মূৰ্খ বুলিও আখ্যা দিছে । গাই-গৰু মাতৃ জাতিৰ নিচিনা— যাৰ গাখীৰ সৰু সৰু ল'ৰা-ছোৱালীৰ পুষ্টিকৰ খাদ্য । তদুপৰি বৃদ্ধ আৰু ৰোগী ব্যক্তিৰ কাৰণেও ই বৰ উপকাৰী । কিন্তু এই মূৰ্খসকলে এইটো নাজানি অজ্ঞানতাবশতঃ গাই গৰুক হত্যা কৰে—

"যাকো দুধ ধাই কৰি পীজৈ, তা মাতা কৌ বধ কিউ কীজৈ ।
লহুৰৈ থকৈ দুহি পীয়ো খীৰো, তাকা অহমক ভকৈ সৰীৰো" ॥

কবীৰে মোল্লাসকলে মছজিদৰ ওপৰত থিয় হৈ চিঞৰি চিঞৰি নামাজ পঢ়ে, তাৰো তীব্ৰ প্ৰতিবাদ কৰিছে—'হে মোল্লাসকল ! তোমালোকে যে মছজিদৰ ওপৰত থিয় হৈ আল্লা আল্লা বুলি টেটু ফালি চিঞৰা, কি তোমালোকৰ খোদা কলা (বহৰা) নেকি ?

"কাংকৰ পাথৰ জোৰি কে মসজিদ লই চুনাই ।
তা চঢ়ি মুল্লা বাঁগ দেক্যা; বহিৰা হুয়া খোদাই ॥'

**হিন্দুসকলৰ প্ৰতিঃ—** কবীৰে কেৱল মুছলমানসকলকেই নহয়, হিন্দুসকলকো কঠোৰ ভাষাৰে নিন্দা কৰিছে । হিন্দুৰ মূৰ্তি পূজাক তেখেতে ঘোৰ সমালোচনা কৰিছে । কবীৰে কৈছে যে মূৰ্তি পূজা কৰাতকৈ শিলক পূজা কৰাই শ্ৰেয় । কিয়নো মূৰ্তিবোৰ শিলেৰেহে তৈয়াৰী । কিন্তু এটা শিলক পূজা কৰাতকৈ এটা পাহাৰক পূজা কৰাই ভাল— য'ত অসংখ্য শিলাখণ্ড থাকে । কিন্তু তাতোকৈ ভাল শিলেৰে তৈয়াৰী জাঁতক পূজা কৰা । কাৰণ তাৰ পৰা মানুহৰ উপকাৰ হয় । তাৰ উৎপাদন

সকলোকে ভোগ কৰে—

"পাহন পূজে হৰি মিলে, তো মৈঁ পু'জু পহাৰ।
তাতে য়হ বাকী ভলী, পীস খায় সংসাৰ ॥'

হিন্দুৰ মতে কাশী এখন পুণ্য ধাম। কাশীলৈ গ'লে নাইবা তাত মৃত্যু বৰণ কৰিলে মুক্তি পায় বুলি জনবিশ্বাস আছে। কিন্তু কবীৰে ইয়াৰ তীব্ৰ সমালোচনা কৰিছে। কাশীলৈ গ'লেই যদি পাপ খণ্ডন হয়, তেনেহলে দেখোন সকলো পাপীয়ে কাশীলৈ গৈ পাপ খণ্ডাই আহিব পাৰে। সেইদৰে গংগাত স্নান কৰা আৰু একাদশী আদি তিথিত ব্ৰত-উপবাস আদি পালন কৰা ব্যক্তিসকলকো তেওঁ নিন্দা কৰিছে। অন্তৰত কলুষতা থাকিলে ভগৱানৰ নাম স্মৰণ নকৰিলে হেজাৰ বাৰ গংগাত স্নান কৰিলেও কোনো সুফল নধৰে।

**বাহ্যাড়ম্বৰ সম্বন্ধেঃ**—সেই সময়ত ধৰ্মৰ নামত চলা নানা ধৰণৰ আড়ম্বৰ পূৰ্ণ আচাৰৰ সম্বন্ধে কবীৰে সমালোচনা আগবঢ়াইছে। কবীৰে শাস্ত্ৰ-কৰ্ম, যাগ-যজ্ঞ, তীৰ্থ-ব্ৰত, নামাজ আদিৰ বিৰোধিতা কৰিছিল। তেওঁ হিন্দু-মুছলমানৰ ধৰ্মপুঁথিবোৰৰ নিন্দা কৰিছে। কোৰাণ, চতুৰ্বেদ আদি শাস্ত্ৰসমূহৰ কোনো কাম নাই। এইবিলাকে মানুহক ভ্ৰমত পেলায়। আনকি চতুৰ্বে'দৰ ৰচয়িতা স্বয়ং ব্ৰহ্মায়ো মুক্তিৰ মৰ্ম বুজি নেপায়—

"চাৰ বেদ ব্ৰহ্মা নিজ ঠানা।
মুক্তি কা মৰ্ম উনহু নাহিঁ জানা ॥"

কবীৰে মালী আৰু পূজাৰীকো সুদাই এৰা নাই। বেলপাত, তুলসী পাত, পুষ্প আদি চিঙি তেওঁলোকে মূৰ্তিৰ বন্দনা কৰে, কিন্তু মূৰ্তিবোৰ নিৰ্জীৱ পদাৰ্থহে। তদুপৰি তেওঁলোকে এইটো কথাও নাজানে যে প্ৰত্যেকটো পাততে একোটা জীৱ আছে। গতিকে এনেকৈ হিংসাৰে পূজিলে ভগৱান জানো সন্তুষ্ট হয়। যিজন কলাকাৰে মূৰ্তিটো তৈয়াৰ কৰিছিল তেওঁতো সেই মূৰ্তিটোৰ বুকুত গচাকি-গচাকিয়েই তাক নিৰ্দিষ্ট ৰূপ দিছিল? মূতিটোৰ যদি ইমানেই শক্তি তেনেহলে সেই কলাকাৰজনক মূৰ্তিটো গচকাৰ অপৰাধত খাই নেপেলালে কিয়? তদুপৰি মূৰ্তিটোৰ নামত যিবোৰ মিঠাই, লাড়ু, কল, গাখীৰ, খীৰ আদি দিয়া হয়, সেইবোৰ জানো মূৰ্তিটোৱে খায়? সকলোবোৰ দেখোন চকুত ধূলি মাৰি পূজাৰীয়ে সৰকাই লৈ যায়—

"লাড়ু লাৱন লাপসী, পূজা চঢ়ে অপাৰ।
পূঁজি পূজাৰা লে গয়া, দে মূৰতি কে মুঁহি ছাৰ"॥

কবিয়ে যাগ-যজ্ঞ, জপ-তপ, শাস্ত্ৰৰ দ্বাৰা প্ৰণয়ন কৰা বিভিন্ন পূজা-পদ্ধতি, বিধি নিষেধ সকলো কৰ্ম হীণ, স্বাৰ্থান্বেষী ব্যক্তি কিছুমানৰ ভোগৰ সুবিধাৰ বাবে নানাধৰণৰ 'বাদ' আৰু পূজা-পদ্ধতিৰ আৱিষ্কাৰ কৰা হৈছে বুলি কয়। সেয়েহে শাস্ত্ৰবোৰ নদীত পেলাই দিয়া উচিত—

"জুঠা জপ-তপ, জুঠা জ্ঞান, ৰাম বিন জুঠা ধ্যান।
বিধি নষেদ পূজা আচাৰ, সব দৰিয়া মে ৰাৰ নপাৰ।"

**সাধু-সন্ন্যাসীৰ প্ৰতি :**— গেৰুৱা বস্ত্ৰ পিন্ধিলে, নাইবা গোটেই শৰীৰত ভস্ম সানিলেই অথবা মালা চাৰিডাল পিন্ধি ললেই সাধু-সন্ন্যাসী নাইবা যোগী হ'ব নোৱাৰি— যদিহে অন্তৰ পবিত্ৰ নহয়—

"সাধু ভয়া তো ক্যা ভয়া, মালা পহিৰো চাৰি।
বাহৰ ভেষ বনাইয়া, ভিতৰ ভৰী ভঙ্গাৰি ॥"

যিদৰে গংগাৰ মাজত ডুব গৈ থাকিলে ভেকুলীয়ে মুক্তি নাপায়, সেইদৰে ভগৱানৰ নাম স্মৰণ নকৰিলে বাহ্যিকতাৰ দ্বাৰা পুষ্ট হলেও সাধু-সন্ন্যাসীসকলে মুক্তি লাভ কৰিব নোৱাৰে। হাতত টোকাৰী, শৃংগী আদি লৈ গীত গাই ফুৰা গেৰুৱা বস্ত্ৰধাৰীসকলক কবীৰে কৈছে— "তোমালোকে এইবোৰ বাজনা বজোৱা বাদ দিয়া। নিজৰ অন্তৰতেই বজোৱা আৰু অনহদ নাদৰ সৃষ্টি কৰা, যাৰ ফলত তোমালোকৰ আগমনৰ চক্ৰটো সমাপ্ত হৈ যায়, মোক্ষ লাভ কৰা আৰু দুনাই সংসাৰত ভূগিব নালাগে।

**অস্পৃশ্যতা আৰু উচ্চ-নীচ সম্বন্ধেঃ**—কবীৰে জাত-পাতৰ বিচাৰ আৰু অস্পৃশ্যতাৰ বিৰোধিতা কৰিছিল। তেখেতৰ মনত উচ্চ-নীচ, সৰু-ডাঙৰ, ধন-দুখীয়াৰ ভেদাভেদ নাছিল। একেজন ঈশ্বৰে সৃষ্টি যেতিয়া সকলো মানুহেই সমান। মানুহে কোনো ব্যক্তিৰ পৰা জ্ঞান আহৰণ কৰোঁতে তেওঁৰ জাত-পাত বিচাৰ নকৰি জ্ঞান সম্বন্ধেহে বিচাৰ কৰিব লাগে—যিদৰে তৰোৱাল এখন কিনাৰ সময়ত তৰোৱালখনৰহে গুণাগুণ বিচাৰ কৰা উচিত, খামটোৰ নহয়। সমাজত উচ্চ শ্ৰেণী বুলি স্বীকৃত ব্ৰাহ্মণ জাতিৰো তেখেতে কটু সমালোচনা কৰিছিল।

**পণ্ডিত সম্বন্ধেঃ**— হাতত কিছুমান ধৰ্মশাস্ত্ৰ লৈ ফুৰিলে নাইবা মুখেৰে কিছুমান সংস্কৃত শ্লোক মাতি থাকিলেই পণ্ডিত হ'ব নোৱাৰে। এওঁলোকে মানুহক বিপথেহে পৰিচালিত কৰে। এওঁলোকে নানা ধৰণৰ বেদ-অধ্যয়ন কৰাৰ ফলত মূল সত্তাৰ পৰা আঁতৰি গৈ অনেক প্ৰকাৰৰ সান্ধ্যোপাসনা, তৰ্পণ আৰু ঘট্ কৰ্ম (স্নান, সন্ধ্যা, পূজা, তৰ্পণ, জপ আৰু হোম নাইবা অধ্যয়ন, অধ্যাপনা, যজন, দান আৰু প্ৰতিগ্ৰহ) ত লিপ্ত হৈ পৰে। কিন্তু এইবোৰে মুক্তিৰ পথ দেখুৱাই দিব নোৱাৰে। প্ৰকৃততে পণ্ডিত সেইজনেই হ'ব পাৰিছে—যিজনে ভগৱানৰ প্ৰেমৰ মহিমা বুজি পাইছে—

'পোথী পঢ়ি পঢ়ি জগ মুৱা, পণ্ডিত ভয়া ন কোই।
তাই অক্ষৰ পঢ়ি প্ৰেম কা, সো পণ্ডিত হোই ॥'

**পূজা পাঠ সম্বন্ধে :** মানুহে বিপদত পৰিলে হিতাহিত জ্ঞান হেৰুৱাই পেলায় আৰু তেতিয়াই ভগৱানৰ নাম লয় নাইবা ভগৱানৰ নামত পূজা-পাঠ আদি কৰে। সেয়েহে কবীৰে বিপদকেই আহ্বান কৰিছে, সুখক নহয়— 'বিপদাহ ভলী, জো থোৰে দিন কা হোয়।' কাৰণ সুখত মানুহে ভগৱানৰ স্মৰণ নাইবা পূজা পাঠ নকৰে— 'দুখ মে সুমিৰণ সব কৰৈ, সুখ মে কৰে ন কোই।' কিন্তু কবীৰৰ মতানুযায়ী ভগৱানৰ নামত এইবোৰ পূজা-পাঠৰ কোনো আৱশ্যকতা নাই। অন্তৰত ময়লা থাকিলে গংগাত স্নান কৰিলেই বা হ'ব কি? এডাৰক গাখীৰেৰে গা ধুৱালেই যেনিবা, বগা জানো হ'ব?

**ধন সম্বন্ধে ঃ** অৰ্থই অনৰ্থৰ মূল। অৰ্থৰ কাৰণেই সমস্যাৰ সৃষ্টি হয়। আনহাতে ধনী হ'লেও এজন মানুহ সুখী নহ'বও পাৰে। সকলো ধন থাকিলেও সন্তোষৰূপী ধন নাথাকিলে সকলো মিছা—

"গো ধন গজধন বাজিধন আউৰ ৰতন ধন খান।
জব আৱৈ সন্তোষ ধন, সব ধন ধূৰি সমান ॥"

ধন বেছি হ'লেও আকৌ মানুহৰ বিপদ। জানোচা চোৰে ৰাতি চুৰ কৰি লৈ যায়, জানোচা পুৰি যায় জুই লাগি, জানোচা নষ্ট হৈ যায় পানী পৰি! কিন্তু ৰাম-ৰূপী ধন এইবোৰ বিপদৰ পৰা মুক্ত। আকৌ কবীৰে কৈছে যে ধন বেছিকৈ সংগ্ৰহ কৰাটোও অনুচিত। জমা কৰি থোৱা ধন ছাইৰ নিচিনা। সেইবোৰে জনসাধাৰণৰ কোনো কল্যাণ সাধন নকৰে।

কবীৰৰ মতানুসৰি মানুহে সেইখিনি ধনহে সংগ্ৰহ কৰা উচিত যিখিনিৰে তেওঁ, তেওঁৰ পৰিয়াল আৰু তেওঁৰ দুৱাৰমুখলৈ যোৱা সাধু-সন্ন্যাসীখিনিক খাবলৈ আঁটে।

**নাৰী সম্বন্ধে :** কবীৰে ভোগ-বিলাস আৰু নাৰী সম্বন্ধেও কটু সমালোচনা কৰি থৈ গৈছে। নাৰীসকলক যাদু, মায়া, মায়াবিনী, সৰ্পিনী, নাগিনী, বিষ আদিৰ লগত তুলনা কৰি গৈছে। এই মায়াবিনী তথা সৰ্পিনীৰ কাৰণেই মানুহ কৰ্মপথৰ পৰা আঁতৰি যায়। কিন্তু এই কাল-সৰ্পিনীৰ পৰা বাচি থকাৰ একমাত্ৰ উপায় হৈছে বিষয়বাসনা বাদ দি ৰাম-ভক্তিত লীন যোৱাটো—

"কামনি কালি নাগনি, তীনু লোক মঝাৰি।
ৰাম সনেহী উবৰে, বিষয় খায়ে বাৰি॥"

এইদৰে কবীৰে সমাজৰ প্ৰতিটো দিশৰ পিনেই মনোনিবেশ কৰিছিল আৰু সংশ্লিষ্ট অনাচাৰ, পাপাচাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰিছিল। অকল সমালোচনা নাইবা গালি-শপনি পাৰিয়েই ক্ষান্ত থকা নাছিল, তাৰ উপশমৰ বাবেও যৎপৰোনাস্তি চেষ্টা কৰিছিল। চিকিৎসকসকলে যিদৰে শৰীৰটো লাৰি-পিটি অস্ত্ৰোপচাৰ কৰে আৰু তাৰ উপশমৰ বাবে নানা ধৰণৰ বেগুেজ আদিৰ ব্যৱহাৰ কৰে, ঠিক তেনেদৰে কবীৰেও সমাজত নানা ধৰণৰ অস্ত্ৰোপচাৰ কৰি তাৰ উপশমৰ বাবে উপদেশ বা সমন্বয় বাণীৰূপী বেণ্ডেজৰো ব্যৱস্থা কৰিছিল। হিন্দু আৰু মুছলমানসকলক কঠোৰ সমালোচনা কৰি উভয় সম্প্ৰদায়ক একতাৰ ডোলেৰে বান্ধিবলৈ অহৰহ তেখেতে চেষ্টা কৰিছিল।

এইখিনিতে অপ্ৰাসংগিক যেন হলেও উল্লেখযোগ্য যে বহুতো সমালোচকে কবীৰৰ ভাষা আৰু কবিত্ব শক্তিৰ ওপৰত সমালোচনা কৰিবৰ বিচাৰে। কিন্তু তেওঁলোকে এইটো কথা পাহৰি যোৱা উচিত নহয় যে কবীৰ এজন অশিক্ষিত সন্ত মহাপুৰুষ আছিল। তেখেতে নিজে কৈ গৈছে যে তেখেতে কাগজ-কলম স্পৰ্শ কৰি পোৱা নাই— "মসি কাগদ ছুয়ো নহি, কলম সহো নহি সাথ।" কিন্তু এনে এজন অশিক্ষিত ব্যক্তিৰ কবিতাই আজি পাঁচশ বছৰৰ পিছতো সকলোৰে চিন্তা-চৰ্চাৰ বিষয়বস্তু হৈ পৰিল, অনেকৰ গৱেষণাৰ বিষয়বস্তু হৈ পৰিল, বিশ্ববিদ্যালয়ৰ এম, এ, পৰীক্ষাৰ পাঠ্যক্ৰমৰ অন্তভূৰ্ক্ত হৈ পৰিল। কলাপক্ষৰ দৃষ্টিৰে চালে যৎকিঞ্চিত দুৰ্বলতা দৃষ্টিগোচৰ হলেও ভাবপক্ষ যে সমৃদ্ধিশালী তাক কোনোৱে নুই কৰিব নোৱাৰে। ভাষাৰ ক্ষেত্ৰতো ইয়াকে ক'ব পাৰি যে তেখেতৰ মূল উদ্দেশ্য আছিল সমাজত ধৰ্ম প্ৰচাৰ কৰাহে। সহজ-সৰল ভাষাৰেহে সমাজত জনমত প্ৰচাৰ কৰিব পাৰি; কঠিন ভাষাৰে নহয়। সংস্কৃত ভাষানো সমাজৰ কেইজনে বুজি পায়? সেয়েহে তেখেতে ইয়াক 'কূপজল' আৰু হিন্দী আদি অন্য ভাষাক 'বোৱতী পানী' বুলি আখ্যা দিছে। ইচ্ছা কৰাহেঁতেন কবীৰে বহুতো কিবাকিবি লিখিব পাৰিলেহেঁতেন। কিন্তু চাৰিবেৰৰ ঠেক সীমাৰ মাজত বহি শুৱলা কবিতা লিখি পাঠকৰ পৰা বাঃ বাঃ আদায় কৰাৰ ইচ্ছা তেখেতৰ সমূলি নাছিল। মানুহক ঈশ্বৰাভিমুখী কৰি সমাজখনক সংস্কাৰ কৰাটোহে কবীৰৰ একমাত্ৰ লক্ষ্য আছিল। তেখেতে যিখিনি লিখি থৈ গ'ল সেইখিনি মাত্ৰ সমাজ-সংস্কাৰৰ নিমিত্তেহে লিখা আৰু সিয়েই আজি ভাৰতীয় সাহিত্যৰ অমূল্য নিধি হৈ পৰিল। যিজন কবীৰে আজীৱন সমাজত থাকিয়েই সমাজৰ ক্ৰান্তি বিচাৰিছিল, তেনে এজন ক্ৰান্তীকাৰী কবীৰৰ বিষয়ে সামান্য এটা প্ৰবন্ধত মূল্যায়ন কৰিবলৈ যোৱাটো ধৃষ্টতাই নহয়, ছাতী মাৰি ভুবুকাত ভৰোৱাৰহে কথা। ●

—০০০—

● আজিৰ যিটো পুৰস্কাৰ, সেইটো কাইলৈ পৰিণত হ'ব পাৰে নিন্দাত। সন্মান আৰু অসন্মানৰ বৰণ সলনি হয়, বৰণ সলনি নহয় কেৱল নিজৰ ৰক্তৰ। সৃষ্টিশীল লেখক জনপ্ৰিয় হ'বলৈ গ'লে, তাৰ ভীষণ পৰিণামৰ বিষয়েও তেওঁ সতৰ্ক হৈ থাকিব লাগিব।

—অমৃতা প্ৰীতম

# ঘূৰি ঘূৰি আহিছোঁ উভতি

**ভণিতা দেৱী**
স্নাতক ৩য় বাৰ্ষিক

আভিজাত্যৰ কোবাল সোঁতৰ বিপৰীতে সমাজৰ উচ্চশ্ৰেণীৰ দ্বাৰা অৱহেলিত উপেক্ষিত সৰ্বসাধাৰণ মানুহৰ দুকোঠলীয়া প'জাঘৰটিতে শান্তিৰ সৰগ ৰচি মহিমামণ্ডিত স্বদেশৰ জয়গান গাই জননীৰ শেতা-পৰা ওঠত হাঁহি বিৰিঙাব খোজা মহিলা কবি নলিনীবালা দেৱীৰ জন্ম হয় ১৮৯৮ খৃঃত বৰপেটাত। তেখেতৰ স্কুলৰ শিক্ষাগত অৰ্হতা একেবাৰে নাছিল, ঘৰুৱা শিক্ষকৰ তত্ত্বাৱধানতহে কিছু শিক্ষা লাভ কৰিছিল। ১৯০৯ চনত তেখেতৰ বিয়া হয় জীৱেশ্বৰ চাংকাকতিৰ লগত। কিন্তু প্ৰকৃতিৰ আইন অমান্য কৰিব নোৱাৰিলে তেওঁ। দাম্পত্য জীৱনৰ পাতনিৰে এখন সুখী সংসাৰ পতাৰ যো-জা কৰোঁতেই স্বামীৰ পৰলোকপ্ৰাপ্তি হয়। স্বামী বিয়োগৰ শোকাগ্নি নো-নুমাওঁতেই দুটি পুত্ৰকো হেৰুৱাব লগা হয়। অকালতে কবিগৰাকীৰ জীৱনলৈ নামি আহিল কাৰুণ্য। কবিয়ে দিক্‌বিদিক হেৰুৱাই চাৰিওফালে অন্ধকাৰ দেখিলে। তেতিয়াই দেউতাক কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱে সাংসাৰিক দুখ-শোক পাহৰি থাকিবলৈ শান্তিৰ প্ৰতীক ৰূপে জীয়েকৰ হাতত তুলি দিলে উপনিষদ, গীতা, ভাগৱত। লাহে লাহে নলিনীবালা দেৱীৰ সংসাৰ-প্ৰয়াসী মনটো ঈশ্বৰ প্ৰয়াসী আৰু পাৰ্থিৱ মায়া-মোহ অপাৰ্থিক প্ৰেমলৈ পৰিবৰ্তিত হ'ল।

কবিগৰাকীৰ ব্যক্তিগত জীৱনৰ শোকাকুল অৱস্থাই তেওঁৰ কবিতাৰ ঘাই উপজীৱ্য। স্বামীহাৰা হৈ বৈধব্য যাতনাৰে আৰু পুত্ৰহাৰা হৈ মাতৃৰ হিয়া-ভঙা অন্তৰ্যথানিৰে কবিয়ে প্ৰকৃতিৰ গছে-পাতে, আকাশে-বতাহে প্ৰতিবিম্বিত হোৱা সনাতন সৌন্দৰ্য্যৰ আভাস অনুভৱ কৰিলে। জাগতিক বৰ্ণবৈচিত্ৰৰ অন্তৰালত আত্মগোপন কৰি থকা সত্য-শিৱ-সুন্দৰৰ লগত মিলনেই হ'ল কবিৰ চৰম আকাংক্ষা। সেয়ে কবিৰ কবিতাত প্ৰকট হৈ উঠিছে ৰহস্যবাদী সুৰ। আৰু শেহলৈকে তেওঁৰ লিখনীমালাই (সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, পৰশমণি, যুগদেৱতা, অলকানন্দা) তেওঁক ৰহস্যবাদী কবি বুলিয়েই জয়মালা পিন্ধালে।

পাশ্চাত্য ৰোমাণ্টিক আন্দোলনৰ দ্বাৰা প্ৰভাৱিত হ'লেও কবিগৰাকীৰ কবিতাৰাজি ভাৰতীয় দৰ্শনৰ জন্মান্তৰবাদ, কৰ্মফলবাদ, অনন্ত স্পৃহা আদিৰে পৰিপুষ্ট—

"মহাকাশস্থিতঃ নিজ: বায়ু সৰ্বত্ৰ'গো মহান
তথা সৰ্ববাণি ভূতানি মৎস্থানীত্যুপধাৰয় ॥"

(যেনেকৈ সৰ্বদা সৰ্বগ্ৰাসী মহান বায়ুৱে আকাশত অৱস্থান কৰে সেইদৰে ভূতগণো আমাৰ মাজত অৱস্থিত।)

গীতাৰ এই মহান বাণী আছিল কবিগৰাকীৰ কবিতাৰ মূল ভেটি। সেয়ে কবিয়ে প্ৰকৃতিৰ সৌন্দৰ্য্য, চৰাইৰ সুললিত কণ্ঠ, নৈ-জান-জুৰিৰ কুলু কুলু ধ্বনি, শ্যামল শস্যৰ শোভা, ধ্যান গম্ভীৰ পৰ্বতৰ ৰূপৰ মাজত উপলব্ধি কৰিছে সৰ্বশক্তিমান ভগৱানৰ অবিনশ্বৰ ৰূপ। এই সৰ্বশক্তিমানক পাবলৈ নানা-প্ৰকাৰ পূজা কৰিও কবি ব্যৰ্থ হ'ল, তেওঁৰ পূজাৰ সকলো সম্ভাৰ প্ৰায় শেষ হ'ল—

"চন্দন শুকাই গ'ল
শুকাল মালতী কৰণিতে
ধূপগছি পুৰি গ'ল
শলাজালি পুৰিলে বন্তিতে।" (শেষঅৰ্ঘ্য)

শেষত ভগৱানক দিবলৈ তেওঁৰ আত্মাটোহে থাকিল। ইফালে তেওঁৰ দৈহিক শক্তিও হ্ৰাস পাই আহিছে। কিন্তু তেওঁৰ চৰম আকাংক্ষা এতিয়াও অপূৰণ হৈয়ে আছে। দেহা খন্তেকীয়া, আত্মা অবিনশ্বৰ। তেওঁৰ পৰমপুৰুষ, আৰাধ্য দেৱতা জনাক পাবলৈ হ'লে এই পাৰ্থিৱ দেহাটোৰ অৱসান ঘটিব লাগিব বুলি কবিয়ে উপলব্ধি কৰিছে। সেয়ে তেওঁ আকুল কণ্ঠেৰে মৃত্যুক আহ্বান কৰিছে—

"চিতাগ্নি হোমাগ্নি হ'ব
সমীৰণ মলয় চন্দন
সিদিনা সাৰ্থক হ'ব
পূৰ্ণ অৰ্ঘ্য পূৰ্ণ ই জীৱন।" (শেষঅৰ্ঘ্য)

কবিৰ এই আকাংক্ষা সাৰ্থক হৈছে যেন তেওঁৰ নিৰ্গুণ ভাৱৰ জৰিয়তে। কবিৰ শোক, দুখ, অনুভূতি, বেদনা যেন ভগৱানে সামৰি লৈছে। সেয়ে তেওঁ শুনিবলৈ পাইছে—

"জীৱন মৰণ একাকাৰ কৰি
বাজে অনাহুত সুৰ।"

অসময়তে জীৱনলৈ নামি অহা কাৰুণ্যাই নলিনীবালা দেৱীক সংসাৰৰ প্ৰতি বীতশ্ৰদ্ধ কৰিলেও তেওঁ কৰ্মৰ প্ৰতি উদাসীন নহয়। বৰঞ্চ কৰ্ম প্ৰেৰণাৰ অমৰ বাণীৰে নিজকে অনুপ্ৰাণিত কৰি লগতে আনকো কৰ্মৰ প্ৰতি আগ্ৰহী, আনৰ প্ৰতি সহানুভূতিশীল, অৰূপ-ৰূপৰ সাধনাত আৰু কৰ্মত ব্ৰতী হবলৈ আহ্বান কৰিছে—

"কৰ্তব্যৰ আঁৰে আঁৰে জীৱনৰ প্ৰতি পদে পদে
সত্যৰূপ পাবা তুমি দেখা,
জীৱনৰ পাৰে পাৰে চঞ্চল নুপুৰ ধ্বনি
আঁকি দিবা চৰণত ৰেখা।"

সাধনাত সিদ্ধি লাভ কৰিবলৈ সংসাৰৰ যাত্ৰীয়ে কৰ্তব্যৰ লগতে নিজক পৱিত্ৰ কৰি লব লাগিব। অপৱিত্ৰ মনত ভগৱান প্ৰতিষ্ঠা হ'ব নোৱাৰে। গীতাত শ্ৰীকৃষ্ণই কৈছে—

"সৰ্বভূতস্থিতং যো মাং ভজত্যেকত্বমাস্থিতঃ
সৰ্বথা বৰ্তমানোহপি স যোগী ময়িবৰ্ত্ততে।"

(সকলো ভূততে থকা মোক যি একেভাৱেৰে ভজন কৰে, সেই যোগী সকলো অৱস্থাতে মোতে থাকে।)
একে সুৰতে নলিনীবালা দেৱীয়েও কৈছে—

"সুন্দৰ অন্তৰ কত ধ্যানৰ স্নিগ্ধতা পথত
সুন্দৰ বিকশি উঠে মানুহৰ কমল বনত।"

দেহৰূপী সজাত পিজৰাবদ্ধ আত্মাই দেহবন্ধনৰ মাজে-

ৰেও অনুভৱ কৰে অসীমৰ উদগ্ৰ আহ্বান—

"কোনেনো সদায় মাতে আকুল উতলা মাতে
কোনদূৰ সুদূৰৰ পৰা।"

সেয়ে পিঞ্জৰাবদ্ধ হৈয়ো আত্মাই বিচাৰে অনাবিল মুক্তিৰ আস্বাদ। সৰগীয় জ্যোতি প্ৰয়াসী মানবাত্মাই ছেগ পালেই বিচাৰে সৰগীয় স্বপ্নৰাজ্যৰ সুধা পান কৰিবলৈ। ই মানৱৰ চিৰন্তন ধৰ্ম—

"দূৰণিৰ পথীজাক মিলি যায় দিগন্তত
মাতি যায় আকুল সুৰত
প্ৰতিধ্বনি বাজে সুদূৰত
জীৱন লগৰী মোৰ পিজৰাৰ পখীটি দেখো
মিলি যাব খোজে অনন্তত
অসীমৰ অচিন বাটত।"

পাৰ্থিৱ বস্তুৰে মানুহৰ চকুত ধৰা দিয়ে, কবি নলিনীবালা দেৱীৰ চকুত সিয়েই অন্য ৰূপত ধৰা দিছে। সেয়ে জাগতিক সৌন্দৰ্য্য তেওঁৰ বাবে পৰম সৌন্দৰ্য্যৰ প্ৰতীক স্বৰূপ। বাহ্যিক সৌন্দৰ্য্যৰ বৰ্ণালীয়ে কবিৰ মন সাগৰত জোৱাৰ তুলিলেও তাৰ মাজেৰেই তেওঁ পৰম সৌন্দৰ্য্যৰ সন্ধান বিচাৰিছে—

"মানুহৰ দুচকুৰ অসীম সৌন্দৰ্য্য তৃষ্ণা
সুখ আশা হেঁপাহ ধুকুৰ
নহয় ই মৰতৰ ক্ষন্তেকীয়া জীৱনৰ
সুখ আশা পৰমপদৰ
ৰূপতৃষ্ণা চিৰসুন্দৰৰ।"

আত্মাৰ স্বৰূপ সাংসাৰিক জীৱনৰ পৰা উদ্ধাৰ পাবলৈ পৰমপ্ৰিয়ৰ চৰণ তলত এডোখৰি ঠাই পাবলৈ কবিয়ে আকুল সুৰেৰে ভিক্ষাৰ পাত্ৰ লৈ ভগৱানৰ দুৱাৰ-ডলিত থিয় হৈছেগৈ—জীৱনৰ বিয়লি বেলাত সকলো হেৰুৱাই তেওঁ নিঃস্ব হৈ পৰিছে—

"ভিক্ষাৰ পাত্ৰখনি মোৰ নিদিবানে অমৃতেৰে পূৰি
ধূলিময় পৃথিৱীৰ পৰা নলবানে তুলি ?
নিদিবানে শেষৰাৰ শোক দুখ সন্তাপ পাহৰা
শান্তিময় চৰণত স্থান ?"

জীৱনৰ পাৰ্থিৱ ভোগ-বিলাসিতাই কবিক তৃপ্তি দিব পৰা নাই—

"ভোগতেই মানুহৰ তৃপিতি পলোৱা হ'লে
বাসনাও নোৱাৰে থাকিব।"

সেয়ে কবিয়ে বুজি পাইছে—

এৰিবলে পাৰ্থিৱ আশা
অশান্ত পৰাণ
চিৰ শান্তিৰে জুৰায়।" (অতৃপ্তি)

ভাৰতীয় দৰ্শনৰ মূল ভেঁটি জন্মান্তৰবাদত গভীৰ বিশ্বাস ৰখা কবি গৰাকীয়ে দৃঢ়ভাৱে কৈছে—

"কতবাৰ জনমিলো তোমাৰ কোলাত
গৈছিলো আকৌ উলটি
অপূৰণ কৰমৰ ভাৰ বান্ধি লৈ
ঘূৰি ঘূৰি আহিছোঁ উভতি।"

মৃত্যুৰ মাজেৰে ভগৱানক দেখাৰ হেঁপাহ থকাৰ বাবেই জীৱনৰ আবেলি বেলিকা সংসাৰ যাত্ৰা শেষ হোৱাৰ আগতে কবিৰ মনত পৰিছে তেওঁৰ প্ৰিয়তমলৈ। সেই প্ৰিয়তমৰ মূৰ্ত্তিয়েই যেন পৰমাত্মা। সেয়ে অসীমৰ যাত্ৰীয়ে মনে মনে মৃত্যুৰ সীমা অতিক্ৰম কৰি ভগৱানৰ অন্বেষণ কৰে—

"আজি এই আবেলিৰ বিদায় পৰত
গহীন আন্ধাৰে ঢকা
সীমাহীন সাগৰ পাৰত
তোমালৈ পৰিছে মনত



অ' মোৰ পৰম প্ৰিয়
তুমি ক'ত ? তুমি ক'ত ?"

এই গৰাকী মহান কবি ১৯৫৪ চনত অসম সাহিত্য সভাৰ যোৰহাট অধিৱেশনৰ সভানেত্ৰী আছিল। তেৱেঁই সাহিত্য সভাৰ একমাত্ৰ মহিলা সভানেত্ৰী।

কবিগৰাকীক দেউতাকৰ সান্নিধ্যই স্বদেশপ্ৰেমৰ মন্ত্ৰেৰেও দীক্ষিত কৰিছিল। সেয়ে তেওঁৰ কবিতাৰ অন্য এটি উজ্জ্বল দিশ হল স্বদেশ-প্ৰেম। সুখে-দুখে জন্মভূমিক সেৱা কৰি থাকিবলৈ মৃত্যুৰ পিছতো এই দেশতে আকৌ জনম পাবলৈ কবিগৰাকীয়ে আশা প্ৰকাশ কৰিছে। সহজ-সৰল ভাষাৰে প্ৰাণস্পৰ্শ কৰি যোৱা অনুভূতিয়ে কবিগৰাকীৰ গভীৰ স্বদেশ-প্ৰেমৰ উদাহৰণ ডাঙি ধৰে—

"দুখীয়াৰ ভঙা প'জা
একোখনি তীৰ্থ তাত
একোখনি পুণ্যৰ আশ্ৰম ;
মৰিলে পুনৰ আহি
দুখীয়াৰ দেশতে মোৰে
লওঁ যেন পুনৰ জনম।" ●

● আত্ম-সমৰ্পণ আৰু প্ৰেম কেতিয়াও একে হ'ব নোৱাৰে। প্ৰেমৰ ক্ষেত্ৰত দাবী নেখাটে। তুমি এগৰাকী নাৰীৰ শৰীৰটো ভাল পালেই নহ'ব ; সেয়া প্ৰেমেই নহয় ; তুমি সেই নাৰীক পূৰ্ণভাৱে ভাল পাব লাগিব।

—অমৃতা প্ৰীতম

# ঊনবিংশ শতিকাৰ অসমত স্ত্ৰী-শিক্ষাৰ পটভূমি

যোগেন্দ্ৰনাৰায়ণ ভূঞা

বৃটিছে অসম অধিকাৰ কৰোঁতে অসমত শিক্ষাৰ অৱস্থা অতিশয় শোচনীয় আছিল বুলি মিল্‌ছ চাহাবে (A. J. Moffat Mills) তেওঁৰ প্ৰতিবেদনত (Report on the Province of Assam : 1853) কৈছে। তেওঁৰ মতে সেই সময়ত লিখিব-পঢ়িব জনা লোক অসমত প্ৰায় নাছিলেই (…"the individuals who could read and write very few")।[1] তাৰ কাৰণ নিশ্চয় ব্ৰিটিছৰ অধিকাৰ-পূৰ্বকালছোৱাত অসমত ঘটা মানৰ অবৰ্ণনীয় অত্যাচাৰ। গুণাভিৰাম বৰুৱাই কৈ যোৱা মতে "এই সময়ত ই দেশৰ অৱস্থা যি হইছিল, তাক লিখা অতি বাহুল্য। সংক্ষেপে ইয়াকে ক'ব লাগে যে প্ৰজাৰ ধন, প্ৰাণ, মান একেবাৰে স্থিৰ নাছিল। কৃষি, বাণিজ্য, শিল্প প্ৰায় সকলো কাৰ্য স্থগিত আছিল।"[2] এনে এক পৰিস্থিতিত ৰাইজৰ মনত বা মাজত শিক্ষা-চেতনাৰ সম্ভেদ পাবলৈ আশা কৰিব নোৱাৰি।

নগাঁৱৰ তদানীন্তন কালেক্টৰ জন বাট্‌লাৰে মিল্‌ছ চাহাবক জনোৱা মতে ১৮৩৮ চনত বোলে নগাঁও জিলাত ডেৰকুৰি জনো শিক্ষিত মানুহ পাবলৈ নাছিল। উইলিয়াম ৰবিঞ্চনে কোৱা মতেও অসমৰ ব্ৰহ্মপুত্ৰৰ উপত্যকাত ১৮৪১ চনত শিক্ষাৰ অৱস্থা আছিল অত্যন্ত শোচনীয় ('deplorable in the extreme')[3] পোন্ধৰ বছৰৰ পাছত অৰ্থাৎ ১৮৫৬ চনত স্কুল-পৰিদৰ্শক ৰবিঞ্চনৰ এলাকাধীন (য'ত বংগ দেশৰো জিলা আছিল কেইবাখনো) স্কুলসমূহত মুঠ ১৩,৩০০ ল'ৰাই শিক্ষা লাভ কৰে; কিন্তু সেইছোৱা সময়ত এলাকাটোত স্কুললৈ যাব পৰা বয়সৰ ল'ৰা আছিল ১,২৬২,০০০ টা।[4] নগাঁৱত ১৮৫৬-১৮৫৭ চন বছৰত দেশীয় ভাষাৰ স্কুল (vernacular school) আছিল ১২ খন, আৰু তাত শিক্ষা লাভ কৰিছিল মুঠ ৬৭৯ টা ল'ৰাই (হিন্দু ৫৯০, মুছলমান ৬৫, অন্যান্য ২৪)[5]

"শিক্ষাৰ প্ৰতি অসমৰ জনসাধাৰণৰ, অভিভাৱকসকলৰ অনীহা আছিল এনে শোচনীয় অৱস্থাৰ কাৰণসমূহৰ অন্যতম। ১৮৪৬ চনৰ চেপ্টেম্বৰ সংখ্যা 'অৰুনোদই'ত প্ৰকাশ পোৱা 'গিয়ান সভা আৰু স্কুলৰ বিবৰণ' শীৰ্ষ লেখাটোৱেই তাৰ সাক্ষ্য বহন কৰিছে। তাত কোৱা মতে অসমৰ নগৰ অঞ্চলৰ ভদ্ৰলোকে আৰু গাঁ'ৱৰো এচাম লোকে নিজৰ ল'ৰাহঁতক 'লিখা-পৰ্হা সিকোআ দস্তুৰ' আছিল; "কিন্তু কোনো কোনো গাঁৱৰ ভাল মানুহবোৰে শিকিব নিদিয়ে, আৰু সামান্য মানুহবিলাকেও নিদিয়ে। কাৰণ, বোলে, হাল বোৱা, কোৰ ধৰা, আৰু ভূঁই ৰোৱা দিন হ'ল,—সেই নিমিত্তে ল'ৰাক এৰিব নোৱাৰোঁ, কিন্তু যেতিয়া ভূঁই ৰুই অ'তায়, তেতিয়া পঢ়িবলৈ দিম। এইবুলি ভিনিমাহ থাকি পাছে আকৌ কয় বোলে এতিয়া ধান পকিল, ধান দাব আৰু কঢ়িয়াব লাগে, এতিয়াও নোৱাৰোঁ, কিন্তু ধান দাই অ'তাই পাছে শিকিব দিম। আৰু কিছুদিন থাকি কয় বোলে আফুতলীও অ'তাব লাগে, আৰু আফু হলে বাখিব লাগে, আৰু মুগা পোহাকে আদি কৰি এই ৰূপে কাৰণ উলিয়াই কৈ থাকোঁতে বছৰ পূৰ হৈ যায়, তেন্তে ল'ৰাই কেনেকৈ শিকিব?'[6] (আখৰ জোঁটনি আমাৰ)।"

অপটু শিক্ষকৰ নিযুক্তিও শিক্ষা-ক্ষেত্ৰত দেখা পোৱা অৱস্থাৰ বাবে জগৰীয়া। ৰবিঞ্চনে কৈছে, "কেতবোৰ ওজাই দৰমহা খাই প্ৰবৰ্তি থাকে হয়, কিন্তু ছাত্ৰবিলাকৰ জ্ঞান-বিদ্যা কি ৰূপে বাঢ়িব, তালৈ সিহঁতে একো শ্ৰম নকৰে। কোনো কোনো ওজাই কেৱল বৰলোকৰ ল'ৰাকহে আন্তিক কৈ পঢ়ায়, সামান্য মানুহৰ ল'ৰাত মন নিদিয়ে। কোনো ওজাই ঘৰ এলাহত থাকি ছাত্ৰৰ এটাৰ দোৱাৰাইহে ল'ৰাবোৰক পঢ়ায়, আৰু পঢ়াশালিলৈকো পলমকৈহে আহে, যাওঁতে সোনকালে যায়। যদি কোনো ছাত্ৰক হাজিৰ নেপায়, তাৰ কাৰণো নিবিচাৰে। আৰু কোনো কোনো ওজা আপুনি অগিয়ানী হোৱাৰ নিমিত্তে বিদ্যা উত্তম ৰূপে শিকাবই নোৱাৰে।" (আখৰ জোঁটনি আমাৰ)।[7]

আদালতৰ দৰেই শিক্ষানুষ্ঠানতো অসমীয়া ভাষাৰ পৰিবৰ্তে বঙলা ভাষা প্ৰৱৰ্তন কৰা কাৰ্য যে অসমৰ শিক্ষা-ক্ষেত্ৰত বৃটিছ চৰকাৰৰ আটাইতকৈ ডাঙৰ কুঠাৰাঘাত, সেই কথা স্বয়ং 'মিল্‌ছ' চাহাবেই মুক্তকণ্ঠে ঘোষণা কৰি গৈছে ("I think, we made a great mistake in directing that all business should be transacted in Bengallee, and that the Assamese must acquire it")[8] ১৮৭৪ চনলৈকে অসম যদি বংগ প্ৰশাসনৰ অধীনত নাথাকিলহেঁতেন, তেতিয়া হলে এনে দুৰ্দৈৱ অসমৰ বেলিকা নঘটিলহেঁতেন বুলি মানিকচন্দ্ৰ বৰুৱাই ১৯০৯ চনৰ ৮ এপ্ৰিল তাৰিখে ব্যৱস্থাপক সভাত দিয়া ভাষণত স্পষ্টভাৱে প্ৰকাশ পাইছে ('This no doubt was the result of Assam having been placed under the

১. ৰিপোৰ্ট অন দ্য প্ৰভিন্স অফ্ আছাম, পাব্‌লিকেশ্যন বোৰ্ড, আছাম, ১৯৮৪, পৃঃ ২৬।
২. আসাম বুৰঞ্জী, অসম প্ৰকাশন পৰিষদ, ১৯৭২, পৃ, ১৪৭
৩. এ ডেস্ক্ৰিপ্টিভ্ একাউন্ট অফ্ আছাম, সংস্কৰণ প্ৰকাশক, ১৯৭৩. পৃ. ২৭৭।
৪. প্ৰভিন্সিয়েল গেজেট্টিয়াৰ অফ্ আছাম, পৃ. ৮৯-৯০।
৫. এ ষ্টেটিষ্টিকেল একাউন্ট এফ্ আছাম, ডব্লু, ডব্লু, হান্টাৰ, বি, আৰ, পাব্‌লিশ্বিং কৰ্পৰেছন, ১৯৮২, পৃ. ২১৩।

৬. অৰুণোদই, অসম প্ৰকাশন পৰিষদ, পৃ, ৬৭।
৭. উল্লিখিত গ্ৰন্থ, পৃ. ৯৬৬।
৮. ৰিপোৰ্ট অন দ্য প্ৰভিন্স অফ, আছাম, পৃ. ২৮।

Government of Bengal till 1874, and its education having mainly been in the hands of Bengalis, residing in Assam, whose interest it was to ignore the Assamese language.") [৯]

শিক্ষা অৰ্জনৰ প্ৰতি ল'ৰাইঁতৰো আগ্ৰহ আছিল নিচেই কম। সাধাৰণ দৰ্খাস্ত এখন লিখিব পৰা হ'লেই, আৰু গাঁও-কাকতীৰ চাকৰি এটা পোৱাৰ অৰ্হতা অৰ্জন কৰিলেই তেতিয়াৰ ল'ৰাইঁতে স্কুলীয়া শিক্ষা জলাঞ্জলি দিছিল। মিল্‌ছৰ ভাষাত ক'বলৈ গ'লে ল'ৰাইঁতৰ লক্ষ্য আছিল কেৱল চৰকাৰী চাকৰি : "Simply the prospect of getting Government employ।" তেওঁৰ প্ৰতিবেদনত প্ৰকাশ পোৱা মতে চৰকাৰী স্কুলত শিক্ষাপ্ৰাপ্ত নগাঁৱৰ ৮৫ টা ল'ৰাৰ ভিতৰত ৫৪ টা ল'ৰাই নিযুক্তি লৈছিল গাঁও-কাকতী ('Village Cagottee') ৰূপে। তেওঁলোকৰ মাহিলি দৰমহা আছিল দুটকা আঠ অনা।[১০]

চৰকাৰীভাৱে শিক্ষা-ক্ষেত্ৰত কৰা ব্যয়ৰ পৰিমাণলৈ লক্ষ্য কৰিলে শিক্ষা-বিস্তাৰত বৃটিছ চৰকাৰৰ উদাসীনতা জল্‌জল্‌ পট্‌পট্‌ হৈ পৰে। ১৮৫৫ চনত নগাঁও জিলাত ১৪ খন ভাৰ্নেকুলাৰ স্কুলৰ প্ৰতিষ্ঠা-পৰিচালনাত চৰকাৰৰ ব্যয় হৈছিল মাত্ৰ ১৬০০ টকা। তাৰ তিনি বছৰৰ পূৰ্বৰ (১৮৫২) ছবিখন ততোধিক চমকপ্ৰদ। জিলাখনৰ সকলো বিভাগৰ পৰা চৰকাৰে বছৰটোত ৰাজহ আদায় কৰিছিল সৰ্বমুঠ একলাখ সাতত্ৰিছ হাজাৰ আঠ শ একৈছ টকা চৈধ্য অনা, ব্যয় কৰিছিল বিৰাশী হাজাৰ পাঁচশ আঠৰাষ্ঠি টকা দহ অনা দুপইচা, আৰু ৰাজকোষত সোমাইছিলগৈ ("in favour of Government") প'চপন্ন হাজাৰ দুশ তেপন্ন টকা তিনি অনা দুপইচা। কিন্তু বছৰটোত স্কুল প্ৰতিষ্ঠা পৰিচালনাত খৰচ হৈছিল মুঠেই এহেজাৰ চৌৰাশী টকা।[১১] পাৰোঁতেনো আনন্দৰাম ঢেকিয়াল ফুকনে ১৮৪৭ চনতে অসমৰ গাঁৱে গাঁৱে হেজাৰে হেজাৰে পঢ়াশালি হোৱা দিনটো শীঘ্ৰে ঘটাবৰ বাবে পৰম পিতা জগদীশ্বৰক প্ৰাৰ্থনা কৰিছিলনে ?[১২] আনন্দৰামে অসমৰ ল'ৰাবোৰকো লেখা-পঢ়া শিকি বিদ্যাৱন্ত, বুদ্ধিমন্ত আৰু জ্ঞানৱন্ত হ'বলৈ ১৮৪৯ চনত ৰচনা কৰা 'অসমীয়া ল'ৰাৰ মিত্ৰ' নামৰ পুথিত দঢ়াই দঢ়াই কৈছিল।[১৩]

সমসাময়িক অসমত উচ্চ শিক্ষা, বিশেষকৈ ইংৰাজী শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত থকা সামাজিক অনুশাসনো শৈক্ষিক অনগ্ৰসৰতাৰ বাবে দায়ী। ইংৰাজী শিক্ষা গ্ৰহণ আছিল জাত্যান্তৰ গ্ৰহণৰ নামান্তৰ। সমাজ সংস্কাৰক হেমচন্দ্ৰ বৰুৱাই নিজে ইংৰাজী

৯. ড' প্ৰফুল্লদত্ত গোস্বামী ৰচিত মাণিক চন্দ্ৰ বৰুৱা', অসম প্ৰকাশন পৰিষদ, ১৯৭৭, পৃ. ১০৪-৫।
১০. পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৪৯৮-৫০০।
১১. জন বাট্‌লাৰৰ 'ট্ৰেভেল্‌ছ ইন আছাম' পুনৰ্মুদ্ৰণ ১৯৭৮, পৃ. ২৬৫।
১২. অৰুনোদই, পৃ. ১৩১।
১৩. নন্দ তালুকদাৰ সম্পাদিত "আনন্দৰাম ঢেকিয়াল ফুকন ৰচনা সংগ্ৰহ', পৃ, ৪৯-৫২।



শিকিছিল লুকাই-চুৰকৈহে। তথাকথিত ম্লেচ্ছ-ভাষাৰ শিক্ষাই অসমৰ সমাজ-জীৱনত তেতিয়া অবাধ প্ৰচলন লাভ কৰা নাছিল। 'অৰুনোদই' কাকতে পিছে অসমীয়া ল'ৰাক ইংৰাজী শিক্ষা আহৰণ কৰাত প্ৰভূত প্ৰেৰণা যোগাইছিল। 'অৰুনোদই পৰ্হা সবু ল'ৰা বিলাকৰ প্ৰতি প্ৰথম প্ৰনই পত্ৰ' শীৰ্ষক লেখাটোত ইংৰাজী ভাষা শিক্ষা কৰিবলৈ উদগনি দিছিল এনেদৰে- "তোমালোকে, যদি ভদ্ৰ আৰু সম্ভ্ৰান্ত হ'ব খুজিছা, তেন্তে ইংৰাজী ভাষা শিকিবা। যদি শিল্প-বিদ্যা আৰু বাণিজ্য আৰু উত্তম ব্যৱস্থা আৰু ৰাজনীতি আৰু ধৰ্ম আদি কৰি সকলো বিষয়ে জানিবলৈ ইচ্ছা কৰা, তেন্তে ইংৰাজী ভাষা শিকিবা। যদি এই দেশৰ সকলো লোকৰ আদৰ আৰু প্ৰশংসা পাব খোজা, এই ভাষা শিকিবা।"[১৪] তথাপি শতিকাটোত শিক্ষাৰ ভেটি শক্তিশালী হোৱা দূৰৰ কথা, প্ৰকৃত অৰ্থত গঢ় লৈয়েই নুঠিল।

মুঠতে, ১৮৪৩ খ্ৰীষ্টাব্দৰ পৰা ১৮৭৪ খ্ৰীষ্টাব্দলৈ অসমৰ শিক্ষা-ক্ষেত্ৰৰ ছবিখন এনে ধৰণৰ :- ১৮৪৩-৪৪ চনত প্ৰাইমাৰী স্কুল আছিল ৪৭ খন; ১৮৫৩-৫৪ চনত সেই সংখ্যাটো হ'ল গৈ ৬৩; ১৮৭৩-৭৪ চনত সংখ্যাটো ৫১৩ হ'লগৈ। মিডল ভাৰ্নেকুলাৰ স্কুল ১৮৪৩ আৰু ১৮৬৪ চনৰ মধ্যবৰ্তী কালছোৱাত এখনো নাছিল। ১৮৭৩-৭৪ চনত অৱশ্যে ৭১ খন তেনে স্কুল স্থাপিত হ'ল। মিডল ইংলিশ স্কুল ১৮৬৩-৬৪ চনত আছিল দুখন, ১৮৭৩-৭৪ চনত হ'লগৈ এঘাৰখন। হায়াৰ ইংলিশ স্কুল তেয়াল্লিছ-চৌৱাল্লিছ চনলৈ থকা দুখনেই (গুৱাহাটী ১৮৩৫, শিৱসাগৰ ১৮৪১) তেষষ্ঠি-চৌষষ্ঠি চনলৈকে আছিল। ১৮৭৩-৭৪ চনলৈ অসমত ৬ খন হায়াৰ ইংলিশ স্কুল স্থাপিত হ'ল।[১৫]

ঊনবিংশ শতিকাৰ অসমত সাধাৰণ শিক্ষাৰ এনে এটা অৱস্থাৰ পৰিপ্ৰেক্ষিতত স্ত্ৰী-শিক্ষাৰ দৈন্য-দশা সহজে অনুমেয়। পুৰুষৰ দৰে তিৰোতায়ো শিক্ষা পাব লাগে বুলি বা ল'ৰাৰ দৰেই ছোৱালীকো শিক্ষা দিব লাগে বুলি অসমীয়া সমাজৰ চেতনা তেতিয়া নাছিল। শতিকাটোৰ চতুৰ্থ দশকত (১৮৩৫) জন মেক্‌কোছে (John M'cosh) দিয়া বিবৰণ মতে তিৰোতাক শিক্ষা দিয়াটো অতিশয় সৰ্বনাশীয়া কাম বুলিয়েই অসমীয়া সমাজত বিবেচিত হৈছিল, আৰু লিখা-পঢ়া জনা ছোৱালীক কোনো লোকেই বিয়া নকৰাইছিল। ("Learning was thought too dangerous a power to be intrusted to females : and no man would marry a girl if she could read and write.")।[১৬] আনন্দৰাম ঢেকিয়াল ফুকনৰ অভ্যুদয়-পূৰ্ব কালছোৱাত যে অসমত স্ত্ৰী-শিক্ষা সম্পৰ্কীয় চেতনা নাছিলেই, আনন্দৰামৰ প্ৰাদুৰ্ভাৱৰ কালছোৱাতো তেনে চেতনাৰ উন্মেষ লক্ষ্য কৰা নাযায়। আধুনিক অসমৰ জাতীয় জীৱনৰ প্ৰায় সকলো দিশতে নৱজাগৰণৰ সূচনা হৈছিল আনন্দ-

১৪. অৰুনোদই, পৃ. ৬৭-৬৯।
১৫. কটন কলেজ গল্ডেন জুবিলী ভল্যুম, পৃ. ১৩।
১৬. জন মেক্‌ কোছৰ 'টপোগ্ৰাফি অফ্‌ আছাম' সংস্কৰণ প্ৰকাশক, ১৯৭৫, পৃ. ২৬।

ৰামৰ কলিকতা-প্ৰত্যাবৰ্তনৰ পাছৰ পৰা। জাতি এটাৰ সৰ্বাংগীন উৎকৰ্ষ সাধনত যে স্ত্ৰীশিক্ষাৰ নিতান্ত আৱশ্যক, সেই কথা অসমত পোন প্ৰথমে আনন্দৰামৰ পিতৃ হলিৰাম ঢেকিয়াল ফুকনেই যদিও অনুভৱ কৰিছিল, তেওঁৰ সেই অনুভূতিৰ প্ৰকাশ আৰম্ভ হৈ আছিল কলিকতাৰ বঙলা বাতৰি-কাকতত লিখা চিঠি-পত্ৰতে। আনন্দৰামে পিছে কেৱল কাগজে-কলমেই নহয়, ব্যৱহাৰিক ভাৱেও এই দিশত সক্ৰিয়তা প্ৰদৰ্শন কৰিছিল। গুণাভিৰাম বৰুৱাই কৈছে, "আনন্দৰাম ফুকনে জানিছিল যে এই দেশত স্ত্ৰী-জাতিৰ পিতৃ-মাতৃৰ গৃহত লেখা-পঢ়াৰ শিক্ষা নহয়, অথচ লেখা-পঢ়া-শিক্ষা নিতান্ত আৱশ্যক, এতেকে নিজে শিক্ষকতা নকৰিলে নহয়।" সেই ভাবি বোলে আনন্দৰামে নিজে লিখা-পঢ়া শিক্ষা দিবলৈ ধৰিলে।"[17] সমসাময়িক কালছোৱাত অসমত তিৰোতাৰ আনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থা কৰিব পৰা নাছিল যদিও আনন্দৰামে নিজৰ ঘৰখনতেই স্ত্ৰী-শিক্ষাৰ শুভ সূচনা কৰিছিল বুলিব লাগিব।

আনুষ্ঠানিক স্ত্ৰীশিক্ষাৰ আগলি-বতৰা কঢ়িয়াই আনিলে শতিকাটোৰ প্ৰথমাৰ্দ্ধৰ শেহৰটো দশকত আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে। ১৮৪০ চনত ড° নাথান ব্ৰাওন আৰু ও. টি. কটৰৰ পত্নী দুগ-ৰাকীয়ে শিৱসাগৰত স্থাপন কৰা মিছনেৰী স্কুল-খনেই আনুষ্ঠানিক স্ত্ৰীশিক্ষাৰ পথ মুকলি কৰি দিছিল। ১৮৪৩ চনত ড° মাইল্‌ছ ব্ৰণ্চনে নগাঁৱত আনু ১৮৫০ চনত মিছেছ বাৰ্কাৰে গুৱাহাটীত মিছন স্কুল প্ৰতিষ্ঠা কৰিও তেনে পথ মুকলি কৰিছিল। কিন্তু মুকলিহে হৈছিল পথটো, সুগম হোৱা নাছিল। উল্লিখিত স্কুল কেইখনৰ মূল লক্ষ্য আছিল খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰা। স্বাভাৱিকতে কুলীন-কুলসৰ্বস্ব হিন্দুসকলে তেওঁলোকৰ ছোৱালীবোৰক সেই স্কুল কেইখনলৈ নপঠিয়াইছিল।

১৮৫৩ চনৰ ২১ মাৰ্চ তাৰিখে লিখা আৰু সেই চনৰে এপ্ৰিল সংখ্যা 'অৰুনোদই'ত প্ৰকাশ পোৱা এখন চিঠিত ('কলিকতা নগৰত থকা তোমালোকৰ বন্ধু এজন অচমিয়া লোক') গুণাভিৰাম বৰুৱাই স্ত্ৰী-শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৈছিল, "ল'ৰা-ছোৱালী দুইকো সমানে বিদ্যা শিকোৱা আৰু প্ৰতিপালন কৰা মাক-বাপেকৰ প্ৰধান কৰ্ম; কিন্তু যি দেশত কেৱল ল'ৰাকেই সম্পূৰ্ণ ৰূপে বিদ্যা শিকিবলৈ নিদিয়ে,—সেই দেশত যে ছোৱালীবোৰে বিদ্যা শিকি সবু কালত মাক-বাপেকক আৰু গাভৰু হলে আপোনাৰ স্বামীয়ে সৈতে সদায় সজ্ঞ কথাৰ আলোচনা কৰিব, আৰু সন্তান-সন্ততি হলেও সিহঁতক শিকাব-বুজাব, এনে সম্ভাৱনাই নাই। ল'ৰা কি ছোৱালী য়োৱো বিদ্যা শিকা উচিত।"[18]

আমেৰিকান মিছনেৰীসকলৰ বেচৰকাৰী উদ্যোগৰ বাহিৰে চৰকাৰী প্ৰচেষ্টাত ছোৱালীৰ বাবে অসমত প্ৰাথমিক শিক্ষাৰ প্ৰথম স্কুলখন স্থাপিত হৈছিল ১৯৬০-৬১ চনত শিৱসাগৰত। পৰৱৰ্তী দুটা বছৰত গুৱাহাটী আৰু নগাঁৱত তেনে উদ্যম পৰিলক্ষিত হৈছিল। উদাৰ মনৰ অসমীয়া-অন-অসমীয়া

১৭. আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ, অ, প্ৰ, প, ১৯৭১, পৃ, ৫৮।
১৮, অৰুনোদই, পৃ, ৯৪৯।



কিছু সংখ্যক লোকৰ আন্তৰিক প্ৰচেষ্টা সত্ত্বেও স্ত্ৰী-শিক্ষাৰ সেই উদ্যমটো বৰ ফলপ্ৰসূ নহ'ল। ১৮৭৪-৭৫ চনত অসমত প্ৰাথমিক শিক্ষা লৈছিল মাত্ৰ ৮৭৫ জনী ছোৱালীয়েহে। ১৮৯৭–৯৮ চনতো পাহাৰ-ভৈয়ামত মিলি সমগ্ৰ অসমতে প্ৰাথমিক স্কুল আছিল মাত্ৰ ২৩৫ খন; আৰু তাত শিক্ষা লৈছিল মাত্ৰ ৩৮২৩ জনী ছোৱালীয়ে। উল্লিখিত কালছোৱাত অসমত ছোৱালীৰ বাবে মজলীয়া স্কুল আছিল ৩খন; তাত শিক্ষা পোৱা ছাত্ৰীৰ সংখ্যা আছিল ২৩৫।[19]

শতিকাটোৰ দ্বিতীয়াৰ্দ্ধত অসমৰ জাতীয় জীৱনৰ প্ৰায় সমস্ত দিশতে এক প্ৰকাৰৰ নৱ জাগৰণে দেখা দিয়া সত্ত্বেও তিৰোতাৰ শিক্ষাৰ দিশত পিছে পশ্চাদ-গামিতাহে পৰিলক্ষিত হৈছিল। তাৰ কাৰণো নোহোৱা নহয়। পুৰুষ-প্ৰধান সমাজ-ব্যৱস্থাত "ঘৰেই ঘৈণীৰ সকলো" ধৰণৰ মনোবৃত্তি এটা সেই সময়ত গঢ় লৈ উঠিছিল। স্মৃতিশাস্ত্ৰৰ অনুশাসন, বাল্যবিবাহ, নাৰীৰ চাৰিত্ৰিক পৱিত্ৰতা সম্পৰ্কীয় পৰম্পৰাগত ধ্যান-ধাৰণা, বিদেশী-বিজাতীয় ধৰণ-কৰণ মাত্ৰেই পৰিত্যাজ্য ভাৱ আদি অসমীয়া সমাজৰ শিক্ষিত পুৰুষসকলৰ মনত গুলুম বান্ধি থকা বাবে সমাজৰ এটা অংগৰ খৰ'তাৰ প্ৰতি পুৰুষ-সমাজৰ সহানুভূতিশীল দৃষ্টি আকৃষ্ট নহৈছিল। সমসাময়িক কেইজনমান বুদ্ধিজীৱীৰ সংশ্লিষ্ট ক্ষেত্ৰত প্ৰতিক্ৰিয়াশীল মনোভংগীয়ে এই কথাটো আৰু পৰিষ্কাৰ কৰি দাঙি ধৰে। জোনাকী, আসাম-বন্ধু, মৌ আদি আলোচনীৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি।

জোনাকী আৰু আসাম-বন্ধুৰ প্ৰখ্যাত লেখক ৰত্নেশ্বৰ মহন্তই যেতিয়া "মনুৰ মতেই সকলো বিষয়ত সকলোতকৈ প্ৰশংসনীয় আৰু ল'বলগীয়া" বা "অন্যান্য সকলো পণ্ডিত আৰু শাস্ত্ৰতকৈ মনুৰ মতেই সৰ্বজন সন্মত আৰু প্ৰশংসিত"[20] বুলি কয়, তেতিয়া তিৰোতাৰ শিক্ষাৰ লেখীয়া বিষয় এটাৰ বেলিকা আশাব্যঞ্জক ছবি এখন বিচৰাটো পণ্ডশ্ৰমহে। স্কুলৰ শিক্ষা নোপোৱা বোৱাৰীসকলে 'সংসাৰাশ্ৰমৰ অতি লাগতিয়াল সকলো বিষয়তে আজি-কালিৰ স্কুলৰ শিক্ষা পোৱা বোৱাৰী-জীয়াৰীবিলাকতকৈও বহুত গুণে শ্ৰেষ্ঠ ৰূপে শিক্ষিতা হৈ উঠে' বুলি যেতিয়া ৰত্নেশ্বৰ মহন্তই কয়,[21] তেতিয়া কথা-টোৱে এটা আংশিক সত্যহে প্ৰকাশ কৰে। মহন্তৰ মতে তিৰোতাক দেশী শিক্ষা দিয়াত প্ৰত্যবায় নঘটে, ঘটে বিদেশী শিক্ষা দিয়াতহে।[22]

'আসাম-বন্ধু'ৰ আন এজন বিশিষ্ট লেখক লম্বোদৰ বৰাৰ ('সদানন্দৰ নতুন অভিধান') মতে 'স্ত্ৰী-শিক্ষা' শব্দৰ অৰ্থ হ'ল "চিঠি লিখিবলৈ শিকা; নাটক-নভেলৰ (উপন্যাসৰ) পৰা মূৰ নদঙ্গা; বোৱা-কটা, ৰন্ধা-বঢ়া আদি গৃহস্থালি কামবোৰ পাহৰা; শৰীৰ দুৰ্বলী, অকামিলা আৰু হাড়-ছাল শেষ কৰা; দৰা এঙাবলৈ শিকা; তিৰোতাৰ উচিত কামবোৰ পাহৰা; তিৰোতাক মতা কৰা; ফুলক বজ্ৰ কৰা; সৰোবৰক মৰু-

১৯, পলিটিকেল হিষ্ট্ৰী অফ্ আছাম, প্ৰথম খণ্ড, পৃ. ১২৯—১৩০।
২০. যোগেন্দ্ৰনাৰায়ণ ভূঞা সম্পাদিত 'ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী,' পৃ. ২১৯, ৩৩১।
২১. 'আসাম-বন্ধু.' অসম প্ৰকাশন পৰিষদ, পৃ. ১৪২।
২২. উল্লিখিত গ্ৰন্থ. পৃ. ১৬৪।

ভূমি কৰা।"[২৩] সন্দেহ নাই, উক্তিটো শ্লেষাত্মক; কিন্তু সমসাময়িক অসমীয়া নাৰী-সমাজৰো সাৰ্থক প্ৰতিফলক। তেনে এক প্ৰতিৰূপেও স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত অসমৰ বুদ্ধিজীৱীসকলক উন্নাসিক কৰি তুলিছিল।

ৰত্নেশ্বৰ মহন্ত বা লম্বোদৰ বৰাৰ লেখীয়া ব্যক্তিৰ প্ৰতিক্ৰিয়াশীলতা বা পশ্চাদগামিতাই অসমৰ স্ত্ৰী-শিক্ষাৰ বেলিকা যি ধৰণৰ বাধক ৰূপে কাম কৰিছিল, তাতোকৈ অধিক হানি কৰিছিল বলিনাৰায়ণ বৰাৰ লেখীয়া বিলাত-ফেৰৎ ইঞ্জিনীয়াৰ ব্যক্তিৰ চিন্তা-চৰ্চাইহে। ১৮৭২ চনৰ পৰা ১৮৭৮ চনলৈকে বিলাত-প্ৰবাসী হৈ পাশ্চাত্য সমাজ-জীৱনৰ লগত গভীৰ পৰিচয় ঘটা সত্ত্বেও ইঞ্জিনীয়াৰ বৰাৰ ধ্যান-ধাৰণাই অসমৰ স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাব নোৱাৰিলে। তাতোকৈ ডাঙৰ কথা, বৈবাহিক সূত্ৰে বলিনাৰায়ণ বৰা আবদ্ধ হৈছিল বংগদেশৰ বিখ্যাত চিভিলিয়ান ৰমেশ চন্দ্ৰ দত্তৰ উচ্চ শিক্ষিতা কন্যা এগৰাকীৰ লগত। তথাপি তেওঁৰ দৃষ্টিভংগী আছিল স্ত্ৰী-শিক্ষাৰ প্ৰতি অতিশয় অনুদাৰ। তিৰোতাই পঢ়িব নালাগে বুলি তেওঁ কোৱা নাই, কৈছে, "ঘৰতে ভায়েক-ককায়েকৰ মুখৰ পৰা পঢ়ক, কি ছোৱালীৰ পঢ়াশালিত তিৰোতা অধ্যাপকৰ মুখৰ পৰা পঢ়ক, ০ ০ ০ যিমান দিনলৈকে ভাষা ভালকৈ কব আৰু লিখিব নোৱাৰে তিমান দিনলৈকে পঢ়ক।"[২৪] অসমীয়া নাৰীয়ে নাটক-নভেল পঢ়ি সময় কটোৱাটো বৰাৰ অভিপ্ৰেত নাছিল, পুৰুষৰ দৰে নাৰীয়ে বিশ্ববিদ্যালয়ৰ পৰীক্ষা দিয়া বা ডাক্তৰ-উকীল হোৱাও তেওঁ নিবিচাৰিছিল, তাঁত বোৱা, পাঁজি কটা, ৰন্ধা-বঢ়া কৰা, অধিকন্তু সূচী-কৰ্ম কৰা আদিয়েই তিৰোতাৰ উপযুক্ত বন বুলি বৰাই কব খোজে। মুঠতে, বলিনাৰায়ণ বৰাৰ মতে "ঘৰেই ছোৱালীৰ ঘাই পঢ়াশালি।"[২৫] এনে মানসিকতাই যে উনবিংশ শতিকাত স্ত্ৰী-শিক্ষাৰ অগ্ৰগতিত প্ৰভূত অন্তৰায়ৰ সৃষ্টি কৰিছিল, সেই কথা কোৱা বাহুল্য মাথোন। কিন্তু বলিনাৰায়ণ বৰাৰ পত্নী, "এক্‌জিকিউটিভ ইঞ্জিনীয়েৰৰ গৃহিণী" গৰাকীয়ে "সকলোৰে আগত ওলাইছিল, ফুৰিছিল, টম্‌টমত উঠিছিল" বুলি জ্ঞানদাভিৰাম বৰুৱাই কৈ গৈছে।[২৫] বলিনাৰায়ণ বৰাৰ এনে খণ্ডিত ব্যক্তিত্ব অনুসন্ধিৎসাৰ বিষয়।

সি যি হওক, অসমত স্ত্ৰী-শিক্ষাৰ তেনে এক অৱস্থাৰ সন্মুখীন হ'ব পৰাকৈ অসমত তেতিয়া কোনো ধৰণৰ সংগঠিত শক্তি নাছিল। অবুনোদইত আনন্দৰাম, গুণাভিৰামে স্ত্ৰী-শিক্ষাৰ হকে মতা অকলশৰীয়া কুলীৰ মাতত অসমলৈ স্ত্ৰী-শিক্ষাৰ বসন্ত ঋতু নাহিল। দেশীয় বুদ্ধিজীৱীসকলৰ সক্ৰিয়তা-তৎপৰতা অবিহনে বিদেশী-বিজাতীয় চৰকাৰী প্ৰশাসনৰ দৃষ্টি অসমৰ নাৰী-সমাজৰ প্ৰগতিৰ প্ৰতি প্ৰসাৰিত হোৱাটো নিশ্চয় অবান্তৰ, অবাস্তৱ। কঁপা কঁপা মাতেৰে আসাম-বন্ধুৰ পাতত এগৰাকী লেখিকাই মাত্ৰ অসমীয়া নাৰীৰ দুৰ্দশাৰ বিৱৰণ দিবলৈ গৈ কৈছিল, "আমাৰ এইবিলাক দুখৰ ভাগী কেৱল আমাৰ অভিভাৱক আৰু চুবুৰীয়াসকল মাত্ৰ। তেওঁবিলাকে যদি আমাক সৰুৰে পৰা নীতিমতে শিক্ষা দিলেহেঁতেন, তেনেহলে

২৩. উল্লিখিত গ্ৰন্থ. পৃ. ২৬৯।
২৪, মৌ, অসম প্ৰকাশন পৰিষদ, পৃ. ৬।
২৫, যোগেন্দ্ৰনাৰায়ণ ভূঞা সম্পাদিত 'জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী,' অসম সাহিত্য সভা, পৃ. ১৩৮।



আমাৰ অৱস্থা কেতিয়াও এনে নহয়।" সংশ্লিষ্ট প্ৰবন্ধটোৰ ('নাৰীৰ মুক্তাৱস্থা') লেখিকাগৰাকী নিঃসন্দেহে আনন্দৰাম ঢেকিয়াল ফুকনৰ কন্যা পদ্মাৱতী দেৱী ফুকননী।[২৬] সমসাময়িক সমাজৰ অন্যান্যসকলৰ নিশ্চেষ্ট ভূমিকাত হতাশ হৈয়েই কিজানি গুণাভিৰামেও সৰৱ চিন্তা কৰিবলৈ এৰিলে। বিধবা-বিবাহ প্ৰচলনৰ লেখীয়া অতিশয় দুঃসাহসিক কাৰ্য এটা সম্পন্ন কৰি ইতিমধ্যে গুণাভিৰাম নগাঁৱৰ সমাজত প্ৰায় অকলশৰীয়া আৰু এঘৰীয়া হৈ পৰিছিল। তথাপি তেওঁ ব্যক্তিগত উদ্যমৰ আদৰ্শৰে নাৰীসকলক উদ্বুদ্ধ কৰিবৰ চেষ্টা কৰিলে। নগাঁৱত ছোৱালীৰ নিমিত্তে ভাল স্কুল সেইখিনি সময়ত নাছিল বাবে গুণাভিৰামে তেওঁৰ জীয়েক স্বৰ্ণলতাক ঘৰতে অসমীয়া পণ্ডিতৰ হতুৱাই পঢ়ুৱাইছিল।[২৭] গুণাভিৰাম বৰুৱাই যে নিজৰ ঘৰতে "ছোৱালী পঢ়াশালি এটি" পাতি লৈছিল আৰু তাত "গুণাভিৰামে বহৰেকীয়া পৰীক্ষা এটি লৈ তেখেতৰ ছোৱালীটিৰ নামে" বঁটা বিতৰণ কৰিছিল. সেই সংবাদ মিছনেৰী মূৰৰ (Moore) ১৯০১ চনৰ ৩১ জানুৱাৰীৰ দিনলেখাৰ পৰা পাব পাৰি।[২৮] নগাঁৱত সেই সময়ত ছোৱালীৰ নিমিত্তে ভাল স্কুল নথকা বাবেই গুণাভিৰামে প্ৰায় ৯ বছৰ বয়সীয়া ছোৱালী স্বৰ্ণলতাক ১৮৮০ খ্ৰীষ্টাব্দত কলিকতাৰ বেথুন স্কুলত নাম ভৰ্তি কৰাই দিছিল। এইটো বৰ তাৎপৰ্যপূৰ্ণ কথা যে ইয়াৰ দুবছৰৰ পাছত অৰ্থাৎ ১৮৮২ খ্ৰীষ্টাব্দত চন্দ্ৰমুখী বসু আৰু কাদম্বিনী গাঙ্গুলী নামৰ বঙালী ছোৱালী দুগৰাকী কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰথম মহিলা স্নাতক হৈ ওলায়।[২৯] শিক্ষাক্ষেত্ৰত বংগদেশ আৰু অসমৰ মাজৰ এই পাৰ্থক্য অসমীয়া নাৰীৰ দৈন্য-দশাৰে প্ৰতিফলক।

মিছনেৰী জেছিয়ে কোৱামতে ১৮৮০ চনতো নগাঁৱত লেখা-পঢ়াৰ প্ৰতি আগ্ৰহী ছোৱালী নাছিলেই ("Very few girls care to learn to read.)"। ১৮৮০ চনত নগাঁৱৰ মিছন স্কুলত পঢ়া শিক্ষাৰ্থীৰ সংখ্যা আছিল ৫০। স্কুলখনত ল'ৰা আৰু ছোৱালীয়ে সুকীয়া সুকীয়া সময়ত পঢ়িছিল। ছোৱালীয়ে পঢ়িছিল পুৱাতে।[৩০] মিছন স্কুলত তেতিয়া প্ৰায় কুৰিজনী ছোৱালী আছিল।

২৬. ড০ নগেন শইকীয়াই সংশ্লিষ্ট প্ৰবন্ধটোৰ তলত থকা 'প' আদ্যাক্ষৰ নামটো পূৰ্ণ কান্ত শৰ্ম্মা বুলি দেখুৱাইছে (আসাম বন্ধু, পৃঃ '৪১) যদিও 'প' পদ্মাৱতী দেৱী ফুকননীহে। এই ক্ষেত্ৰত আমাৰ যুক্তি হ'ল, (১) আসাম বন্ধুলৈ প্ৰবন্ধ পঠোৱা 'মহোদয়-মহোদয়া সকল"ৰ তালিকাত গুণাভিৰাম বৰুৱাই পদ্মাৱতী দেৱী ফুকননীৰ নাম উল্লেখ কৰিছে। আসাম বন্ধুত 'প' নামাংকিত লেখা কেৱল এটাহে, 'নাৰীৰ মুক্তাৱস্থা'। (২) সংশ্লিষ্ট প্ৰবন্ধটোৰ শিৰোনামাৰ তলতে "বামা ৰচনা" (ৰমণীৰ ৰচনা) অভিধাটো ছপা হৈছে।
২৭, জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী পৃ. ১৩৮।
২৮, বেনুধৰ শৰ্মা ৰচনাৱলী, ৪ৰ্থ খণ্ড, পৃ. ১৬৩।
২৯. দ্ৰষ্টব্য : হাণ্ড্ৰেড্ ইয়াৰ্ছ অফ্ দ্য য়ুনিভাৰ্চিটি, অফ্ কেলকাট্টা, পৃ, ১২২।
৩০. টুৱেণ্টি ইয়াৰ্ছ ইন আছাম, ৰেষ্টান বুক ডিপো, পৃ. ১৬।

স্কুলত ছোৱালীহঁতে পুৱা ৭ বজাৰ পৰা ৮ বজালৈ পাঠ্যপুথি আৰু ৮ বজাৰ পৰা ৯ বজালৈ চিলাই কামৰ শিক্ষা লৈছিল।[৩১] ১৮৮১ চনত নগাঁৱত মিছন স্কুলৰ উপৰিও ছোৱালীৰ বাবে আৰু এখন স্কুল থকাৰ কথা জেছিমূৰে কৈছে। সেইখন বঙালী ছোৱালীৰ স্কুল। মিছন স্কুলৰ ছোৱালী-বোৰ আছিল অসমীয়া। স্কুলৰ বাৰ্ষিক পৰীক্ষা অনুষ্ঠিত হৈছিল এপ্ৰিল মাহত। পৰীক্ষা লোৱা হৈছিল পঢ়া, লিখা, শ্ৰুতলিপি আৰু অংকৰ। জেছিয়ে কোৱা মতে এইছোৱা কালতহে দেশীয় লোকসকলে স্ত্ৰী-শিক্ষা সম্পৰ্কে কুবুংকাৰাং কৰিবলৈ আৰম্ভ কৰিছিল ("The natives are just beginning to see the advantages of educating girls")।[৩২]

জেছিৰ উক্তিয়ে নিশ্চয় গুণাভিৰাম বৰুৱাৰ উদ্যমকো অঙুলিয়াব পাৰে। গুণাভিৰামৰ নিচিনা উদাৰচিতীয়া ব্যক্তি অসমৰ আন ঠাইতো আঙুলি মূৰত লেখিব পৰাকৈ হলেও ওলাইছিল। অন্ততঃ ৰমাকান্ত বৰকাকতীৰ নাম এই ক্ষেত্ৰত উল্লেখ কৰিবই লাগিব। "স্ত্ৰী-শিক্ষাৰ বৰ পক্ষপাতী আছিল দেখি তেখেতে কেয়োজনী জীয়েককে কলিকতাৰ বেথুন কলেজত পঢ়াই সুশিক্ষিতা কৰিছিল" বুলি বেণুধৰ শৰ্মাই ৰমাকান্ত বৰকাকতীৰ বিষয়ে কৈছে। বৰকাকতীৰ সুধালতা আৰু সুখলতা নামৰ বিদুষী জীয়েক দুগৰাকীয়েই অসমীয়া মহিলাৰ ভিতৰত প্ৰথম এম. এ, বি, টি, উপাধি লাভ কৰা টোকে স্ত্ৰী-শিক্ষাৰ প্ৰতি থকা বৰকাকতীৰ উদাৰতাৰে পৰিচয় দাঙি ধৰিছে।[৩৩]

গুণাভিৰাম, ৰমাকান্তৰ লেখীয়া উদাৰ-হৃদয়ৰ ব্যক্তিৰ আদৰ্শত উদ্বুদ্ধ হোৱা, আৰু পোহৰ-প্ৰত্যাশী অসমীয়া নাৰী-সমাজৰ হৃৎ-স্পন্দন অনুভৱ কৰিবলৈ সক্ষম হোৱা এচাম লোকৰ প্ৰযত্নত উনবিংশ শতিকাৰ শেহৰ দশক দুটাত অসমত স্ত্ৰী-শিক্ষাৰ এক নতুন দিগন্ত মুকলি হ'ল। ১৮৮৫ খ্ৰীষ্টাব্দত ডিব্ৰুগড়ত স্থাপিত হোৱা ছোৱালী হাইস্কুলখনেই সেই নতুন দিগন্ত প্ৰকাশক প্ৰভাতী পোহৰ।

(পুনৰ্মুদ্ৰন)

—o—

৩১. উল্লিখিত গ্ৰন্থ, পৃ. ২৪।

৩২. উল্লিখিত গ্ৰন্থ, পৃ. ৩৩।

৩৩. দ্ৰষ্টব্য: বেণুধৰ শৰ্মা ৰচনাৱলী, ৩য় খণ্ড পৃ. ২৯৬-২৯৭।



# অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন আৰু নগাঁও বালিকা মহাবিদ্যালয়

দীপিকা লস্কৰ,
প্ৰাক্তন সাধাৰণ সম্পাদিকা,
ছাত্ৰী একতা সভা।

অসমৰ বিদেশী বহিষ্কৰণ আন্দোলনৰ ডায়েৰীৰ কেইখিলামান পাত মেলি চালেই আৰম্ভণিতেই ১৯৭৯ চনৰ ৮ জুনৰ তাৰিখটো চাব লাগিব। এই দিনটোত সদৌ অসম ছাত্ৰ সন্থাই বাৰঘণ্টীয়া অসম বন্ধ আৰম্ভ কৰিছিল আৰু সমগ্ৰ অসমবাসীক বিদেশী বহিষ্কৰণ আন্দোলনৰ লগত জৰিত কৰিছিল। ৮ জুনত অসম বন্ধ নগাঁৱত সফল কৰাৰ দায়িত্বত থকা জিলা ছাত্ৰ সন্থাই আমাৰ বালিকা মহাবিদ্যালয়ৰ ছাত্ৰীসকলক পুৱা ৫ বজাত নগাঁও চৰকাৰী পৰিবহন আস্থানত পিকেটিং কৰিবলৈ অনুৰোধ কৰিছিল। ছাত্ৰী একতা সভাৰ সৰস্বতী সিন্‌হাকে ধৰি নগাঁও বালিকা মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ পৰা বহুসংখ্যক ছাত্ৰী পিকেটিং কৰিবলৈ ওলাই আহিছিল আৰু সকলোবোৰ ছাত্ৰীকে জিলা আৰক্ষী বিভাগে কেইবা ঘণ্টা ধৰি আটক কৰি ৰাখিছিল।

এই চনৰে ৭ চেপ্তেম্বৰ তাৰিখে জিলা উপায়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখত ছাত্ৰ সন্থাই আহ্বান কৰা গণ-অৱস্থান কাৰ্য্যসূচী সফল কৰি তুলিবলৈ নগাঁৱৰ অন্যান্য ছাত্ৰ-ছাত্ৰীৰ লগতে আমিও ওলাই আহিছিলোঁ। হঠাৎ চি, আৰ, পিয়ে লাঠী চালনা আৰম্ভ কৰে আৰু আমাৰ মহাবিদ্যালয়ৰ কেইবাগৰাকীও ছাত্ৰী লাঠী চালনাত আক্ৰান্ত হয়। চি, আৰ, পিৰ একাংশই নগাঁও মহাবিদ্যালয়ত প্ৰৱেশ কৰি অধ্যাপক-কৰ্মচাৰী আৰু বহুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ লগতে সেই সময়ৰ সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তক লাঠীৰে নিৰ্মম ভাৱে প্ৰহাৰ কৰে। এই ঘটনাৰ প্ৰতিবাদত সেই দিনা সন্ধিয়া ৫ বজাত নগাঁও সদৰ আঞ্চলিক ছাত্ৰ সন্থাই এটি মৌন-সমদল আয়োজন কৰিছিল আৰু আমাৰ মহাবিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰীয়ে এই সমদলত যোগদান কৰিছিল। উল্লেখযোগ্য যে নগাঁও সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্য্য নিৰ্বাহকত শ্ৰীসৰস্বতী সিন্‌হা সাধাৰণ সম্পাদিকা হৈ

থাকোতে উপ-সভানেত্ৰীৰ দায়িত্ব আবু আমি সাধাৰণ সম্পাদিকা হৈ থাকোতে সাংগঠনিক সম্পাদিকাৰ দায়িত্ব বহন কৰিব লগা হৈছিল। সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ এখন গুৰুত্বপূৰ্ণ বাৰ্ষিক অধিবেশন আবু জিলা ছাত্ৰ সন্থাৰ কেইবাখনো প্ৰতিনিধি সভা আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। তাৰ উপৰি, আমাৰ মহাবিদ্যালয়তে আন্দোলন সংক্ৰান্তত এখন গুৰুত্বপূৰ্ণ ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছিল যিখন সভাত সেই সময়ৰ সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত প্ৰমুখ্যে শ্ৰীদীগেন বৰা, শ্ৰীভৰত নৰহকে ধৰি ছাত্ৰ সন্থাৰ বিষয়-ববীয়াসকলৰ ভাষণ শুনিবলৈ শ-শ লোক গোট খাই আমাৰ মহাবিদ্যালয়খনি জন-সমুদ্ৰত পৰিণত কৰিছিল। এই সভাৰ পিছৰে পৰা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে দুগুণ উৎসাহেৰে নিজৰ জীৱন-পণ কৰি আন্দোলনত জপিয়াই পৰিছিল।

সদৌ অসম ছাত্ৰ সন্থাই ১৯৭৯ চনৰে পৰা ১৯৮১ চনলৈকে আহ্বান কৰা গণ-সত্যাগ্ৰহ কাৰ্য্যসূচীত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে এক উল্লেখযোগ্য ভূমিকা লৈছিল। অৱশ্যে আন্দোলনৰ কাৰ্য্যসূচীসমূহত মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস দুটাৰ ছাত্ৰীসকলেহে আগভাগ লব লগা হৈছিল। প্ৰতিটো কাৰ্য্যসূচীতে শ্ৰীসৰস্বতী সিন্‌হা, দীপালী মহন্ত, ইলা বৰুৱা, মামণি বৰা, তৰণী কোৰকে ধৰি আমি কেইগৰাকীমান ছাত্ৰী সদায় আগত পতাকা লৈ ওলাইছিলো। আন্দোলনৰ বিভিন্ন কাৰ্য্যসূচী সফল কৰিবলৈ যাওঁতে বিভিন্ন ক্ষণত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে পুলিছ, চি-আৰ-পিৰ নিৰ্য্যাতনৰ বলি হ'ব লগা হৈছিল। ইয়াৰ ভিতৰত মামনি বৰা (মই সাধাৰণ সম্পাদিকা হৈ থাকোতে সহ সাধাৰণ সম্পাদিকাৰ দায়িত্বত আছিল), বুলু শইকীয়া, তুলু বৰা, নীলাশ্ৰী ফুকন, নীৰ হাজৰিকাকে ধৰি কেইবাগৰাকীও ছাত্ৰী চি-আৰ-পিৰ লাঠীৰ কোব খাই বহুত দিন নগাঁও অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ থাকিব লগা হৈছিল।

আমাৰ মহাবিদ্যালয়ৰ কেইগৰাকীমান অধ্যাপক-অধ্যাপিকা আবু কৰ্মচাৰীয়ে আন্দোলনৰ প্ৰতি অকুণ্ঠ সহাঁৰি জনাইছিল। আন্দোলনৰ ক্ষেত্ৰত অধ্যাপক তিলক চন্দ্ৰ মজুমদাৰদেৱৰ ভূমিকা আছিল গুৰুত্বপূৰ্ণ। গণ সংগ্ৰাম পৰিষদৰ লগত নিবিড়ভাৱে জৰিত হৈ পৰাত অধ্যাপক মজুমদাৰদেৱৰ ওপৰত সেই সময়ৰ শাসকবৰ্গৰ ৰোষদৃষ্টি পৰিছিল, যাৰ ফলত তেখেতে কেইবাবাৰো গ্ৰেপ্তাৰ হৈ কাৰাবৰণ কৰিব লগা হৈছিল। আনকি পিছলৈ তেখেতক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত কেইবা মাহো চৰকাৰে মনেসজা মিছা অভিযোগত আটক কৰি ৰাখিছিল। আমাৰ মহাবিদ্যালয়ৰ সেই সময়ৰ অধ্যক্ষ শ্ৰীযুত মহেশ চন্দ্ৰ দেৱগোস্বামীদেৱেও আমাক নিয়ম - শৃঙ্খলাৰ মাজেৰে আন্দোলনত জৰিত হৈ পৰিবৰ বাবে যথেষ্ট উৎসাহ যোগাইছিল। আন্দোলনৰ নামত যাতে ছাত্ৰীসকল উশৃংখল হৈ নাযায় তাৰ বাবে তেখেতৰ লগতে উপাধ্যক্ষা শ্ৰীযুতা তৰু বৰুৱা বাইদেৱেও আমাক সদায় পৰামৰ্শ দিছিল। অৱশ্যে আন্দোলনৰ মাজভাগতে অধ্যক্ষই অৱসৰ লৈছিল আবু শ্ৰীযুতা তৰু বৰুৱা বাইদেউ অধ্যক্ষৰ দায়িত্বত থকাৰ লগতে আমাৰ একতা সভাৰ সভানেত্ৰী হিচাবে থাকি আমাক উৎসাহিত কৰিছিল।

১৯৭৯ চনৰ ডিচেম্বৰ মাহত নিৰ্বাচনী আয়োগে নিৰ্বাচনী প্ৰক্ৰিয়াৰ ঘোষণা কৰিছিল। ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম বাদ নিদিয়াকৈ নিৰ্বাচন পতা কাৰ্য্যক বাধা দিবলৈ সদৌ অসম ছাত্ৰ সন্থাই ঘোষণা কৰিছিল ৩ আবু ৫ ডিচেম্বৰত অসম বন্ধ আবু ৫ তাৰিখৰ পৰা ৮ তাৰিখলৈ গণ পিকেটিং। হঠাত জিলা কৰ্তৃপক্ষই ৯ ডিচেম্বৰ তাৰিখে সন্ধ্যা ৫ বজাত সান্ধ্য আইন ঘোষণা কৰিছিল। জিলা কৰ্তৃপক্ষৰ উদ্দেশ্য আছিল 'নগাঁও চাৰ্কিট হাউচত' থকা দেৱকান্ত বৰুৱা আবু বেদব্ৰত বৰুৱাকে ধৰি মনোনয়ন পত্ৰ দিব খোজা প্ৰাৰ্থীসকলক সান্ধ্য আইনৰ মাজেৰে মনোনয়ন পত্ৰ দাখিলৰ সুবিধা দিয়া। এনে কৌশল ওফৰাই পেলাবলৈ জিলা ছাত্ৰ সন্থাই আহ্বান কৰিলে সান্ধ্য আইন ভঙ্গ কৰাৰ! সেই সিদ্ধান্ত মৰ্মেই ৰাতি ৭ বজাত আমাৰ মহাবিদ্যালয়লৈ জিলা ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীদীগেন বৰাৰ পৰা টেলিফোন আহিল। আমাক জনালে ১০ ডিচেম্বৰ ৰাতিপুৱা সান্ধ্য আইন ভঙ্গ কৰিব লাগে। মহাবিদ্যালয় বন্ধ থকাত আমাৰ ছাত্ৰী নিবাস দুটাৰ ছাত্ৰীসকলেই পিছদিনা মহাবিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰিবলৈ ৯ ডিচেম্বৰ ৰাতি সিদ্ধান্ত ললোঁ। পিছদিনা ৰাতিপুৱা ছাত্ৰী নিবাসৰ পৰা সমূহ ছাত্ৰীক ওলাই আহিবলৈ তত্বাৱধায়িকাই অনুমতি দিব নোৱাৰো বুলি কলে। অৱশেষত সৰস্বতী সিন্‌হা, তৰণী কোৰ, দীপালী মহন্তকে ধৰি আমি কেইজনীমান ছাত্ৰীয়ে জোৰকৈয়ে পুলিচৰ গুলীত মৰিলেও সান্ধ্য আইন ভঙ্গ কৰিবলৈ যামেই বুলি ওলাই আহিছিলো। অগণন জনতাৰ মাজত আমিও সান্ধ্য আইন ভঙ্গ কাৰ্যসুচী সফল কৰিলো।

১৯৮০ আবু ১৯৮১ চন আছিল আন্দোলনৰ ভৰপক। এই সময়খিনিত যিসমূহ কাৰ্য্যসূচী আছিল সেই সকলো কাৰ্য্যসূচীতে আমাৰ ছাত্ৰীসকল ওতঃপ্ৰোতভাৱে জৰিত আছিল। জিলাখনৰ বিভিন্ন অঞ্চললৈ আমাৰ ছাত্ৰীসকল গৈ সেই অঞ্চলৰ নাৰী সমাজত আন্দোলনৰ ভাৱ তীব্ৰ কৰি তুলিছিল। চৰকাৰে স্কুল-কলেজ বন্ধ কৰি দিয়াত গাঁও অঞ্চলৰ পৰা আহি আমাৰ মহাবিদ্যালয়ত পঢ়া ছাত্ৰীসকলে নিজ নিজ অঞ্চলত আন্দোলনৰ দায়িত্ব লৈ আন্দোলনৰ-কাৰ্য্যসূচী সফল কৰিছিল।

১৯৮২ চন আবু ১৯৮৩ চনত আন্দোলনকাৰীৰ ওপৰত সকলো ধৰণৰ ক'লা আইন জাপি দি আন্দোলন ধ্বংস কৰিবলৈ সেই সময়ৰ তথাকথিত শাসকবৰ্গই যি ষড়যন্ত্ৰ চলাইছিল তাৰ বিৰুদ্ধে সমগ্ৰ অসমৰ ছাত্ৰ-ছাত্ৰীৰ লগতে আমাৰ ছাত্ৰীসকলেও সাহস আবু দৃঢ়তাৰে থিয় দিছিল। পুলিচ, চি-আৰ, পিৰ লাঠীৰ কোবলৈকো ভয় নকৰি আমাৰ ছাত্ৰীসকলে আন্দোলনৰ প্ৰতিটো কাৰ্য্যসূচীতে জৰিত হৈ পৰিছিল। জিলা কাৰাগাৰত আন্দোলন কৰাৰ বাবেই বন্দী কৰি ৰখা আন্দোলনকাৰীক খবৰ লোৱাকে ধৰি নগাঁও অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা আন্দোলনকাৰীক শুশ্ৰূষা কৰাৰ দায়িত্বও আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে পালন কৰিছিল।

১৯৮৩ চনৰ ফেব্ৰুৱাৰীৰ ৰক্তাক্ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পাছতেই থলুৱা যিসকল লোক বিদেশীৰ আক্ৰমণত সৰ্বশ্ৰান্ত হৈছিল, সেইসকলক আশ্ৰয় দিবৰ বাবে প্ৰায় এমাহজুৰি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস দুটা শৰণাৰ্থীৰ শিবিৰ হিচাবে ব্যৱহাৰ কৰিছিল। এই শৰণাৰ্থীৰ শিবিৰতো আমাৰ ছাত্ৰীসকলে নিস্বাৰ্থ সেৱা আগবঢ়াইছিল। এই ৰক্তাক্ত নিৰ্বাচনত দেশৰ

বাবে প্ৰাণ আহুতি দিয়া বহা, ফুলগুৰি, ষৰক'লা, ভেলেউগুৰি, চামগুৰিকে ধৰি জিলাখনৰ বিভিন্ন ঠাইৰ শ্বহীদসকলৰ ঘৰলৈ গৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে আৰু কেইগৰাকীমান অধ্যাপকে আন্তৰিক সমবেদনা জনোৱাৰ লগতে যথাসাধ্য আৰ্থিক সাহাযাও ছাত্ৰীসকলৰ পুঁজিৰ পৰাই আগবঢ়াইছিল।

শত শত শ্বহীদে জীৱন আহুতি দিয়াৰ পিছত ১৯৮৫ চনৰ ১৫ আগষ্টৰ পুৱতি নিশা কেন্দ্ৰীয় চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ মাজত হোৱা চুক্তি অনুসৰি সুদীৰ্ঘ দিন ধৰি চলা এই গণ আন্দোলনৰ সফল সমাপ্তি হ'ল। এই আন্দোলনৰ ঘটনাপঞ্জীক লৈ ইতিমধ্যে কেতবোৰ মহলে আন্দোলনৰ ইতিহাস ৰচনা কৰিবলৈ আগবাঢ়িছে। এনেধৰণৰ প্ৰচেষ্টাক আমি আদৰণি জনাওঁ। আশাকৰোঁ আন্দোলনৰ ইতিহাসত প্ৰকৃত আন্দোলনকাৰীক বাদ দি আন্দোলনৰ ইতিহাস বিকৃত কৰা নহয় তাৰ প্ৰতি সতৰ্ক থকা উচিত। ●

---

বিঃ দ্ৰঃ— আন্দোলনত জিলাখনৰ বিভিন্ন ঠাইত বিভিন্ন কাৰ্য্যসূচীত আমাৰ মহাবিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰী নিৰ্য্যাতিত হৈছিল যদিও সকলো ছাত্ৰীৰ নাম মনত নথকাত আমাৰ প্ৰৱন্ধটিত ছাত্ৰীসকলৰ নাম উল্লেখ কৰিব নোৱাৰি দুখীত।



# তছবিৰ

ডঃ লীলাৱতী শইকীয়া বৰা

এই থি'তে
কলং পাৰৰ ঠিক এইথি'তে
আছিল প'জাটি
নাজানো কাৰ
মহান বদান্যতাত
সুমিষ্ট সুৰভি ছটিয়াই
এদিন ঠিক এই থি'তে
এধানি সেই প'জাটিতে
জ্বলি উঠিল
মাটিৰ চাকিগছ
জিল্‌মিল্‌ পোহৰত যাৰ
চমকি উথলি উঠে
কলঙৰ পাৰ।
পাহি মেলে অলেখ সপোনে
জ ক জাক পখিলাই
নিজকে বিচাৰি চালে
জিল্‌মিল্‌ সেই পোহৰতে
বাৰ্তাৰ বিৰাপি গ'ল
কপিলীৰো বুকু ছুই বৰলুইতলে,
কলংপাৰৰ সেই
এধানি শিখাই
পোহৰালে বৰঘৰ লুইতপাৰৰ
... ... ... ... ... —
বহু যুগ পাৰ হ'ল
ঢাক খালে
কংক্ৰীতৰ ছাঁত
বাঁহৰ জুপুৰী
সোণৰ গছাত জ্বলা
সোণালী শিখাত
জকমক্ কলঙৰ পাৰ
স্মৃতিৰ পটত মাঁথো
জ্বল্‌মল্‌ এখন তছবিৰ
মূৰত মথুৰা পাগ
পিন্ধনত বগা সাজ
গহীন গম্ভীৰ এক
বিশাল ব্যক্তিৰ—
স্নেহত নিগৰে যাৰ
নয়নৰ নীৰ। ○

---

● ড° লীলাৱতী শইকীয়া বৰা এই কলেজৰ এগৰাকী প্ৰাক্তন ছাত্ৰী। বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত অধ্যাপনা কৰি থকা ড° শইকীয়া বৰা সাম্প্ৰতিক কালৰ এগৰাকী প্ৰতিষ্ঠিত কবি ৰূপেও পৰিচিত।

## ॥ নাৰী যুগে যুগে ॥

হিমাদ্ৰি দেৱী

তাইক দেখিছিলোঁ মই
প্ৰজাৰঞ্জক ৰামে যেতিয়া
দ্বিতীয়বাৰ সীতাৰ অগ্নি-পৰীক্ষাৰ আয়োজন কৰিছিল।
আৰু দেখিছিলোঁ কৰ্ণৰ বীৰত্বত মুগ্ধ হোৱাৰ বাবে
দ্ৰৌপদী যেতিয়া স্বৰ্গচ্যুতা হৈছিল।
তাইক দেখিছিলোঁ মই
ৰাজপুতনাৰ জহৰ ব্ৰতত
অজস্ৰ স্বামীৰ চিতাৰ কাষত।
শোক নম্ৰা, অধোমুখী
ক্ষণে ক্ষণে কঁপি উঠে,
স্বামীৰ মৃত্যুৰ বাবে, নে
আসন্ন মৃত্যুৰ ত্ৰাসত ?
এতিয়াও দেখিছোঁ তাইক
যৌতুকৰ বিনিময়ত পুৰি মৰা
স্বামী আৰু শাহুৰ কাষত।
আৰু দেখিছোঁ অৰ্দ্ধনগ্না, নৃত্যৰতা
পাঁচতৰা হোটেলৰ কনফাৰেন্স ৰুমত।
যুগে যুগে লাঞ্ছিতা, বঞ্ছিতা
তথাপি
সমাজৰ নিয়মৰ দাসী তাই
স্বামী আৰু সন্তানৰ মংগল-কাংখিতা। ●



## বাৰখন কোবাল নৈক স্বাগতম জনাই

কবিতাৰাণী দাস
স্নাতক ৩য় বাৰ্ষিক

বাৰখন কোবাল নৈ পাৰ হৈ
তেওঁ সম্পূৰ্ণ কৰিলে এটা যাত্ৰা।
নৈৰ পাৰত, নৈৰ সোঁতত, নৈৰ গভীৰত
নিবিড়তাৰ আলিংগন যাঁচি
তেওঁ পথ অতিক্ৰমী আহি আছে।
তেওঁ মানৱতাৰ বজাৰখন চলাথ কৰি
মোলৈ আনিছে কবুণ উপহাৰ—
তেওঁৰ পৰিব্ৰাজকৰ মোনাটোত
কৃষ্ণাংগ বন্ধুৰ বেদনাহত হৃদয়
ত্ৰিশংকু তৃতীয় বিশ্বৰ অসহায় মুখ আৰু
অৰ্থহীন সান্ধিৰ নিষ্ঠুৰ পৰিণতিৰ সংবাদ
বহন কৰা এখন বাতৰিকাকতে
মোলৈ চাই দাঁত নিকটাই হাঁহিলে—
তেওঁৰ উপহাৰৰ প্ৰত্যুত্তৰত মূক হৈ ৰোৱা
মোৰ মুখখন দুহাতেৰে তুলি ধৰি
তেওঁ মাত্ৰ হাঁহিলে—
সৰগীয় হাঁহি ফুলা তেওঁৰ মুখলৈ মই চালোঁ
ক'তা ? তেওঁতো হতাশ নহয়!
হতাশ নহয় বাবেই তেওঁ নতুন—চিৰ নতুন
কাল অৱধি তেওঁ সাঁতুৰি পাৰ হৈছে
বাৰখন নৈৰ কোবাল সোঁত
তেওঁৰ মূৰৰ চুলিয়ে স্পৰ্শ কৰিছে নীলআকাশ
দুভৰি থৈছে তেওঁ মাটিৰ বুকুত
প্ৰসাৰিত কৰি দুহাত উচ্চাৰিছে মহামন্ত্ৰ
চৰৈবেতি, চৰৈবেতি ... ... ... ...
বাৰখন কোবাল নৈ সাঁতুৰিবলৈ তেওঁ দিয়া
আহ্বানত মন্ত্ৰমুগ্ধৰ দৰে মই আগুৱাই গ'লো। *

# মই অহৰহ নদীৰ দৰে

## চিৰপ্ৰৱাহমান

মণিকুন্তলা ভট্টাচাৰ্য্য
স্নাতক ২য় বাৰ্ষিক

খোচ মাৰি ৰোওঁতেই
পুলিটো গজিল,
চকু মুদি দিওঁতেই
ফুলপাহ ফুলিল ।
মোৰ সগৰ্ভা ওঠত
উৰ্চাপিচ কৰি ৰ'ল অগণন চুমা ।

০ ০ ০

এটি হাত পাতি ধৰিলে
আঁজলি আঁজলি দুখ আহে ।
অন্ধকাৰত, সান্ধ্য ভ্ৰমণত
সুহুৰি বজাই ওপঙি ফুৰে
মোৰ কিশোৰ দুখ ।

০ ০ ০

মোৰ একান্ততাত
মই যিয়েই নাভাবোঁ
সেয়া কেৱল মোৰ বাবেই ।
লাগিলে তোমাৰ নামটিয়েই হওক ।

০ ০ ০

মই য'তেই হাত দিওঁ
তাতেই প্ৰেম ।
যেনি-তেনি হালিব জানে অৰণ্যই ।
তুমি যিয়েই নোকোঁৱা,
দিয়া বা নিদিয়া,
মোৰ বুকুত হাত থ'লেই পাবা
অৰণ্য !
চকুত চকু থ'লেই পাবা
আকাশ ।
মই অহৰহ নদীৰ দৰে... ... ...

*



# কা ৰা গা ৰ

দীপা বৰা
প্ৰাক্তন ছাত্ৰী

মই উপকৃত
দুখৰ সান্নিধ্যত
অনুভূতি –
বন্দিনী হৰিণা
হৃদয় কবলত ।

হৃদয়তো বীণা নহয়,
ইয়ে আৰ্তনাদৰ কাৰাগাৰ— — ।
সোঁৱৰণী মানে
সোণালী পখিলা;
মাথোঁ—
দুখৰ ইচ্ছাকৃত উপহাৰ ।

মইতো নাজানো
আঘোণতে কিহৰ আকাল
সেয়ে
হৃদয় বন্দীশাল ।

++

## সমৰক্ষেত্ৰৰ মৃত্যু মহান

পদ শব্দৰ
দৃপ্ত ছন্দত
কঁপি উঠিছে ধৰিত্ৰী—
কাৰাগাৰৰ
ইটাৰ দেৱালবোৰ
টুকুৰা-টুকুৰ হৈ
পৰিছে খহি— ।
চন্দ্ৰক জানো
কয়েদী সজাই
ফাঁচী কাঠত ওলোমাব পাৰে ?
সূৰ্য্যক জানো
জুইত দি ভস্ম কৰিব পাৰে ?
এজনৰ পিছত এজন
লক্ষজনৰ
ওখ পাহাৰৰ চূড়াটোক নমাই অনাৰ
ইতিহাস
আজীৱন জুৰি
জিলিকি থাকিব ।
যুঁজা
আগুৱাই যোৱা
দুষ্প্ৰাপ্য সময়ক পিঠি দি
অধঃপতনতকৈ
যুদ্ধক্ষেত্ৰৰ
মৃত্যু মহান ॥

**শ্ৰীতুলিকা শইকীয়া**
স্নাতক প্ৰথম বাৰ্ষিক ।



## কবিতা

শব্দৰ ইটাৰে থাকে থাকে গঁথা থাকে
কবিতাৰ আটোল ইমাৰত
জীৱনৰ মহৎ দিশৰ
এক অপূৰ্ব খতিয়ান ।

যুগে যুগে মানুহৰ
চিন্তাৰ যি বিবৰ্তন
তাৰ বাউসীত ধৰি ক্ৰমে
কবিতাৰ অতুল উত্তৰণ
জীৱন অথবা কবিতা
মনোদৰ্শনৰ ই এক অমল জিজ্ঞাসা ।

যদিওবা
ই এক শব্দৰ ইমাৰত
সভ্যতাৰ মো-কোঁহ তাৰ আঁহে আঁহে
বিমোহন বিচিত্ৰ চিত্ৰন
মানুহ মানুহেই, যাৰ
পাষাণৰ সুদৃৰত স্থিতি
কবিতা হৃদয় মানুহৰ
মানুহৰ মহত্ব কবিতা ।

অৱন্তী বৰা
স্নাতক ২য় বাৰ্ষিক

# উপলব্ধিত ভবিষ্যত

শ্ৰীমিণু ৰাজা দাস
স্নাতক ১ম বাৰ্ষিক

কৰুণ পদক্ষেপত
গৰ্জি উঠা
কুৰি শতিকাৰ
শেহতীয়া তেজ সনা
"অণু-পৰমাণুৰ পৰাক্ৰম"—
আকাশত শুই থকা
পুৰণা চিনাকি জ্যোতি
"তৃতীয় মহাসমৰৰ প্ৰস্তুতি"।
প্ৰতিটো মানুহ
একোটা বিদ্ৰোহ
একবিংশ শতিকাত
"একোখন জ্বলন্ত চিতা।" ●



# বিচুবিয়াচ্

ৰুমী লস্কৰ
স্নাতক ১ম বাৰ্ষিক

আশাৰ মাণিক মোৰ
সপোনতেই দেখা দি আঁতৰিল,
সকলো ব্যৰ্থতাৰেই প্ৰতিচ্ছবি ;
নিশাৰ আন্ধাৰক লগ পাবলৈ
যেনেকৈ পুৱাৰ সুৰুযৰ ব্যৰ্থ প্ৰয়াস।

সন্মুখ মোৰ তিমিৰেই আবৰা
আগবাঢ়ো কেনেকৈ... ... ???
ফেঁচাৰ চিঞৰ, শিয়াল-কুকুৰৰ আৰ্তনাদে
বিব্ৰত কৰে।

চাৰিওকাষে শ্মশান
নৰকংকালবোৰে দাঁত নিকটাই
যেন মোক বিদ্ৰূপ কৰে
য'তেই ভৰি দিওঁ যেন জ্বলন্ত,
উত্তপ্ত লাভা
গোটেই পৃথিৱীখনেই যেন চাহাৰা।
বুকুত তাৰ সুপ্ত বিচুবিয়াচ। *

ৰূপ

## কনৌৰাৰৰ স্মৃতিত

পদ্মাৱতী দাস
স্নাতক ৩য় বাৰ্ষিক

সূৰ্যটো সেইদিনা বৰকৈ জ্বলিছিল—
তাইৰ সোণ বৰণীয়া দেহটো চট্‌ফটাই ছাই হৈ যাওঁতে
সূৰ্যটোৱে উচুঁপিছিল—দেওবালাৰ আন্ধাৰলৈ চাই ।
প্ৰাৰ্থনাৰ প্ৰোজ্জ্বল হাতেৰে বুলাই লোৱা তাইৰ শিৰৰ বেঘা
নিষ্প্ৰভ হোৱাৰ ক্ষণতেই— মানুহবোৰ গুচি গ'ল
যুক্তিহীন, অন্ধকাৰৰ সেই ক'লা ৰাজ্যলৈ
য'ত বিবেকফুল নুফুলে ।
তাই হেনো কুৰি শতিকাৰ "সতী" !
সভ্যতাৰ নিল'জ্জ বলি নিৰীহ নাৰী তাই
জ্বলন্ত অগ্নিত ভস্মীভূত তাই বতাহৰ কোলাত
সূৰ্য প্ৰণাম কৰে—
অনুচ্চাৰিত তাইৰ প্ৰাৰ্থনাৰ মৌন কোলাহলত
দেওবালাৰ আকাশত সূৰ্যটোৱে আৰু উচুঁপি উঠে । ★



# গীত

ৰীতা বৰা
স্নাতক ৩য় বাৰ্ষিক

(১)

অ' শৰত
তুমি আকৌ আহিবা
এটি নতুন ক্ষণত
মই বাট চাম তোমালৈ
সৌ শেৱালিৰ তলত ॥
তোমাৰ মন কৰ্ণি ভৰাই
বহু মিঠা মৰম
মোলৈকে আনিবা
অ' শৰত
ৰঙীন সপোন
গুপুতে সাঁচি আনিবা ॥
তোমাৰ আজলী ভৰাই
জোনৰ জোনালী আনি
মোৰ গাতে সিঁচিবা
অ' শৰত
হেৰোৱা স্মৃতি সুখৰ
আচলতে গাঁঠি আনিবা ॥

(২)

আই তোমাৰ হিয়াত
কিহৰ প্লাৱন
বাউলী বেশেৰে দেখো
নয়নত নাই অঞ্জন ॥
যাতনা নেদেখে আই
সকলো যে অন্ধ
লুকাই জাগিলেও শোক
প্ৰকাশৰ বাট বন্ধ
মিছাতে আই অ'
নকৰিবা ক্ৰন্দন ॥
অলেখ দুখেৰে ভৰি
হিয়া তোমাৰ ৰিক্ত
চকুলোৰে দুগাল তিয়াই
নয়নযুৰি সিক্ত
বেদনাত ভাঙিছে হিয়া
ঢাকা তোমাৰ বদন ॥

# মোৰ
# মোৰ নাম দি
# দি
# THE

অনিতা বৰা
স্নাতক ১ম বাৰ্ষিক

পৃথিৱীৰ জোন বেলি আৰু লানি পৰ্বতৰ
জীৱ, বস্তুৰে তোমাৰ চিনাকি সাগৰ;
ঘটনা সম্পদ ঘৰ বুৰঞ্জী বিখ্যাত
আলোচনী তাৰিখ আৰু পুথি জনাজাত;

এই সকলোটিৰে মই আগে আগে যাওঁ
এক জন্তুটোৰ আগত মই জাতিক বুজাওঁ,
গুণৰ আগত বৈ গঢ়ো বহু গুণী জন
নিৰ্দ্দিষ্টকৈ দেখুৱাও মোৰ এটি গুণ,

জাতি বুজাবলৈ বহু ভাষাৰ আগত
থাকো মই সৰ্বশ্ৰেষ্ঠ গুণৰ আগত,
মোক এৰিলে ভুল হব তোমাৰ ইংৰাজী
অকণমান শব্দটি মোৰ নাম "দি"। ●



# আকাশী প্ৰেম

—মণিকুন্তলা ফুকন (ভট্টাচাৰ্য্য)
স্নাতক ৩য় বাৰ্ষিক

চিগাৰেটটো জ্বলাই সি পুনৰ কিতাপখন মেলি ল'লে। ৰাচিয়ান গল্প। মাজে মাজে গল্পটোৰ চৰিত্ৰটো সি নিজেই যেন লাগি যায়। পত্নী লেনাৰ কবৰৰ ওচৰত ঘূৰি ফুৰা ইভান। ফুল ভালপোৱা লেনাৰ বসন্ত কালত মৃত্যু হোৱা বাবে ইভানে কিছু সুখী অনুভৱ কৰে। ইভান যেন তাৰেই প্ৰতিৰূপ। যি সময়ত ইভান তাৰ পত্নীৰ স'তে ফুলৰ সুবাসত আকুল হৈ পৰিছিল; ঠিক সেইখিনি সময়তে ইভানক সি যেন লাগি যায়। নিজকে ইভান যেন লাগি যোৱা সময়খিনিতে সি তাৰ মূৰটো বেতৰ চকীখনত অলসভাৱে এৰি দিলে। চিগাৰেটটো এচট্ৰেত থৈ অতি নিছলা মানুহৰ দৰে কিতাপখন দুই হাতেৰে বুকুত সাৱটি ল'লে। আল-ফুলে। দুচকুৰ দৃষ্টি সমুখৰ পাইনজোপাৰ পাতৰ ফাঁকেৰে সৰাকি গৈ নীলা আকাশখনত মিলি গ'ল। ধীৰে ধীৰে উশাহ-নিশাহ ল'লে সি।

আজিকালি তাৰ চকুপানী নোলায়। এনেয়ে তাৰ মনটো বৰ ঠুনুকা। অকমানতে দুখ পায়—চকুপানী ওলায়। তাইৰ অসুখৰ বাৰ্তাৰ পায়ে সি বলিয়াৰ দৰে দিল্লীলৈ দৌৰি গৈছিল। আৰু অসহায়ৰ দৰে তাইৰ 'বেড'ত তলমূৰ কৰি বহি আছিল। তাই বুজি পাইছিল তাৰ মনৰ কথা। তাইৰ অসুখৰ বাবে সি মনত দুখ পাইছে! কিন্তু সি এবাৰো তাইৰ চুলিত হাত বুলাই দিয়া নাই, এচামুচ দৰৱ খুৱাই দিয়া নাই। তথাপি তাই বুজি পাইছিল—তাইৰ অসুখেৰে সিও অসুখী। তাইৰ শেঁতা মুখখনত হাঁহিৰ আভাস বিৰিঙি উঠিছিল। তাৰ পিঠিখন চায়ে তাইৰ মনটো বাৎসল্য প্ৰেমত গলি গৈছিল। — এটা কান্দিব খোজা শিশুক যেন তাই সাৱটি ধৰি নিচুকাব। বাওঁহাতখন মেলি তাই তাৰ পিঠিখনত লাহেকৈ মৰম কৰিছিল। সি হঠাৎ তাইৰ ফালে ঘূৰিছিল। আৰু তাইৰ বুকুত মুখ গুঁজি উচুপি উঠিছিল। তাই তাৰ মূৰত লাহে লাহে থপৰিয়াই দি কৈছিল—

:"নাপায়, উঠা। মই ভাল হম নহয়! নাপায়, চাওঁ—" তাই তাইৰ দুৰ্বল হাতেৰে তাৰ মূৰটো ডাঙি দিছিল। চকুপানী মচি দিছিল আৰু গভীৰ মৰমেৰে কপালত চুমা খাইছিল। ... তাৰ হাতত দৰৱৰ বটলটো তুলি দি তাই তাৰ হাতেৰে দৰৱ খাইছিল। সি ভালপোৱা পাতল আকাশী ৰঙৰ শাৰীখন পিন্ধি লাহে লাহে তাই গভীৰ টোপনিৰে শুই পৰিছিল। সেই দৃশ্যটি তাৰ আজিও মনত পৰে। বগা গাৰুটোত তাইৰ ক'লা চুলিকোচা মেল খাই পৰি আছিল। ডিঙিৰ দীঘল সোণৰ চেইনডাল চুলি-খিনিৰ ওপৰত পৰি আছিল। বগা বিচনাখনত আকাশখন যেন নাচি-বাগি ক্লান্ত হৈ ঢো খেলি

পৰি আছিল। তাইক সেই সময়ত আকাশী পৰী যেন লাগিছিল। ওহো, নহয়, তাই পৰী নহয় তাই দেৱী। যিটো মানুহে মদ নহ'লে থাকিব নোৱাৰিছিল, জুৱা নেখেলাকৈ বন্ধ নকটাইছিল, সেইটো মানুহক তাই একেবাৰে চিধা কৰি পেলালে।

সি তাইৰ সন্তুষ্টিৰ বাবে মদ এৰিব পৰা হৈছিল, জুৱাও এৰি দিছিল। কেৱল চিগাৰেটটো সি তাই নেদেখাকৈ মনে মনে খাইছিল। তাইৰ বহুত ওজৰ-আপত্তি মানি সি তাৰ প্ৰিয় বন্ধুটোৰ পৰাও আঁতৰিব লগীয়া হৈছিল। কাৰণ তাই সেই বন্ধুৰ অসৎ চৰিত্ৰৰ বাবে ভয় খাইছিল জানোচা সি পুনৰ আগৰ মানুহটো হৈ পৰে! তাইৰ এক অনন্য আকৰ্ষণ আছিল—সি পলে পলে অনুভৱ কৰিছিল। কিন্তু আকৰ্ষণত সি তাইৰ ছাঁটোও স্পৰ্শ কৰিব পৰা নাছিল। তাইৰ কিবা বিশেষ শক্তি আছিল সতীত্বৰ। অথচ তাই তাৰ ওচৰত খোলা খুলিকৈ কথা কৈছিল, সহজভাৱে কাষতে বহিছিল। কিন্তু সি স্বৰগ্ পৰা মানুহৰ দৰে স্থিৰ হৈ থাকিছিল। যৌন ক্ষুধাক তাই কোনো দিনে প্ৰাধান্য দিয়া নছিল। সি মাজে মাজে দুৰ্বল হৈ পৰিছিল আৰু তাইৰ ওচৰত প্ৰকাশ কৰিছিল। তেতিয়া তাই লাজ কৰিছিল। তাইৰ সেই লাজুকী অৱস্থাত সি কেতিয়াও সাৱটি ধৰিব নোৱাৰিছিল। তাইৰ হাতটোও তাৰ হাতত তুলি লব পৰা নাছিল। এক অদ্ভুত শক্তি আছিল তাইৰ—সতীত্বৰ।

তাই সদায় কৈছিল সিহঁত দুটাৰ প্ৰেম বোলে পৱিত্ৰ। Platonic love. সি লাহেকৈ হাঁহিছিল। কিন্তু পিছত সি অকলে অকলে ভাবিছিল, তুলনা কৰিছিল আনৰ লগত। ক'তা সিহঁত দুটাটো একেলগে ফুৰে, আনৰ দৰে ওফন্দা-ওফন্দিও হয়, তেন্তে আনৰ তুলনাত সিহঁতৰ প্ৰেমৰ পাৰ্থক্য ক'ত? সি এদিন তাইক সোধাত তাই লাজ কৰি কৈছিল—'জানো'!

দক্ষিণ ভাৰতৰ নৈষ্ঠিক গোড়া ব্ৰাহ্মণৰ ছোৱালী তাই। সিহঁতৰ বিয়াৰ বাবে ঘৰ অসন্মত। তাই আকাশী ৰঙৰ শাৰীখন পিন্ধি শান্ত স্বৰে কৈছিল "বিয়াই প্ৰেমৰ উদ্দেশ্য নহয়।" সি তীব্ৰ কণ্ঠৰে প্ৰতিবাদ কৰি উঠিছিল। তাক আগৰ মানুহটো হৈ থাকিবলৈ নিদিলে কিয় তাই? কিয় তাই তাক মিছাতে মৰম কৰিছিল? সি অবুজ—তাক, তাইক লাগে। আকাশী দেহটো আৰু আকাশৰ দৰে বিশাল আকাশী মনটো তাক লাগে। সি লবই। তাই নিঃশব্দে আকাশী আঁচল উবুৱাই তাৰ কাষৰ পৰা গুচি গৈছিল। তাৰ হাত-ভৰিৰ পেশীবোৰ স্ফীত হৈ পৰিছিল, দাঁতে দাঁতে কৰ্ষণ ঘটিছিল। চকু দুটা ৰঙা পৰিছিল। কিন্তু চকুপানী ওলোৱা নাছিল। বুকুখনে অহৰহ ফোপাইছিল—এবছৰ, দুবছৰ ধৰি।

লাহে লাহে তাৰ আগৰ কথাবোৰ এতিয়াহে বুজি উঠা যেন লাগিল। কৈশোৰ আৰু যৌৱনৰ দোমোজাত মানুহক এটা আদৰ্শৰ প্ৰয়োজন। এটা ব্যস্ততাৰ প্ৰয়োজন। সেয়ে কোনোবা ধৰ্মগোড়া হৈ পৰে, কোনোবা নাস্তিক, কোনোবা শিল্পী, কোনোবা খুনী। তাই কালীপূজা কৰিছিল, যিচুক মানিছিল, শ্ৰীকৃষ্ণকো দাগী প্ৰেমিক বুলি মানিছিল। কেতিয়াবা হাঁহিছিল। কিন্তু সি কাকো পূজা নকৰিছিল। ঈদ খাবলৈ বন্ধুৰ ঘৰলৈ গৈছিল, মাকৰ স'তে পূজাতো বহিছিল। ... ... তাইৰ পূজা দেখি সি তাইক কেতিয়াবা খং উঠাবলৈ কৈছিল "অতি ভক্তি চোৰৰ লক্ষণ" তাই অধৈৰ্য্য হৈ সিঞ্চাৰি দিছিল।

তাই তাক মৰম কৰিছিল, সেয়ে তাইৰ অনুশাসনখিনি মানি ল'বলৈ সি বাধ্য হৈ পৰিছিল। তাক শুদ্ধ কৰিবলৈকে যেন তাই তাৰ জীৱনলৈ আহিছিল। এতিয়া সি ভাল বেয়া ভালকৈ বিবেচনা কৰিব পৰা হ'ল। তাই তাৰ জীৱনৰ পথ শুদ্ধৰাই দি থৈ গ'ল। এটা শৃংখলা লগাই দি থৈ গ'ল। তাই দেৱী। আকাশী দেৱী। যি সময়ত মানুহ লক্ষ্যভ্ৰষ্ট হয়, সেই সময়তে তাইৰ আবিৰ্ভাব হ'ল আৰু সি লক্ষ্যপথত আগবাঢ়োতেই তাই আঁতৰি গ'লগৈ। তাই যদি তাৰ মংগলেই কামনা কৰে, তেন্তে ওৰে জীৱন তাৰ কাষে কাষে আদৰ্শ হৈ বৈ নাথাকিল কিয়? সি পুনৰ অবুজ হৈ পৰে। ঢোকে ঢোকে মদ খায়, জুৱা খেলে। কিন্তু পিছদিনাই সি অনুতাপত দহি মৰে। তাই বেয়া পোৱা কাম নকৰাটো তাৰ এটা অভ্যাস হৈ পৰিল। মনটো অশান্তিদায়ক হৈ পৰে। ·· তাই তাক বুজনি দিওঁতে এবাৰ কথা কৈছিল— "যদি আমি সঁচাই দুয়ো দুয়োকে ভাল পাওঁ—তেন্তে এদিন নহয় এদিন আমি বিচৰাখিনি পামেই। ঈশ্বৰে জানে নহয় কাক কিহৰ প্ৰয়োজন। হয়তো আমি ক'ব-নোৱাৰাকৈ ক'ৰবাত কিবা ভুল কৰিলো সেয়ে আতৰিব লগীয়া হ'ল। কিন্তু মানুহ এবাৰেইহে জন্ম হয় নেকি? — —"

সি আকাশখনৰ পৰা চকু ঘূৰাই আনিলে। নিশ্চল হাত দুখনৰ মাজৰ পৰা কিতাপখন উঠাই হাতত ল'লে। চিগাৰেটটো? নাই ছাঁই হৈ গৈছে। ক'লা ডাৱৰৰ বং। ছাদৰ পৰা নামি আহি গাত পঞ্জাবীটো সুমুৱাই স্কুটাৰখন লৈ সি ওলাই গ'ল। ... ... পালিকা বজাৰৰ পৰা শাৰী এখন কিনি আনিলে— ... তাইলৈ চিঠি এখন লিখিলে — —

If someday you want to come-back to my life once again, you will be most welcome with this dress. I shall wait for you forever.

●

# আন্তৰিকতাৰ শিখা

শ্ৰীমঞ্জু মহন্ত
স্নাতক ২য় বাৰ্ষিক

"মই পাৰিম সুৰজিত—মই মোৰ পণ ৰক্ষা কৰিব পাৰিম, তোমাৰ ব্যক্তিত্বক, সত্তাক মই স্বীকৃতি দিব পাৰিম নিশ্চয়। তুমি তাৰ কাৰণে বৰ বেচি ভাবি ভাবি মূৰ ঘমাব নেলাগে।" ইমান সোনকালে উত্তৰটো দি পাছতহে সবিতাই ভাবিলে তাই বাবু ভাল কৰিলে নে বেয়া কৰিলে—এফালে উৎকট গৰম, আনফালে তাইৰ মানসিক চিন্তাৰ অন্তৰালত অতীত স্মৃতি ৰোমন্থনত আৰু বেছি জ্বৰ ঘৰ্মাদি ঘামিবলৈ ধৰিলে। তাইৰ সেন্দুৰীয়া গালৰ মুখখন যেন আৰু উজ্জ্বল হৈ উঠিল। তাই উচুপি উচুপি কান্দিবলৈ ধৰিলে—এফালে এখন ঘৰৰ সন্মান, আনফালে তাইৰ পণ। তাই বাবু এতিয়া কি কৰে? দেউতাকৰ আশীৰ্বাদ, মাকৰ মাতৃসুলভ মৰম, ককায়েকৰ অ-কৃত্ৰিম মৰম, বাইদেয়েকৰ মৰম-স্নেহ— এইবোৰ কথা তাই বাবু কিয় ভাবিব নোৱাৰিলে, তাই বা কিয় ইমান সোনকালে সুৰজিতক কথা দি দিলে!

"মাজনী অ' সবিতা, তই বাবু কিয় মন মাৰি শুই আছ, তই তেনেকৈ থাকিলে বাবু মই ভাল পাওঁনে? তোৰ কি হৈছে অ' মাজনী!" তাই খৰখৰকৈ উঠি আহি ক'লে "নাই দেউতা মোৰ একো হোৱা নাই, আপোনাৰ গা অসুস্থ, অথচ আপুনি এইদৰে বিছনাৰ পৰা কিয় নামি আহিব লাগে? যাওঁক দেউতা, আপুনি অলপ শুই থাকক গৈ। মোৰ একো হোৱা নাই,—মূৰটো অকণমান কামুৰিছে, গতিকে ভাবিলো অলপ শুলে ভালেই লাগে কিজানি!"

তেনেতে মাকে দেউতাকক ভাত খাবলৈ মাতি নি কলে, "বেমাৰী মানুহ কিয় তেনেকৈ কপকপাই ঘূৰি ফুৰিব লাগে, তাইৰ গা বেয়া। গতিকে তাই অলপ শুইছে। সেইটো কথাতেনো আপুনি ইমান ভাবিবৰ কি হ'ল। তাই জনা-শুনা ছোৱালী, কালিলৈ এখন ঘৰৰ বোৱাৰী হব লাগিব, তাইক জানো এতিয়া বুজাবৰ বয়স আছে? আৰু দুদিন পাছত তাই কলেজৰ ছাত্ৰীক পঢ়াব লাগিব, সুশিক্ষা দিব লাগিব, সুখ্যাতি অৰ্জন কৰিব লাগিব।" —এই বুলি কৈ থাকোতেহে সবিতাৰ একমাত্ৰ ককায়েক সঞ্জু আহিল, মাকে সবিতাক চিঞৰি মাতিলে- "সবিতা—অ' সবিতা! ককায়েৰ আহিছে।" তাইয়ো দৌৰি আহি ককায়েকৰ বাহুত ধৰি জোকাৰি জোকাৰি কবলৈ ধৰিলে—"কোৱানা ককাইদেউ, তুমি বাবু ইমান দিন কিয় অহা নাই? তুমিতো জানা দেউতাৰ গা ভাল নহয় বুলি। মা'- অ, মা তোমাৰ বৰ পুত্ৰ আহিছে যেতিয়া তোমাক আৰু কোনে পায় নহয়নে? দেউতা, অ দেউতা, আপোনাৰটো আজি শোৱাই নহ'ব চাগৈ?" "ধেৎ আঁকৰীজনী তাইৰ যে কি কথা, চোৱা মা, তুমি যে মই আহিলে ভাল পোৱা, তাই ভাল নাপায়, নহয়নে বাবু দেউতা?" —এই বুলি তাইক চুলি কোচাত আল-ফুলকৈ ধৰি গালত এটা চুমা আঁকি দিলে। মাকে মাতিলে "আহ অ' বোপা, দহ বাজিবৰেই হ'ল, বেমাৰী দেউতাৰেয়ো ভাত খোৱা নাই, তোৰো আজিৰ যাত্ৰাত বৰ কষ্ট হৈছে চাগে। সবিতা, সঞ্জু তহঁতলৈ দেউতাৰৰ কিমান মৰম, এই শ্ৰদ্ধা, ভক্তি, মৰম-স্নেহবোৰ তহঁতৰ যাতে সদায় পবিত্ৰ হৈ জীয়াই থাকে তাৰ বাবে ভগৱানৰ ওচৰত মই সদায়েই প্ৰাৰ্থনা কৰিছোঁ।" সবিতাৰ গাটোত যেন হুলে বিন্ধাদি বিন্ধিবলৈ ধৰিলে, মাকৰ আশাশুধীয়া মৰমৰ কথাৰ বান্ধোন, আনফালে ককায়েকৰ নিঃস্বাৰ্থ অকৃত্ৰিম মৰম, দেউতাকৰ কথাটো কবই নালাগে, তাইৰ বাবেই জীৱনটো। তেনেকৈ ভাবি ভাবি ভাত খাই থাকোতেই হঠাৎ ককায়েকে মাত দিলে. "ঐ আঁকৰীজনী, তই কি ভাবি ভাবি ভাত খাই আছ? শুন, তোৰ কাৰণে মই এটা লৰা ঠিক কৰিছো - আজি নকওঁ বাবু কালিলৈ কথা পাতিম দেই। আজি বহুত দেৰি হৈছে, প্ৰায় ১২ বাজে আৰু।" ককায়েকৰ কথাত হে যেন তাই কল্পনা ৰাজ্যৰ পৰা বাস্তৱ ৰাজ্যলৈ ঘূৰি আহিল। তাইৰ যেন অচিৰেই বুখুখন কঁপিবলৈ ধৰিলে—তাই বাবু এতিয়া কি কৰিব। তাই যেন তাইৰ আচৰণত ধৰা নপৰে ঠিক তেনেদৰে তাই তপৰাই ক'লে, "হ'ব দিয়া ককাইদেউ, আগতে তোমাৰ বৌ, তাৰ পাছতহে মোৰ। মোক ইমানখিনি পঢ়ালা, মই জানো তাৰ বিনিময়ত তোমাক একো দিব নালাগে?" ককায়েকে কেৱল তাইৰ মুখলৈ চালে, অনুভৱ কৰিলে তাই যেন কিবা এক অবুজ আশঙ্কাত চিন্তিত হৈ গৈছে—পৰিবেশটো সহজ কৰিবলৈ ককায়েকে মাথোন কলে, "হ'ব দে মোৰ মৰমৰ ভনী সবিতা, এতিয়া শুব লাগে, নহয় জানো দেউতা? মা, যোৱা তোমাৰো বহুত কষ্ট হৈছে। মই অহাৰ বাবে তুমি আৰু বেছি বস্তু বনাব লগা হ'ল।" মাকে আকৌ কবলৈ ধৰিলে, "নহয় অ' বোপা, তহঁক লৈয়ে মই জীয়াই আছো. তহঁতৰ বাবেই আজি মই আৰু দেউতাৰ বহুত সুখী, সমাজৰ আগত মূৰ ওখ কৰি ৰাখিব পাৰিছো।" এই বুলি কৈ ঘৰখনৰ চাৰিওটা প্ৰাণী বিছনাত বাগৰ দিলে। বহুদূৰ যাত্ৰাৰ অন্তত সঞ্জুৰ অতি সোনকালেই টোপনি আহিল, মাক আৰু দেউতাকৰ একমাত্ৰ পুত্ৰ সঞ্জু আজি বহু দিনৰ মূৰত ঘৰলৈ অহাত আনন্দৰ সীমা নাই, সবিতাও অলপতে বিশ্ববিদ্যালয়ৰ পৰা

ওলোৱাৰ বাবে ঘৰখনৰ পৰিৱেশটো সুন্দৰ হৈ পৰিছে। এইবোৰ কথা ভাবি থাকোতেই কেতিয়া নিদ্ৰাদেবীৰ কোলাত অচেতন হ'ল গমকেই নাপালে। ঘড়ীয়ে টং টংকৈ ২ বজাৰ সংকেট দিলে। সবিতাই তেতিয়াহে গম পালে যে তাইৰ বাহিৰে গোটেই ঘৰখনেই টোপনিৰ ইন্দ্ৰজালত বন্দী হৈ গৈছে। তাই যে কন্দাৰ বাহিৰে আৰু উপায় নাই। তাই ভগৱানক প্ৰাৰ্থনা কৰিবলৈ ধৰিলেঃ হে ভগৱান তুমি মোক ধৈৰ্য্য ধৰিবলৈ শক্তি দিয়া, মনৰ দুঃসাহস আঁতৰাই নিয়া, শৰীৰত বল আৰু মানসিক আঘাত সহ্য কৰিবলৈ মনোবল দিয়া—নহলে যে মই আত্মহত্যা কৰিব লাগিব! আত্মহত্যা! এই শব্দটো মনলৈ অহাৰ লগে লগেই যেন তাইৰ গাটো জিকাৰ খাই উঠিল। নাই নাই, মই জীয়াই থাকিব লাগিব, জীয়াই থাকি জীৱনৰ ঘাত-প্ৰতিঘাত অতিক্ৰম কৰিব লাগিব। আত্মহত্যা কৰিলে জানো সমস্যা সমাধান হ'ব? মই যদি আত্মহত্যা কৰো সুৰজিৎ জানো জীয়াই থাকিব। মা, দেউতা, ককাইদেৱে জানো অন্তৰত আঘাত নাপাব? মোৰ আত্মাই জানো শান্তি পাব? মই দৃঢ় হবই লাগিব, মই নিজক সংযত কৰি ৰাখিবই লাগিব, মুক্ত আকাশৰ মুক্ত বতাহৰ সুগন্ধি বায়ু মই সেৱন কৰিবই লাগিব, উদয়াস্ত সূৰ্য্যৰ পোহৰ যেনেদৰে জ্যোতিষ্মান, তেনেদৰে আমাৰ ভালপোৱা পোহৰে জানো ককাইদেউ, মা, দেউতাৰ অন্তৰ পোহৰ কৰিব নোৱাৰিব? অতীব সুন্দৰ চন্দ্ৰৰ গাতো জানো কালিমা নাথাকে? মই জীয়াই থাকিম, মই মানুহৰ দৰে জীয়াই থাকি প্ৰগতিবাদী সমাজৰ এলান্ধুকলীয়া ৰীতি পৰম্পৰা আঁতৰ কৰিবই লাগিব, নহলে যে উঠি অহা নতুন পুৰুষ-মহিলাৰ গাত কলুষ-কালিমা ৰৈ যাব। আকৌ নিজকে প্ৰশ্ন কৰিছে, নাই নাই ককাইদেউ, মা-দেউতাক মই মনাবই লাগিব।

সুৰজিতক মই ভালপাওঁ! ভালপোৱাত জানো মানুহৰ দোষ থাকিব পাৰে? ভালপোৱা স্বৰ্গীয় বস্তু—আজি দহ বছৰে যি সুৰজিতক পৱিত্ৰ ভাৱে ভাল পাই আহিছো, সেই সুৰজিতক জানো জাতি-ধৰ্মৰ ভিন্নতাত মই মনৰ পৰা আঁতৰাব পাৰিম? নাই নাই, মই অন্যায় কৰা হ'ব—সুৰজিতেটো মোক অন্যায় কৰা নাই, মই যদি সুৰজিতক ফাঁকি দিও মই নিজক ফাঁকি দিয়া হব, মোৰ আত্মবিশ্বাস আছে, মই সুৰজিতক ফাঁকি দিব নোৱাৰো. প্ৰতাৰণা কৰিব নোৱাৰো, মই সুৰজিতৰ লগত অভিনয় কৰিব নোৱাৰো। সুৰজিতক মিছা কথা কোৱা মানে সুৰজিতক মই প্ৰতিশোধ লোৱা হব, সুৰজিতৰ ওপৰত প্ৰতিশোধ লবলৈতো মই সুৰজিতৰ অ-হিতাকাংখী নহয়, বৰং সুৰজিৎ মোৰ হিতাকাংখীহে। এইদৰে ভাবি ভাবি বিছনাত বাগৰ সলাওতেই পাঁচ বজাৰ সংকেত ধ্বনি মোৰ কাণত বাজি উঠিল। ৰাতি পুৱালেই লৰালৰিকৈ বিছনাৰ পৰা উঠিয়েই ঘৰুৱাহী যাবতীয় কামবোৰ কৰি গৈ পাকঘৰত ৰাতিপুৱাৰ চাহ তৈয়াৰ কৰাত লাগি গলো। দ্ৰেচিং ৰুমলৈ গৈ নিজৰ মুখখন দেখি নিজকে কিবা অপৰিপাটি যেন লাগিল, ৰাতি যে মই কান্দি কান্দিয়েই সময়বোৰ অতিবাহিত কৰিছিলো তাক অতি সহজেই মোৰ চকুত ফুটি উঠিল। ভাবিলো ছিঃ বৰ বেয়া কথা হ'ল। ককাইদেউ. মা, দেউতাই দেখিলেই বা মোক কি কব? হঠাৎ পিছলৈ ঘূৰি চাই দেখিলো ককাইদেউ মোৰ পিছফালে থিয় হৈ আছে। অ' ককাইদেউ, তুমি মুখ-হাত ধুই আহা, পানী আৰু তাৱেল মই দি আহিছো। ককায়েকৰ আচৰণত যেন তাই কিবা এটা গম পাইছে। "সবিতা! তোৰ কি হৈছে, তই মোক কোৱা নাই কিয়? তই কিয় ভৱা নাই যে তোৰ দুখত আমি সকলো দুখী বুলি?" নাই নাই —ককাইদেউ মোৰ একো হোৱা নাই।" কঁপা কঁপা মাতেৰে তাই মাত দি অভিমান কৰিয়েই যেন তাই ককায়েকৰ ওচৰৰ পৰা ভয় আৰু সংকোচেৰে আঁতৰি আহিল। তাই ভাবিলে: আজি মই সুৰজিতক লগ কৰিবই লাগিব। যদি সুৰজিতক মনাব পাৰো তেন্তে ... ...। সুৰজিতে জানো সেই কথা মানিব? সুৰজিতে মোক এতিয়া বিয়া পাতিবলৈওতো সক্ষম নহয়, সুৰজিতৰটো চাকৰি নাই, আজি দুবছৰ হ'ল বিশ্ববিদ্যালয়ৰ পৰা ওলোৱা। তেওঁৰ ঘৰৰ আৰ্থিক অৱস্থাওতো আমাৰ তুলনাত নিচেই সামান্য, মই বাৰু মোৰ ঘৰখনক কেনেকৈ সুৰজিতক আৰ্থিক অৱস্থাৰ কথা কব পাৰিম? ঘৰখনেই বা মোক কি অভিমত দিব? নাই নাই সুৰজিতক মই যেনে তেনে লগ কৰিবই লাগিব। "ককাইদেউ, অ' ককাইদেউ' মই অলপ ওলাই যাম আজি, মোৰ বান্ধবী এজনীৰ আজি জন্ম দিন, মই কি উপহাৰ দিম বাৰু?" ককায়েকে মুখত এমোকোৰা হাঁহি লৈ ক'লে, "মই যে কালি তোক সু-খবৰ এটা দিছিলো—সেই সু-খবৰটোকে উপহাৰ দিবি—তাতকৈ জানো আৰু বেছি ধুনীয়া উপহাৰ তহঁতৰ নিচিনা ছোৱালীবোৰৰ বাবে আছে?" তাই খং কৰি কলে, "থৈ দিয়া তোমাৰ সেইদাল উপহাৰ? মোৰ বাবে বোধহয় সেইদাল উপহাৰৰ কোনো প্ৰয়োজন নহব"—এইবুলি তাই লৰালৰিকৈ ঘৰৰ পৰা ওলাই গ'ল। ৯ বজাত সুৰজিতক লগ কৰিব লাগে, ঘড়ীটোলৈ চালে ৮-৩০ বাজিলেই। এতিয়া তাই ৰাষ্টাটোত কিমান যে কল্পনা কৰি গৈ আছে নিজক পাহৰি, তাই তাক আৰু নাজানে। এটা দিশত হতাশ, অন্য এটা দিশত প্ৰত্যাশা—আকৌ তাতে মিহলি হৈ আছে আনন্দ আৰু বিষাদৰ ইন্দ্ৰজালিকতা! কি যে বিচিত্ৰ এমুঠি আবিৰ ৰঙে ফাঁকু খেলি গ'ল তাইৰ অজানিতেই, অথচ তাই গমকেই নাপালে। নিৰ্দ্দিষ্ট সময়ত নিৰ্দিষ্ট ঠাইত তাইক লগ কৰিবৰ বাবে সুৰজিৎ ব্যস্তভাৱে ৰৈ আছে। তাইক দেখি আঁতৰৰ পৰাই মিচিকিয়া হাঁহিৰে সুধিলে, "সবি, তুমি আজি কিয় বাৰু মনত এচমকা ডাৱৰ লৈ এইদৰে বগা সাজ যোৰ পিন্ধি ওলাই আহিছা? বগা সাজযোৰে তোমাক সুন্দৰ দেখাইছে ঠিকেই, কিন্তু সেই পবিত্ৰতাটো যেন কিবা অস্পষ্ট হৈ লুকাই আছে, সেই সুন্দৰতো যেন অ-সুন্দৰতাই বাঁহ সাজিছে—কোৱা সবি, তুমি মোক ফাঁকি নিদিবা। খোলাখুলিভাৱে সকলো কথা মোৰ আগত তুমি কৈ যোৱা সবি, তুমি তেনেকৈ থাকিলে মই সহ্য কৰিব নোৱাৰো, তোমাক লৈয়ে মোৰ ভৱিষ্যত।" সাবিতাই নিশ্চুপ হৈ কিছুপৰ থাকি অইন মনস্কভাৱে আকাশৰ বুকুলৈ চাই থাকিল। সুৰজিতে উপায়হীন হৈ তাইক তাৰ বুকুলৈ আলফুলকৈ টানি আনি চুলিত মৰমেৰে হাত বুলাই কলে, "কোৱানা সবি, তোমাৰ এইদৰে মৰ্মান্তিক আঘাত মই সহ্য কৰিব নোৱাৰো।" তাই সুৰজিতৰ বুকুত মূৰ থৈ উচুঁপি উচুঁপি কবলৈ ধৰিলে, "সুৰজিৎ; তুমি মোক চিৰ বিদায় দিব লাগিব, তুমি মোৰ পৰা একেবাৰেই আঁতৰি যোৱা

তোমাৰ লগত বিয়া হোৱাটো মোৰ মা, দেউতা, ককাইদেউ কোনেও নিবিচাৰে, কোনেও অন্তৰেৰে কিবা এটা কাম কৰিবলৈ নিদিয়াৰ পাছত আমি জানো সুখী হ'ব পাৰিম ? কোৱা সুৰজিৎ, ঘৰ-খনৰ ইচ্ছাৰ বিৰুদ্ধে জানো মই গলে মোক আজিৰ সমাজ নালাগে, ঘৰখনে বেয়া চকুৰে নেচাব ?" "সবি, তুমি নেকান্দিবা—তোমাৰ শান্তিয়েই মোৰ কাম্য। তুমি এজন সৎ-চৰিত্ৰবান পুৰুষৰ লগত বিয়া হোৱা, তাত মোৰ আপত্তি নাই;—কিন্তু তুমিও আজি কিয় আভিজাত্যৰ গৰ্বত গৰ্বীত হৈ অন্তৰৰ পৱিত্ৰ ভালপোৱাৰ মৰ্য্যাদা দিব নোৱাৰিলা ? তুমি কিয় ভাবি নাচালা সবি, বহুত টকাতকৈ এটা জীৱনৰ মূল্য বহুত বেছি বুলি ? তুমিতো এতিয়া সৰু ছোৱালী নহয়, লোকৰ কথামতে কাম কৰিবলৈ, তুমি ইমান নীচস্তৰলৈ নামিব পাৰিলা কেনেকৈ সবি ? মোৰ দেউতা খেতিয়ক – তোমাৰ দেউতাৰা দেবজিৎ বৰুৱা এজন গণ্যমান্য আভিজাত্যৰ প্ৰথম শাৰীৰ ঠিকাদাৰ। মোৰ দেউতাৰ আজি আভিজাত্যৰ শাৰীত স্থান নাই. মই এজন সাধাৰণ খেতিয়কৰ ল'ৰা, যি জনে শাৰীৰিক শ্ৰমৰ মৰ্য্যাদাৰে নিজৰ পৰিয়ালৰ ভৰণ-পোষণ দিব পাৰে সেই ব্যক্তিৰ স্বাৰ্থপৰতা নাই – তাত থাকে সহজ-সৰল গাঁৱলীয়া হোজা শ্ৰমিকৰ গাৰ তেজে পানী কৰি কঁপালৰ ঘাম মাটিত পেলাই, অন্যায়ৰ পৰা বিৰত থাকি ন্যায় পথত পৰিচালিত হৈ কৰা শ্ৰমৰ মৰ্য্যাদাৰ —। তাত তোমালোকৰ দৰে ধনী গণ্য-মান্য ব্যক্তিৰ ভাবিব-লগীয়া কি থাকিব পাৰে ? আজি আভিজাত্য শাৰীৰ মানুহেই ধনীৰ দুলাল। মনত ৰাখিবা সবি, অকল মই বুলিয়ে নহয় – মোৰ নিচিনা হোজা শ্ৰমিকৰ ল'ৰাৰ অন্তৰত এজনী শিক্ষিতা ছোৱালীয়ে কটু-সমালোচনাৰে মনত আঘাত দিয়াটো উচিত নহয়।"

সবিয়ে উচুপি উচুপি কবলৈ ধৰিলে, "নাই নাই সুৰজিত, তুমি মোক আৰু খং নকৰিবা, মোক তুমি ভুল নুবুজিবা। মই তোমাক কোনোমতেই আঁতৰাই পঠাব নোৱাৰো, তোমাক যে মই নিজতকৈও কিমান বেছি ভাল পাওঁ তাক তুমি অস্বীকাৰ কৰিছা কিয় সুৰজিত ? তুমি মোক আজিও কিয় বুজি পোৱা নাই সুৰজিত ? অভিজাত্য শাৰীৰ ধনীৰ দুলাল দেৱজিত বৰুৱাৰ দুহিতা হলেও সেই অভিজাত্যৰ চতুৰালিৰে মোক ধৰি ৰাখিব নোৱাৰে। মই জানো পুৰুষৰ ভালপোৱাই নাৰীক পূৰ্ণতা দিয়ে। এজনী নাৰীয়ে মাত্ৰ পুৰুষৰ পৰা কেৱল অকণমান ভালপোৱাহে বিচাৰে, দৈহিক সুখ-শান্তি, ধন-ঐশ্বৰ্য্য আদি একোকে নিবিচাৰে। তুমি মনত ৰাখিবা সুৰজিত, মোৰ কপালৰ ফোট আৰু শিৰৰ সেন্দুৰ একমাত্ৰ তোমাৰ বাবেহে।" "সবি"! সুৰজিতে কলে–"তুমি সঁচাকৈয়ে সীতা-সাবিত্ৰীৰ দৰেই সতী. মই তোমাক বিনা কাৰণত অযথা কটু কথা কোৱাৰ বাবে ……।" "নাই সুৰজিত, মই বেয়া পোৱা নাই, মই তোমাৰ বাবে সকলো কৰিব পাৰিম। জাতি-ধৰ্ম, ধনী-দুখীয়া আদি বৈষম্যই মানুহৰ মাজত অবিৰাম-অবিৰ, হাই-কাজিয়াৰ সূত্ৰপাত কৰে, গতিকে এইবোৰ মই …! আৰু –" সুৰজিতে তপৰাই মাত দিলে "মইয়ো সবি, দুয়ো একেলগে, এই বৈষম্য ভাবৰ প্ৰতিবন্ধকৰ বন্ধনৰ শিকলি মুকলি কৰিব লাগিব সবি ! সুৰজিত—! সবি !"

সবিতাৰ বাবু কি হৈছে দেউতা ?— চিন্তাযুক্ত ভাবেৰে সঞ্জয়ে ক'লে। তাই যে আজি-কালি কেনে ধৰণেৰে থাকে মই আচৰিত হৈ যাওঁ।" মাকেও একে কথাকেই কলে, ঘৰখনৰ সকলোৰে আলোচ্য বিষয় একেটাই হৈ পৰিছে। এনেতে সবিতা ভিতৰলৈ সোমাই আহি মাত্ৰ কয় 'ককাইদেউ' তুমি বহুত দিন ছুটী লৈ আহিছা নেকি ? দেউতা, মোৰ যোৰহাট কলেজতে অলপতে posting হব, English ত এটা Post ওলাইছে।" দেউতাকে মাথো মূৰ দুপিয়ালে, মাকে তাইৰ চকুলৈ চালে, ককায়েকে কেৱল ভাবিলে: তাই বাবু মোক কিয় আজি এই প্ৰশ্ন কৰিলে ? "সবিতা, তই অলপ ঠাণ্ডা হৈ আমাৰ ওচৰলৈকে আহচোন।" মৰমেৰে মাকে মাতিলে। দেউতাকে ৰঙা চকু দেখুৱাই কলে, "শিক্ষিতা এজনী ছোৱালী হৈ ইমান নীচস্তৰলৈ নামিব পৰা হলি, তই বাপেৰৰ সন্মান ৰাখিব নোৱাৰিলি। ছিঃ ছিঃ ছিঃ মই মৰি যোৱা হলেই ভাল আছিল ! সুৰজিতৰ আছে কি ? সি এটি ছাল ছিগা বাটৰ ভিকহু। তোৰ নিজৰ পছন্দৰ হলেও তাক আমি ক্ষমা কৰিব নোৱাৰো।" নম্ৰ সুৰত তাই উদাস দৃষ্টিৰে আকুল কণ্ঠে কবলৈ ধৰিলে, "ঠিকেইতো দেউতা, সুৰজিত সামান্য সাধাৰণ ল'ৰা,— সুৰজিতৰ একো নাই, কিন্তু সুৰজিতৰ এখন পবিত্ৰ অন্তৰ আছে, সুৰজিতৰ একো নাই, অথচ নিজস্ব ব্যক্তিত্ব আছে, সুৰজিতৰ সম্পত্তি নাই, সুৰজিতৰ একোৱেই নাই, মই সুৰজিতক বহুত ভাল পাওঁ—যিবোৰ ভালপোৱা নিষ্পাপ, কলুষ-কালিমা য'ত নাই। সুৰজিতৰ একো নাথাকিলেও সুৰজিতৰ শিক্ষা আছে, শিক্ষা নাথাকিলেহে এজন মানুহক একো নাই বুলি কব পাৰি দেউতা ! কিন্তু জ্ঞানৰ অভাৱ হয় অধ্যয়ন নকৰিলে, শিক্ষাৰ মৰ্য্যাদা নিদিলে, সুৰজিতৰ জ্ঞান আছে, শিক্ষা আছে, গতিকে সুৰজিতৰ সকলো আছে। মোক সম্পত্তি নালাগে দেউতা ! বাহ্যিক আড়ম্বৰে আভ্যন্তৰীণ দিশত কেইটামান দিনহে ভুৱা দি ৰাখিব পাৰিব, তাৰ পাছত সেই একেই পৰ্য্যায়। গতিকে বাহ্যিক সজীৱতাই অন্তৰৰ পৱিত্ৰ সজীৱতাখিনিক সজীৱ কৰি নাৰাখে দেউতা !' 'সবিতা'— খঙত অগ্নিশৰ্মা হৈ দেউতাক ওলাই যায়, মাক মাটিত ঢলি পৰে, ককায়েকে মাথোন শুনে। সবিতাই কবলৈ ধৰিলে, "শুনা ককাইদেউ, এটা জীৱন গঢ় দিবলৈ গৈ এটা জীৱন ধ্বংস কৰাটো জানো উচিত বিচাৰ ! মই কেতিয়াও নোৱাৰিম ককাইদেউ, সুৰজিতৰ বাদে আনৰ লগত মই সুখী হব নোৱাৰিম। ককাই-দেউ, ভিক্ষাৰ পাত্ৰ লৈ ঘৰৰ পদূলিয়ে পদূলিয়ে দুৱাৰ মুখে মুখে ঘূৰি ফুৰিলেও দুখন অন্তৰৰ যদি মিল থাকে, তেতিয়া দুয়ো দুয়োৰে ওচৰ চাপিবলৈ ভগবানে গাত শক্তি দিবই ককাইদেউ।" "মোৰ মৰমৰ ভনী সবিতা, তোৰ বাবে মই সকলো কৰি দিম, তই মাথো ধৈৰ্য্য ধৰি তোৰ পথত অগ্ৰসৰ হবলৈ চেষ্টা কৰ, তোৰ ভৱিষ্যত মই সদায়েই উজ্জ্বল হোৱাৰ কামনা কৰো সবিতা"—ককায়েকে ক'লে। –"তুমি ইমান মহান কেনেকৈ হ'লা ? কেনেকৈ তোমাৰ ঋণ পৰিশোধ কৰিম ? তোমাৰ দৰে যদি পৃথিবীৰ সকলো মানুহেই অন্তৰৰ পবিত্ৰতাক উচ্চ আসন দিলেহেঁতেন, তেতিয়া হয়তো পৃথিবীৰ সকলো মানু-হেই সুখী হব পাৰিলেহেতেন। ককাইদেউ, তুমি কোৱাচোন, মানুহেই পৃথিৱীৰ শ্ৰেষ্ঠ জীৱ হিচাবে স্বীকৃতি পাইছে, অথচ মানুহেই বেছি ভুল কৰে, কিয় ?" "ধেৎ আকঁৰী তই যে এম, এ পাছ কৰিও এতিয়া ইমান জটিল. অথচ সহজ প্ৰশ্নৰ উত্তৰ বিচাৰ কিয় ?

সচাঁকৈয়ে তই এতিয়াও মোৰ মানত বৰ সৰু ছোৱালী হৈ আছ সবিতা, তই প্ৰকৃততে ইমানবোৰ কথাৰ বিচাৰ কৰিব পৰা যোগ্য হোৱা নাই. পাপ-পুণ্যৰ বিচাৰ, উচিত-অনুচিত আদি প্ৰশ্নৰ উত্তৰ জানো তই দিব পৰা হৈছ সবিতা ? তই যে মোৰ ওচৰত বৰ সৰু ছোৱালী হৈ আছ সবিতা ।”

তাইৰ গোটেই অতীত স্মৃতিবোৰে তাইৰ জীৱনৰ বাটত হেঙাৰ হিচাবে থিয় দিছে, তাই উপায় নোপোৱা হৈছে, তাই মনতে ভাবিছে হতাশাক আশাৰে বেদনাক আনন্দেৰে, ঘৃণিতক ক্ষমাৰে আৰু হিংসাক বিশ্বাসেৰে জয়ী কৰিবই লাগিব । তাই বাৰু সুৰজিতৰ ব্যক্তিত্ব-সত্ত্বাক হেয় প্ৰতিপন্ন কৰে কেনেকৈ ? তাই বাৰু দেউতাক আৰু মাকক বিশ্বাসঘাতকতা কৰে কেনেকৈ ? তাই আকৌ ভাবিবলৈ ধৰিলে : মই সুৰজিতক অনুৰোধ কৰিম, সুৰজিত তুমি মোৰ মৃত্যু হৈছে বুলি ধৰি লোৱা ।

হঠাতে মাত শুনিলে, “মাজনী অ' সবিতা ! তই কি কৰি আছ অ' !” তাই যেন দেউতাকৰ মাতত উচপ খাই উঠিল, তাই একো উত্তৰ দিব নোৱাৰিলে । আজি দুদিন আগলৈকে মোক যি-জন দেউতাই মাত বোল কৰা নাছিল, আজি অকস্মাৎ আকৌ কিয় মাতিলে ? তাই চিন্তাযুক্ত ভাবেৰে ভয়ে ভয়ে মাত দিলে. “কিয় দেউতা !” “তই অলপ মোৰ ওচৰলৈ আহিব পাৰিবিনে ?” “নিশ্চয় পাৰিম দেউতা” – এই বুলি তাই দেউতাকৰ ওচৰলৈ আহিবলৈ ভাবিলে : দেউতাই যদি আকৌ মোক একেবোৰ প্ৰশ্নই কৰে মই বাৰু কি উত্তৰ দিম ? দেউতাই বাৰু কিয় এতিয়াও উপলব্ধি কৰা নাই প্ৰেম আৰু সৌন্দৰ্য্য একে পাহি ফুলৰে বিভাজন ব্যৰ্থ বৰ্ণ আৰু সৌৰভ বুলি ? দেউতা কিয় মাতিছিল,—গাটো বৰ ভাল লগা নাই নেকি ?” —সবিতাই দেউতাকক সুধিলে ।

“নহয় অ' মাজনী, আজি তোৰ লগত মোৰ বহুত কথাই আছে, তই সঁচাকৈয়ে বৰ জ্ঞানী ছোৱালী ! শুন মোৰ মাজনী, তোৰ একমাত্ৰ বাইদেৱেৰৰ পৰা এখন চিঠি পাইছো-মাৰক আৰু কিনো কম, কি বুলি সমিধান দিম । মই একো থিৰাং কৰিব পৰা নাই, পাছত নিজেই সকলো গম পাব । তাই কেৱল লিখিছে—“দেউতা আপোনালোকে মোক কেৱল বিয়া দিলে অভিজাত শাৰীৰ শীৰ্ষবিন্দুৰ ভেমত ওফন্দি ফুৰা নীচমনোবৃত্তিৰ, সম্পত্তিলিপ্সা এজন পুৰুষলৈ । কিন্তু আপোনালোকে নাভাবিলে যে বহুত ধন-সম্পত্তি, মান-মৰ্য্যাদা থাকিলেও সেই গৰ্বীত ব্যক্তি সকলেই—আজিৰ যুগৰ নৰখাদক হিংস্ৰ জন্তু, নৰাধম পশু বুলি ! দেউতা ! মোক কিয় এনেদৰে বিয়া দি আপোনালোকৰ দৰে বৰমূৰীয়া সকলৰ বাহ্যিক মৰ্য্যাদা অটুত ৰাখিলে ? আপোনালোকে কিয় ভাবি নাচালে মোৰ আভ্যন্তৰীণ এখন সুখৰ ঘৰ-সংসাৰৰ কথা ? বাহিৰে ৰংচঙীয়া কৰি কিয় মানুহক জনালে আপোনাৰ জীয়াৰী সুখী বুলি ? পৃথিৱীত যদি একমাত্ৰ অসুখী আছে—কেৱল মইহে দেউতা ! মোৰ স্বামী আজি তিৰোতালোভী, স্বাৰ্থ-লোভী, চৰিত্ৰহীন, আনৰ কবায়ত্ব ! কালিলৈ মই এই ঘৰৰ পৰা একেবাৰেই ওলাই যাব লাগিব… মোৰ সম্বন্ধ এইখন ঘৰৰ লগত আৰু কোনোদিনেই নাথাকিব, মোৰ স্বামীৰ অন্তৰৰ পবিত্ৰতা মোৰ প্ৰতি নাছিল, আছিল অন্য এক সুন্দৰী নাৰীৰ প্ৰতিহে । অলপতে সেই নাৰীকে তেওঁ বিয়া পাতিব । মই জীয়াই থাকিম কেনেকৈ দেউতা । এতিয়া যে মই অন্তঃসত্ত্বা, মই মোৰ জীৱনৰ একমাত্ৰ সম্বল আত্মহত্যাকেই আঁকোৱালি ললো । মোৰ এইখনেই আপোনালৈ লিখা জীৱনৰ শেষ চিঠি দেউতা ! মা, সবি, ককাইদেউক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম দিব, আপুনিও মোক ক্ষমাৰে – মুক্তি দিয়ক দেউতা ”

“সবিতা তই কান্দিছ কিয়, আৰু বহুত ঘটনাই ঘটি গ'ল তইঁতে নাজান । নহয় নহয় দেউতা, বলক দেউতা আজিয়েই এই মুহূৰ্তে'ই আমি গৈ আমাৰ ঘৰলৈ বাইদেউক লৈ আহোঁ ।” শোকাতুৰ অৱস্থাৰে মাথোন দীঘল হুমুনিয়াহ এটা কাঢ়ি কলে— “তোৰ বাইদেৱেৰ আৰু ইহ-সংসাৰত নাই । তাই আমাৰ মাজৰ পৰা একেবাৰে আঁতৰি গ'ল আৰু দুখ নকৰিবি সবিতা, আমাৰেই ভাগ্য – আজি তাইৰ কথা ভাবি কি কৰিবি মোৰ মাজনী,–তই নাকান্দিবি আজি তাইৰ স্বামী চিত্তৰঞ্জনৰ পৰা এখন টেলিগ্ৰাম পালো তাইৰ বোলে… …।” “দেউতা”—সবিতাই চিঞৰিলে ।

মাজনী তোক মই ভালদৰে জানিছো তই কেতিয়াও বেয়া পথ অনুকৰণ নকৰ, মাৰক আৰু ককায়েৰক পঠাইছো— সুৰজিতৰ লগত তোৰ বিয়াৰ বন্দবস্ত কৰিবলৈ । তোৰ বিয়াখন পাতিলে মাৰে অন্তত: অলপ শান্তি পাব, তইঁতৰ অশান্তি মোৰ সহ্য নহয়, সুৰজিতক যেতিয়া মই এদিন আমাৰ ঘৰলৈ আহিবলৈ একেবাৰেই মানা কৰি দিছিলো তেতিয়াও সুৰজিতে মোৰ ভৰিত মূৰ থৈ কৈছিল, “দেউতা ! সবিতা কেৱল মোৰ বাবেহে – আপুনি মোক যিমানেই বেয়া ব্যৱহাৰ নকৰক কিয়, সবিতাৰ বাহিৰে অন্য কোনো ছোৱালীকে মই বিয়া পাতিব নোৱাৰো—। মোক ক্ষমা কৰক দেউতা !” ‘মই বুজি পাইছো সবিতা মোৰ মাজনী, তোৰ আৰু সুৰজিতৰ অন্তৰৰ পবিত্ৰতাক ভাঙিব পৰা শক্তি কাৰো নাই । ই শিলৰ ৰেখাৰ দৰে চিৰপ্ৰবাহমান গতিত ধাৱমান হৈ থাকিব, ই সদায় সজীব হৈয়ে থাকিব সবিতা, এইয়া মোৰ অন্তৰৰ গভীৰ বিশ্বাস । ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো, মাজনী তইঁতৰ ভবিষ্যত যেন সদায় অতীৱ সুন্দৰকৈ অতিবাহিত হয় ।” দেউতাকৰ বুকুত মূৰ গুজি, তাই উচুঁপি উচুঁপি কান্দি থোকাথুকি মাতেৰে কবলৈ ধৰিলে,– “দেউতা আপুনি মহান; আপুনি দেৱতা, আপোনাৰ দৰেই যাতে সকলো মানুহৰ অন্তৰৰ সঁচা-অনুভুতিৰ উমান পোৱাৰ যোগ্যতা চিৰদিনেই থাকে । দেউতা, তেতিয়াহে এখন নতুন সমাজ গঢ়ি উঠিব পাৰিব, সত্যৰ পথ অচিনাকি পথ বুলি অনুকৰণ কৰিব নোৱাৰিব দেউতা !” দেউতাকে মাত্ৰ আথেবেথে মৰম কৰে মোৰ মৰমৰ “মাজনী” ··· ।

“সোৱা চা মাজনী, মই ঠিকেই অনুভৱ কৰিছো সুৰজিত আহিবই, সুৰজিত আহা, আহা, বোপা তোমাৰ অন্তৰৰ নিভৃত কোণত অৱগমান ফল্গুনদীৰ ধাৰাৰে প্লাবিত কৰিব নোৱাৰে, হব লাগিব বহল ফল্গুধাৰা । তুমি উদাৰ মনোভাবাপন্ন এজন সু-পুৰুষ, তোমাৰ কলুষ-কালিমা নথকা এখন পবিত্ৰ অন্তৰ ।

সুৰজিত মই এতিয়া উপলব্ধি কৰিব পাৰিছো য'তে প্ৰেম আছে তাতে সৌন্দৰ্য্যও আছে । মানুহে এই প্ৰেম মানুহৰ অকপট স্নেহ-ভালপোৱাৰ মাজত বিচাৰি হাবাথুৰি খাইছে । কিন্তু পৃথিৱীত অবিকল প্ৰেম-প্ৰীতি বিৰল । প্ৰেমৰ লগত ব্যথা, বেদনা, বিচ্ছেদ, লাঞ্ছনা, গঞ্জনা, অৱহেলা, অৱসাদ জড়িত হৈ সপ্তবৰ্ণ ৰঞ্জিত ইন্দ্ৰধনুৰ সৃষ্টি হৈছে … ।”

"দেউতা, দেউতা, কেইদিনমানৰ পাছত উধাতু খাই আহি সঞ্জুৰে কৰলৈ ধৰিলে—'সৰ্বজিতৰ পৰা এখন চিঠি পাইছো—সৰ্বজিতে যোৰহাট কলেজত Economics ৰ Post এটা পাইছে, অহা মাহতে বোলে কামত যোগ দিবলৈ যাব।"

দেউতাকে স্বস্তিৰ নিশ্বাস পেলাই ক'লে, "হেৰা—শুনিছানে সৰ্বজিতৰো বোলে যোৰহাট কলেজতে চাকৰি হ'ল। মাকেও আনন্দ মনেৰে বাহিৰৰ জগতখনৰ পিনে চাই ক'লে "কেৱল পবিত্ৰ দুগ্ধৰ অন্তৰ, কেৱল পোহৰৰ অনুসন্ধান কেৱল আন্তৰিকতাৰ শিখা ...।"

## 'মুক্তাৰাম গায়ন প্ৰতিভা বঁটা'

নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতাৰ মনোভাব জগাই তোলা আৰু বৃদ্ধি কৰাৰ উদ্দেশ্যে নগাঁৱৰ এগৰাকী বিশিষ্ট নাগৰিক শ্ৰীমুক্তাৰাম গায়নে ১০,০০০ (দহ হাজাৰ) টকাৰ এটি পুঁজি নগাঁও ছোৱালী কলেজলৈ আগবঢ়াইছে। এই পুঁজি স্থানীয় যি কোনো নিৰাপদ বেংকত সাৱধি নিক্ষেপ ( Fixed deposit ) ৰূপে সঞ্চিত হ'ব, আৰু তাৰ বাৰ্ষিক সুদৰ আয়েৰে (অনূ্যন এহেজাৰ টকা) প্ৰতি বছৰে একোটি বঁটা প্ৰদান কৰা হ'ব। বঁটাৰ নাম 'মুক্তাৰাম গায়ন প্ৰতিভা বটা"। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মেজৰ পৰীক্ষাত যিগৰাকী ছাত্ৰী নগাঁও ছোৱালী কলেজৰ পৰীক্ষাৰ্থীসকলৰ ভিতৰত সৰ্বোচ্চ স্থান লাভ কৰি উত্তীৰ্ণ হয়, সেইগৰাকী ছাত্ৰীয়ে এই বঁটা লাভ কৰিব। প্ৰতিবছৰে কলেজখনৰ নবাগতা আদৰণী সভাত এই বঁটা প্ৰদান কৰা হ'ব। বঁটাৰ লগত এখন প্ৰমাণ-পত্ৰ থাকিব।

শ্ৰীমুক্তাৰাম গায়নৰ এই বদান্যতাই নগাঁও ছোৱালী কলেজৰ সমূহ ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু পৰিচালনা সমিতিক আনন্দিত কৰিছে। নগাঁও ছোৱালী কলেজ কৰ্তৃপক্ষই শ্ৰীগায়নক আন্তৰিক ধন্যবাদ জনোৱাৰ লগতে তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰিছে।



# মৰম ভিক্ষাৰী

ৰৱিতা বৰুৱা
স্নাতক ২য় বাৰ্ষিক (দিবা)

"বাপধন, অ' বাপধন, কিমান শোৱনো আৰু? চাহোন সোৱা, দুদুল, বুবুলহঁতে খাই-বৈ উঠি কিতাপ-ফলি লৈছে। তই জানো পঢ়িব নালাগে?" মাক মাধুৰীয়ে শোৱাপাটিত থকা বাপধনক মৰম সনা সুৰেৰে কৈ যায়। বাপধনে এঙামুৰি এটাৰে বাগৰ সলাই দুষ্টামি ভৰা চাৱনিৰে মাকৰ ওচৰত অভিমান কৰি ক'লে—"মোক জানো আজি বেঁকা বেঁকা বিস্কুট দিবা? নহ'লে মই নপঢ়ো যোৱা।"

—"আহ, আহ, খাবি বাবু, আগেয়ে মুখ-হাত ধুই লছোন। পিছতো খাবি বেঁকা বিস্কুট। অ', আজি তোৰ কণখুৰা আহিব নহয়!"

—'আৰু কোন আহিব মা?' উত্তৰৰ আশাৰে সি বিছনাৰ পৰা নামি আহিল। 'তোৰ নতুন খুৰী আহিব। ব'ল বাবু এতিয়া।'

—"আমাৰনো আকৌ ক'ত নতুন খুৰী আছে? মিছা কথা নকবা। মোক মইনা মামাই কৈছে—মিছা কথা ক'লে ঠেং ছুটি হয়।" মাকৰ ওপৰত অভিযোগ কৰি কৈ কৈয়ে সি ভিতৰলৈ গ'ল। মাকে বাপধনক জুহালৰ কাষতে গাখীৰ পানী কনতে এমুঠি কড়াইগুৰি দি খাবলৈ বুলি বাটিটো আগবঢ়াই দিলে। আজি হাটবাৰ দিন। বাপধনৰ দেউতাকক হাটৰ পৰা আনিবলৈও বস্তুৰ দিহা দিব লাগে। মাছ-পুঠি দুটামান পাৰিলে অনাই থব লাগিল। প্ৰথম দিনাইনো নতুন বোৱাৰী ছোৱালী-জনীক শুদা ভাতগাল খুৱাবনে? আজি-কালি বস্তুৰহে যি জুই ছাই দাম। ভাল বস্তুও জানো পাবলৈ আছে? তেওঁৰ চিন্তাৰ আঁতডালো ক্ৰমাৎ বাঢ়ি গ'ল। বহুতো ন-পুৰণি কথাই মনলৈ আহিল এটা এটাকৈ। অকণটোৱে ইমান ভাল ল'ৰা—ককায়েকৰ কথাটো বেলেগেই, বৌয়েকৰ এটা-মান কথাও যদি হেৰফেৰ কৰিলেহেঁতেন—এৰা, ঘাট-মাউৰা ল'ৰা। সবুতেই মাক-বাপেকৰ মৰমৰ পৰা ...

'মা, কণখুৰাই বাবু মোলৈ কি আনিব?' মাধুৰীৰ চিন্তাৰ সোঁতত হঠাতে যতি পৰিল। 'অ', কণখুৰাই তোলৈ বহুত কিবাকিবি আনিব। বিস্কুট পুতলা...।' 'ইহ নহয়!' মাকৰ কথা শেষ নোহওঁতেই তাৰ মিছা অভিযোগেৰে ক'লে, "মোৰ কণখুৰাই বাদাম, বিস্কুট, পুতলা আৰু এজোৰ নতুন চোলা-পেণ্ট, আৰু নতুন খুৰীয়ে মোক খুব ধুনীয়া ৰঙা জোতা এজোৰ দিব লাগিব মই কিন্তু

কণখুৰাক কৈ দিম।"

'বাপধন - অ' বাপধন'—তাৰ ইতিমধ্যে জলপান খোৱা শেষ হৈছিল। বাটিটোত পানী ঢালি ঢালি সি ব্যস্ত হৈ পৰিল দেউতাকৰ কথাত। 'এই মাৰক কছোন—হাটৰ পৰানো কি কি আনিব লাগে—হাট বহিলেই কিজানি,' এৰা, অকণটোও দহোটাৰ গাড়ীখনতে পোৱাহি কথা। ন-ছোৱালীজনীকো প্ৰথম প্ৰথম লৈ আহিব। তেওঁ মনে মনে ভাবিলে—নগৰত ডাঙৰ-দীঘল হোৱা ছোৱালী আমাৰ গাঁৱলীয়া ঠাইত বা কেনে পায়—মাধুৰীজনীও একেবাৰে জাক-দেওৰেক আহিব বুলিয়েই গাত তত্ নোহোৱা হৈছে—কালিৰে পৰা ঘৰ-দুৱাৰ মচি-কাছি পিঠা-পনা, সব যা-যোগাৰ কৰি ৰাখিছে।

—"এইয়া কাপোৰ, বাবু, আগেয়ে চাহকণকে খাই লওকচোন।" বজাৰ কৰা মোনাটো ওচৰত থকা মূঢ়াটোতে থৈ গিৰিয়েকৰ হাতত আথে-বেথে চাহৰ বাটিটো তুলি দিলে মাধুৰীয়ে।

—'হেৰি নহয়, কোৱাচোন কি কিনো আনিব লাগে?'

—"ডাইল ... মচুৰ ডাইলকে আনিব, ভাল মাছ পালে আনিব—নহ'লে ৪ টকা মানৰ হাঁহ কণীকে আনিব। লগতে আলু, পিয়াঁজ, মচলা আছেই। চেনী, আটা ১ কিলোমান আৰু যদি সুবিধা কৰিব পাৰে, দৈ অকণমানৰ ব্যৱস্থা কৰিলেতো ভালেই হয়। সোনকাল কৰক। সিহঁত আহি পোৱাৰ আগতেই ঘূৰি আহিব পাৰিলে ভাল হয়।"

—'এৰা দিয়াহে; মই আনফালে বহি থাকোতেই আঠটাৰ বাচ গ'ল— এহ, যাওঁ দিয়া এই বাপধন আকৌ কলৈ গ'ল। তাক আলিবাটলৈ যাবলৈ নিদিবা আক', বাপধন ..,

'কি কৈছে দেউতা।' কিতাপ-ফালি আগত লৈ কণখুৰা—নতুন খুৰীক লৈ নানান কল্পনাৰ বালিঘৰ সাজি থকাৰ পৰাই বাপধনে মাত দিলে—'মই পঢ়িছো।'

—'এই শুনছোন...' সি ইতিমধ্যে দেউতাকৰ ওচৰ পাইছিলহি। 'তই বাটলৈ নাযাবি বুইছ। মিলিটেৰি গাড়ীবোৰ বৰ চলিছে।'

'খুৰা আহিলেও নাযাম নেকি? নতুন খুৰীক মই ৰাস্তাৰ পৰা হাতত ধৰি লৈ আনিমগৈ—মিলটেৰীয়েনো কি কৰিব? মোক সদায় চেলাম দি গুচি যায়—ময়ো দিওঁ।'

'ভাৰ লগত লাগি নাথাকিব, সোনকালে যাওক।' মাধুৰীয়ে এনেয়ে সকিয়াই দিলে।

বাপধনৰ দেউতাকে মোনাটো লৈ কামিজৰ পকেটত থোৱা ৪০ টকা হিচাপ কৰি কৰি বজাৰলৈ বুলি ওলাই গ'ল। মাধুৰী আকৌ ব্যস্ত হৈ পৰিল নিজৰ কামত। চিন্তাবোৰে আকৌ আমনি কৰিলেহি। আজি দেখোন কাম কৰিবলৈ টাকুৰী—ঘূৰাদি ঘূৰি ফুৰিছে যদিও অকণো আমনি লগা নাই। মাজতে এবাৰ বাপধনক সকিয়াই দিলে পঢ়িবলৈ—'এই বাপধন, কি কৰিছ তই? পঢ় ভালকৈ— কণখুৰাক ভালকৈ পঢ়ি দেখুৱালেহে নতুন জোতা-চোলা দিব।' মাকৰ প্ৰলোভন বাণী শুনি বাপধনে চিঞৰি চিঞৰি পঢ়িবলৈ ধৰিলে — 'আম আছে পকি দাদা পাৰি দিয়া, কোন ক'ত আছা বেগাই আহি খোৱা...।'

মাধুৰী ভিতৰৰ কামত ব্যস্ত। সকলো ঠিক ঠাক কৰি থৈ পানী আনো বুলি ভাবোতেই মটৰ এখন অহা যেন শুনি দুৱাৰ মুখলৈ ওলাই গ'ল— বাপধনে তাতোকৈ আগেয়ে গৈ নঙলাৰ মুখ পালেগৈ।



বেলৰে ট্ৰাক এখন সিহঁতৰ পদূলিৰ আগেদি পাৰ হৈ গ'ল। মাধুৰী হতাশ হৈ ঘূৰি আহি কুঁৱাৰ পাৰ পালেগৈ। বাপধনে নঙলাত উঠি মটৰ আৰু হাটলৈ অহা-যোৱা কৰা মানুহবোৰ চাই থাকিল। মাধুৰীয়ে চিৰা কেইটামানকে ধুই থোৱাৰ কথা ভাবিলে। ৰাপৰ দেউতাকেও চাহকণ খাইয়ে হাটলৈ গ'ল। অকণহ'তো আহি পায়হিহে লাগে। তেওঁ এনেয়ে এবাৰ শোৱা কোঠালৈ গ'ল। কাগজ কিছুমান সিচঁৰিত হৈ পৰি আছে। এয়া নিশ্চয় বাপধনৰে কাম হ'ব। ঠাইখনকে এবাৰ ওপৰে ওপৰে সাৰি পেলালে। বাপধনৰো গাতো ধুৱাই দিব লাগিল পিছত দিগ্‌দাৰীখন হ'ব।

—'এই বাপধন, চাওঁ এইফালে আহচোন গা-টো ধুৱাই দিওঁ।'

—'গা ধুই ধুনীয়া হৈ নাথাকিলে খুৰাই মোক বেয়া বুলি কব নহয়।' আব্‌দাৰৰ সুৰত ক'লে সি- 'অ' দেউতা আহিলেই। দেউতা, মায়ে সোধিছিলে— নতুন খুৰীলৈ মাছ আনিছেনে?' সি গৈ দেউতাকৰ ওচৰ পালেগৈ আৰু মোনাটোৰ ভিতৰলৈ জুমি চালে। 'আনিছো- বাবু মাৰক ক'ছোন এইবোৰ সোনকালে লৈ যাওক। অ' হেৰিহে - অকণক বোলে পদুমে মটৰ চোওকেটত দেখি আহিছে। সি বজাৰলৈ যাওঁতে মোক এইখিনিতে পাই কৈ গ'ল। মইও সোনকালে গাটো তিয়াই গোঁসাই ঘৰৰ পৰা আহি লওঁ।'

মাধুৰীয়ে লৰা-লৰিকৈ হাটৰ পৰা অনা মাছ, শাক-পাচলিখিনি ভিতৰলৈ লৈ গ'ল। বাপৰ দেউতাকক গা-ধুবৰ বাবে মিঠাতেলৰ বটল আৰু চুৰিয়া-গামোছা যোৰ যতনাই দি বাপধনৰ গা-টো ধুৱাই দিলে। তাক পেণ্ট-বনিয়নযোৰ পিন্ধাই দি, মাছ কেইটা বাছিবলৈ বুলি মৈদাখন লৈ পাছফাল পালেহি। বাপধনৰ দেউতাকে গা-ধুই গোঁসাই ঘৰত সোমাইছেগৈ। মাধুৰীৰ কল্পনাই পাৰ ভাঙি মনটোক কোনোবা অজান ৰাজ্যলৈ উবুৱাই নিলে। অলেখ চিন্তা — অকণে চাগৈ আনবাৰৰ দৰেই এইবাৰো আহি পায়েই সেৱা এটা কৰিবহি। ইস্, ইমানযে লাজ লাগে তাইৰ। নতুন ছোৱালীজনীও লগতে থাকিব। দেখিবলৈ ধুনীয়া হ'ব চাগৈ— অকণেনো আৰু অন্ততঃ বেয়া চোৱালী এজনীনো বিয়া কৰাবনে? বাপধনক চাগৈ খুৰীয়েকে বৰ মৰম কৰিব। উস্ আঙুলিটো কাটিলেই।'

'অ' মা মা, খুৰাহঁত আহিছে, পালেহিয়েই।' মাধুৰীয়ে মৈদাখন কাটি কৰি থৈ ততাতৈয়াকৈ মাছখিনি ধুই ভিতৰলৈ আহিল। 'মা, খুৰাই এয়া মোক কি দিছে চোৱাচোন নতুন খুৰী এজনীও আনিছে।' বাপধনে খুৰাকৰ হাতত ধৰি ধৰি বিস্কুট পেকেটটো দেখুৱাই মাকক কলে। পিছে পিছে অকণৰ নৱ-বিবাহিতা পত্নী।

মাধুৰী লৰালৰিকৈ আহি তেওঁলোকৰ ওচৰ পালেহি। অকণে তাইক সেৱা এটা কৰি ওচৰতে থকা ঘৈণীয়েকক পৰিচয় কৰি দিলে 'ৰাণী, এইয়া আমাৰ বৌ। বৌ, এওঁক তুমি সকলো চিনাকি কৰি দিবা। অ', ককাইদেউ ক'ত?'

—'গোঁসাই ঘৰত সোমাইছে। আহা ৰাণী, কণবাপু তুমি বহা।' ইতিমধ্যে বাপধনৰ দেউতাক গোঁসাই ঘৰৰ পৰা ওলাই আহি মাত দিলে— "অকণ, তহঁত পালিহি?"

'হয়, ককাইদেউ' বুলি অকণে ককায়েকক সেৱা

এটা কৰি ৰাণীলৈ চাই কলে—'ৰাণী এইয়া ককাই দেউ, সেৱা এটা কৰা।' ৰাণীয়ে তেওঁক ভৰি চুই সেৱা কৰিলে। মাধুৰীয়ে সিহঁতৰ বাবে আছুতীয়াকৈ ৰখাৰ কোঠালিতে ৰাণীক কাপোৰ সলাবলৈ দিলে। তাৰ পাছত খুউব ব্যস্ততাৰে যা-যোগাৰ কৰি থোৱা বন্ধুৰে লঘু অপ্যায়ন এটা সকলোকে কৰাই ৰান্ধনী ঘৰত সোমাল। ৰাণীয়েও লাজ লাজ ভাৱেৰে দুই এখন কামত লাগিল। খুউব স্ফূৰ্ত্তিৰে সেইদিনা সকলোৱে মিলিজুলি এসাজ খালে। সকলোৱে খাই-বৈ জিৰাইছে। মাধুৰী তেতিয়াও পাকঘৰতে ব্যস্ত। বাপধনটোৱে কিমান যে কথা পাতিলে খুৰাকৰ লগত—সি আজি-কালি সদায় কিতাপ পঢ়ে, স্কুললৈ যায়, দেউতাকে বেঁকা বেঁকা বিস্কুট আনি দিয়ে—আৰু যে কিমান কথা… ।

হঠাৎ বাপধন আহি পাকঘৰ পালেহি—'মা, নতুন খুৰীয়ে ইমান ধুনীয়া ধুনীয়া ছবি আনিছে—টেবুলৰ ওপৰতে থৈ দিছে। চোৱাহিছোন।'

—'বাবু তই নুচুবি দেই। ভাগিব নহয়—খুৰীয়ে বেয়া পাব।' 'মা, খুৰীয়ে দেখোন মোক মৰম নকৰে? নামাতেই দেখোন বৰ বেয়া।'

—'ধেৎ নাপায় নহয়। তোৰ হে খুৰী। কিয় মৰম নকৰিব? যা, এতিয়া খুৰাৰক দিগদাৰ নকৰিবি। অকনমান শোৱক, তয়ো শোগৈ।'

—'ইঃ খুৰাই মোক এতিয়া নতুন চোলা আনি দিম বুলি কৈছে।' কৈ কৈ সি ভিতৰলৈ দৌৰ মাৰিলে, আকৌ গৈ খুৰীয়েকৰ কাষ পালেগৈ। এটা এটা প্ৰশ্ন সুধি যাব ধৰিলে—'খুৰী সেইটো কি চাওঁ।'

—'যা, যা, নালাগে চাব। ফুলদানী সেইটো। ভাগিব।' 'সেইবিলাক ফটো ক'ৰ পৰা আনিছে? ইমান ধুনীয়া! মোক এখন দিযনে?

—'এই খুৰাৰ শুইছে, গণ্ডগোল নকৰিবি। যা, ইয়াৰ পৰা।'

সি অসন্তুষ্ট হৈ পৰিল। খং আৰু অভিমানত মুখখন ৰঙা পৰি গ'ল। ওলাই আহিল সি। কিন্তু তাৰ সেই অভিমান কিমান সময়ৰ বাবে? মাকে দেখোন কৈছে, তাৰ খুৰী, মৰম কৰিব, তেনেহ'লে… …। খুৰীয়েকৰ কোঠাত উলিয়াই থোৱা নানা তৰহৰ ৰঙীন চহৰীয়া সৰু-সুৰা বস্তুবোৰে তাৰ শিশু মনক আকোৱালি লব খুজিছে। ইমান ভাল লাগে বস্তুবোৰ!

পুনৰ সি যাওঁ-নাযাওঁকৈ সোমাই গ'ল। খুৰীয়েকে বাকচত কিবা চাইছে। হঠাৎ তাৰ চকু পৰিল বিছনাখনৰ ওপৰত একাষে থৈ দিয়া খুৰাকৰ ক'লা চচ্‌মাযোৰত। খুৰাকক ইমান ভাল লাগে সেই যোৰ পিন্ধিলে। ঠিক সেই আলিৰ মূৰত থকা ডাক্তৰ জনৰ নিচিনা। তাক বাবু পিন্ধিলে কেনেকুৱা লাগিব? মনতে ভাবি গ'ল সি। চকুত চচ্‌মাজোৰ লগাই, ধৰি ধৰি সি আইনাখনত নিজৰ প্ৰতিবিম্বটো চাব খোজোতেই চচ্‌মাজোৰ উফৰি গৈ টেবুলৰ খুটাত পৰিল। লৰালৰিকৈ তুলি লব খোজোতেই তাৰ গালত বুলাই গ'ল ঠাঁচ ঠাঁচকৈ দুটা চৰ। নতুন মৰমিয়াল খুৰীয়েকৰ পৰা তাৰ মৰম আকলুৱা অন্তৰে মৰমৰ প্ৰতিদান হিচাবে পালে দুটা চৰ আৰু হুটা হুটা কেইআষাৰমান কথা—

তাৰ অসহ্য লাগিল। কি কৰিব? মনে মনে ভাবিলে, সি আৰু কেতিয়াও খুৰীয়েকৰ ওচৰলৈ নাযায়। কাণ-মূৰ তাৰ ৰঙা হৈ পৰিল। খুৰাকক কৈ দিব নেকি? নাই নকয়। সি আৰু কেতিয়াও তেনে নকৰে। লোকৰ বস্তু কেতিয়াও নোচোৱে। অজানিতে তাৰ দুগালেদি চকুলো বৈ আহিল। কেতিয়া সি আহি নঙলামুখ পাইছিলহি, ক'ব নোৱাৰে। তেতিয়া সন্ধ্যাৰাণী নামি আহিছিল পৃথিৱীলৈ… …আকাশেদি কেইটামান বগলী উৰি গৈছে… …

উত্তৰৰ পৰা দক্ষিণলৈ … …। ●



---

## মহৎলোকৰ বাণী

● "তিৰোতাৰ প্ৰকৃত অলংকাৰ চৰিত্ৰ আৰু পৱিত্ৰতা। সীতা-সাৱিত্ৰীৰ নাম জগতত আজিও জিলিকি আছে তেওঁলোকৰ গুণৰ কাৰণেহে,-তেওঁলোকে পিন্ধা অলংকাৰৰ কাৰণে নহয়।"

—মহাত্মা গান্ধী

● "আঠু কাঢ়ি থকা ভদ্ৰলোক এজনতকৈ নিজৰ ভৰিৰ ওপৰত থিয় দি থকা চহা খেতিয়কজন বেচি ডাঙৰ মানুহ।"

— বেঞ্জামিন ফ্ৰেঙ্কলিন

● "মানুহৰ গভীৰত্ব সাগৰৰ দ্বাৰা জোখা নহয়, জোখা হয় অজ্ঞতাৰ দ্বাৰাহে।"

— ৰাস্কিন

● চকু ফুটি যোৱা জন অন্ধ নহয়, অন্ধ সেইজনহে যিজনে নিজৰ দোষ লুকাই ৰাখে।

— মহাত্মা গান্ধী

● মানুহে নিজৰ মহত্ব পুনৰ বিচাৰি পাব। মানুহক মানুহৰ প্ৰাত্যহিক তুচ্ছতায়েই এদিন ক্লান্ত, একেবাৰে ক্লান্ত কৰি দিব। সময় হয়তো লাগিব পাৰে।

— অমৃতা প্ৰীতম

সংগ্ৰাহিকা : মীনা দেৱী

স্নাতক, ২য় বাৰ্ষিক

# ভায়'লিনবালা

**তুলিকা শইকীয়া**
স্নাতক ১ম বাৰ্ষিক

বিপুঞ্জয়ে লবালবিকৈ তবুণবাম ফুকণ পাৰ্কলৈ সোমাই গ'ল। তাৰ পিছে পিছে এজাক সবু সবু ল'ৰা-ছোৱালীয়ে ভায়'লিনবালা, ভায়'লিনবালা বুলি চিঞৰি যাবলৈ ধৰিলে। আজি সি ভায়'লিনখন লগত অনা নাই যদিও প্ৰায় মানুহে তাক 'ভায়'লিনবালা' বুলিয়েই জানে। মানুহৰ লগত বৰ বেছি কথা নাপাতে। অকলশৰীয়াকৈ থাকিয়েই ভাল পায়। ল'ৰা-ছোৱালীজাকৰ চিঞৰৰ পৰা পৰিত্ৰাণ পাবলৈ সি পুখুৰীৰ পাৰলৈ গ'ল আৰু তাতে কোনোবা চিনাকি মানুহৰ কণ্ঠত শুনিবলৈ পালে—

ঃ হেল্ল' ভায়'লিনবালা, মাটি লেখা হৈ তলমূৰকৈ আহিছা ক'লৈ ?

: আৰে, কবিবৰ, তুমি ! খবৰ কি তোমাৰ ?

: ভালে-বেয়াই মৰাৰ এলাহত আছো জীয়াই। পিছে তোমাৰ—

ঃ মোৰো একে দশাই। আজি ইয়ালৈ আহিলা যে ?

ঃ বহুত দিন অহা নাই বুজিছা, সেই কাৰণেই আহিলো। আহা, অলপ ইয়াতে বহো।

ঃ তুমি ক'ৰবাত গৈছিলা নেকিহে কবিবৰ ? বহুতদিন দেখা নাই ?

ঃ পথাৰৰ কাম হৈছেতো, সেই কাৰণে অলপদিনৰ বাবে ঘৰলৈ গৈছিলো।

: কবিতা-চবিতা লেখিছানে নাই ?

ঃ মন গ'লে মাজে-সময়ে লিখো। পিছে তোমাৰ ভায়'লিনখনযে নানিলা, বজাবলৈ এৰিলা নেকি ?

: কি ক'লা ? মই ভায়'লিন বজাবলৈ এৰিম ? হুঃ, আজি গাটো বৰ ভাল নহয় কাৰণে নানিলো সেইখন। বাবু বহুতদিনতো তোমাৰ মুখে কবিতা শুনা নাই। আজি শুনোৱাচোন—

ঃ সঁচাই শুনিবা ? তোমাৰ প্ৰিয় কবিতা 'চাযুণ্ডা বৃপিণী'. নে 'কাল বৈশাখী'… …

ঃ ওহো, সেই কেইটাৰ বাহিৰে তোমাৰ যি ইচ্ছা যায় তাকে মাতা— ।

ঃ তেন্তে শুনা—

"সাগৰ দেখিছা ? দেখা নাই কেতিয়াও ? ময়ো দেখা নাই,
শুনিছো তথাপি,
নীলিম সলিল ৰাশি. বাধাহীন উৰ্ম্মিমালা আছে দূৰ
দিগন্ত বিয়পি।
মোৰ ই অন্তৰ খনি সাগৰৰ দৰে নীলা বেদনাৰে
দেখা নাই তুমি ?
উঠিছে মৰিছে য'ত বাসনাৰ লক্ষ ঢউ তোমাৰেই
স্মৃতি সীমা চুমি।
শুনা নাই ? শুনা নাই মোৰ সাগৰত তুমি ধুমুহাৰ
উতলা সঙ্গীত ?
বুজা নাই ? অনুভবো কৰা নাই, ফুলনিত বসন্তৰ
কোমল ইঙ্গিত ?
দেখিছাতো বামধেনু, বাৰিষাৰ ডাৱৰত পোহৰৰ
মোহন গৌৰৱ,
প্ৰেমৰ পোহৰ-দীপ্ত মোৰ হিয়া আকাশত দেখিছানে
ৰঙৰ উছব ?
মাজনিশা সাৰপাই শুনিছানে কেতিয়াবা কেতেকীৰ
হিয়া ভগা মাত ?"

হঠাৎ কবিবৰৰ নিচাভঙ্গ হ'ল বিপুঞ্জয়ৰ উচুপনি শুনি— ।

ঃ ভায়'লিন— তুমি কান্দিছা ! তোমাৰ হৈছে কি ? কি হৈছে কোৱানা ?

: মোৰ একো হোৱা নাই, তোমাৰ কবিতাবৃত্তি শুনি মোৰ বৰ কান্দিবৰ মন গৈছে। বুজিছা, আজিৰ দুনীয়াত দুখীয়া শিল্পীৰ মূল্য নাই।

; ওহো, কেতিয়াও হ'ব নোৱাৰে। তুমি সঁচা কথা কোৱাচোন, কিয় কান্দিছা। মোৰ কাৰণে নিশ্চয় কন্দা নাই। তোমাৰ ৰঙিয়াল মুখৰ একাঁজলি হাঁহিৰ সলনি চকুপানী দেখি মই বৰ আচৰিত হৈছো। নিশ্চয় কিবা ৰহস্য আছে ! যাৰ কাৰণে মোৰ কবিতা পাঠত তোমাৰ বেদনাৰ অশ্ৰু নিগৰিছে। ক'বানে বাবু মোক ?

: কবিবৰ, মোৰ জীৱনৰ কৰুণ কাহিনী কৈ আনক মেজাৰ নিদিম বুলি ভাবিছিলো, কিন্তু তুমি আজি মোক বাধ্য কৰালা। মই বাবু তোমাক ক'ম। অস্বস্তি লাগিলে ক'ৰা দেই।"

"তুমি আওবোৱা 'দেৱকান্ত বৰুৱা'ৰ এই কবিতাটোৰ আবৃত্তি শুনিছিলো প্ৰথম শিখাঞ্জলিৰ মুখত। তুমি শিখাঞ্জলিক চিনি নোপোৱা। শিখা মোৰ বিবাহিতা স্ত্ৰী। তোমাৰ দৰেই এই কবিতাটো শিখাই মোক শুনাইছিল, তেওঁৰ জীৱনৰ অন্তিম দিনা। সেয়েহে কবিতাটো শুনি মোৰ চকুলো ওলাইছিল, বেয়া নাপাবা দেই। কবিবৰ, মোৰ ভাই-ভনী কোনো নাছিল। একমাত্ৰ দেউতা আৰু মা। মই B. A. পাছ কৰাৰ বছৰতেই মাৰ এনকেফেলাইটিছ হৈছিল। দেউতা আৰু মোক এৰি থৈ মা গুচি গৈছিল চিৰদিনলৈ। মাৰ বিয়োগত দেউতাও অস্থিৰ হৈ পৰিছিল। তাৰ এবছৰ মানৰ পিছত দেউতাই শিখাৰ লগত মোৰ বিয়া পাতি দিলে। শিখা শিক্ষিতা আছিল আৰু মই, মই আছিলো বেকাৰ। বিয়াৰ তিনিমাহমানৰ পাছতেই দেউতাই শিখা আৰু মোক কন্দুৱাই মাৰ লগলৈ গুচি গ'ল। দেউতাৰ মৃত্যুৰ পাছতেই মই চাৰিওফালে এন্ধাৰ দেখিলো। আমি দুয়োৱে তেওঁয়া নিৰুপায়ত পৰি ৰাতিক দিন কৰি অফিচৰ, এম, এল, এৰ দুৱাৰে দুৱাৰে চাকৰি বিচাৰিবলৈ ধৰিলো। কিন্তু ক'ত জেকুলীৰ পিঠিত নোম গজিব, ঘৰতে ৰ'লো বেকাৰ হৈ। কিন্তু শিখাই আশা এৰা নাছিল। সৌভাগ্যবশতঃ তেওঁ এটা অফিচৰ কেৰাণী চাকৰি পালে। কি অফিচ; ক'ত আছে এইবোৰ লৈ মই মূৰ গৰম কৰা নাছিলো। শিখাই মোৰ কলা-সুলভ মনটোক বুজি পাইছিল, সেয়েহে তেওঁ মোক প্ৰেৰণা যোগাইছিল লক্ষ্যত উপনীত হ'বলৈ। মোক ভায়'লিন বজাবলৈ তেৱেঁই উৎসাহ দিছিল, যাৰ ফলত ভায়'লিনৰ অবিহনে মোৰ জীৱন দুৰ্বিসহ হৈ পৰিল। শিখাই গীত লিখে আৰু মই সুৰ দিওঁ। অফিচৰ পৰা আহিলেই শিখাক মই ভায়'লিন বজাই শুনাওঁ। শিখাই কয় 'ভায়'লিনৰ সুৰ, ভাল লাগে মোৰ।' মই তেতিয়া আনন্দৰ জোৱাৰত উটি-ভাহি যাওঁ। কিন্তু আমাৰ সেই সুখৰ দিন বেছিদিন নিটিকিল। এদিন হঠাৎ আবেলি দুই মান বজাত শিখাৰ অফিচৰ এখন জীপ আহিছিল। তাত আহিছিল শিখাৰ অগ্নিদগ্ধ অৰ্ধমৃত দেহটো। মোৰ জ্ঞান হেৰাই গৈছিল। শিখাক গুৱাহাটী মেডিকেলত ভৰ্ত্তি কৰোৱাৰ দুদিনৰ দিনাই, তেওঁ গুচি গ'ল ক'ৰবালৈ। মই পাগল হৈ গৈছিলো শিখাৰ মৃত্যুত। মই পিছতহে জানিব পাৰিছিলো যে শিখাই কেৰাণী কৰো বুলি মিছায়ে কৈ কৈ মোক প্ৰেৰণা যোগাইছিল সঙ্গীত সাধনাক উচ্চস্তৰলৈ নিবলৈ।

: কি! শিখাই কেৰাণী কৰা নাছিল ?

: ওহো, নাছিল। মই বেজাৰ পাওঁ বুলি বোধকৰো কোৱা নাছিল! তেওঁ ধুবীৰ তাত নিতৌ কাপোৰ ইষ্ট্ৰি কৰিছিল। আৰু সেই হাজিৰা টকাৰে মোক আৰামত খুৱাই-বুৱাই উৎসাহিত কৰিছিল সাধনাত ব্ৰতী হ'বলৈ। ময়ো সেই কথা ৰাখিবলৈ চেষ্টা কৰিছিলো। কিন্তু দুৰ্ভাগ্যবশতঃ সিদিনা ইষ্ট্ৰি-জ্বলাওতেই শিখাৰ শাৰীত জুই লাগি গৈছিল আৰু তাৰ পিছত হয়তো শিখাই মোক চিঞৰিছিল ... ... ... চটফটাইছিল ... ... ... শিখা ... ... ।

: ভায়'লিন, তই বৰ অধৈৰ্য্য হৈ পৰিছ। মেডিকেলত কি হৈছিল ?

: হুঁ, কি হ'ব আৰু—। ভৰ্ত্তি কৰোৱাৰ পিছদিনা জ্ঞান আহিছিল। তেতিয়া মোক মাতিছিল, ভায়'লিন বজাবলৈ কৈছিল। কিন্তু মই বজাব পৰা নাছিলো। মোৰ হাত স্তব্ধ হৈ গৈছিল। মোৰ চিঞৰি চিঞৰি কান্দিবৰ মন গৈছিল। শিখাই হয়তো বুজিছিল মোৰ বুকুৰ বেথা, সেয়েহে নীৰৱে চকুপানী টুকিছিল। মোক ধৈৰ্য্য ধৰিবলৈ কৈছিল আৰু কৰুণ কণ্ঠে মোক ভাল লগাবলৈ আওৰাইছিল "সাগৰ দেখিছা" কবিতাটো। তাৰ বহু সময়ৰ পিছত শিখাৰ মাত সৰু হৈ আহিছিল। সেহাই সেহাই মোক কৈছিল—"যুঁজা, আগুৱাই যোৱা—ৰণক্ষেত্ৰৰ পৰা পলাই অহাতকৈ গুলীবিদ্ধ মৃত্যু মহান।"

তাৰ পিছত মই সহাঁৰি জনাই পানী আনিবলৈ ওলাই গৈছিলো, কিন্তু—কিন্তু উভতি আহি মই শিখাক জীৱিত অৱস্থাত নাপালো কবিবৰ—— ।"

উভতি আহি দেখো শিখাৰ অসাৰ দেহ বিচনাত পৰি আছে··· ।" ভায়'লিনৱালাৰ হুক হুক কান্দোনে কবিবৰৰ অন্তৰতো কঁপনি তুলিলে। সন্ধ্যাৰ এই কৰুণ মুহূৰ্ত্ততে কান্দোনৰ মাজতে দূৰ-সুদূৰৰ পৰা ৰিণি ৰিণি আহিছিল এটি গীতৰ কলি—

তুমি গ'লাগৈ
বুজিলো অ'ই
জীৱন এখনি বেদনাৰ নৈ,
মই থাকিম ইয়াতে
তোমাৰ বাবেই
আজীৱন বৈ বৈ।

— ০ ০ ০ —

# মন ময়ূৰীৰ বেদনা

জোনমণী বৰুৱা
স্নাতক ৩য় বাৰ্ষিক

নিশা এঘাৰ বজাৰ সংকেত এয়া। এই খিলং চহৰখনত নিশা এঘাৰ বজা মানে বহুত ৰাতি। সকলো মানুহ সোনকালে শোৱে ইয়াত। ইমান সময়লৈ মাথোন সাৰে থাকে নেপালী-খাচিয়াৰ আড্ডা কিছুমান আৰু পৰীক্ষাৰ সময়ত হোষ্টেলবোৰৰ ছাত্ৰ-ছাত্ৰীবোৰ। কিছুদিনৰ আগতে স্কুল-কলেজৰ পৰীক্ষা শেষ হৈ গৈছে। এতিয়া আৰু মিটাৰৰ ইউনিট বঢ়াই ৰাতি সাৰে থকাৰ প্ৰয়োজন হোৱা নাই। কিন্তু মই সাৰে আছো। লাইটোও জ্বলি আছে।

হোষ্টেলখনত বোধহয় সকলোৱেই শুলে। এয়া বিছনাখনত পান্নাজনীও শুই আছে। কেতিয়াবাই তাইৰ টোপনি গ'ল। এইজনী পান্না— মোৰ ৰুম-মেট। লেডীকীন হোষ্টেলৰ দক্ষিণ দিশত থকা এই সৰু ৰুমটোত আমি দুয়ো তিনিবছৰ কটাই দিছো। পান্নাক মই সদায় দেখিছো। এজনী মৰম লগা ছোৱালী। জুনিয়ৰ চিনিয়ৰ সকলো ছোৱালীৰ লগতে মিলি যাব পাৰে খুব সহজে। ভীষণ কথকী। ৰাজনৈতিক, সামাজিক, ব্যক্তিগত সকলো কথা অনৰ্গল কৈ যাব পাৰে তাই। অলপ কথাতে হাঁহে, যি কোনো মুহূৰ্ত্ততে গান গায়, সুবিধা পালেই জুনিয়ৰ ছোৱালীবোৰক জোকায়। অদ্ভুত ছোৱালী পান্না! কেতিয়াবা সমূলি নপঢ়ি সন্ধ্যাতে শুই থাকে আৰু কেতিয়াবা নিশা বাৰ বজালৈ সাৰে থাকি অৰ্থনীতিৰ কিতাপ পঢ়ে, গল্প-উপন্যাস পঢ়ে। মন গ'লে টানি টানি মূৰ আচুঁৰি শুধ বগা কাপোৰ পিন্ধা পান্না এক সাধাৰণ ছোৱালী। আনহাতে ডাঙৰকৈ পাফ্ তুলি বন্ধা খোপা, মুখৰ প্ৰসাধন আৰু সুন্দৰকৈ 'ফেমিনা' ষ্টাইলেৰে পিন্ধা ৰঙীন শাৰীৰে তাই অন্য এক নাৰী।

পাহাৰী নিজৰাৰ চঞ্চলতাৰে সদায় স্ফূৰ্ত্তি কৰি, উৎপাত কৰি কটাইছিল তাই সময়বোৰ। লেডীকীন হোষ্টেলৰ এই ৰুমটোত কোনোদিনেই পান্নাই দুখ কৰা নাছিল, বেজাৰ কৰা নাছিল। কিন্তু কালি যেন ইয়াৰ ব্যতিক্ৰম হ'ল। কোনোদিনেই কান্দিব নজনা, দুখ কৰিব নজনা ছোৱালী পান্নাই উচুপি উচুপি কান্দিলে। পান্নাৰ চকুলো দেখি আচৰিত হৈছিলো।

বৰ্ষাদিনৰ বন্ধৰ পিছৰ দিন এটাত আমি সকলোবোৰ ছাত্ৰী আহি হোষ্টেল ভৰি পৰিছিলো। পান্নাও ঘৰৰ পৰা আহিছিল। তাই আহিয়েই চিনাকি হাঁহিটোৰে কিন্তু অধিক কৌতুহলেৰে মোক কৈছিল— 'আটলাণ্টা, তোমাক এটা বস্তু দেখুৱাম। কিন্তু কাকো ইয়াৰ বিষয়ে ক'ব নোৱাৰা হ'লে। কোৱা, কাকো নোকোৱাতো।" মই বাধা দি কলো— 'ধেৎ কিয় কম মই? চাওঁ কি বস্তু।" পান্নাই বেচ্ আনন্দৰে চুইটকেছটো খুলিবলৈ লাগি গ'ল। কিন্তু কি আচৰিত! — আধাখোলা চুইটকেছটো আকৌ বন্ধ কৰি তাই হাঁহি হাঁহি মোৰ বিছনাত বহি পৰিল। আনন্দত বিছনাত বাগৰি তাই মোক ক'লে,— "আটলাণ্টা, তোমাক কেনেকৈ দেখুৱাম, মোৰ যে খুব লাজ লাগিছে।" আকৌ পান্নাৰ হাঁহি। জানিলো— সেইদিনাই জানিলো পান্নাৰ সেই আনন্দৰ উৎস ক'ত। তাই পিছত নিজেই কলে মোক সকলো। বস্তুটো এখন ফটোৰ বাহিৰে আন একো নহয়। এজন সুদৰ্শন পুৰুষৰ ফটো। যোৰহাটৰ এজন ইঞ্জিনীয়াৰ প্ৰতিম দত্তৰ। সিহঁতৰ বিয়াৰ সকলো ঠিক হৈ গৈছে। পান্নাই বি-এ পাছ কৰাৰ পাছতেই প্ৰতিম দত্তৰ পৰিবাৰ হৈ পৰিব।

তাৰ পিছত এদিন প্ৰতিম দত্তৰ এখন চিঠি আহিল। পান্নাই চিঠিখন মোক দেখুৱালে। প্ৰত্যুত্তৰ দিয়া চিঠিখনো তাই মোক পঢ়ি শুনালে। খুব ভাল লাগিল সিহঁতৰ এই চিঠিৰ আদান-প্ৰদান দেখি। তাৰ পিছত চিঠি লেখালেখি বেছিকৈ চলিল। আৰু মই দেখিছিলো, মৰম উজাৰি প্ৰতিমে পান্নালৈ প্ৰায়ে চিঠি দিয়ে। পান্নায়ো প্ৰত্যুত্তৰ দিয়ে। মই খুব ভালকৈয়ে জানো—পান্নাৰ এই প্ৰত্যুত্তৰ মৰমৰ, ভালপোৱাৰেই। সেয়েহে পান্না সুখী মোৰ দৃষ্টিত, আৰু প্ৰতিমৰ লগত পান্নাৰ বিয়া হ'ব, সিহঁতৰ জীৱনো হ'ব সুখৰ—এয়া মোৰ কামনা। সেয়েহে নুবুজিলো—প্ৰতিমৰ ইমান মৰমৰ মাজত পান্নাৰ কি অভাৱ হ'ব পাৰে, পান্নাৰ কান্দোনৰ চকুপানীৰ কাৰণ কি হ'ব পাৰে?

কালি নিশা ভাত খাই আনদিনাৰ দৰেই আমি কথা পাতিছিলো। লক্ষ্য কৰিছিলো—পান্নাৰ মুখত স্বাভাৱিক চঞ্চলতা অকণো নাছিল। তাইৰ চকুত দেখিছিলো এক অদ্ভূত উজ্জ্বলতা। আনদিনাৰ দৰেই আমি কথা পাতিছিলো, আনদিনাৰ দৰেই আলোচনা কৰিছিলো আমাৰ ভৱিষ্যতৰ, আমাৰ কল্পনাৰ 'আইডিয়েল'জনৰ। পান্নাই কোনোদিনেই এইটো 'টপিক'ত মতামত নিদিয়ে। কেতিয়াবা সুধিলে মাথোন কয়—তাইৰ 'আইডিয়েল' জন হ'ব সাধুকথাৰ ৰাজকুমাৰ ৰাজকুমাৰ লগা আৰু কৈয়েই তাই আৰম্ভ কৰে সেই স্বভাৱসুলভ হাঁহিটো। কিন্তু এদিন নিশা মোক খুব আচৰিত কৰি চিৰচঞ্চলা পান্নাজনীয়ে এজনী খুব গহীন পান্নাৰ ৰূপ ধৰি মোক কৈছিল, 'চোৱা আটলাণ্টা, তুমি খুব বেছি কল্পনা কৰা। কল্পনাবোৰ সঁচাকৈয়ে ভাল লাগে, আৰু সেই কল্পনাৰ মাধ্যমেৰেই তুমি চোৱা পৃথিৱীখনক। সেয়েহে তুমি পৃথিৱীক, পৃথিৱীৰ সকলো মানুহক মৰম কৰিব, বিশ্বাস কৰিব, প্ৰশংসা কৰিব পৰা—আৰু ইয়াৰ মাজৰ পৰাই বাছি উলিয়াইছা তোমাৰ 'আইডিয়েল'ক। মোৰ কিন্তু তোমালৈ পুতো হয়। ইমান সপোন সপোন লগাকৈ নহয়, বাস্তৱ বাস্তৱ লগাকৈ পৃথিৱীখনক বুজিবলৈ শিকা। নহলে তোমাৰ বাছনি ভুল হৈ যাব।" কথাষাৰ শুনিয়েই চক্ খাই চাইছিলো পান্নাৰ মুখলৈ। তাই চকুৰ কোণ কেইটাত চকুলো

ভাৰি পৰিছিল । তাইক সান্ত্বনা দিয়াৰ বা এটা কথা কোৱাৰ সাহস নাছিল মোৰ তেতিয়া ।

অলপ পিছতে পান্নাই কান্দিছিল । উচুপি উচুপি বিছনাত বাগৰি তাই কান্দিছিল । মই কি কৰিম কি নকৰিম, একো ভাবি নেপাইছিলো । মনটো ডাঠ কৰি মই বৃথা চেষ্টা কৰিছিলো পান্নাৰ উচুপনি মাৰ নিয়াবলৈ ।

এটা সময়ত ক্রন্দসী পান্না ওলাই গৈছিল ৰুমৰ পৰা । মই অপ্রস্তুত হৈছিলো । । নিজকে সংযত কৰিবলৈ চেষ্টা কৰিছিলো । পান্নাই চকু-মুখ ধুই উভতি আহিছিল । মুখখন মচি মচি তাই মোৰ ওচৰলৈ আহিছিল—'আটলাণ্টা, তুমিতো খুব আচৰিত হৈছা মই কন্দা দেখি । কিন্তু এয়া মোৰ সঁচা কান্দোন জানা ! তুমি ইমান দিনে দেখি অহা সকলোবোৰেই মিছা হাঁহি । মাথোন অভিনয় । কিন্তু মোৰ খুব অস্বস্তি লাগিছে । সেয়েহে হাঁহিৰ মুখা আঁতৰাই মই এইয়া কান্দিছো । মই জানো তুমিয়েই আটাইতকৈ আচৰিত হ'বা মোৰ কথা শুনি । হয়তো বিশ্বাসেই নকৰিবা । কিন্তু মই তোমাক আজি এক কাহিনী ক'ম যি কাহিনী শুনি তুমিও স্বীকৃতি দিবা মোৰ এই অভিনয়ক ।" স্থবিৰ হৈ গৈছিলো পান্নাৰ কথা শুনি । বাক্‌ৰুদ্ধ হৈ চাই আছিলো "ছোৱালীজনীলৈ । তাই কৈ গৈছিল—

তেতিয়া হাইস্কুলৰ ছাত্রী আছিলো । এটা দুপৰীয়া । কলিং বেলটো বজা শুনি ওলাই আহিছিলো বাহিৰলৈ । এজন অচিনাকি ল'ৰা ৰৈ থকা দেখা পাই অপ্রস্তুত হৈ পৰিছিলো । লক্ষ্য কৰিছিলো, অপ্রত্যাশিতভাৱে মোক দেখি ল'ৰাজনে খুব অপ্রস্তুত হৈ গৈছিল । হঠাৎ তেওঁ সুধিছিল "ডাক্তৰ ভূঞা ঘৰত আছেনেকি ?" বুজিছিলো তেওঁৰ ঘৰ ভুল হ'ল । আমাৰ সন্মুখত থকা ডাক্তৰ ভূঞাৰ ঘৰটো তেওঁক দেখুৱাই দিবলৈ নেপাওঁতেই দেউতা ওলাই আহিল । ডাক্তৰ ভূঞাৰ ঘৰ বিচাৰি অহা জানিব পাৰি ল'ৰাজনক দেউতাই ক'লে যে ডাক্তৰ ঘৰত নাই, ৰাতিপুৱাতে এটা চিৰিয়াচ কে'চত ওলাই গৈছে । গতিকে ডাক্তৰলৈ তেওঁ কিছু সময় অপেক্ষা কৰিব লাগিব । ডাক্তৰ ভূঞাৰ ঘৰৰ আগত নাম প্লেট নাছিল । সেইবাবেই ল'ৰাজনে আমাৰ ঘৰকে ভূঞাৰ ঘৰ বুলি ভাবি আহিছিল । বাহিৰত তেতিয়া খুব ৰ'দ, ভীষণ গৰম । ঘামি-জামি ৰঙা পৰা ল'ৰাজনলৈ বোধহয় দেউতাৰ মৰম লাগিছিল । সেয়েহে ল'ৰাজনক ভিতৰতে বহিবলৈ ক'লে আৰু তেওঁক ভিতৰলৈ নিবলৈ মোক নিৰ্দেশ দিলে । প্রথমতে ল'ৰাজনে ইতস্তত: কৰিছিল, কিন্তু বাধ্য হৈ তেওঁ মোৰ লগে লগে ভিতৰলৈ সোমাই আহিল । মই ড্রয়িং ৰুমত তেওঁক বহিবলৈ দি মাক খবৰটো দিলোগৈ । মাই আহি তেওঁৰ পৰিচয় ল'লে ।

সেইদিনাই জানিছিলো—ল'ৰাজন আছিল হিমাংশু হাজৰিকা । এগ্রিকালচাৰ ডিপাৰ্টমেণ্টত নতুনকৈ বদলি হৈ অহা বিপুলজ্যোতি হাজৰিকা ভায়েক হিমাংশু । স্থানীয় কলেজত চতুৰ্থ বাৰ্ষিকত বিজ্ঞানত নাম লগাইছে । মই আনি দিয়া চৰবত গিলাচ লৈ তেওঁ মোৰ মুখলৈ চাই লাজত তলমূৰা হৈ পৰিছিল । কিছু সময় বহি হিমাংশু গুচি গৈছিল । যাওঁতে তেওঁ মোক কথা দি গৈছিল যে তেওঁ আমাৰ ঘৰলৈ মাজে সময়ে আহি থাকিব । ভতিজাক বাজুৰ অসুখত ডাক্তৰ নিবলৈ আহি এইদৰেই আমাৰ লগত পৰিচিত হ'ল হিমাংশু ।



সেইদিনা নিশা মই হিমাংশুৰ কথাই ভাবিছিলো । বাৰে বাৰে মনত পৰিছিল লাজত ৰঙা পৰা হিমাংশুৰ মুখখন আৰু এক লাজ লাজ চাৱনি । কিয় নাজানো সেই নিশা হিমাংশুৰ কথা ভাবি মোৰ ভাল লাগিছিল ।

এদিন সন্ধ্যা মাৰ সৈতে বাটত ঘূৰি ফুৰোতে দেখিলো হিমাংশু চাইকেল চলাই আহিছে । আমাক দেখি ৰৈ গ'ল । মিচিকীয়া হাঁহি এটা মাৰি আমাৰ খবৰ সুধিলে । বাজুৰ অসুখৰ অজুহাত দেখুৱাই আমাৰ ঘৰলৈ আহিব পৰা নাই বুলি ক'লে আৰু পিছদিনা নিশ্চয় আহিব বুলি কৈ আকৌ চাইকেলত উঠি গুচি গৈছিল । পিছদিনা হিমাংশু সঁচাকৈয়ে আহিছিল আমাৰ ঘৰলৈ । কথা পাতিছিলো । লক্ষ্য কৰিছিলো—ল'ৰাটোৰ লাজটো আঁতৰা নাছিল । কিন্তু এটা সময়ত সকলো ঠিক হৈ গ'ল । হিমাংশু প্রায়েই আহিছিল আমাৰ ঘৰলৈ । লাহে লাহে লাজটো আঁতৰিছিল । আৰু আমি সহজ হৈ পৰিছিলো । বি-এছ-চি পৰীক্ষাত ভাল ৰিজাল্ট কৰিবলৈ মই হিমাংশুক সদায় উৎসাহ দিছিলো, আৰু মেট্রিকত ভাল কৰাৰ উদগনিও মই সদায় পাইছিলো হিমাংশুৰ পৰা । পৰীক্ষাৰ পিছত হিমাংশু প্রায়েই আহিছিল আমাৰ ঘৰলৈ । সৰু ডাঙৰ বহুত কথাই পাতিছিলো আমি । বহুত সন্ধিয়া আমি বাৰাণ্ডাত বহি কটাইছিলো । মুক্তালতা জোপাৰ মাজেদি জোনটো দেখিছিলো । মুহূৰ্ত্তবোৰ খুব পবিত্র পবিত্র লাগি গৈছিল । তাৰপিছত বিপুলজ্যোতি হাজৰিকাৰ ঘৰৰ লগত আমাৰ আহ-যাহ সঘনে চলিছিল । মাজে-সময়ে মই হিমাংশুহঁতৰ ঘৰলৈ গৈছিলো । হিমাংশুৰ বৌয়েকৰ আপোন আপোন লগা ভাৱ আৰু কথাবোৰ ভাল লাগিছিল । পিছলৈ তেখেতে মই আৰু হিমাংশু বহি কথা পাতিলে জোকোৱা হৈছিল—দুয়ো লাজতে হাঁহিছিলো, দুয়োৱে চকুত বুজিব পৰা এখন ছবি বিচাৰি পাইছিলো । মেট্রিকৰ ৰিজাল্ট ওলাইছিল । ভালদৰে পাছ কৰিছিলো মই । গুৱাহাটীলৈ গুচি আহিছিলো পঢ়িবলৈ আৰু হোষ্টেলত আৰম্ভ হ'ল মোৰ কলেজীয়া জীৱন । হিমাংশুৱেও খুব ভালকৈ পাছ কৰি এম-এছ-চি পঢ়িবলৈ আহিছিল—গুৱাহাটীতে । আমি প্রায়েই লগ পাইছিলো, কথা পাতিছিলো । আমি পৰস্পৰক বেছি গভীৰ ভাৱে বুজি উঠিছিলো । হঠাৎ কিছু-দিন হিমাংশু মোৰ ওচৰলৈ অহা নাছিল । খুব উৎকণ্ঠাৰে কেইটামান দিন কটোৱা পিছত এখন চিঠি পালো হিমাংশুৰ । লিখিছিল-- কিছুদিনৰ পৰা অসুস্থ হৈ পৰাত মোক লগ ধৰিবলৈ বা ক্লাছ কৰিবলৈ যাব পৰা নাছিল, ককায়েকে খবৰ পাই লৈ যাবলৈ অহাত তেওঁ ঘৰলৈ গ'ল,—মই যেন অভিমান নকৰো । চিঠিখন পঢ়ি মোৰ খুব দুখ লাগিছিল ।

কিছুদিনৰ পিছত হিমাংশুৰ বৌয়েকৰ পৰা যিখন চিঠি পালো তাত লেখা আছিল—হিমাংশুৰ টাইফয়েদ, খুব চিৰিয়াচ । হিমাংশুৰ আৰোগ্যৰ বাবে ভগৱানক প্রাৰ্থনা জনোৱাৰ বাহিৰে আন উপায় মোৰ নাছিল । তেতিয়া মাহঁতে বোধকৰো মোৰ অৱস্থা বুজিছিল । মোলৈ হিমাংশুৰ খবৰ নিয়মিতভাৱে দি আছিল । প্রায় এমাহ জ্বৰত ভোগাৰ পিছত হিমাংশু ভাল হৈছিল বুলি খবৰ পাইছিলো । ইতিমধ্যে আমাৰ বাছনি পৰীক্ষা হৈ গৈছিল । পৰীক্ষা খুব বেয়া হলেও প্রাক্-বিশ্ববিদ্যালয় পৰীক্ষা

দিবলৈ মনোনীত হৈছিলো। বন্ধ এটা পায়েই মই ঘৰলৈ গৈছিলো। ঘৰ পায়েই মাক সুধিছিলো হিমাংশুৰ কথা। মই হিমাংশুৰ ওচৰলৈ যাব খোজাত মাই বাধা দি কৈছিল—হিমাংশু সম্পূৰ্ণ ভাল হৈছে, মাত্র জিৰণিৰ প্ৰয়োজন—এই সময়ত মই যোৱাটো ভাল নহ'ব। পিছদিনা মাই বাধা দিয়া স্বত্বেও মই হিমাংশুৰ ওচৰলৈ গৈছিলো। কিন্তু হে ভগৱান! ক্ষীণ, কঙ্কালসাৰ এটা দেহ লৈ যিজন মানুহ চকী এখনত বহি আছিল মোৰ চিনাকি হিমাংশু নাছিল। বেদনামিশ্রিত এক দৃষ্টিৰে মোৰ পিনে চাইছিল। কথা কব পৰা ক্ষমতা মোৰ হেৰাই গৈছিল। হিমাংশুৰ এনেকুৱা এটা অৱস্থা দেখি মই কান্দি দিছিলো হুকুহুকাই। হিমাংশুৰ বৌয়েকে তাৰ পৰা মোক আঁতৰাই লৈ গৈছিল। পুনৰ হিমাংশুৰ ওচৰলৈ যাবলৈ নিদি মোক তেওঁলোকে ঘৰত থোৱাই দিছিল। সেইদিনাৰ পৰা মই ঘৰত বন্দী হৈ আছিলো। মা-দেউতাই মোক বুজাবলৈ ধৰিলে। পঢ়াত মন বহুৱাবলৈ বহুতো উপায় ল'লে। এনেকৈ এটা মাহ পাৰ হৈ গ'ল। মই গুৱাহাটীলৈ আকৌ গুচি আহিলো।

জানা আটলাণ্টা, মা-দেউতাই মোক একেটা কথাকে বাৰে বাৰে কৈছিল—হিমাংশুক মই পাহৰি যাব লাগে। আভিজাত্যৰ বংশ-মৰ্য্যাদা থকা মোৰ দেউতাই এজন খুব ভাল ল'ৰাৰ লগত মোক বিয়া দিব লাগিব। নহ'লে যে সমাজত দেউতাৰ নাম নুমাই যাব। হিমাংশুৰ লগত মোৰ বিয়া কেতিয়াও হ'ব নোৱাৰে—এইয়া দেউতাৰ কথা। স'চা কথা স্বনামধন্য উকীলৰ ছোৱালী মই। মোৰ বিয়া এটা বোবা লৰাৰ লগত, বোবা হিমাংশুৰ লগত কেতিয়াও হব নোৱাৰে। জানা আটলাণ্টা, টাইফয়েদৰ পিছত হিমাংশুৰ বাক্‌শক্তি নাইকিয়া হ'ল। আভিজাত্যৰে বংশ- মৰ্য্যাদা ৰক্ষা কৰিবলৈ মাৰ কথা মতে ঠিক কৰিলো—হিমাংশুক মই পাহৰি যাম বুলি। মা-দেউতাৰ শান্তিৰ বাবেই হিমাংশুক পাহৰি যাবলৈ বহুত চেষ্টা কৰিছো— বহুত। কিন্তু ইমান সোনকালে কেনেকৈ মই হিমাংশুৰ স্মৃতিবোৰ চুৰমাৰ কৰি দিওঁ? খুব বেয়াকৈয়ে প্ৰাক্-বিশ্ববিদ্যালয়ৰ মহলা পাৰ হৈছিলো। তাৰ পিছত শ্বিলঙলৈ গুচি আহিছিলো। শ্বিলঙৰ প্ৰথমবাৰ বন্ধত গৈ গম পাইছিলো—বিপুল জ্যোতি হাজৰিকা শিলচৰলৈ বদলি হৈ গুচি গ'ল। হিমাংশু ভাল হ'ল যদিও বাক্‌শক্তি ঘূৰাই নেপালে পুনৰ। তাৰ পিছত হিমাংশুৰ একো খবৰ মই পোৱা নাই।

প্ৰতিম দত্তৰ লগত মোৰ বিয়া ঠিক হ'ল। মা-দেউতাই ঠিক কৰা বিয়া—মত দি দিলোঁ। প্ৰতিম দত্তৰ পৰা মৰম, ভালপোৱা পাইছো যথেষ্ট, ময়ো চেষ্টা কৰিছো তাৰ প্ৰতিদান দিয়াৰ। কিন্তু আজি মোৰ পুনৰ মনত পৰিছে হিমাংশুলৈ। নেজানো হিমাংশু এতিয়া ক'ত আছে! তথাপিও মনত পৰিছে মোৰ হিমাংশুলৈ। আজি মোৰ অৰ্ণামেণ্ট কে'চটো খুলিছিলো। হঠাৎ চকুত পৰিছিল-মুক্তাৰ ব্ৰুচপিনটোত। মোক হিমাংশুৱেই দিছিল মোৰ জন্মদিন এটাত। ব্ৰুচপিনটোৱে আজি মোক খুব বেয়াকৈ মনত পেলালে হিমাংশুলৈ। সেয়েহে আজি ভাবিছো হিমাংশুৰ কথা, মোৰ কথা, হিমাংশু-মোৰ অতীতটোৰ কথাবোৰ— যদিও মই সদায় ভাবিবলৈ চেষ্টা কৰোঁ প্ৰতিমৰ কথা, মোৰ কথা, প্ৰতিম মোৰ ...... ভবিষ্যতৰ কথাবোৰ ...... । শেষ নিশালৈ শেষ হৈছিল পান্নাৰ কথা। টোপনি অহাৰ বৃথা আশাৰে দুয়োজনী লেপৰ তলত সোমাই পৰিছিলো।

আৰু আজি এয়া—নিশা এঘাৰ বাজিছে। নিয়মিত ভাৱেই পান্নাই আজিও বহুত আগতেই টোপনি গ'ল! এখন স্বাভাৱিক সুন্দৰ মুখ। কপালত কিছুমান অসংলগ্ন চুটি চুলি। ছোৱালীজনীলৈ মোৰ খুব মৰম লাগি গ'ল। এইজনীয়েই পান্না খুব পুৰণা অথচ খুব নতুন নতুন লগা মোৰ ৰুমমেট। পান্নাৰ এই ধুনীয়া মুখখনে কালিৰ দৰে কান্দি কান্দি এনিশা সাধু কোৱাৰ কোনো সঁহাৰি নিদিলে।

০ ০ ০

---

# মহৎলোকৰ বাণী

(১) "মানুহৰ শান্তিৰ সহপাঠী সমাজতহে হব পাৰে, হিমালয়ৰ শৃঙ্গত নহয়।"

—মহাত্মা গান্ধী।

(২) "স্মৃতিয়েই হৈছে বুদ্ধিৰ খাইখুটা। কল্পনা আৰু স্মৃতি যিমানে বাঢ়ে বুদ্ধিৰ বিকাশ সিমান হয়।"

—পদ্মনাথ গোহাঞিবৰুৱা।

(৩) "নিজৰ সুখেই যাৰ জীৱনৰ লক্ষ্য তেওঁ অসৎ, আনৰ প্ৰশংসা পোৱাটোৱে যাৰ জীৱনৰ লক্ষ্য তেওঁ দুৰ্ব্বল, আনৰ সুখেই যাৰ লক্ষ্য তেওঁহে সৎ লোক।

—টলষ্টয়।

(৪) "আপোনাৰ চৰিত্ৰটোনো কি সেইটো নজনাটোৱেই হল আপোনাৰ চৰিত্ৰ।"

—ভূমাইট এল মুডি।

সংগ্ৰাহিকা : —শ্ৰীঅনিতা বৰা

স্নাতক ১ম মহলা।

# ভ্ৰান্তি

শ্ৰীগীতিমণি ডেকা
উঃ মাঃ ২য় বাৰ্ষিক

তাৰ নাম ডায়্যামণ্ড।

ওথই প্ৰায় এক কি পোনে এক ফুট মান হ'ব। তাৰ জন্মৰ তাৰিখ বৰ্ণোৱা আছে এনেদৰে—

জন্মৰ তাৰিখ—পোন্ধৰ আঘোণ।

তিথি—পূৰ্ণিমা।

বাৰ—বৃহস্পতি।

সময়—নিশা এক কি দুই মান বাজিছিল। নিশাৰ নিৰ্জনতা ভঙ্গ কৰি ভেউ-ভেউৱাই উঠিছিল তাৰ মাকজনী। আনন্দত। মাতৃত্বৰ এক নিৰিবিলি মুহূৰ্তত তাইৰ প্ৰাণ-পখুৰ আপ্লুতা হৈ পৰিছিল। জন্মৰ পৰা দিন বাৰ গণনা কৰিলে এতিয়া তাৰ বয়স ছয় মাহ সাত দিন মান হৈছে।

ভাল দিন, বাৰ, তিথি, নক্ষত্ৰত জন্ম হোৱাৰ বাবে গণকে তাৰ নাম দিলে ডায়্যামণ্ড। মাকৰ নাম মৌৰিণা।

তাৰ মাক পশ্চিমৰ। বিলাতী মাকৰ পোৱালীৰো বিলাতী নাম।

ডায়্যামণ্ড নিখুঁত ক'লা। গাত দীঘল নোম। মানুহে ভোটীয়া কুকুৰ বুলি কয়। শান্ত, শিষ্ট। চিকাৰত কিন্তু অভ্যস্ত। অনন্য। দেখনিয়াৰ। মৰম লগা। চাল-চলন, খোৱা-বোৱা বিলাতী ধৰণৰ। চাহাবৰ গাড়ীত লৈ ফুৰিবলৈ সিহঁতৰ বাবে এটি আচুতীয়া কোঠাত এখন আচুতীয়া আসন আছে। ঘৰতো থাকে বিলাতী শয্যাত। চাহাবে ডায়্যামণ্ডক এৰি এখন্তেকো কটাব নোৱাৰে।

লাহে লাহে প্ৰায় চাহাবৰ কোলাতেই ডাঙৰ হৈ আহিছে ডায়্যামণ্ড।

একেই জন্ম দিনৰ ঠিক একে সময়তেই ভূমিষ্ঠ হোৱা চাহাবৰ ল'ৰা, ববীতৈক কোনোদিনে চাহাবৰ মৰমৰ পৰা ডায়্যামণ্ড বঞ্চিত হোৱা নাই। চাহাবৰ শিষ্টাচাৰত দেখা যায় যেন, দুয়ো যমজ সন্তান। স্বভাৱ ভ্ৰাতৃসুলভ।

ভ্ৰাতৃত্বৰ এনাজৰীৰে দুয়োকো দুয়ো বান্ধি পেলালে। একেলগে ওমলে। খেলে—ইটোৱে সিটোৰ বঙত বিভোৰ। এডাল সূতাৰে মেৰিয়াই ৰখা দুটা ভিন্ন আত্মা। দুয়ো দুয়োৰে মৰমত আত্মহাৰা। বিষাক্তৰ বিভীষিকা নথকা হ'লে থালেও-হেঁতেন একেলগে। সিহঁতৰ বন্ধুত্বই মাতৃত্বৰ মৰম পাহৰাই পেলাইছিল খন্তেকলৈ হলেও। পিছলৈ বহু সময়লৈ। সিহঁতৰ তামাচাত চাহাৰ-চাহাবনীৰ মুখত হাঁহিৰ বগৰ। মৌৰিণাইও হাঁহে প্ৰাণ খুলি। তাইৰ হাঁহিৰ ভ্‌ক-ভ্‌কনিত কোনোবাই পাগলী বুলিও অভিহিত কৰে। কাৰোবাৰ আকৌ গুলিয়াই মাৰিবৰো মন যায়। চাহাব-চাহাবনীয়ে ববীক মৌৰিণা আৰু ডায়্যামণ্ডৰ হাতত চমজি দি নিঃসন্দেহে কৰ্তব্যৰত হ'ব পাৰে। নম্ৰতা আৰু প্ৰভু-ভক্তি ডায়্যামণ্ডৰ ক্ষীপ্ৰ মগজুৰ পৰিচায়ক। মাকে শিকাই পৈণত কৰিছে তাক। চাহাবৰ অবিহনে সিহঁতেও যে আনৰ মুখলৈ চাব লাগিলহেঁতেন। এই কথা ডায়্যামণ্ডেও প্ৰতি ৰন্ধ্ৰে ৰন্ধ্ৰে উপলব্ধি কৰিছে। সেইটো তাৰ কৰ্তব্যপৰায়ণতাৰ পৰাই বুজিব পাৰি।

* * *

ইমান মৰম, ইমান বন্ধুত্ব কিন্তু চুৱাপাতনিত উম লৈ থকা কুকুৰজনীৰ সহ্য নহয়। ঈৰ্ষাত নহয়। আক্ষেপত তাইৰ অন্তৰ ভাগি যায়। এৰা, তাইৰ পোৱালীটোৰো যদি তেনে স্বাচ্ছন্দ্য তাই দেখা পালেহেঁতেন!

পিছে কি কৰিব তাই। উপায়তো নাই। এই সকলোবোৰ নিয়তিৰেই বিধান। মানিবলৈ বাধ্য হ'ল তাই। তথাপি বাৰে বাৰে বহুবাৰ চেষ্টা কৰি তাইও আংশিক কৃতকাৰ্য্য হ'ল। লাহে লাহে চাহাবৰ মুখৰ দুই এটুকুৰা ৰুটি তাইৰ পোৱালীৰো ভাগ্যত ঘটিল।

আৰু ইফালে অসন্তুষ্ট হ'ল ডায়্যামণ্ড। অভিমানত ওফন্দি পৰিল সি। সন্দেহ হ'ল তাৰ। নতুনৰ সান্নিধ্যই কিজানি পুৰণা বন্ধুত্বত মামৰে ধৰে।

দিনবোৰ গৈ আছে কালৰ বুকুলৈ—এৰা, ডায়্যামণ্ডে আজি দুদিনমানৰ পৰা আমন-জিমনকৈ কাল কটাইছে। মনত দুৰ্বাৰ সংঘাত। বিবেকৰ অন্তৰ্দ্বন্দ্ব। এই আপদীয়া কুকুৰ পোৱালীটো নোহোৱা হলে অয়শ্যো তাৰ ভাবিবলগীয়া একো নাছিল। বেচেৰাই লাহে লাহে অভিমানত ওফন্দিবলৈ ধৰিলে। চাহাবৰ মৰমে যেন তাক আৰু আকৰ্ষণ কৰিব নোৱাৰে। সি যেন অৱহেলাত জৰ্জৰ।

নৌ দুদিনতে চাহাবৰ দৃষ্টি গোচৰ হ'ল কথাটো। চিন্তিত হ'ল চাহাব। ফলত জয়ী হ'ল পুৰণা বন্ধুত্ব। জয়ী হ'ল অভিমানিত ডায়্যামণ্ড। সি কিন্তু এতিয়া আগতকৈ বেছি মৰম আৰু চেনেহ আদায় কৰিলে তাৰ গৰাকীৰ পৰা। সি এতিয়া বিজয়ৰ উত্তাল তৰঙ্গত নাচি ফুৰিব ধৰিলে। দাঁত নিকতাই সেই আপদীয়া কুকুৰ পোৱালীটোক বিদ্ৰুপ কৰিলে সি। এৰা, অভিমানৰ পিছত মৰম বেছিকৈ জন্মে।

ইফালে বেচেৰা দুৰ্ভগীয়া কুকুৰ পোৱালীটো! বঞ্চিত হৈ আহিল সি চাহাবৰ মৰমৰ পৰা। চাহাবী খানাৰ অন্তৰালত সোমাই থকা তাৰ নোদোকা দেহাটো ক্ৰমে ক্ষীণ হৈ আহিব ধৰিলে।

—সি তাৰ দুৰ্ভাগ্যৰ কথা ভাবি বিষন্ন হৈ পৰিল। "কি যে নিষ্ঠুৰ এই মানুহবোৰ। স্বাৰ্থপৰ ইহঁত। অসভ্য ইহঁত। মূৰ্খ ইহঁত। সম্যক জ্ঞান ইহঁতৰ অন্তৰত নাই কিয়?" দুৰ্দ্দান্ত অন্তৰত তাৰ হেজাৰ-বিজাৰ প্ৰশ্নই জুমুৰি পাতিলে।

* * *

দিনবোৰ বাগৰি গৈ থাকিল। ডায়্যামণ্ড সেইদিনা অন্য কুকুৰ পোৱালীৰ লগত খেলত ব্যস্ত। ভাগৰত ক্লান্ত হৈ টোপনিত লালকাল দি পৰি থাকিল সি। লগে লগে সুবুঙা বিচাৰি ফুৰা সেই

অৱহেলিত কুকুৰ পোৱালিটোৱে সুযোগ বিচাৰি পালে। প্ৰতিশোধৰ জুইকুৰা তাৰ অন্তৰত দপ্-দপাই জ্বলি উঠিল। সি অলপো পলম নকৰি চেগ চাই ববীৰ ওচৰ চাপি আৰু তীব্ৰ বেগে আহি ববীৰ ভৰিত কামোৰ মাৰিলে তাৰ সমস্ত বল প্ৰয়োগ কৰি। ভয় আৰু বেদনাত চিঞৰি উঠিল ববী। লগে লগে কৰ্তব্য শেষ কৰি কুকুৰ পোৱালিটো নিৰুদ্দেশ হ'ল। মনত তাৰ সীমাহীন আনন্দ। প্ৰতিশোধৰ দুৰন্ত তৃপ্তিত তাৰ অন্তৰ উন্মাদ হৈ পৰিল— যেন বহুদিনৰ প্ৰতিহিংসাৰ প্ৰতিশোধ ললে সি।

চিঞৰ শুনি ডায়্যামণ্ডৰ টোপনি ভাগি গ'ল। চকুৰ পলকতে আহি ববীৰ ওচৰ পালেহি। অৱস্থা বিষম দেখি পাগলৰ দৰে চাতি-ফুতি লগালে সি। চাহাবনী ভিতৰৰ পৰা দৌৰি আহিল। প্ৰগলভ ডায়্যামণ্ডে চাহাবনীৰ ভৰিত পৰি অন্তৰৰ সকৰুণ বিনীন জ্ঞাপন কৰিলে।

আৰু চাহাবে ? হাতত ৰিভলভাৰটো লৈ ঘটনাস্থলিত উপস্থিত হ'ল। অলপো পলম নকৰি বিবেচনাহীন হৈ—"ইয়েই সৰ্বনাশৰ মূল" বুলি এক জাঁই আৰু এক জ'াই গুলি মাৰিলে। লগে লগে ডায়্যামণ্ডৰ বুকু চিৰাচিৰ হৈ গ'ল। ধৰাশায়ী হ'ল সি। চকুৰ পলকতে চাহাবৰ ফিয়েটখন হস্পিতালৰ অভিমুখে ঘণ্টাত সত্তৰ কিলোমিটাৰ বেগেৰে গুচি গ'ল।

আৰু নিঃকিন ডায়্যামণ্ড ? তেজেৰে লুতুৰি হৈ পৰি থাকিল ধূলিৰ লগত মিহলি হৈ। অলপ পিছতে হয়তো তাৰ মৃতদেহটো কোনোবাই মৰিশালিলৈ চোঁচৰাই নিব !

পুত্ৰ বিয়োগত শোকাকুলা মেৰিণাই ডায়্যামণ্ডক কামুৰি ধৰি চাহাবৰ ফালে চাই গোঁ-গোঁৱাই উঠিল— "অসভ্য, মূৰ্খ, জ্ঞান শূন্য, অবিবেচক।"



# শ্বায়েৰী :

সংগ্ৰহ : জোনমণি বৰুৱা
স্নাতক ৩য় বাৰ্ষিক

(১) জোৱাণ হ্যায় ৰবসাৎ ঔৰ এ খামোসী, উফ এঁডিগ্ৰৰাত ঔৰ খামোসী মেৰে কাহেনাৎ হদনাপুছ মোৰ হম্‌দম্ চান্দ আওঁৱৰা খেয়ালৎ ঔৰ এ খামোচী।

— গভীৰ ৰৰযুণ আৰু নীৰৱতা, এই সিক্ত ৰাতি আৰু এই নীৰৱতা। মোৰ পৃথিবীৰ সীমাৰ কথা নুসুধিবা বন্ধু, মোৰ আৰু কি আছে ? কেৱল আছে কিছুমান চিন্তা আৰু এই নীৰৱতা।

(২) উচকী ইন্দেজাৰ সে বতেহায়ী হাজাৰ ৰাত আজ উচনে মেৰী মাঝাৰে পৰ দিলা জ্বলা দিয়া।

— তেওঁৰ অপেক্ষাত হাজাৰ ৰাতি পাৰ হ'ল। আজি তেওঁ মোৰ সমাধিত চাকি জ্বলাই দিছে।

(৩) য়াদ এক জখম বনগই হৎ ইবন ভূল জানে কাকুছ খেয়াল।

– সোঁৱৰণীয়ে মোৰ বাবে বাধাৰ প্ৰাচীৰ হ'ল. নহলে পাহৰি যাবলৈ একান্তই ইচ্ছা আছিল।

(৪) ইশ্ব পৰ কুছ ন চলা দীদা এতৰ কাবু
উচনে জো আগ লগাদীয়ো বুঝাঈ নগঈ।

— চকুৰ পানীৰে প্ৰেমক বশ কৰিব নোৱাৰিলো। তেওঁ জ্বলাই থৈ যোৱা জুইকুৰা কোনোমতে নুমাব নোৱাৰিলো।

(৫) চেন নহী মিলতা জবা দিলকো তুমচে মিলকৰ য়ে ক্যা হুৱা দিলকো।

— হৃদয়ে কতো অলপো শান্তি নাপায়, তোমাক লগ পোৱাৰ পাছত এয়া কি হ'ল হৃদয়ৰ।

+ + +

# গল্পকাৰৰ চোতালত—এখন্তেক

## ॥ আমাৰ প্ৰশ্ন ঃ উত্তৰ ॥

[ বিংশ শতিকাৰ "অভিনৱ সৃষ্টি" চুটিগল্পৰ ইতিহাসলৈ অসমীয়া চুটিগল্পবো অৱদান আছে। অসমীয়া চুটিগল্পকাৰসকলৰ গল্প-ৰচনাৰ আঁৰৰ কিছু কথা জনাৰ মানসেৰে আমি কেইজনমান প্ৰথিতযশা গল্পকাৰৰ কাষ চাপিছিলোঁ। এবাৰ নোৱৰা কাৰণৰ বাবে দুজনমানে সঁহাৰি জনাব নোৱাৰিলে যদিও তিনি-গৰাকী গল্পকাৰৰ সঁহাৰি লাভৰ সৌভাগ্য আমাৰ হ'ল। তেখেতসকললৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। — সম্পাদিকা ]



শ্ৰীযোগেশ দাস



শ্ৰীলক্ষ্মীনন্দন বৰা



শ্ৰীমহিম বৰা

## আমাৰ প্ৰশ্ন ঃ

১ নং প্ৰশ্নঃ — আপুনি কেতিয়া গল্প লিখিবলৈ আৰম্ভ কৰিছিল? গল্পকাৰ বা লেখক হ'ম বুলি আপুনি ভাবিছিলনে?

২ নং প্ৰশ্নঃ — আপোনাৰ গল্পৰ কাহিনীভাগ নিৰ্বাচিতনে? গল্প এটা লিখিবলৈ লোৱাৰ সময়তেই ইয়াৰ পৰিণতি আপুনি কল্পনা কৰি লয় নে কাহিনীয়ে বিস্তাৰ লাভ কৰাৰ লগে লগে আপোনা-আপুনি পৰিণতিৰ ফালে আগবাঢ়ে?

৩ নং প্ৰশ্নঃ — আপুনি উপন্যাসো ৰচনা কৰিছে। অকল গল্প লিখাতেই ক্ষান্ত নাথাকি উপন্যাস লিখিবলৈ লোৱাৰ কিবা উদ্দেশ্য আছে নেকি? এই দুবিধ গদ্য-ৰচনাৰ মাজত কেনে ধৰণৰ সুবিধা বা অসুবিধা আপুনি অনুভৱ কৰে?

৪ নং প্ৰশ্নঃ — আপোনাৰ গল্পত পশ্চিমীয়া সাহিত্য তথা মনস্তত্ত্বমূলক ধ্যান-ধাৰণাৰ প্ৰভাৱ পৰিছে বুলি আপুনি ভাবেনে‌ নেকি?

৫ নং প্ৰশ্নঃ — গল্পকাৰ বা লেখক হিচাপে সমাজৰ পৰা পোৱা স্বীকৃতি বা পুৰস্কাৰে আপোনাক সৃষ্টিশীল ৰচনাৰ বাবে অনুপ্ৰাণিত কৰিছেনে?

৬ নং প্ৰশ্নঃ — লেখক হিচাপে আপুনি কাৰ প্ৰতি দায়বদ্ধ?

৭ নং প্ৰশ্নঃ — অসমীয়া গল্প-সাহিত্যৰ ভৱিষ্যত সম্পৰ্কে আপোনাৰ ধাৰণা কি? নবীন গল্পকাৰসকলৰ ভিতৰত কাৰ গল্প আপোনাৰ ভাল লাগে আৰু কিয় ভাল লাগে?

৮ নং প্ৰশ্নঃ — অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামে অসমৰ জাতীয় জীৱনলৈ কঢ়িয়াই অনা পৰিৱৰ্তন তথা চেতনাস্ৰোতৰ ওপৰত আলোকপাত কৰি লিখা ৰসবোধসম্পন্ন গল্প বা উপন্যাস অসমীয়া পঢ়ুৱৈয়ে এতিয়াও লাভ কৰা নাই। এই দিশটোৰ প্ৰতি লেখকসকলৰ উদাসীনতা ইমান প্ৰকট হৈ ধৰা দিছে কিয়?

৯ নং প্ৰশ্নঃ — আপোনাৰ গল্পকাৰ জীৱনৰ শ্ৰেষ্ঠ গল্পটো লিখা হ'ল বুলি আপুনি সন্তুষ্টি লভিছেনে?

১০ নং প্ৰশ্নঃ — সাহিত্য চৰ্চাৰ ক্ষেত্ৰত আপুনি কাৰ প্ৰেৰণা লাভ কৰিছে?

+ + +

# আমাৰ প্ৰশ্নসমূহৰ উত্তৰ

## শ্ৰীযোগেশ দাস ঃ

১। আচল অৰ্থত মই গল্প লিখিবলৈ লওঁ ১৯৪৫-৪৬ চনত কটন কলেজত পঢ়িবলৈ আহিবৰ পৰা। গল্প লেখক হম বুলিয়ে গল্প লিখিছিলোঁ নে নাই আজি মনত নপৰে। বোধহয় তেনে-কুৱা কিবা এটা আশা আছিল। কিয়নো তাৰ পিছত মই একাদিক্ৰমে গল্প লিখি যাওঁ।

২। কাহিনী এক প্ৰকাৰ নিৰ্বাচিতই হয় বুলি কব লাগিব—এই অৰ্থত যে কোনো ঘটনা বা চৰিত্ৰই অথবা মানুহৰ কাৰ্য-কলাপে মনক স্পৰ্শ কৰি গলেই, তাক অৰ্থপূৰ্ণ যেন লাগিলেই প্লটটোৰ উদ্ভৱ হয়। কেতিয়াবা কোনো কিতাপ পঢ়িও নাইবা চিনেমা-থিয়েটাৰ চাইও অথবা আনৰ লগত কথা পাতিও কাহিনী আহৰণ কৰা হয়। মুঠতে জীৱনত লাভ কৰা অভিজ্ঞতাই কাহিনীৰ সৃষ্টি কৰে। প্লটৰ প্ৰকৃতিতে তাৰ পৰিণতিটো সোমাই থাকে।

৩। গল্পতে ক্ষান্ত নাথাকি কিয় উপন্যাসো লিখিবলৈ ললোঁ এই কথা কোৱা অলপ টান। আমাৰ সম-সাময়িক বহুত লিখকেই উপন্যাস লিখি-বলৈ ধৰে। আনকি কবিয়েও গল্প বা উপন্যাস লিখাত ধৰিছে। ছমাৰছেট মমে নাটক, গল্প, উপন্যাস কেউবিধ লিখিছিল। চেকভে নাটক আৰু গল্প লিখিছিল। মেক্সিম গৰ্কীয়ে গল্প, উপন্যাস দুয়োবিধ লিখে। বোধহয় মনৰ ভাব প্ৰকাশ কৰিবলৈ এই মাধ্যমবিলাক পৰীক্ষা কৰি চোৱাটোৱেই নিয়ম। দুয়োবিধৰ ভিতৰত তুলনামূলকভাৱে উপন্যাসতকৈ গল্প লিখা টান বুলি মোৰ অনুভৱ হয়। গল্পৰ প্ৰকৃতি, লিখাৰ কৌশল, সীমাবদ্ধ পৰিসৰ ইত্যাদিয়ে ইয়াক চম্ভালাটো কঠিন কৰি তোলে।

> সৃষ্টিকৰ্ম এটা নিঃসংগ কলা—ইয়াৰ প্ৰকাশহে মানুহে দেখিছে, ইয়াৰ ব্যৰ্থতাৰ বেদনা কেইজনে দেখিবলৈ পাইছে ? স্বীকৃতি আৰু প্ৰশংসায়ো বহুত সময়ত সৃষ্টিকৰ্মত সহায় কৰিব নোৱাৰিব পাৰে।

৪। মোৰ গল্পত কাৰোবাৰ বা কিহবাৰ প্ৰভাৱ পৰাৰ কথা মই নাজানো। কোনো বিশেষ লিখকক মই কাহানিও আহি' কৰি লোৱাও নাই। ভাৰতীয় আৰু বিদেশী গল্পকাৰসকলৰ গল্প পঢ়ি পঢ়ি যদি কিবা ধাৰণা মনত জাগিছে তেন্তে সি অজ্ঞাত। মই নিজা অভিজ্ঞতাৰ একোটা নিজস্ব ৰূপ দিবলৈহে চেষ্টা কৰি আহিছোঁ। মনস্তত্ত্বৰ প্ৰসঙ্গত ইয়াকে কলেই যথেষ্ট হ'ব যে আধুনিক সাহিত্যৰ কাহিনী কলাত মানসিক দ্বন্দ্ব ফুটাই তোলাটো এটা অপৰিহাৰ্য অঙ্গ—এই বিষয়ে মই কিছু সজাগ।

৫। স্বীকৃতি আৰু প্ৰশংসাই যি কোনো লোকক প্ৰেৰণা দিয়ে। ময়ো তাৰ ব্যতিক্ৰম নহওঁ। কিন্তু স্বীকৃতি আৰু প্ৰশংসাই মোৰ কথা নহয়। সৃষ্টিৰ প্ৰেৰণা এটা স্বতঃস্ফূৰ্ত বস্তু। মোৰ কবলগীয়া বহুত কথা আছে আৰু সেইবিলাক কথা কবলৈ সৃষ্টিৰ প্ৰেৰণা মোৰ অন্তৰত জাগি উঠিব লাগিব। সৃষ্টিকৰ্ম এটা নিঃসঙ্গ কলা—ইয়াৰ প্ৰকাশহে মানুহে দেখিছে, ইয়াৰ ব্যৰ্থতাৰ বেদনা কেইজনে দেখিবলৈ পাইছে ? স্বীকৃতি আৰু প্ৰশংসায়ো বহুত সময়ত সৃষ্টিকৰ্মত সহায় কৰিব নোৱাৰিব পাৰে।

৬। মানুহৰ প্ৰতিয়েই মই দায়বদ্ধ। মানুহৰ মঙ্গল কামনাই মোৰ লিখক জীৱনৰ গুৰি কথা। মানুহৰ দুৰ্বলতা আৰু মহত্ব তথা সৌন্দৰ্য সম্বন্ধে মই সজাগ—সেইখিনিকে ব্যৱহাৰ কৰি মই মানুহৰ কল্যাণৰ এটা পথ উলিয়াবলৈ চেষ্টা কৰোঁ। মোৰ দায়বদ্ধতাত কোনো ৰাজনৈতিক দলৰ দৃষ্টিভঙ্গী নাই বা নাথাকিবও পাৰে। সেইবাবে তেনে শ্ৰেণীৰ লোকৰ লগত মোৰ মতৰ মিল নহবও পাৰে।

৭। অসমীয়া গল্প-সাহিত্যৰ ভৱিষ্যৎ ভাল বুলিয়েই কব খোজোঁ। কিয়নো মাজে মাজে একো-জন গুণী ডেকা লিখক ওলাই থকা দেখিবলৈ পাইছোঁ। এনে গুণী লিখকৰ সংখ্যা অৱশ্যে বৰ বেছি নহয়। কিছুমানে আকৌ সামান্য লিখিয়েই এৰি পেলায়, ফলত তেওঁলোকৰ বিকাশৰ পথ অনুসৰণ কৰা নাযায়। কোন কোন নবীন লিখকৰ গল্প পঢ়ি ভাল পাওঁ নাম কব নোখোজোঁ, কিয়নো বাকী বহুতেই বেয়া পাব। তাতে আজিকালি ইমান আলোচনী ওলাইছে যে সকলোৰে গল্প পঢ়ি চোৱা মোৰ পক্ষে সম্ভৱ নহয়।

৮। আন্দোলনটোৰ পটভূমিত কেইটামান ভাল গল্প নোলোৱা নহয়—যদিও সংখ্যাত কম। উপ-ন্যাস অৱশ্যে ওলোৱা নাই। ইয়াৰ কাৰণ কি কোৱা টান। বোধহয় যি সকলে নিচেই ওচৰৰ পৰা আন্দোলনটো দেখিলে বা যি সকলে নিজেই আন্দোলন কৰিছিল তেওঁলোকৰ মাজৰ পৰা প্ৰকৃত লিখক-লিখিকা ওলোৱা নাই। যিবিলাক ওলাইছে

> মানুহৰ দুৰ্বলতা আৰু মহত্ত্ব তথা সৌন্দৰ্য সম্বন্ধে মই সজাগ—সেইখিনিকে ব্যৱহাৰ কৰি মই মানুহৰ কল্যাণৰ এটা পথ উলিয়াবলৈ চেষ্টা কৰোঁ।

তাৰ সৰহ ভাগেই প্ৰচাৰধৰ্মী, ৰসোত্তীৰ্ণ নহয়। বোধহয় পলমকৈ হ'লেও ভৱিষ্যতে ওলাব। কিয়নো প্ৰকৃতাৰ্থত আন্দোলনটো এতিয়াও সম্পূৰ্ণ হৈছে বুলিব নোৱাৰি। নানান বিভাজন আৰু বিৰোধিতা আহি পৰিছে। শেষটো কেনেকুৱা হয়গৈ এতিয়াও কব পৰা হোৱা নাই। সময়ে যেতিয়া ৰূপটো স্পষ্ট কৰি দিব তেতিয়া কিজানি লিখকসকলে লিখিবলৈ সুচল পাব।

আন্দোলনটোৰ পটভূমিত উপন্যাস অৱশ্যে ওলোৱা নাই। ইয়াৰ কাৰণ কি কোৱা টান। যিসকলে নিচেই ওচৰৰ পৰা আন্দোলনটো দেখিলে বা যিসকলে নিজেই আন্দোলন কৰিছিল তেওঁলোকৰ মাজৰ পৰা প্ৰকৃত লিখক-লিখিকা ওলোৱা নাই। যিবিলাক ওলাইছে তাৰ সৰহ ভাগেই প্ৰচাৰধৰ্মী, ৰসোত্তীৰ্ণ নহয়। পলমকৈ হলেও ভৱিষ্যতে ওলাব। কিয়নো প্ৰকৃতাৰ্থত আন্দোলনটো এতিয়াও সম্পূৰ্ণ হৈছে বুলিব নোৱাৰি।

৯। মোৰ মানত মোৰ প্ৰায় প্ৰতিটো গল্পই প্ৰিয়। কিন্তু শ্ৰেষ্ঠ গল্পটো লিখা হ'ল বুলি কেতিয়াও ভাবিব পৰা নাই। সন্তুষ্টি লভিলেই বোধহয় লিখাও শেষ হ'ব।

১০। মোক তেনেকৈ কোনো ব্যক্তিয়ে সাহিত্য চৰ্চা কৰিবলৈ প্ৰেৰণা দিয়া নাই। আমাৰ নিজৰ পৰিয়ালতো সাহিত্যৰ কোনো পৰিবেশেই নাছিল। মই জীৱনৰ সোঁতত উটি আহি থকা মানুহ। ভাগ্যই যেনি টানি নিছে সেই পিনেই গৈ আছোঁ। আন একো কামৰ লায়কৰ নহওঁ, মাত্ৰ লিখা পঢ়াৰ ধাউতি এটা কেনেবাকৈ হ'ল কাৰণে কিবা স্বৰূপত এই-বোৰত লাগি থকা হলোঁ। ●

× — ×

## ড° লক্ষ্মীনন্দন বৰা ঃ

১। প্ৰথম গল্প এটা হঠাতে লিখোঁ কলিকতাত এম, এছ, চি পৰীক্ষাৰ তিনিমাহৰ আগতে। নাম আছিল ভাওনা। 'ৰামধেনু'ত ওলাইছিল। মই কাহানিও তেতিয়া লেখক হ'ম বুলি ভবা নাছিলোঁ। মই তেতিয়ালৈকে দুই-এখন ইংৰাজী উপন্যাসত বাদে সাহিত্য-সম্পৰ্কীয় কোনো কিতাপ পঢ়া নাছিলোঁ। মোৰ কোনো সাহিত্যিক বুনিয়াদ নাছিল। তেতিয়া মোৰ মন অধিকাৰ কৰিছিল কেৱল অংক আৰু পদাৰ্থবিদ্যাই।



২। অভিজ্ঞতাৰ মাজৰ পৰা কাহিনী নিৰ্বাচন কৰোঁ। কেতিয়াবা একোটা সঁচা চৰিত্ৰই মনত একোটা কাহিনীৰ জন্ম দিয়ে। ধ্বনিব্যঞ্জনাইহে এটা গল্পক কালোত্তীৰ্ণভাৱে ৰসোত্তীৰ্ণ কৰে। গতিকে মোৰ গল্পত কাহিনীয়ে বিস্তাৰ লাভ কৰাৰ লগে লগে ই পৰিণতিৰ ফালে আগ নেবাঢ়ে। এনেকৈ আগবঢ়াটো উপন্যাসৰ ক্ষেত্ৰতহে প্ৰযোজ্য। ঔপন্যাসিক হিচাপে মোৰ এনে অভিজ্ঞতা আছে। কিন্তু গল্পৰ ক্ষেত্ৰত আগতেই কাহিনীৰ পৰিণতিয়ে মনত থিতাপি লয়। ই গল্পক বাহুল্যবৰ্জিত হোৱাত সহায় কৰে। আমি মনত ৰখা উচিত যে উপন্যাসৰ দৰে গল্প একাবেকা বৃত্ত নহয়, ইয়াৰ গতি ৰৈখিক।

৩। উপন্যাসো কথা কাহিনীকলাৰ এটা মাধ্যম। বহল পটভূমিত সমাজৰ আৰু স্বকীয় চিন্তাৰ সামগ্ৰিক ৰূপ দিবৰ বাবে উপন্যাসত হাত দিবলগীয়া হয়। তাৰে এটা উদাহৰণ দিওঁ: 'পাতাল-ভৈৰৱী'ত স্বাধীনতাৰ পাছৰ সমাজখনৰ নৈতিক অৱক্ষয়ৰ আৰু নীতিবিহীন ৰাজনীতিৰ কথা কোৱা হৈছে পাতাল জীৱনৰ যোগেদি। ইয়াত ঘটনা আৰু কালৰ ব্যাপ্তি আছে। ই উপন্যাসৰ বিষয়-বস্তু। ইয়াক গল্প হিচাবে লিখি ভুবুকাত হাতী ভৰাব নোৱাৰি। সেই অনুক্ৰমে একক অনুভৱাশ্ৰয়ী 'সখা দামোদৰ'ক টানি-আজুৰি উপন্যাস কৰিব নোৱাৰি।

বহল পটভূমিত সম আৰু স্বকীয় চিন্তাৰ সামগ্ৰিক ৰূপ দিবৰ বাবে উপন্যাস ৰচনাত হাত দিব লগীয়া হয়।

৪। গল্প আৰু উপন্যাস ভাৰতীয় সাহিত্য-পৰম্পৰাৰ লগত নিমিলা বস্তু। গতিকে গল্প-উপন্যাস লিখাৰ ধাৰণাটোৰেই পশ্চিমীয়া। মনস্তাত্বিক ধ্যান-ধাৰণা আছে কাৰণেই গল্প-উপন্যাসক উপাখ্যান বুলি ক'ব নোৱাৰি। পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱ প্ৰকাৰান্তৰে পৰাটো অসম্ভৱ নহয়। কাৰণ পাশ্চাত্য সাহিত্যৰ লগত মোৰ পৰিচয় সম্প্ৰতি নিবিড়। বিশেষকৈ উপন্যাসৰ ক্ষেত্ৰত।

৫। সামাজিক স্বীকৃতিয়ে মোক অনুপ্ৰাণিত কৰিছে বুলি মই দৃঢ়ভাৱে ক'ব নোৱাৰোঁ। কাৰণ যিখন মাৰ্জিত বিশ্লেষণমুখী সমাজে অৰ্থাৎ কোনো কোনো অনুষ্ঠানে লেখকক স্বীকৃতি দিছে বা দিব সেই-খন সমাজ বা তেনে অনুষ্ঠান মোৰ বাবে এতিয়াও আচহুৱা হৈ আছে। কিন্তু মোক সততে অনুপ্ৰাণিত কৰে সাধাৰণ অসমীয়া সমাজখনে, যিখন সমাজক অন্তৰেৰে ভাল পাই জীয়াই থকাৰ সাৰ্থকতা বিচাৰি পাওঁ। আৰু এটা কথা খোলোচাভাৱে কওঁ: মোৰ আন ধৰণৰ অনুপ্ৰেৰণাৰ উৎস সমালোচনা লিখা বিদ্বানসকল নহয়, মোৰ অজ্ঞাত অদৃশ্য পাঠক-পাঠিকা-সকলহে আৰু চাৰিগৰাকীমান পুথি প্ৰকাশকহে।

৬। মই সমাজৰ প্ৰতি দায়বদ্ধ। কিন্তু দায়-বদ্ধতাৰ ওপৰত ৰাজনীতিৰ মোহৰ মাৰিব নোৱাৰি।

৭। দুবছৰমান ধৰি গৱেষণাত আৰু লিখাত ইমান ব্যস্ত আছোঁ যে অসমীয়া গল্প-সাহিত্য সম্পৰ্কে আৰু ন-লেখকসকলৰ বিষয়ে অভিমত দিয়াৰ বাবে মই প্ৰস্তুত হ'ব পৰা নাই। তথাপি ক'ব পাৰিঁ যে আমাৰ গল্প-সাহিত্যৰ ভৱিষ্যত অনুজ্জ্বল নহয়। কিন্তু নতুন লেখকসকলৰ মাজত ভাল গল্পকাৰৰ সংখ্যা যথোচিত হোৱা নাই।

মোক সততে অনুপ্ৰাণিত কৰে সাধাৰণ অসমীয়া সমাজখনে, যিখন সমাজক অন্তৰেৰে ভাল পাই জীয়াই থকাৰ সাৰ্থকতা বিচাৰি পাওঁ—আৰু এটা কথা খোলোচাভাৱে কওঁ : মোৰ আনধৰণৰ অনুপ্ৰেৰণাৰ উৎস সমালোচনা লিখা বিদ্বানসকল নহয়, মোৰ অজ্ঞাত-অদৃশ্য পাঠক-পাঠিকাসকলহে আৰু চাবিগৰাকীমান পুথি প্ৰকাশকহে।

৮। এনে বিষয়-বস্তুৰ ওপৰত লিখা গল্প-উপন্যাস আমাৰ ভাষাত নথকা নহয়। কিন্তু ই পঢ়ুৱৈৰ হৃদয় স্পৰ্শ নকৰাৰ কাৰণ হ'ল আমাৰ সমাজখনহে—যিখন সমাজ বৌদ্ধিক চিন্তা-চৰ্চা আৰু বিশ্লেষণৰ প্ৰতি বিমুখ। এই বেমাৰটোৱে হয়তো আমাৰ গল্পকাৰ আৰু উপন্যাসিকসকলকো ছুইছে। মই আশাকৰোঁ, গণ-সংগ্ৰামৰ বছৰকেইটাৰ অসমখনক সামাজিক, নৃতাত্বিক আৰু ঐতিহাসিক বিশ্লেষণৰ যোগেদি চালি-জাৰি চাই সেই পটভূমিত শ শ শ্বহীদক থিয় কৰাই এখন উপন্যাস লিখাটো এতিয়াও সম্ভৱ-পৰ। এই ক্ষেত্ৰত City of joy-ৰ স্ৰষ্টা ডমিনিক লেপিয়াৰৰ আঁচনি আৰু কৌশল আমি অৱলম্বন কৰা যুগুত।

৯। শ্ৰেষ্ঠ গল্পটো এতিয়াও লিখা হোৱা নাই বুলি কোৱাটো আজিকালি এটা ফেশ্যন হৈ পৰিছে। গতিকে মই কথাটো তেনেকৈ নকওঁ। Perhaps, because, I am less hyhocrite than many. বোধকৰোঁ মোৰ ইতিমধ্যে প্ৰকাশিত বহু-সংখ্যক গল্পৰ মাজত সম্প্ৰতিৰ আৰু উত্তৰ কালৰ পঢ়ুৱৈয়ে মোৰ শ্ৰেষ্ঠ গল্পটো বিচাৰি পাব। সম্প্ৰতি মোৰ প্ৰচেষ্টা ঘণীভূত হৈছে উপন্যাস প্ৰণয়নৰ প্ৰতিহে।

১০। আকৌ কওঁ, মই অনুপ্ৰেৰণা পাওঁ জাতিকে ভালপোৱা অসমীয়া সমাজখনৰ পৰা। এইখন সমাজক মই সঁচাকৈয়ে দোষ আৰু গুণেৰে সৈতে—With all its greatness and limitations—ভাল পাওঁ; আৰু সেইবাবেই মই যোৱা আঢ়েটা দশকৰ পৰা লিখি আছোঁ।

## শ্ৰীমহিম বৰা :

১। তেতিয়াৰ সপ্তম মানত পঢ়োতে হাতেলিখা আলোচনী 'মলয়া'ত 'হাভানাৰ চুৰট' নামৰ এটা গল্প প্ৰকাশিত হৈছিল। বঙলা আলোচনী এখনত এঠাইত হঠাৎ পঢ়িবলৈ পোৱা তেনে নামৰ গল্পৰ ছাঁত। মূল উল্লেখ কৰা হৈছিল। তথাপি মোৰ লিখাৰ ধৰণটো, শব্দৰ ব্যৱহাৰ শিক্ষকসকলে [কলিয়াবৰ হাইস্কুল] প্ৰশংসা কৰাত উৎসাহিত হৈছিলোঁ। গল্পকাৰ হ'ম বুলি ভাবিছিলোঁ। সবুতেই পঢ়া 'আৱাহন' আদিৰ গল্পত আমাৰ চাৰিওফালৰ আচল জীৱনবোৰ নেদেখি প্ৰতিজ্ঞা কৰিছিলো ডাঙৰ হলে এই মানুহবোৰৰ সুখ-দুখ ভৰা জীৱনৰ প্ৰকাশক গল্প লিখিম। অৱশ্যে ভবামতে কাম নহ'ল। বয়সৰ লগে লগে জ্ঞান হ'ল! বুজিলোঁ বেয়া গল্প এটা, লিখাও সহজ নহয়।

সবুতেই পঢ়া 'আৱাহন' আদিৰ গল্পত আমাৰ চাৰিওফালৰ আচল জীৱনবোৰ নেদেখি প্ৰতিজ্ঞা কৰিছিলো ডাঙৰ হলে এই মানুহবোৰৰ সুখ-দুখ ভৰা জীৱনৰ প্ৰকাশক গল্প লিখিম।

২। কেনেকৈ প্লট এটা মনলৈ আহে, কেনেকৈ বুকুত মুহূৰ্ত এটাই খুন্দা দিয়ে, মোৰ নিজৰ কাৰণেই সেইটো ৰহস্য হৈয়ে থাকিল। অৱশ্যে মন আৰু হৃদয় মুকলি কৰি ৰাখিব লাগিব সকলো সময়তেই—কাৰণ কোনটো মুহূৰ্তই কেতিয়া দাগ কাটি যাব কোনেও ক'ব নোৱাৰে। একোটা ঘটনাই বহুদিনলৈ যেতিয়া অন্তৰ তোলপাৰ লগাই থাকিব, তেতিয়া তাক ৰূপায়িত কৰাৰ প্ৰবল বাসনা জন্মে—তাৰ বাবে আৱশ্যকীয় আনুষঙ্গিক কামবোৰ [চৰিত্ৰ, পৰিস্থিতি, পৰিবেশ, চিত্ৰণ, ৰূপায়ন ইত্যাদি] সজ্ঞানে কৰিব লাগে। তাৰ পিছত এদিন কলম লৈ বহিব লাগে। মোৰ কাৰণে এই কাম সহজ নহয়। গল্পৰ প্লট এটা গৰ্ভত ধাৰণা কৰি তাক বাহিৰত পূৰ্ণ ৰূপত ফুটাই তোলালৈকে এইখিনি সময় মোৰ কাৰণে জঘন্য। একো ভাল নালাগে। সকলো সময়তে মন-মেজাজ খিটখিটিয়া হয়, অতি স্পৰ্শকাতৰ হৈ পৰে, বাহিৰৰ একো কথা বা কামত মন নবহে। সেই কাৰণে মোৰ গল্পৰ সংখ্যা কম। বহুত প্লট মনতে লীন হৈ গৈছে। সতেজতা হেৰুৱা প্লটৰ পৰা সতেজ গল্পৰ সৃষ্টি নহয়। ঘৰুৱা আৰু সামাজিক পৰিবেশ যদি সম্পূৰ্ণ Conducive নহয়—তেন্তে সৃষ্টি অসম্ভৱ। নিম্ন মধ্যবিত্ত শিক্ষকৰ পাৰিবাৰিক জীৱনত এশ-একুৰি সমস্যা সাধাৰণতে থাকেই, মোৰ ক্ষেত্ৰত এনে সমস্যাৰ জুমুৰি আৰ্চৰিত ধৰণৰ।

থুলমূলকৈ গল্পটোৰ গঢ় এটা মনত ঠিক কৰা হয় যদিও লিখাৰ সময়ত সেই সকলো পাহৰা হয়। গল্পই নিজে পৰিণতিলৈ আগবাঢ়ে।

৩। গল্প আৰু উপন্যাস দুটা সুকীয়া কলাৰূপ। উপন্যাসত ধৈৰ্য আৰু আহাৰিৰ প্ৰশ্ন প্ৰধান। বিচিত্ৰ আৰু ব্যাপক অভিজ্ঞতা লাগিবই। গল্পত জীৱনৰ এটা চকল মাত্ৰ স্বয়ংসম্পূৰ্ণ ৰূপত কাটি অনা হয়; উপন্যাসত সম্পূৰ্ণ জীৱনটোকে তুলি ধৰিব লাগিব।

মোৰ অভিজ্ঞতাৰ পথাৰখন তেনেই সীমাবদ্ধ [অসমীয়া লিখকৰো। সেইকাৰণে বহুত ৰচনা নীৰস, নিস্তেজ।] মই উপন্যাস লিখিব পৰা নাই—'হেৰোৱা দিগন্তৰ মায়া' 'পুতলাঘৰ' দুখন উপ-ন্যাসিকাহে। এখন নতুন উপন্যাস যোৱা ১৫।২০ বছৰে ছপাখানাত থাকিল— প্ৰকাশকে উলিয়াব নোৱাৰিলে।

৪। পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱতে আধুনিক ভাৰতীয় সাহিত্যৰ সৃষ্টি। পশ্চিমীয়া সাহিত্যৰ বিষয়ে কম-বেছি জানি নল'লে বৰ্ত্তমানৰ সাহিত্য—সাধনা অসম্ভৱ। আনহাতে ঐতিহ্য-চেতনা নাথাকিলেও

অকল বাহিৰৰ প্ৰভাৱৰ সহায়ত সতেজ সবল সৃষ্টি অসম্ভৱ।

'মনস্তত্বমূলক ধ্যান-ধাৰণা' প্ৰতিজন লিখকৰ কিয়,—আজিৰ সমাজৰ প্ৰতিজন লোকৰেই থকা উচিত—আবু 'ফ্ৰয়েড', 'য়ুং' নপঢ়াকৈয়ে সহজ জ্ঞানেৰেই থাকিব লাগিব। নহলে ব্যৱহাৰিক জীৱনত পদে পদে সংকট আহিব। লিখকসকলে কিছু কথা পাঢ় লোৱা উচিত— কিন্তু লিখাৰ সময়ত সেইখিনি পাহৰি থকাই ভাল বুলি ভাবোঁ।

'মনস্তত্বমূলক ধ্যান-ধাৰণা' প্ৰতিজন লিখকৰ কিয়—আজিৰ সমাজৰ প্ৰতিজন লোকৰেই থকা উচিত—আবু 'ফ্ৰয়েড', 'য়ুং' নপঢ়াকৈয়ে সহজ জ্ঞানৰেই থাকিব লাগিব। নহ'লে ব্যৱহাৰিক জীৱনত পদে পদে সংকট আহিব। লিখকসকলে কিছু কথা পাঢ় লোৱা উচিত—কিন্তু লিখাৰ সময়ত সেইখিনি পাহৰি থকাই ভাল বুলি ভাবোঁ।

৫। 'স্বীকৃতি' নাপালে কোনো শিল্পী—শিপিনিয়ে আগবাঢ়িবলৈ উৎসাহ নাপায়। কিন্তু গভীৰ আত্মবিশ্বাসীসকলে বাহিৰৰ প্ৰশংসা নিন্দালৈ কাণ নিদি সৃষ্টিৰ বাটত অকলশৰে আগবাঢ়ে। স্ৰষ্টা মাত্ৰেই অকলশৰীয়া—প্ৰতিজনেই যতীন দুৱৰা! আনকি নিজৰ পত্নী বা প্ৰেমিকাও [পতি বা প্ৰেমিক] তেওঁৰ পৰা দূৰত। মই প্ৰথম বয়সত স্বীকৃতি, মানে প্ৰশংসাৰ কাৰণে বেছি লালায়িত আছিলোঁ। সেইটো লিখক-লিখিকাৰ কাৰণে ক্ষতিকৰ বুলি ভাবোঁ। বঁটা-বাহনে শিল্পীক উৎসাহিত কৰে আবু কিছু আৰ্থিক সকাহ দিয়ে।

স্বীকৃতিয়ে প্ৰেৰণা অৱশ্যে দিব পাৰে, পুৰস্কাৰে উৎসাহহে দিয়ে। 'প্ৰেৰণা' কেনেকৈ আহে সিও মোৰ কাৰণে অন্য এক ৰহস্য!

৬। জীৱনৰ প্ৰতি। জীৱন বুলিলেই সকলোকে সামৰা হয়। কিন্তু কোনো ৰাজনৈতিক মতাদৰ্শৰ প্ৰতি দায়বদ্ধ হ'লে সৃষ্টিৰ সীমা ঠেকাই অনা হয় বুলি মোৰ ধাৰণা।

৭। ব্যক্তিগত বা জাতীয় জীৱনৰ ভৱিষ্যতে গঢ় লয় বৰ্তমানৰ কাৰ্যাৱলীৰ ওপৰত। সেইকাৰণে আমি সদায় বৰ্তমানৰ সামান্য মুহূৰ্ত এটাকো অনাদৰ কৰিব নালাগিব। যদি সমাজে সুবিধা দিয়ে তেন্তে কেইজনমান সম্ভাৱনাপূৰ্ণ লিখক-লিখিকা চকুত পৰিছে যি আমাৰ ভৱিষ্যত সমৃদ্ধ কৰিব বুলি আশা। কোনজনৰ ভাল লাগে, কিয় ভাল লাগে উত্তৰ দীঘলীয়া হ'ব।

৮। যোৱা আন্দোলনৰ ওপৰত দুই-এক লিখিছে। এই দিশত লিখকসকল উদাসীন নহয়, বৰং বেছিকৈ জড়িত (involve)। আন্দোলন শেষ হোৱা, ঢৌ মাৰ যাওঁতে সময় ল'ব। ই এক ভয়াবহ অধ্যায় আবু অতি স্পৰ্শকাতৰো। ইয়াৰ ওপৰত গল্প-উপন্যাস লিখা সহজ কাম নহয়।

'চেতনাস্ৰোতৰ ওপৰত আলোকপাত কৰা'—ইত্যাদি এই বাক্যাংশটো মূল প্ৰশ্নৰ আবু বাক্যৰ লগত এঁঠা লগাই দিয়াৰ ফলত খেলি-মেলিৰ সৃষ্টি হৈছে। প্ৰশ্নটোৰেও যথাৰ্থতা হেৰুৱাইছে। 'ৰসবোধসম্পন্ন' বিশেষণটোও অলাগতিয়াল। 'চেতনা-স্ৰোত' বোলোতে যদি stream of conseiussness বুজোৱা হৈছে, তেন্তে সি এক সুকীয়া আলোচনাৰ বিষয়।



৯। কোনো স্ৰষ্টায়ে নিজৰ সৃষ্টিক লৈ কেতিয়াও আত্ম-সন্তুষ্টি লাভ কৰিব নোৱাৰে বুলিয়েই মই ভাবোঁ। মোৰ শ্ৰেষ্ঠ গল্পটো লিখিব নোৱাৰিলে আবু নোৱাৰিমো। প্ৰিয় গল্প-কবিতা আছে। সেই নামৰ গল্প সংকলন এখন ('মোৰ প্ৰিয় গল্প') ওলাইছে।

১০। এই প্ৰশ্নৰ উত্তৰ প্ৰসংগক্ৰমে দিয়া হৈছে। 'প্ৰেৰণা' অতি আকস্মিকভাৱে আহে। ক'ৰ পৰা কেনেকৈ আহে আঙুলি দি দেখুৱাবলৈ টান। খুন্দাটো কিন্তু ভিতৰৰ, তাৰ বেদনাটো নিজৰ। প্ৰশংসা-বঁটা আদিয়ে বেছি আগবঢ়াব নোৱাৰে।

মই উঠি অহা সকলক বেছি ভাল পাওঁ, তেওঁলোকৰ সঙ্গ-সুখ বিচাৰোঁ আবু তেওঁলোকৰ মতামতক বেছি মূল্য দিওঁ। কিন্তু শিক্ষক হোৱাৰ কাৰণে তেওঁলোকক ঘনিষ্ঠভাৱে পোৱা টান হ'ল।

× × ×

"মানুহ হৈছে সপোনক দিঠকলৈ পৰিণত কৰা শিল্পী। সেইহে মই মানুহ —মই শিল্পী আপোনালোক মানুহ— আপোনালোক প্ৰত্যেকজনেই শিল্পী। পৃথিৱীখন শিল্পীৰ ঘৰ, শিল্পীৰ কাৰখানা, আৰু শিল্প-সংস্কৃতিৰ সম্পদৰ প্ৰদৰ্শনী। ইয়াকে শিল্পীয়ে-আজি নিখিল পৃথিৱীৰ শিল্পীয়ে মানুহক উপলব্ধি কৰাব লাগিব।"

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ॥

# ইমান ধুনীয়া মুকুতাৰ মালা ঃ
# শিল্পী তাৰিকউদ্দিন আহমেদৰ লগত
# এটি সাক্ষাৎকাৰ ঃ

যোৱা ১৪ জুলাই ১৯৮৭ তাৰিখে শিল্পী তাৰিকউদ্দিন আহমেদ আমাৰ ঘৰলৈ আহিছিল। সোণালী কণ্ঠৰ(Golden voice) অধিকাৰী আৰু এসময়ত অসমৰ তালাত মেহমুদ বুলি জনাজাত এই আজীৱন শিল্পী সাধকজনক সেইদিনা তেনেই ওচৰৰ পৰা লগ পোৱাৰ আৰু তেখেতৰ গীত শুনাৰ সৌভাগ্য হৈছিল। সেইদিনাই মই তেখেতক তেখেতৰ সঙ্গীত-জীৱনৰ ওপৰত কেইটিমান প্ৰশ্ন সুধিছিলোঁ। তেখেতৰ উত্তৰসমূহৰ পৰা আমাৰ বহুতেই তেখেতৰ বিষয়ে জানিবলৈ সুবিধা পাব বুলি ভাবি, সাক্ষাৎকাৰটি গুতাই পঢ়ুৱৈ সমাজৰ আগত ডাঙি ধৰাৰ প্ৰয়াস কৰিছোঁ।

সাক্ষাৎ গ্ৰহণকাৰী— অদিতি ভূঞা

প্ৰশ্নঃ— আপুনি কিমান বছৰ বয়সৰ পৰা গানৰ চৰ্চা কৰি আহিছে ?

**আহমেদদেৱৰ উত্তৰঃ—** মই প্ৰায় ন বছৰ বয়সৰ পৰাই গানৰ চৰ্চা কৰিছোঁ। তেতিয়া গান শিকিবলৈ কোনো স্কুল নাছিল। গতিকে নিজে নিজেই শিকিছিলোঁ। মই তেতিয়া যিটো গীত এবাৰ শুনিছিলোঁ, লগে লগেই তাক আয়ত্ব কৰিব পাৰিছিলোঁ। সেইটো এটা শক্তি মোক ভগৱানে দিছিল। গতিকে সৰুৰে পৰাই গান গাবলৈ লৈছিলোঁ।

প্ৰশ্নঃ— আপুনি কাৰ ওচৰত প্ৰথমে সঙ্গীত শিক্ষা গ্ৰহণ কৰিছিল ?

উত্তৰঃ— মোৰ প্ৰথম গুৰু হৈছে আমাৰ ইয়াতে এসময়ত কাম কৰা অভয়াপুৰীৰ কুমাৰ শৈলেন ৰায়। পুলিচ ডিপাৰ্টমেণ্টত কাম কৰিছিল। এদিন তেখেত বাটেদি যাওঁতে মই গান গাই থকা শুনি আমাৰ ঘৰত সোমাল। তেখেতে ক'লে "মই অকণমান তবলা বজাওঁনে ?" মই ক'লো "বজাওক।" তেতিয়া মোৰ তাল-মানৰ জ্ঞান বৰ বেছি নাছিল। তেখেতে তবলা বজালে। কি গাইছোঁ নাজানো আৰু। তালনো কাক কয়, সুৰনো কাক কয়, সেয়াও নাজানো। মোৰ ঘৰ থানাৰ ওচৰতে বাবে এদিন তেখেত আহিল আৰু মোক ওচৰৰে হোটেললৈ লৈ গৈ চাহ- তাহ খুৱাই টেবুলতে তবলা বজাই মোক গানৰ তালিম দিবলৈ ধৰিলে। তেখেতেই মোৰ প্ৰথম গুৰু। তাৰ পাছত মই শিকিছোঁ, মোৰ বন্ধুও হয় আৰু গুৰুও হয়, ৺দুৰ্গাপ্ৰসাদ ভূঞাৰ ওচৰত। তেখেতে মলিন বৰাৰ গীতবিলাক সুৰ দি মোৰ হতুৱাই গোৱাইছিল। মলিন বৰা কবি। সদায় আমাৰ গানৰ মজলিছলৈ আহে। এদিন কেপ্তেইনে (ইক্ৰামুল মজিদ, যশস্বী গায়িকা পাৰবীন চুলতানাৰ দেউতাক) ক'লে 'আপুনি কেনেকুৱা কবি হে। গান এটাকে লিখিব নোৱাৰে !" লগে লগে বৰাই লিখিলে "সৰা শেৱালি বনে, কোন অতিথি তুমি, আহি দিলাহি দেখা, আজি মধুৰ ক্ষণে।" দুৰ্গা-প্ৰসাদ ভূঞাই সুৰ দিলে। মই গালোঁ। অপূৰ্ব গান হৈছিল। তেতিয়াৰ পৰাই বৰাই গীত লিখা হ'ল। তাৰ পাছত তেখেতৰ "ইমান ধুনীয়া মুকুতাৰ মালা" এই গীতটো মই ১৯৪৭ চনত ৰেকৰ্ড কৰিছিলোঁ। আজি দুকুৰি বছৰ হৈ গ'ল। মোৰ বোধেৰে অসমত এনেকুৱা জনপ্ৰিয় গীত দ্বিতীয় এটা নাই। বৰ্তমান ই জনপ্ৰিয় হৈছে।

প্ৰশ্নঃ— পিছলৈ আপুনি ভাৰতৰ কোনোবা বিখ্যাত গায়কৰ ওচৰত সঙ্গীত শিকিছিল নেকি ?

উত্তৰঃ— ঠিক ওচৰত নহয়, কিন্তু ভাৰতৰ বহু-জন ওস্তাদৰ পৰা মই অলপ হ'লেও সঙ্গীত শিক্ষা পাইছোঁ।

প্ৰশ্নঃ— আপুনি গীতত কেনেকৈ সুৰ-সংযোগ কৰে ?

উত্তৰঃ— ঘাইকৈ শাস্ত্ৰীয় সঙ্গীতৰ ভেটিতেই মই গীতৰ সুৰ ৰচনা কৰোঁ। কাৰণ প্ৰথমে মই দুৰ্গাপ্ৰসাদ ভূঞা আৰু ইক্ৰামুল মজিদৰ লগ লাগি লক্ষ্ণৌ সঙ্গীত কলেজৰ পাঠ্যক্ৰম আনি তাত দি থোৱা নিয়মমতে ৰাগ-ৰাগিণীসমূহ চৰ্চা কৰিছিলোঁ। সেইবাবেই মোৰ গানবিলাকৰ সুৰ মূলতঃ ৰাগৰ ওপৰত প্ৰতিষ্ঠিত। কেৱল মনোৰঞ্জনৰ কাৰণে অলপ মডাৰ্ণাইজ কৰিব লগা হৈছে।

প্ৰশ্নঃ— আপুনি প্ৰথম যেতিয়া গান গাইছিল, তেতিয়া ঘৰৰ পৰা বা সমাজৰ পৰা কিবা অসুবিধা পাইছিলনে ?

উত্তৰঃ— মই যেতিয়া গান গাবলৈ লৈছিলোঁ, তেতিয়া অসমৰ কথা নকওঁ, নগাঁৱত সঙ্গীতৰ কোনো পৰিবেশ নাছিল। মোৰ দেউতা সৰুতেই ঢুকাল যদিও মায়ে হলে সঙ্গীত চৰ্চাৰ ক্ষেত্ৰত কোনো বাধা দিয়া নাছিল। কিন্তু ঘৰৰ ওচৰৰ মানুহ-বিলাকে কৈছিল—"ই গান- বাজানা শিকিছে যেতিয়া গ'ল আৰু।" পিছে, অল ইণ্ডিয়া ৰেডিঅ'ত গান গাবলৈ লোৱাৰ পাছত তেওঁলোকে মোৰ লগত নানা ধৰণৰ সম্পৰ্ক উলিয়াই গৌৰৱ কৰিবলৈ লৈছিল।

প্ৰশ্নঃ— আপুনি এজন ভাল গজল গায়ক। সেইহিচাপে গজলৰ পূৰ্বৰ গায়কী ঢঙৰ লগত বৰ্তমানৰ গায়কী ঢঙৰ কিবা পাৰ্থক্য আপুনি দেখা পাইছে নেকি ?

উত্তৰঃ— নিশ্চয়। আগতে আমি যি গজল গাইছিলোঁ, সেয়া হৈছে Traditional ঢঙৰ। আমি আগতে গাইছিলোঁ মীৰজাফ আলী, বাহাদুৰ শ্বাহ জাফৰ আদিৰ গজল। কিন্তু বৰ্তমানৰ গায়কী ঢঙ সম্পূৰ্ণ ৰূপে ভিন্ন! বৰ্তমান শাস্ত্ৰীয় সঙ্গীতৰ ওপৰত ভিত্তি কৰিলেও, কিছু পৰিমাণে মনোৰঞ্জনৰ ওপৰত

দৃষ্টি ৰাখি সুৰ দিয়া হয়।

প্ৰশ্নঃ — আগতে গীতবিলাকৰ স্বৰলিপি নাছিল। কিন্তু বৰ্তমান স্বৰলিপি প্ৰণালী সঙ্গীতৰ অপৰিহাৰ্য অঙ্গ হৈ পৰিছে। এই সন্দৰ্ভত আপোনাৰ মতামত ?

উত্তৰঃ – হয়, আগতে আছিল গুৰুমুখী বিদ্যা। পিছে এতিয়া স্বৰলিপি পদ্ধতিৰ প্ৰয়োগ কৰা হৈছে। কিন্তু স্বৰগম, It is essentially required just to learn. ইয়াৰ যোগেদি কণ্ঠৰ যি আবেগ, যি গভীৰতা সেয়া প্ৰকাশ কৰিব নোৱাৰি।

প্ৰশ্নঃ — আপুনি এতিয়ালৈকে কাৰ কাৰ গীত গাইছে ?

উত্তৰ: – মই প্ৰথম ৰেডিঅ'ত গান গাবৰ সময়ত গান বিচাৰি ফুৰিব লাগিছিল। মই তেতিয়া প্ৰথম ৺কমলানন্দ ভট্টাচাৰ্য (প্ৰখ্যাত তবলাবাদক বিবেকানন্দ ভট্টাচাৰ্যৰ দেউতাক)ৰ "পুৱাতে কৰিলি কা", ৺আনচাৰউদ্দিন আহমেদৰ "আবু কিমান যাতনা দিয়া নিঠুৰ প্ৰিয়া" শ্ৰীযাদৱ শৰ্মাৰ "দখিনা পৱনে কাণে কাণে" আদি গান গাইছিলোঁ। তেতিয়া মুষ্টিমেয় গায়ক আৰু গীতিকাৰো আছিল মুষ্টিমেয়। সেইবাবে যিকোনো গান হ'লেই হৈছিল। এতিয়া অৱশ্যে গায়ক, লেখক একোৰে অভাৱ নাই। তথাপিও বৰ্তমানৰ লেখকসকলৰ ভিতৰত নলিন বৰা, নলিনীবালা দেৱী, লক্ষহীৰা দাস আদিয়ে ভাল লিখে আৰু মই তেওঁলোকৰ গীতেই বেছিকৈ এতিয়া গাওঁ।

প্ৰশ্ন — আপুনি গোৱা আপোনাৰ প্ৰিয় গীত কোনটো ?

উত্তৰঃ— মইতো বহুত গীতেই গাইছোঁ আৰু সেই প্ৰত্যেক গীতেই মোৰ প্ৰিয়। তথাপিও ৰাইজৰো প্ৰিয় এই গীতটো "ইমান ধুনীয়া মুকুতাৰ মালা" মোৰ অতিকৈ প্ৰিয়।

প্ৰশ্ন: – আপুনি কোনো কথাছবিৰ সঙ্গীতাংশত অংশ গ্ৰহণ কৰিছে নেকি ?

উত্তৰ:— মই প্ৰথম "বিপ্লৱী" কথাছবিত গান গাইছিলোঁ। গীতটো আছিল "ধূলিৰ ধৰাত, আপোন পাহৰি, খেলিছোঁ কেৱল ধূলিৰ খেলা।" তদুপৰি কলিকতাৰ প্ৰভাত মুখাৰ্জীয়ে পৰিচালনা কৰা 'পুৱেবুণ' নামৰ কথাছবিত মই সঙ্গীত পৰিচালনা কৰিছিলোঁ। বোম্বাইৰ বিখ্যাত সঙ্গীত পৰিচালক নৌশাদ আৰু অ, পি, নায়াৰেও মোক সুবিধা দিব খুজিছিল যদিও ব্যক্তিগত অসুবিধাৰ বাবেই মই সেই সুবিধা গ্ৰহণ কৰিব নোৱাৰিলোঁ।

প্ৰশ্ন: – বৰ্তমানৰ গায়ক-গায়িকাসকলৰ মাজত আপুনি কিহৰ প্ৰভাৱ দেখা পাইছে ? তেওঁলোকক আপুনি কিবা ক'ব খোজে নেকি ?

উত্তৰঃ– বৰ্তমান উদীয়মান গায়ক-গায়িকা-সকলৰ মাজত মই প্ৰধানকৈ আগ্ৰহৰ অভাৱ দেখিবলৈ পাইছোঁ। আগতে আমি কোনো এজন ওস্তাদ দেখিলে, তেওঁৰ পৰা কেনেকৈ কিবা এটা গ্ৰহণ কৰিব পাৰোঁ, তাৰ চেষ্টাত থাকোঁ। কাৰণ আগ্ৰহী ছাত্ৰ হ'লেহে এটা সময়ত ভাল শিক্ষক হ'ব পাৰি।

তদুপৰি, বৰ্তমান শতকৰা ৮০ ভাগ ছাত্ৰ-ছাত্ৰীৰ মাজতে সাধনাৰ অভাৱ। কিন্তু সাধনাৰ অবিহনে কোনো ক্ষেত্ৰতেই পূৰ্ণ দখল লাভ কৰিব নোৱাৰি। সেইবাবে মই তেওঁলোকক ক'ব খোজো যে তেওঁলোকে আগ্ৰহী মানসিকতাৰে সৈতে সাধনাত ব্ৰতী হ'লেহে সাফল্য লাভ কৰিব পাৰিব। ●



# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ঃ

অসমৰ স্ত্ৰী শিক্ষাৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত নগাঁও জিলা তথা মধ্য অসমৰ একমাত্ৰ স্ত্ৰী শিক্ষানুষ্ঠান হ'ল নগাঁও ছোৱালী কলেজ। এই কলেজৰ ছাত্ৰীসকলৰ অকুণ্ঠ সমৰ্থনত ১৯৮৬–৮৭ চনৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হিচাবে বিনা প্ৰতিদ্বন্দিতাৰে মই নিৰ্বাচিত হওঁ। কলেজৰ সমূহ ছাত্ৰীৰ আশা-আকাংখ্যা, অভাৱ-অভিযোগৰ প্ৰতিনিধিত্ব কৰা এই ছাত্ৰী একতা সভাৰ কাৰ্য্যক্ৰমনিকাত নিজকে জড়িত কৰি মই গৌৰৱান্বিত। কলেজৰ চাৰিবেৰৰ মাজত আৱদ্ধ কাৰ্য্যকলাপৰ যোগেদি মই আৰু মোৰ সহযোগীসকলে কিমান দূৰ কৃতকাৰ্য্যতা লাভ কৰিলোঁ সেইটো ছাত্ৰী বান্ধৱীসকলৰ বিচাৰ্য্য। অৱশ্যে এই দায়িত্ব আমি নিঠা সহকাৰে পালন কৰিছোঁ বুলি ভাবো।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে বিগতবছৰৰ দৰে এইবাৰো ২৭।১২।৮৬ তাৰিখৰ পৰা ৩০।১২।৮৬ তাৰিখলৈ চাৰিদিনীয়া কাৰ্য্যসূচীৰে বাৰ্ষিক কলেজ সপ্তাহ সমাৰোহ পালন কৰা হয়। এই বাৰ্ষিক কলেজ সপ্তাহ সমাৰোহত বিভিন্ন ক্ৰীড়া, সঙ্গীত আৰু সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। যিসকল ছাত্ৰীয়ে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিলে আৰু যিসকলে দৰ্শক ৰূপে খেল পথাৰত উপস্থিত থাকি প্ৰতিযোগীসকলক উৎসাহ-উদ্দীপনা যোগালে সেইসকল ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ব্যক্তিগত সুবিধা-অসুবিধালৈ আওকাণ কৰি কলেজৰ বাৰ্ষিক সপ্তাহ উৎসৱত অকৃত্ৰিম ভাৱে আমাক সহযোগিতা আগবঢ়োৱা বাবে সমূহ অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীসকললৈ মোৰ ভক্তিপূৰ্ণ শ্ৰদ্ধা যাচিলোঁ।

কলেজৰ পৰিচালনা সমিতিৰ সভাপতি মাননীয় মঃ আবু চামাদেৱৰ সভাপতিত্বত বটা বিতৰণী সভাখন পতা হয়। উক্ত সভাত মুখ্য অতিথি আৰু বিশিষ্ট অতিথি ৰূপে যোগদান কৰি যথাক্ৰমে শ্ৰীৰজনীকান্ত দেৱা শৰ্মা আৰু শ্ৰীলীলাৱতী শইকীয়া (বৰা) ই বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰে। সেইদিনাৰ সভাৰ শেষত অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰি অসমৰ মৰমৰ গায়ক শ্ৰীখগেন মহন্তই তেখেতৰ শুৱলা গীতেৰে উপস্থিতিসকলক বিমল আনন্দ দিয়ে। বহুমূলীয়া সময় নষ্ট কৰি সভাপতি, মুখ্য অতিথি আৰু বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ কাৰণে তেখেতসকলৰ ওচৰত আমি চিৰকৃতজ্ঞ হৈ ৰলোঁ।

এই বছৰটো ছাত্ৰীসকলৰ কাৰণে বৰ আনন্দৰ বছৰ। কিয়নো এই বছৰ আমাৰ কলেজ প্ৰতিষ্ঠাৰ ২৫ বছৰ পূৰ হয়। সেয়ে ১২ চেপ্তেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্য্যসূচীৰে কলেজৰ ৰূপালী জয়ন্তী উৎসৱ পালন কৰা হয়। ছাত্ৰীসকলে বিভিন্ন কামকাজত সহায়-সহযোগিতা কৰি উৎসৱটি সাফল্যমণ্ডিত কৰি তোলে।

ৰূপালী জয়ন্তী উৎসৱৰ বিভিন্ন কাম-কাজত লাগি থাকিব লগা হোৱাৰ কাৰণে মহাপুৰুষ গুৰু দুজনাৰ তিৰোভাব তিথি অনুষ্ঠুপীয়াকৈ পালন কৰা হয়।

এই বছৰ আমাৰ কলেজৰ দুজন অধ্যাপক আমাৰ মাজৰ পৰা আঁতৰি আন কলেজলৈ যায়। সেই দুজন হ'ল অসমীয়া বিভাগৰ অধ্যাপক মাননীয় মঃ ইদ্ৰিছ আলি আৰু ভুগোল বিভাগৰ অধ্যাপক শ্ৰীভূপেন তালুকদাৰ। ছাত্ৰীসকলৰ তৰফৰ পৰা এখনি বিদায় সভা পাতি তেখেতসকলক বিদায় দিয়া হয়। এই সভাত ইতিহাসৰ অধ্যাপক শ্ৰীযুত মহেশ ভূঞা আৰু অসমীয়া বিভাগৰ অধ্যাপক শ্ৰীযুত যোগেন্দ্ৰনাৰায়ণ ভূঞাই দুয়োজন ছাৰবে ব্যক্তিগত জীৱনৰ বিষয়ে ছাত্ৰীসকলৰ আগত বহলাই কয়। সেইদিনা ছাত্ৰীসকলৰ মাজত শোকৰ ছাপ দেখিবলৈ পোৱা যায়।

**আমাৰ অভাৱ-অভিযোগঃ**—২৫ বছৰে গৰকা এই কলেজখন বিভিন্ন অভাৱ-অভিযোগেৰে ভৰপূৰ। অভাৱসমূহৰ বিষয়ে আমি অধ্যক্ষ মহোদয় প্ৰমুখ্যে কলেজ কৰ্তৃপক্ষক বহুবাৰ জনাইছোঁ। যোৱা ১৪ চেপ্তেম্বৰ তাৰিখে ছাত্ৰীসকলৰ বিভিন্ন অভাৱ-অভিযোগৰ বিষয়ে বৰ্ণনাই অসমৰ মুখ্য মন্ত্ৰী মহোদয়ৰ হাতত এখন স্মাৰক পত্ৰ দিওঁ।

বেছি সুবিধাজনক নহলেও দুই এটা অভাৱ পূৰ হৈছে। গতিকে বাকী অভাৱসমূহো অনতিপলমে পূৰণ কৰি ছাত্ৰীসকলক কৃতাৰ্থ কৰিব বুলি আশাৰে বাট চাই ৰলোঁ।

**অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলিঃ**— অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জ্ঞাত-অজ্ঞাত যিসকলে প্ৰাণ উছৰ্গা কৰি আমাৰ কাষৰ পৰা অন্তিম বিদায় ললে সেই ছহীদসকললৈ আমাৰ হৃদয়ৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিৰ্বেদিলোঁ।

বিগত কালছোৱাত আমাৰ মাজৰ পৰা আঁতৰি যোৱা প্ৰাক্তন প্ৰধান মন্ত্ৰী চৰণ সিং আৰু বিখ্যাত গায়ক তথা অভিনেতা কিশোৰ কুমাৰৰ মৃত্যুত গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

**কৃতজ্ঞতাঃ**— মোৰ কাৰ্য্যকালত সজ উপদেশ, সজ পৰামৰ্শ লৈ কৰ্তব্য পালনৰ প্ৰতিটো দিশতে উৎসাহ যোগোৱা শ্ৰদ্ধাস্পদ শিক্ষাগুৰুসকললৈ মোৰ ভক্তিপূৰ্ণ শ্ৰদ্ধা যাচিলোঁ।

বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগ কৰি অন্তৰঙ্গতাৰে প্ৰেৰণা যোগোৱা এইসকল বান্ধৱী অদিতি, মেৰী, জীনা, ঝৰ্ণা, শৰ্মিলা, মুক্তা, পদ্মা, কবিতা, অৱন্তী, ৰীতা, ইন্দ্ৰানী, প্ৰণতি, যুতিকা। স্বৰ্ণলিপিৰ লগতে ছাত্ৰী নিবাসৰ সমূহ ছাত্ৰীৰ ওচৰত চিৰকালেই কৃতজ্ঞ।

অধ্যক্ষ মহোদয়ৰ সজ-উপদেশৰ কথা কোনো দিনেই পাহৰিব নোৱাৰিম।

কেতিয়াবা যদি অজানিতে কিবা ভুল-ত্ৰুটি কৰিছিলোঁ তাৰ বাবে মই এই সুযোগতে সকলোৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ।

শেষত নগাঁও ছোৱালী কলেজৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু নগাঁও ছোৱালী কলেজ—

শ্ৰীপ্ৰীতি দেৱী,
সাধাৰণ সম্পাদিকা
ছাত্ৰী একতা সভা।

## সঙ্গীত সম্পাদিকাৰ প্ৰতিবেদন ঃ

জয়জয়তে নগাঁও ছোৱালী কলেজৰ প্ৰত্যেক শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা-ভক্তি জনোৱাৰ লগতে প্ৰতি গৰাকী ছাত্ৰী বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। মই যি লিখিবলৈ ওলাইছোঁ তাত মোৰ অজ্ঞানিতে নানা দোষ-ত্ৰুটী হৈ যাব পাৰে। তাক যেন আপোনালোক সকলোৱে ক্ষমা কৰিব।

একেৰাহে দুবছৰ মই "নগাঁও ছোৱালী মহাবিদ্যালয়ৰ" সঙ্গীত সম্পাদিকাৰ দায়িত্ব ভাৱ বহন কৰিবলগীয়াত পৰো। দায়িত্ব ভাৱ গ্ৰহণ কৰাৰ পিছতেই আমাৰ ওপৰত পৰিহি "কলেজ সপ্তাহ সমাৰোহ"। খেল-ধেমালি আৰু আন বহুতো বিষয়ৰ ওপৰত প্ৰতিযোগিতা হোৱাৰ লগতে সঙ্গীতৰ নানা বিষয়ৰ ওপৰত প্ৰতিযোগিতা পাতিছিলোঁ। সৌভাগ্যৰ কথা এয়ে যে যোৱা বছৰৰ কলেজ আলোচনীৰ প্ৰতিবেদনত লিখিবলগীয়া হোৱাৰ দৰে কেৱল মাত্ৰ পাঁচ, ছয় গৰাকী প্ৰতিযোগী বুলি এই বছৰৰ (ৰূপালী জয়ন্তী-বৰ্ষ সংখ্যা) প্ৰতিবেদনত লিখিবলগীয়া নহয়। কিন্তু ১৯৮৭ চনৰ ডিচেম্বৰত অনুষ্ঠিত হোৱা "কলেজ সপ্তাহ সমাৰোহত" সেই একেষাৰ কথাৰে পুনৰাবৃত্তি হ'ল — আৰু মোৰ মতেৰে সেয়া সম্ভৱ হ'ল "কলেজ সপ্তাহ" আগতীয়াকৈ অনুষ্ঠিত হোৱাৰ কাৰণে— কলেজৰ বাছনী পৰীক্ষা দি উঠিয়েই ছাত্ৰীয়ে নিজকে সাজু কৰিবলৈ অতি কম সময় পোৱাৰ বাবে। মোৰ কাৰ্য্যকালৰ "কলেজ সপ্তাহ সমাৰোহ" শেষদিনাৰ সাংস্কৃতিক অনুষ্ঠানটোৰ কাৰণে মই নিমন্ত্ৰণ জনাইছিলোঁগৈ অসমৰ অতি চেনেহৰ গায়ক-গায়িকা শ্ৰীযুত খগেন মহন্ত আৰু শ্ৰীঅৰ্চনা মহন্তক। স্বাস্থ্যজনীত কাৰণত শ্ৰীঅৰ্চনা মহন্ত আহিব নোৱাৰিলে যদিও শ্ৰীযুত খগেন মহন্তদেৱে আহি আমাৰ কলেজ সপ্তাহ সমাৰোহৰ সাংস্কৃতিক অনুষ্ঠানটোৰ যি সৌষ্ঠৱ বৃদ্ধি কৰিলেহি তাৰবাবে মই তেখেতৰ ওচৰত চিৰকৃতজ্ঞ।

"ৰূপালী জয়ন্তী" উৎসৱ আৰম্ভ নহওঁতেই বিদায় দিব লগীয়া হ'ল আমাৰ শ্ৰদ্ধাৰ অধ্যাপক ইদ্ৰিছ আলি আৰু শ্ৰীযুত ভূপেন তালুকদাৰদেৱক। ইদ্ৰিছ আলিদেৱে সঙ্গীত বিভাগৰ তদাৰক কৰিছিল। আলি চাৰক বিদায় দিয়াৰ দিনা মই বৰ অকলশৰীয়া অনুভৱ কৰিছিলোঁ। ছাৰৰ গীত, সুৰ আৰু কিছুমান স্মৰণীয় কথা সেইদিনা বাৰে বাৰে মোৰ মনত ভুমুকি মাৰিছিল। ছাৰে মোক প্ৰতিটো খোজত বাট দেখুৱাই কলেজৰ কাম সুকলমে পাৰ কৰাত গুৰি ব'ঠা ধৰিছিল। ছাৰৰ কাষত মোৰ কৃতজ্ঞতা প্ৰকাশ কৰাৰ ভাষা নাই।

"ৰূপালী জয়ন্তী উৎসৱ সমিতি" এদিন গঠন হ'ল। বিভিন্ন বিষয়ত উপ-সমিতি গঠন হ'ল। সাংস্কৃতিক উপ-সমিতিখনত মোকো অন্যতম সদস্যা ৰূপে নিৰ্বাচন কৰিলে। ১৯৮৭ চনৰ চেপ্তেম্বৰৰ ১২-১৩,১৪ তাৰিখে ৰূপালী জয়ন্তী উৎসৱ পালন কৰা হ'ল। প্ৰত্যেক দিনেই সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান পতা হৈছিল। অধ্যাপক-অধ্যাপিকা, ন-পুৰণি ছাত্ৰী আৰু নিমন্ত্ৰিত প্ৰতিষ্ঠিত শিল্পীৰ দ্বাৰা পৰিবেশিত বিভিন্ন কাৰ্য্যসূচীৰে তিনিদিনীয়া উৎসৱৰ সামৰণি পৰিল।

আগৰ পৰাই কলেজত সাংস্কৃতিক অনুষ্ঠান এখন পাতিবলৈ হ'লে বিশেষকৈ সম্পাদিকাই নানান সমস্যা নিজে সমাধান কৰিবলগীয়াত পৰে। বিশেষকৈ বাদ্যযন্ত্ৰৰ অভাৱ এটা মূল সমস্যা হৈ পৰে। কলেজৰ তেনে-বোৰ অসুবিধা দুৰ কৰিবলৈ অসমৰ শিক্ষাধিকাৰ মহোদয়ৰ পৰা ৫০০০'০০ (পাঁচ হাজাৰ) টকা অনুদান স্বৰূপে পাওঁ। সেই টকাৰ মুঠ ২৭৩৮'০০ টকাৰে এখন হাৰমনিয়াম, এখন তানপুৰা, এখন মেন্দুলীন, এখন গীতাৰ কিনো। কিন্তু অতি দুখেৰে জনাওঁ যে অতি প্ৰয়োজনীয় তবলা যোৰৰ লগতে বাকী কেইটামান বাদ্যযন্ত্ৰ কিছুমান অসুবিধাৰ কাৰণে কিনিব নোৱাৰিলোঁ। বাদ্যাথিনি কিনি সেইবোৰক নষ্ট নোহোৱাকৈ ৰখাটো সঙ্গীত সম্পাদিকাৰ লগতে কলেজ কৰ্তৃপক্ষৰো দায়িত্ব। মই আমাৰ কলেজৰ অধ্যক্ষ মহোদয়ক এটা আলমাৰী বাদ্য-যন্ত্ৰাথিনি ভালকৈ থবৰ বাবে যোগান ধৰাৰ কথা মোৰ কাৰ্য্যকালতে কৈছিলোঁ। কিন্তু মোৰ কাৰ্য্যকালত সেই কাম হৈ নুঠিল। মই সম্পূৰ্ণ ভৰষা ৰাখিছোঁ মোৰ পিছৰ সঙ্গীত সম্পাদিকাৰ দিনত এইবিধ সামগ্ৰী লাভ কৰিবলৈ সক্ষম হ'ব। মই এই প্ৰতিবেদনৰ জৰিয়তে অধ্যক্ষ মহোদয় আৰু বৰ্তমানৰ সঙ্গীত সম্পাদিকাক অনুৰোধ জনাওঁ যে মোৰ কাৰ্য্যকালত কিনা বাদ্যযন্ত্ৰাথিনি আৰু কিনিবলৈ বাকী থকা বাদ্যযন্ত্ৰাথিনি কিনি সেইবোৰ যাতে আলৈ-এথানি হৈ পৰি নাথাকে তাৰ এটা সু-ব্যৱস্থা কৰিব।

আমাৰ কলেজখনত অতি প্ৰয়োজনীয় হৈ পৰিছে এটা ডাঙৰ "প্ৰেক্ষাগৃহৰ"। পাঠকে হয়তো ভাবিছে কলেজৰ চালি দিয়া ঘৰ কেইটাকে গুচাব পৰা নাই। সঙ্গীত সম্পাদিকাই ইফালে প্ৰেক্ষাগৃহৰ কথা কয়। পাঠকে চাগৈ আলাসত চাং পতা কথা বুলি ভাবিছে। যিদৰে কলেজখনত ক্লাছ কৰিবলৈ কোঠাৰ নিতান্তই প্ৰয়োজনীয় তেনেদৰে কলেজ প্ৰেক্ষাগৃহটো কলেজৰ অপৰিহাৰ্য্য অঙ্গ। অৱশ্যে আমাৰ কলেজখনৰ বয়স মাত্ৰ পঁচিশ বছৰহে। তথাপিও আৰ্থিক অৱস্থাই জুবুলা কৰা অতীত নাভাবি যদি বৰ্তমানত শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় আৰু ছাত্ৰী একতা সভাই আন্তৰিকতাৰে লাগে তেন্তে কলেজখনত এটা স্থায়ী প্ৰেক্ষাগৃহ আমি সোনকালে আশা কৰিব পাৰো। বৰ্তমান যিটো ঘৰত (হল নং ১) আমাৰ অনুষ্ঠানবোৰ উদযাপিত হয় সেই অনুষ্ঠানবোৰত বাহিৰৰ শ্ৰোতাৰ কথা নকওঁৱেই, কলেজৰ পোন্ধৰ শ ছাত্ৰীৰ লগতে কলেজৰ প্ৰতিজন ব্যক্তিয়ে একেলগে বহি অনুষ্ঠানসমূহ উপভোগ কৰাটো কষ্টকৰ হৈ পৰা দেখা গৈছে।

ৰূপালী জয়ন্তী উৎসৱ সামৰণি পৰাৰ পিছতেই আমি পাতিবলগীয়া হয় "নবাগতা আদৰণি উৎসৱ"। ইদ্ৰিছ আলি চাৰক আগতেই বিদায় দি সঙ্গীত বিভাগত মই বৰ অকলশৰীয়া হলোঁ। তথাপিও আগৰ অভিজ্ঞতা আৰু অধ্যক্ষ মহোদয়ৰ পৰামৰ্শৰে মই মোৰ কামত আগ বাঢ়িলোঁ। কোনো বাধা-বিঘিনি নোহোৱাকৈ আদৰণি উৎসৱ সামৰণি পৰিল। আৰু সেই আদৰণি উৎসৱত মোক বিশেষ ভাৱে সহায় কৰা শ্ৰীতোষেশ্বৰ খাটনীয়াৰ, শ্ৰীৰীভা ভড়ালী, মানস বৰুৱা, দুলু আহমেদ, ধ্ৰুৱজ্যোতি শইকীয়া. অতুল ভূঞাৰ ওচৰত মই সদায় কৃতজ্ঞ হৈ ৰ'লো। ইয়াৰ উপৰিও মোৰ দুবছৰীয়া কাৰ্য্য-কালত কলেজ সপ্তাহ, নবাগতা আদৰণি উৎসৱ, আন্তঃ যুৱমহোৎসৱ আদিত সহায় কৰা কেইজনমান ব্যক্তিক বৰ কৃতজ্ঞতাৰে আজি আকৌ সুঁৱৰিছোঁ। তেওঁলোক হ'ল নগাঁও চুপাৰ ছনিক ক্লাবৰ সদস্য স্বৰ্গীয় দিলীপ পাল, শ্ৰীমৃদুল শইকীয়া, ৰাজু বৈদ্য, ৰাণী চৰকাৰ, আব্দুল ৰহমান আদি।

সদৌ শেষত নগাঁও ছোৱালী কলেজৰ ভবিষ্যতৰ আৰু অধিক উন্নতি কামনা কৰি সকলোকে মোৰ প্ৰণিপাত জনাই প্ৰতিবেদন ইমানতেই সামৰিলোঁ।

শ্ৰীৰীতা বৰা, সঙ্গীত সম্পাদিকা
ছাত্ৰী একতা সভা।

# ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ পাতনিতে নগাঁও ছোৱালী কলেজৰ সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ছাত্ৰী একতা সভাৰ ক্ৰীড়া বিভাগৰ সম্পাদিকা হিচাপে নিৰ্ব্বাচিত কৰি যিসকল ছাত্ৰীয়ে এই গধূৰ দায়িত্ব পালনত মোক উৎসাহ দিলে, তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই 'কলেজ সপ্তাহ' উদ্‌যাপন কৰা হৈছিল। নিচেই কম প্ৰতিযোগীৰ সমাবেশত চাৰিদিনীয়া কাৰ্য্যসূচীৰে প্ৰতি-যোগিতাৰ বিভিন্ন খেলৰ ওৰ পেলাওঁ। কলেজ-খনত বহুতো খেলিব পৰা ছাত্ৰী আছে, কিন্তু আগ্ৰহ নাই। মহাবিদ্যালয়ৰ শ-শ ছাত্ৰীৰ ভিতৰত মাত্ৰ দহ-বাৰ গৰাকীমান প্ৰতিযোগীয়েহে খেল-পথাৰত উপস্থিত থাকে। উপযুক্ত অনুশীলন আৰু চৰ্চ্চাৰ অভাৱে আমাৰ শিক্ষানুষ্ঠানৰ ক্ৰীড়াৰ মেৰুদণ্ড বাবুকৈয়ে দুৰ্ব্বল কৰি পেলাইছে। সেয়েহে সম্ভৱপৰ অনুশীলনেৰে ক্ৰীড়াৰ মান উন্নত কৰি চমকপ্ৰদ খেলেৰে কলেজৰ ক্ৰীড়াক্ষেত্ৰ চহকী কৰি তুলিবলৈ অনুৰাগী ছাত্ৰীক আহ্বান জনালোঁ।

মই দায়িত্বত থকা দিনকেইটাৰ মাজত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ আন্তঃ কলেজ ক্ৰীড়া মহোৎসৱ আৰম্ভ হয়। এই মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে অংশ গ্ৰহণ কৰি ক্ৰমে—বাস্কেট বল, ভলী-বল আৰু খো খো প্ৰতিযোগিতাত — সোণৰ, ৰূপৰ আৰু ব্ৰঞ্জৰ পদক লাভ কৰে। প্ৰতিযোগীসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছোঁ।

মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত দিলীপ মেধি আৰু তত্বৱধায়ক শ্ৰীভূপেন তালুকদাৰদেৱৰ অশেষ যত্ন, দিহা-পৰামৰ্শ আৰু সহায়-সহানুভূতিয়ে মোৰ গধুৰ দায়িত্ব সম্পাদন কৰাত যথেষ্ট অৰিহণা যোগাইছিল। তাৰ বাবে তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা আগবঢ়ালোঁ।

মোৰ কাৰ্য্যভাৰ চলাই নিয়াত সকলো সময়তে সহায় কৰা জাপানী বৰা আৰু বান্ধৱীসকলক মই কেতিয়াও পাহৰিব নোৱাৰিম।

সম্পাদিকা হিচাবে মই মোৰ দায়িত্ব কেনেদৰে পালন কৰিছিলোঁ আৰু আপোনালোক কেনেদৰে উপকৃত হৈছিল সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। মই আশা ৰাখিছোঁ যাতে মোৰ কাৰ্য্যকালত বাকী ৰৈ যোৱা কামবোৰ পিছৰ সম্পাদিকাই সমাধান কৰিব।

সদৌ শেষত নগাঁও ছোৱালী কলেজৰ সকলো ছাত্ৰী বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছা যাঁচিলোঁ।

মানৱ জীৱনৰ ঐক্য প্ৰসাৰ' কৰি বিশ্ব ইতি-হাসত ক্ৰীড়াকীৰ্ত্তি স্থাপন কৰি ছাত্ৰী বান্ধৱীসকলে যুগক প্ৰভাৱশীল কৰক, এয়ে কামনা।

নগাঁও ছোৱালী কলেজৰ ভৱিষ্যত উজ্জ্বল হওক। নগাঁও ছোৱালী কলেজৰ ভৱিষ্যত উন্নতি কামনা কৰিলোঁ।

শ্ৰীঅৱন্তী বৰা, ক্ৰীড়া সম্পাদিকা
ছাত্ৰী একতা সভা।

## সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ছাত্ৰী বান্ধবীলৈ অশেষ ধন্যবাদ ঃ যিসকলে ১৯৮৬-৮৭ চনৰ নগাঁও ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ একমাত্ৰ নিৰ্বাচনত সাংস্কৃতিক সম্পাদিকা ৰূপে মোক নিৰ্বাচিত কৰি ছাত্ৰী সেৱাৰ লগতে সমাজ সেৱাৰ সুবিধা দিলে। দ্বিতীয়তে সেইসকল শিক্ষাগুৰুৰ ওচৰত মই চিৰ কৃতজ্ঞ যিসকলৰ উৎসাহ আৰু উদ্দীপনাৰ দ্বাৰা মোৰ কাৰ্য্যকালৰ প্ৰত্যেকটি কাম সুচাৰু ৰূপে পালন কৰিবলৈ সক্ষম হৈছিলোঁ।

সাংস্কৃতিক সম্পাদিকাৰ কাৰ্য্যভাৰ গ্ৰহণৰ পাছতেই "কলেজ সপ্তাহ সমাৰোহ" আৰম্ভ হয়। সেই উপলক্ষে ছাত্ৰীসকলৰ মাজত আবৃত্তি, আকস্মিক বক্তৃতা, স্বৰচিত গল্প, কবিতা আদি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। প্ৰতিযোগিতাসমূহত যোগদান কৰা প্ৰতিযোগীৰ সংখ্যা সন্তোষজনক আছিল। তেওঁলোকে প্ৰত্যেকটি প্ৰতিযোগিতাতে অংশ গ্ৰহণ কৰি প্ৰতিযোগিতাৰ মানদণ্ড উন্নত কৰিছিল। কলেজ সপ্তাহ উপলক্ষে প্ৰতিযোগিতামূলক এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছিল। এই প্ৰদৰ্শনীখনৰ দুৱাৰ মুকলি কৰে অসমৰ বিখ্যাত শিল্পী শ্ৰীযুত প্ৰণৱ কুমাৰ বৰুৱাদেৱে। প্ৰতিযোগিতাৰ বঁটাসমূহ বিতৰণ কৰে শিক্ষাবিদ মাননীয় শ্ৰীযুত ৰজনীকান্ত গোস্বামীদেৱে।

বিগত বছৰৰ দৰে এইবাৰো জ্ঞানৰ অধিষ্ঠাত্ৰী শ্ৰী শ্ৰী সৰস্বতীদেৱীৰ পূজাভাগ তিনিদিনীয়া কাৰ্য্যসূচীৰে পালন কৰা হয়। "বাণী বন্দনা" নামৰ অনুষ্ঠানটিয়ে পূজাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

ইতিহাসে গৰকা নগাওঁ ছোৱালী কলেজ আমাৰ কাৰ্য্যকালতেই পূৰ্ণ-যৌৱন লাভ কৰে। তিনি দিনীয়া বিস্তৃত কাৰ্য্যসূচীৰে কলেজৰ ৰূপালী জয়ন্তী উৎসৱ পালন কৰা হয়। এই উৎসৱত আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্য্যসূচীবোৰে সদৌ ন-গঞা ৰাইজৰ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয়।

ৰূপালী জয়ন্তী উৎসৱৰ বাবেই এইবাৰ মহপুৰুষ দুজনাৰ তিৰোভাৱ অনুষ্ঠুপীয়াকৈ পালন কৰা হয়। এইবোৰ কাম-কাজত আমাৰ একতা সভাৰ কিছুমান বিষয়ববীয়াৰ উপস্থিতিৰ অভাৱ বৰকৈ অনুভৱ কৰিছিলো। ইমান গা-এৰা দিয়া স্বভাৱ অথবা এলাহ থকা স্বত্বেও তেওঁলোক একতা সভাৰ সদস্য হোৱাৰ উদ্দেশ্য কি বুজিব নোৱাৰিলো। তাউৰপৰি মহাবিদ্যালয়ৰ ১২০০-১৩০০ ছাত্ৰীৰ ভিতৰত নিৰ্দিষ্ট কেইগৰাকীমান ছাত্ৰীৰ বাহিৰে বাকীবোৰে এনেবোৰ কাৰ্য্যত বিষয়-ববীয়াসকলক সহায় কৰাৰ কোনো প্ৰয়োজন অনুভৱ নকৰে। ছাত্ৰীনিবাসত থকা ছাত্ৰীসকলেহে যে এনেবোৰ কাম-কাজ কৰিব লাগিব তাৰ কোনো ধৰা-বন্ধা নিয়ম নাই বুলি অন্যান্য ছাত্ৰীসকলে চিন্তা কৰা উচিত। আমি আশা ৰাখিছো নতুনকৈ অহা ছাত্ৰীসকলে কলেজৰ প্ৰত্যেকটি উৎসৱতে অংশ গ্ৰহণ কৰি বিষয়-ববীয়াসকলক সহায় কৰাৰ লগতে কলেজখনৰ প্ৰতি তেওঁলোকৰ নিজা সেৱা আগবঢ়াব বুলি।

সাংস্কৃতিক বিভাগত লাগতিয়াল কেইবিধমান সঁজুলিৰ অভাৱ আমাৰ কলেজত বেছিকৈ পৰিলক্ষিত হয়। মহাপুৰুষ দুজনাৰ তিথি পাতিবৰ সময়ত ঘৰে ঘৰে সেই সঁজুলিবোৰ বিচাৰি ফুৰিব লগা হয়। গুৰুদুজনাৰ তিথিভাগ অকল কলেজ অথবা নামঘৰতে সীমাবদ্ধ নাথাকে। প্ৰত্যেক ঘৰ অসমীয়া মানুহে এই তিথি পালন কৰে আৰু সেয়েহে আমি প্ৰয়োজনীয় সঁজুলি কেইবিধ বিচাৰি নাপাওঁ। কলেজ কৰ্তৃপক্ষই আমাৰ সেই পুতৌলগা অৱস্থাটো সেইদিনাই যি উপলব্ধি কৰে, পাচলৈ পাহৰি যায়। প্ৰতিবেদনৰ জৰিয়তে অধ্যক্ষ মহোদয়ৰ ওচৰত পুনৰ অনুৰোধ জনাওঁ যে মহোদয়ে উক্ত সঁজুলি কেইবিধৰ যোগান ধৰি ছাত্ৰীসকলক সুবিধা কৰি দিয়ে যেন।

সদৌ শেষত, কাৰ্য্যকালৰ প্ৰতিটো বিষয়তে সজ উপদেশ আৰু পৰামৰ্শ দিয়াৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ বৰা, তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত মহেন্দ্ৰ নাথ শইকীয়া আৰু শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞাদেৱৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰলোঁ। তাৰউপৰি বিভিন্ন কাম-কাজত সহায়-সহযোগ কৰি সজ পৰামৰ্শ দানেৰে উপকৃত কৰা বাবে কলেজ কৰ্মচাৰীসকললৈ শ্ৰদ্ধা জনালো আৰু সহৃদয়া বান্ধৱীকেইগৰাকীলৈ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত আৰু উত্তৰোত্তৰ উন্নতি কামনা কৰি কাৰ্য্যকালৰ ভিতৰত অজানিতে কৰা ভুল-ত্ৰুটীবোৰৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নগাঁও ছোৱালী মহাবিদ্যালয়।"

ধন্যবাদেৰে—

**শ্ৰীপদ্মাৱতী দাস**

সাংস্কৃতিক সম্পাদিকা, ছাত্ৰী একতা সভা।

## ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন ঃ

১৯৮৬-৮৭ চনৰ নগাঁও ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক নিৰ্বাচিত কৰাৰ বাবে সমূহ ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

ছাত্ৰী জিৰণি কোঠাটো এখন কলেজৰ অতি আৱশ্যকীয় অঙ্গ। আমাৰ কলেজৰ বহু ছাত্ৰীয়েই অনেক দূৰ-দূৰণিৰ পৰা আহে। তেনে ক্ষেত্ৰত এটা জিৰণি কোঠা আমাৰ কলেজৰ নিতান্তই প্ৰয়োজন! এটা জিৰণি কোঠা আছে যদিও, ইয়াত থাকিব লগীয়া ন্যূনতম সা-সুবিধাখিনি নাই। লগতে ছাত্ৰীৰ সংখ্যাৰ অনুপাতে কোঠাটো সৰু আৰু অসুবিধাজনক।

আমাৰ কাৰ্য্যকালতে কলেজৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰা হয়। সেয়ে উৎসৱৰ আগে আগে জিৰণি কোঠাৰ অসুবিধাবোৰ দূৰ কৰিবলৈ যথাসম্ভৱ চেষ্টাৰ ত্ৰুটী কৰা নাছিলোঁ। সন্মুখত দেখা দিয়া এশ-এবুৰি অভাৱৰ ভিতৰত সকলোবোৰ অভাৱ একেবাৰতে দূৰ কৰাটো সম্ভৱ নহয়। তথাপি কোঠাটোৰ দুৱাৰ-খিৰিকীসমূহত পৰ্দ্দাৰ ব্যৱস্থা কৰা হয়। কলেজৰ ৰূপালী জয়ন্তীৰ পিছতে ছাত্ৰী জিৰণি কোঠাৰ লগতে থকা কলেজৰ পুথি ভঁৰালটো আন ঠাইলৈ স্থানান্তৰ কৰাৰ পাছত কোঠাটো কিছু আহল-বহল হয় যদিও বহা আসনৰ অসুবিধাই

দেখা দিয়ে।

মোৰ কাম-কাজত সহায়-সহযোগ আৰু সু-দিহা পৰামৰ্শ দিয়াৰ বাবে কলেজৰ অধ্যক্ষ মহোদয় আৰু কলেজ কতৃ'পক্ষক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।।

মোৰ কাৰ্যকালত যিবোৰ অভাৱ-অভিযোগ পূৰণ কৰিব পৰা নগল, আশা কৰোঁ মোৰ পিছত নিৰ্বাচিত হোৱা ছাত্ৰী-জিৰণি কোঠাৰ সম্পাদিকাই এই অভাৱ-অভিযোগবোৰ কৰ্ত্তৃপক্ষৰ লগত যোগাযোগ কৰি পূৰণ কৰিব পাৰিব বুলি দৃঢ় বিশ্বাস।

সৰ্বশেষত-নগাঁও ছোৱালী কলেজৰ উজ্জ্বল ভৱিষ্যত কামনাৰে আৰু মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে দিহা-পৰামৰ্শ দি সহায়-সহযোগ কৰা সকলোৰে প্ৰতি কৃতজ্ঞতা স্বীকাৰ কৰি, মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

শ্ৰীপ্ৰণতি বৰা, সম্পাদিকা।
ছাত্ৰীৰ জিৰণি কোঠা

## তৰ্ক আৰু নাট সম্পাদিকা ঃ

জয়জয়তে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ ১৯৮৬-৮৭ চনৰ তৰ্ক আৰু নাট সম্পাদিকা হিচাবে বিনা প্ৰতিদ্বন্দিতাৰে মোক নিৰ্বাচন কৰি এই গধুৰ দায়িত্ব পালন কৰিবলৈ অনুপ্ৰাণিত কৰাত সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকালৰ ভিতৰত ঘাইকৈ কলেজ সপ্তাহ পালন কৰা হয়। বহুদিন বিৰতিৰ পাছত ছাত্ৰীসকলৰ মাজত নাট প্ৰতিযোগিতা পতা হয়। ই আমাৰ বাবে এক আনন্দৰ বিষয়। এই নাট প্ৰতিযোগিতাত শ্ৰীজ্যোতিকা কাকতিয়ে শ্ৰেষ্ঠা অভিনেত্ৰী হিচাবে পৰিগণিত হয়। যোৱা চেপ্তেম্বৰ মাহৰ ১২, ১৩, ১৪ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ পালন কৰা হয়। ইয়াৰ প্ৰথম দিনাই আমাৰ মাজৰ পৰা হেৰাই যোৱা চিৰপূজ্য শিক্ষাগুৰু ৺ বিনয় বৰাৰ স্মৃতিত এখনি তৰ্ক প্ৰতিযোগিতা পতা হয় অনুষ্টুপীয়াকৈ।

আমাৰ ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতাৰ মনোভাৱৰ অভাৱ। আমি আশা কৰিছো যে অনাগত দিনবিলাকত এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমাক অনুপ্ৰাণিত কৰি তোলে যেন।

সদৌ শেষত মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু অধ্যাপক, অধ্যাপিকাসকললৈ মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীঅপূৰ্ব শৰ্মা ছাৰৰ ওচৰত মোৰ শত-সহস্ৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। সকলো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীসকললৈ মোৰ হিয়াৰ ফুলাম গামোচাখনি দুহাত মেলি অৰ্পণ কৰিলো।

মোৰ সকলো কামতে সজ দিহা-পৰামৰ্শ দিয়াত শ্ৰীপ্ৰীতি, ৰীতা, কবিতা, মুক্তা, অদিতি, পদ্মাৱতী, কবিতা বাইদেউলৈ মোৰ আন্তৰিক শুভেচ্ছা জনালো।

মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে, মোৰ কাৰ্য্যকালত অজানিতে কৰা ভুল-ক্ৰুটীবোৰৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু নগাঁও ছোৱালী মহাবিদ্যালয়"

জয় আই অসম।

শ্ৰীইন্দ্ৰানী দাস,
তৰ্ক আৰু নাট সম্পাদিকা, ছাত্ৰী একতা সভা।



ৰীতা বৰা
বছৰৰ শ্ৰেষ্ঠা সংগীত প্ৰতিযোগী
(১৯৮৬-৮৭)



জ্যোতিকা কাকতি
শ্ৰেষ্ঠা অভিনেত্ৰী
১৯৮৬-৮৭



ভাৱতী কোঁৱৰ
শ্ৰেষ্ঠা খেলুৱৈ
১৯৮৬-৮৭

# The Nuclear Arena

Mr. Jonali Sharma
T.D.C. 3rd yr.

Perhaps the most grave danger faced by mankind today is the impending threat of a nuclear war and a holocaust thereafter. It is indeed ironical to think that men can use their own brain child to destroy and demolish the whole race of mankind. Nuclear power is a product of highly scientific research and with its first appearance during the second world war which was by no means a happy event, it has indeed come a long way and reached such a stage where nations are vying with each other in acquiring new and sophisticated nuclear weapons to gear up their security measures. And the dark cloud of insecurity goes on shadowing horizon of every peace loving individual.

Nuclear power which is the humankind's most spectacular discovery of the 20th century is not cut out for destructive purposes alone. If harnessed for peace, it can make earth a heaven, but, if used for warfare alone, it will destroy the whole planet. The peaceful applications of nuclear power in different fields—agriculture, industry, medicine, transport and others are of for reaching importance. Nuclear poweredships, for example, can make quick responses in case of natural disasters. They can sail to the site of disaster and provide all possible help. Nuclear reactors can help in space research. Cobalt 'bombs', another nuclear product can help medicine in its most vital work of curing diseases, such as cancer. Similarly, in the feld of agriculture too, radioactivity can help scientists in important discoveries. Besides these, radioactivity, if properly controlled and channelised by man for peaceful purposes, will prove an incomparable source of energy.

India have always crusaded for peace, freedom and equity, and she is the first among nations to use nuclear power for peaceful purposes. Since the first nuclear explosion at Pokharan to the recent successful achievement of the fast breeder, nuclear reactor at Kalpakkam, India have always maintained her stand of using the atom for peace. But unfortunately, all nations do not think alike. The United States and the Soviet Union, the two Power Blocs of today, are incesantly engaging themselves with their nuclear arsenal and military hardwars pile up. They are busy developing 'star-war' programmes on one hand and organising a futile facade of arms limitation and arms control discussion on the other. Ultimately this is resultng in an insane and terrifying enthusiasm for arms race.

Mr. C. Rejagopalachari, rated as one of the wisest man of his times once boldly asked President Kennedy to dump all his nuclear arsenal into the Pacific. In his thinking, the only way to prevent the use of nuclear weapons is not to have them at all. But the U. S. totally stakes its faith on the nuclear power and consider them absolutely necessary to face the threat posed by the Soviets. But this thinking of the West is not very Justifiable, because from the time of the Hiroshima, Nagasaki bombing the Soviets have always advocated the total ban of nuclear weapons. But under present circumstances, the Soviet leaders have made it abundantly clear through actions that the disarmament programme can be a reality only if the Americans shelve their Star War programmes. There is very faint hope in this prospect because the American president regard it as an issue of personal prestige. He has made it clear from the beginning that whatever might be the fate of the world, he would continue to acquire the most accurate and deadly nuclear weapon with absolute foulproof delivery system. So to keep pace with them, Russia too developed her own nuclear devices and both has thus acquired the dubious distinction of becoming Super Powers. To make matters worse, small countries like Libya, Pakistan, Israel etc are also fast acquiring nuclear capabilities. Growing military expenditure of the developing countries is becoming a serious cause of concern. A slight misunderstanding or a false signal by anybody can immediately trigger off a global war. With threats of anticipatory and retaliatory attacks looming large, doomsday is perhaps the end the world is heading to.

Repetition of words like nuclear war, star wars, arms race etc. would not mean much to a common man until he realizes their full implications. World War II was carried on over a period of five years, and yet, the amount of destructions and devastations left the world horror struck. Since that time nuclear power has multiplied over a thousand time and to have a full scale nuclear war at this stage would mean the death and destruction of full five years inflicted in a single day. According to Arthur C. Clarke, the only analogy we can closely approach is to what Carl Sagan pointed out in 'Cosmos': It would be 'World War II once a second for the length of a lazy afternoon.'

But that is not all. There are other disasters as well even without a war, like the Chernobyl nuclear accident which claimed a heavy toll of lives. Should such risks be taken where hopes of recovery and survival are at stake. For mutual survival should the Super Powers jeopardise the very existence of mankind? Is it worthwhile to magnify the military budget, when other acute problems such as poverty, hunger, destitution, illiteracy and other global problems, not to speak of environmental pollution, are fast gripping the world?

The Hiroshima, Nagasaki bombing was an eye opener which did not quite serve its purpose. Now the Chernobyl accident has again lightened up the grave consequences of the foolhardy actions some nations are indulging in.

Super Power Summits end with fruitless results. So the non-aligned nations should take a positive and firm stand on being completely neutral without any 'camp inclination' and continue their efforts to bring about disarmament and free the world from an impending nuclear war. Rendering Nuclear weapons 'impotant and obsolete' or setting up a moratorium is not a permanent solution to the problem because their very existence spells doom. So to save the world from a nuclear catastrophe, it is most wise and sensible to give up nuclear weapons altogether.

Instead of hazarding the lives of millions, this 'super power' should be used to make the world a better place to live in. Let us hope wisdom dawns on the two Super Powers. Let us live and let live. Let us remember the words carved on the memorial cenotaph in the Hiroshima peace Memorial Park—

'Rest in peace, for the mistake shall not be repeated".

# HUMAN RESOURCE MANAGEMENT
# A WAY FOR ALL DEVELOPMENT.

**A. K. SARMAH,**
**Lecturer in Statistics**

To spot light the outcomes of the present education system, we see that our universities are producing a lot of unemployed youths and the society is feeling suffocated in it. Consequently, it has diverted to produce a sizeable quantity of genous as compared to the over all population. This problem has assumed alarming dimension and if it is not solved right now the society is going to be the hot beds of a economic class struggle. As a result, it may slow down the wheel of progress by many centuries. The pointers of such dangers aiso indicate threat to national security, regional economic disperities, etc. If we at all have to fight against illiteracy and narrow down the economic disperities among the classes. The intensification of the above mentioned struggle on social and economic issues will result in strenthening the nation from all angles. The government and other social organisation should not sit back on these issues. The situation needs a specially tailored package programme to stop the danger ahead.

Though the government has taken measures in utilising natural resources, industrial development, protection of environment, transport and communication, application of science and tecnnology, THE HUMAN RESCURCE DEVELOPMENT PROGRAM needs a special attention. In a developing country like India the resultant speed of human resource development programme is not accelavating and the outcome is uuemployment problem. Dne to the factors like religion & caste system, illiteracy etc, population trend is also rising exponentially and it has a direct impact in unemployment.

We are siting on the mid way of history and the entire future depends on what course of action we pick up and how we face the reality. Analysing the geographycal conditions we see that our country is teming with natural wealth. We believe, emphasis ON The HUMAN RESOURSE MANAGEMENT will be the optimal strategy for a new climate of change in Indian economy. Infact we have a human resourse development ministry in centre which aims in optimal use of manpower so that the out put is a maximum. The operations of such employment genarating programs are Integrated rural developement program ( IRDP ), National rural employment program ( NREP) Rural landless employment genarating Program (RLEGP). But analysing the statistics provided for this purpose we see that the operational out come is not upto the mark. This may be due to negative factors like inefficient stuff, Budgettary delays, corruption etc. What can be suggested on this issue is that strict supervision of project implementatary stuff with co-operation of all section of people is a must to achieve the goal.

As a sub strategy of human resource development the policy makers should immediately find a format of new education system which should be a switch to all improvement in quality of life as well as society. Presently we have such a system in experimental basis ( viz Novodays vidyalaya and the result is invisible ). Because Education which is a means to the end plays a steering role to make an individual mentally matured and fit them for life and decision making problems in their respective fields. The real life problems are not stareo type but very much complicated in nature. Aparently, the present Education system may not be able to answer to those real field problems.

The students of our genaration have to drive the society tomorrow and take the country forward into the next century reling on the accetarator, steering and minimally on brakes. They should keep in mind that in the competation of life, a most successed person is he who has the best information and can do largest amount of work in shortest period of time. For this they should first identify their expectations in life i,e they should be clear about their aims and objectives. We should not be confused one's career to simply getting a job. In fact one's

career in the function of internal value system and personality with definite objective to surve the society. Second phase should be cultivation of Scientific temper right from the beginning. In this phase they should prepare themselves to be decision makers. Ueually the decisions are not straight forward in the cemplicated problems and there arises a lot of decisions. So the decision makers first job has to find the probable decisions with the help of given informations, Again for every decision there is a loss associated in it because if he or she takes a wrong decision he or she would be a losser either in terms of money or in terms of times, Also the resultant of taking a wrong decision may be fatal in some cases. For the right decision one has a zero loss. The average loss can be considered as the risk involved in it decision making. So the decision maker's best strategy has to choose the decision where the risk of taking a wrong decision is a minimum. The third phase should be to sacrifice their labour, time, money etc optimally as per expectation in career prospects. The teaching community of to-day will have to play a leading role by leaps and bound to guide the true decision maker of tomorrow, We donot remark expect the above mentioned formate of Human Resource Management aud New Education Policy to come out in biack and white. It should be translated into action in tetter and spirit. Also all section of society should minimise their differences and join their helping hands to run the specially tailored program; only then a new ere of economic integration and social oneness will promise a exiting future,

* *


References

(1) Main stream— Annual 1986

(2) Yojana— Spt, 15th Aug. 1986 Numer,

(3) Decision Theory— Pergen,




# Remember The Past

## Who is Who?

## They are memorable.

1 RAJA RAM MOHAN ROY – (1772-1833) Social reformer of Indian waged a war against 'Sati' system, Child marriage and Purdah—championed widow marriage founder of Brahma Samaj,

2) Dr. RAJENDRA PRASAD – (1884-1963) Congress leader from Bihar, he was chairman of Constituent Assembly and became first President of Indian Repuplic in 1950,

3) Dr. S. RADHAKRISHNAN – ( 1888-1975 ) Indian scholar and philosopher. He was the second President of the Indian Repuplic. His famous work was 'Bhagavat Gita, the Hindu view of life,

[4] MAHATMA GANDHI – [1869-1948] Most people know Mohandas Karamchand Gandhi as the Mahatma, In 1887 Gandhi passed the matriculation examination. An Indian ascetic and spiritual leader worked for Independence from Britain largely by non-violent civil disobedience assassinated by a Hindu fanatic.

(5) GALILEO GALILEI – (1564-1642) He was an Italian astronomer. Although he studied medicine at the University of Pisa, he was interested in Machanics to which he contributed a great deal,

6) ABUL FAZAL = [ 1557-1602] The author of 'Ain i-Akbari' and 'Akbar Nama' was Prime-Minister of Akbar.

7] JAWAHARLAL NEHRU – [1889-1964] The first Prime-Minister of free India, Author of an Autobiography 'Glimpses of World History' and 'Discovery of India',

8) MARIA MADAM MONTESSORI – (1869-1952] Italian Educationist; she founded a new method in education known as 'Montessori Method',

9) ARCHIMEDES – (287-212 B.C,) Greek scientist who gave us the Archimedes' principle which we still use He was killed by Roman soldiers wo had invaded syracuse, who had no idea of his greatness.

10) **NEWTON** ( 1642-1727) The greatest scientist of the 17th Century and leader of the scientific revolution that laid the basis of modern s e nce with his theory of gravitation, his invention of Differential Calculus, his contribution to dynamics and theory of light,

11) **LAL BAHADUR SHASTRI**—(1904-1966) He decided to meet the challenge from Pakistan concluded **Tashkent** Aggreement.

Collected by : Anita Borah
T. D. C. 1st year

# THINK & ACT

## CASTE

Be not proud of thy caste,
For, he alone is Brahmin, who knows
The Brahma, the only God.

O! unwise one, be not proud of thy caste,
For, a myriad errors flow out of this pride.

—Guru Amar Dass.

## TRUTH

Knowing a concept just as it is truth
Truth always does good.
That which is not good but brings
On misery is not truth.

—H. Rajpal.

Collected by :— Malabika Das.
T. D. C. III year